CHHAYGAON COLLEGE
ESTD-1974



ত্রয়োত্রিংশতম্

সম্পাদক ‖ দিপাংকৰ কলিতা

# অসমৰ জাতীয় সংগীত

অ' মোৰ আপোনাৰ দেশ
অ' মোৰ চিকুণী দেশ
এনেখন শুৱলা এনেখন সুফলা
এনেখন মৰমৰ দেশ।

অ' মোৰ সুৰীয়া মাত
অসমৰ সুৱদি মাত
পৃথিৱীৰ ক'ত বিচাৰি জনমটো
নোপোৱা কৰিলেও পাত।

অ' মোৰ ওপজা ঠাই
অ' মোৰ অসমী আই
চাই লওঁ তোমাৰ মুখখনি এবাৰ
হেঁপাহ মোৰ পলোৱা নাই



# কুলশী

## ছয়গাঁও মহাবিদ্যালয়ৰ আলোচনী

ত্ৰয়োত্ৰিংশতম্ প্ৰকাশ

২০১৮-২০১৯ বৰ্ষ

CHHAYGAON COLLEGE

বিদ্যা সাধয়তে

ESTD-1974

তত্ত্বাৱধায়ক
**উপেন ডেকা**

সম্পাদক
**দিপাংকৰ কলিতা**

KALAHI
33rd Issue
The Journal of Chhaygaon College
Session : 2018-2019

# ৩৩ তম কলহী ৰ নেপথ্যত

উপদেষ্টা : ড° ৰাজু বৰদলৈ
সভাপতি : কমল দাস
তত্বাৱধায়ক : উপেন ডেকা
সম্পাদক : দিপাংকৰ কলিতা
শিক্ষক সদস্য : ড° নৰ কুমাৰ কলিতা
: কমল ঠাকুৰীয়া
: ড° ফণীন্দ্ৰ কলিতা
: লক্ষ্য শৰ্মা
ছাত্ৰ/ছাত্ৰী সদস্য : ৰূপম দাস
: বনজিৎ কলিতা
: বাসুদেৱ দাস
: গায়ত্ৰী দাস
প্ৰচ্ছদ : বনজিৎ কলিতা
অংগসজ্জা : ৰূপম দাস আৰু দিপাংকৰ কলিতা
স্কেচ্ : বনজিৎ কলিতা
আৰ্হি নিৰীক্ষণ : সম্পাদনা সমিতি
মুদ্ৰণ : ডিজিট প্ৰিন্টাৰ্চ, ছয়গাঁও, ঔগুৰী পথ

কলহীত প্ৰকাশৰ বাবে বহুতো লিখনি আমাৰ হাতলৈ আহিছিল যদিও তাৰ মাজৰ পৰা নিৰ্বাচিত লিখনিসমূহহে প্ৰকাশ কৰা হ'ল। প্ৰকাশিত সকলোবোৰ লিখনি লেখকৰ নিজা। যিকোনো বিভ্ৰান্তিৰ বাবে সম্পাদনা সমিতি দায়ী নহয়।

# উচৰ্গা

যিসকল ব্যক্তিৰ নিঃস্বাৰ্থ ত্যাগ আৰু
কষ্টৰ বিনিময়ত ছয়গাঁও মহাবিদ্যালয়ে
আন্ধাৰ নাশি পোহৰৰ বাট বুলিছে
তেখেতসকলোলৈ
মহাবিদ্যালয়ৰ
মুখপত্ৰ
'কলহী'ৰ
এই সংখ্যাটি উচৰ্গা কৰিলোঁ।

— **সম্পাদনা সমিতি**

# ~ শ্ৰদ্ধাঞ্জলি ~



বিগত বৰ্ষত আমাৰ মাজৰ পৰা আঁতৰি যোৱা
মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা
সৰ্বভাৰতীয় খ্যাতিসম্পন্ন বিশিষ্ট শিশু সাহিত্যিক
**ড° গগণ চন্দ্ৰ অধিকাৰী দেৱৰ**
লগতে
ছয়গাঁও মহাবিদ্যালয়ৰ সৈতে জড়িত
যিসকলে পৰলোকলৈ গমন কৰিছে
সেই সকলোৰ প্ৰতি জনাইছোঁ
একাঁজলি শ্ৰদ্ধাঞ্জলি।

**— সম্পাদনা সমিতি**

Chhaygaon College Library
Date:.............
Kamrup : Assam

# কৃতজ্ঞতা স্বীকাৰ


- মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মহেশ কলিতা, মাননীয় অধ্যক্ষ ড° ৰাজু বৰদলৈ, বিশিষ্ট সাহিত্যিক ড° ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী, বিশিষ্ট চিন্তাবিদ ময়ূৰ বৰা লগতে আমাৰ মহাবিদ্যালয়ৰ সন্মানীয় অধ্যাপক-অধ্যাপিকা প্ৰমুখ্যে মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গলৈ।

- যিসকল লেখক-লেখিকাৰ লেখনিৰে এই সংখ্যা 'কলহী'ৰ সৌষ্ঠৱ বৃদ্ধি হ'ল সেইসকলোলৈ।

- যিসকল প্ৰাক্তন শিক্ষাৰ্থীৰ মনৰ অনুভৱ আৰু পৰামৰ্শই এই সংখ্যা 'কলহী'ক এক নতুন মাত্ৰা প্ৰদান কৰিলে সেইসকল ব্যক্তিলৈ।

- তত্বাৱধায়ক উপেন ডেকা ছাৰৰ লগতে অধ্যাপক ড° নগেন কলিতা ছাৰ, ৰাজীৱ ডেকা ছাৰ তথা সম্পাদনা সহযোগী ৰূপম দাস, বনজিৎ কলিতা, বাসুদেৱ দাস আৰু গায়ত্ৰী দাসলৈ।

- বিভিন্ন দিহা-পৰামৰ্শৰে সহায়-সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱীসকলোলৈ।

- ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈ।

- প্ৰচ্ছদ শিল্পী বনজিৎ কলিতাৰ লগতে ডিজিট প্ৰিন্টাৰ্চৰ সমূহ সদস্যলৈ।

— সম্পাদক, 'কলহী'

**ডাঃ কমলা কান্ত কলিতা,** *প্ৰাক্তন স্বাস্থ্য মন্ত্ৰী, অসম*
অধ্যক্ষ, খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ড, অসম



# শুভেচ্ছাবাণী

মহামাৰী সৃষ্ট দীৰ্ঘদিনীয়া অস্বাভাৱিক পৰিস্থিতিৰ বাবে প্ৰকাশ কৰিব নোৱাৰা ছয়গাঁও মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'কলহী'ৰ ত্ৰয়োত্ৰিংশতম্ সংখ্যাটো ছাত্ৰ একতা সভাই শেহতীয়াকৈ প্ৰকাশৰ প্ৰস্তুতি চলোৱা বুলি জানিব পাৰি পৰম আনন্দিত হ'লো। প্ৰতিকূল পৰিস্থিতিৰ পিছতো ভাগৰি নপৰা মানসিকতাৰ ছয়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া আৰু কৰ্তৃপক্ষৰ এই আশাশুধীয়া পদক্ষেপক পোনতে ধন্যবাদ জনালোঁ। অতি সুন্দৰকৈ প্ৰকাশ পাই অহা 'কলহী'ৰ প্ৰতিটো সংখ্যাই আমাক আহ্লাদিত কৰি আহিছে। আশাকৰো এইবাৰো তাৰ ব্যতিক্ৰম নহ'ব। কলহীয়ে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ সাধন কৰি অসমৰ সাহিত্য আন্দোলনলৈও অৰিহণা যোগাবলৈ সক্ষম হওঁক।

শেষত মোৰ অতিকৈ আপোন এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু ইয়াৰ লগত জড়িত সকলোলৈকে শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

(ডাঃ কমলাকান্ত কলিতা)

**মহেশ কলিতা**
সভাপতি, মহাবিদ্যালয় পৰিচালনা সমিতি
ছয়গাঁও মহাবিদ্যালয়, ছয়গাঁও
ফোন নং- ৯৫৩১১১১৪০০



# শুভেচ্ছাবাণী

ছয়গাঁও মহাবিদ্যালয়ৰ ৩৩ তম্ বাৰ্ষিক মুখপত্ৰ 'কলহী' প্ৰকাশৰ প্ৰস্তুতি চলোৱা বুলি জানিব পাৰি মই অতিশয় আনন্দিত হৈছো। এই প্ৰচেষ্টা অতি সৎ আৰু আদৰণীয়। মুখপত্ৰ এখনি হৈছে শিক্ষানুষ্ঠানৰ দাপোনস্বৰূপ আৰু তাতেই প্ৰতিফলিত হয় ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰতিভা। অনুষ্ঠান এখনৰ মুখপত্ৰই সেই অনুষ্ঠানখনৰ বিভিন্ন গৌৰৱৰ স্মৃতি এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ কঢ়িয়াই লৈ যায়। এই স্মৃতিয়েই সময়ত অনুষ্ঠানটোৰ ইতিহাস ৰচনাত প্ৰধান ভূমিকা গ্ৰহণ কৰিব। মহাবিদ্যালয়ৰ পৰা প্ৰকাশিত মুখপত্ৰখনে অনুসন্ধিৎসু তথা জ্ঞান পিপাসু লোকৰ বাবে কঢ়িয়াই আনিব অঞ্চলটোৰ অন্তৰ্নিহিত উদ্দেশ্যৰ ব্যাখ্যা। আমি মনত ৰখা উচিত যে ইতিহাসৰ পাতত জিলিকি থকা একো একোজন মহৎলোক, বীৰ-বীৰাঙ্গনাৰ কৃতকাৰ্যতাৰ অন্তৰালত একো একোজন শিক্ষাগুৰুৰ অশেষ ত্যাগ, প্ৰেৰণা, জ্ঞান, কঠোৰ শ্ৰম, অভিজ্ঞতা আৰু আশীৰ্বাদ অন্তৰ্নিহিত হৈ আছে। মুখপত্ৰ 'কলহী'ৰ লিখনিসমূহে ছয়গাঁও অঞ্চলৰ শৈক্ষিক, সাংস্কৃতিক আৰু সামাজিক উন্নয়নৰ ক্ষেত্ৰত উল্লেখযোগ্য ইন্ধন যোগাব বুলি আশা কৰিছো।

সদৌ শেষত ছয়গাঁও মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰ উন্নতি তথা মঙ্গল কামনা কৰিলোঁ।

আন্তৰিক শুভেচ্ছাৰে—

(মহেশ কলিতা)
(৩০/০১/২০২০)



# অধ্যক্ষৰ মেজৰ পৰা...

বিগত ২০১৮-১৯ ইং বৰ্ষৰ আমাৰ মহাবিদ্যালয়ৰ দাপোণ স্বৰূপ 'কলহী' আলোচনীখন আজিকোপতি প্ৰকাশ কৰিব পৰা নগ'ল। আমাৰ হাতত প্ৰয়োজনাধিক ধন থকাৰ পিছতো ক'ভিড -১৯ ৰূপী মহামাৰীৰ কবলত পৰি সৃষ্টি হোৱা দীৰ্ঘদিনীয়া এনে অৱস্থাৰ বাবে মই ব্যক্তিগতভাৱে ব্যথিত হোৱাৰ লগতে ছাত্ৰসমাজৰ প্ৰতি থকা দায়ৱদ্ধতাক অস্বীকাৰ কৰিব খোজা নাই। এনে এক পৰিস্থিতিৰ মাজতো আলোচনীখন দেৰিকৈ হ'লেও প্ৰকাশৰ ক্ষেত্ৰত আগবঢ়োৱা একনিষ্ঠ প্ৰচেষ্টাৰ বাবে ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদক শ্ৰীদিপাংকৰ কলিতা আৰু শিক্ষক তত্বাৱধায়ক শ্ৰীউপেন ডেকাক মই আন্তৰিক শুভেচ্ছা জনোৱাৰ লগতে কলহীৰ গতিত ভৱিষ্যতেও কোনো বাধাৰ প্ৰাচীৰ থিয় নহওঁক- এই কামনাৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ। দেৰিকৈ হ'লেও প্ৰকাশ হোৱা আলোচনীখনে ছাত্ৰ সমাজৰ বৌদ্ধিক বিকাশৰ পথত এক নিৰৱচ্ছিন্ন অৰিহণা আগবঢ়াব।

জয়তু ছয়গাঁও মহাবিদ্যালয়

ধন্যবাদেৰে—

১৬/১১/২১

**(ড° ৰাজু বৰদলৈ)**
অধ্যক্ষ, ছয়গাঁও মহাবিদ্যালয়

# সম্পাদকীয়



"বন্দিত ছন্দিত
আশাৰে ৰঞ্জিত
আমাৰ জ্ঞানৰ আলয়....
ছয়গাঁও মহাবিদ্যালয়"
— অধ্যাপক দিলীপ কুমাৰ গোস্বামী

**কলহীপৰীয়া কথা ঃ**

মানৱ জাতিৰ কল্যাণ সাধনৰ উদ্দেশ্যেই সাহিত্যৰ সৃষ্টি। ভাষা, সাহিত্য, সংস্কৃতি- এটা জাতিৰ মূল পৰিচয়। জাতি এটাক কটকটীয়াকৈ একতাৰ ডোলেৰে বান্ধি ৰখাৰ মূল সমল। ছয়গাঁও-স্বকীয় ভাষা, সাহিত্য, সংস্কৃতিৰে মহীয়ান এক অঞ্চল। ছয়গঞা ভাষাটোৰ আছে এক সুকীয়া মাধুৰ্য্য। যাৰবাবে ভাষিকভাৱে এই অঞ্চলটো সমগ্ৰ অসমতে সুপৰিচিত। সাহিত্যচৰ্চাৰ ক্ষেত্ৰতো ছয়গাঁও অঞ্চলত অনেক সমল আছে। সদ্যপ্ৰয়াত হোমেন বৰগোহাঞিদেৱে তেওঁৰ সাহিত্য সাধনাৰ ক্ষেত্ৰত ছয়গাঁও অঞ্চলে যে এক বিশেষ বৰঙণি আগবঢ়াইছিল এই কথা তেওঁ নিজ মুখে ব্যক্ত কৰিছিল। ঠিক একেদৰে বিভিন্ন জাতি-জনজাতিৰ মিলনভূমি কলহীপাৰত গঢ় লৈ উঠিছে এক সমন্বয়ৰ সংস্কৃতি।

"জীৱনে-মৰণে মই
চিৰদিন অসমীয়া"
—চৈয়দ আব্দুল মালিক

**জাতি-মাটি-ভেটি আৰু আমি ঃ**

সাম্প্ৰতিক অসমৰ জনজীৱন সামগ্ৰিকভাৱে অস্থিৰ হৈ পৰিছে। অসমীয়া জাতীয় সত্ত্বাৰ লগত সম্পৰ্কিত কিন্তু অমীমাংসিত বিষয় নাগৰিকত্ব সংশোধনী আইন, আন্তঃ ৰাজ্যিক সীমা বিবাদ, জাতিগত সংঘাত আদিয়ে অসমৰ আকাশ-বতাহ সময়ে-সময়ে উত্তাল কৰি ৰাখিছে। অসমীয়া জাতিয়ে পূৰ্বতেও বিভিন্ন প্ৰত্যাহ্বানৰ মুখা-মুখি হৈ আহিছে আৰু তাক সীমাহীন ত্যাগৰ বিনিময়ত হ'লেও পৰাভূত কৰি বিশ্ব দৰবাৰত নিজস্ব গুণ গৰিমাৰে জিলিকি উঠিবলৈ সক্ষম হৈছে। এটা কথা স্বীকাৰ কৰিবই লাগিব যেতিয়াই জাতি সংকটৰ সন্মুখীন হৈছে তেতিয়াই সেই সংকটৰ পৰা জাতিক উদ্ধাৰৰ বাবে সন্মুখৰ পৰা নেতৃত্ব দিছে অসমৰ ছাত্ৰ-সমাজে। আজিৰ ছাত্ৰ সমাজ সৰ্বদিশৰ পৰা সজাগ আৰু সচেতন। তথাপিও ক'ৰবাত 'কিন্তু' এটা ওলমি থাকে। বৰ্তমানৰ ছাত্ৰ-সমাজ বিপথে পৰিচালিত হোৱা বুলি এচামে সঘনাই কোৱা দেখা যায়। আমিও এই কথা নুই নকৰো যে পৰিৱৰ্তনৰ ধামখুমীয়াত তথা গোলকীয় বিশ্বৰ এজন বাসিন্দা হিচাপে যুৱসমাজৰ একাংশৰ মাজত কিছু উচ্ছৃংখলতাই দেখা দিছে। শেষত এটাই কথা আজিৰ ছাত্ৰ যিহেতু কাইলৈৰ দেশৰ ভৱিষ্যত সেয়েহে প্ৰতিজন ছাত্ৰই জ্ঞান সমুদ্ৰত সাঁতুৰি সৰ্বদিশৰ পৰা সজাগ আৰু সচেতন হৈ যাতে জাতি আৰু দেশৰ সেৱাত ব্ৰতী হ'ব পাৰে তাৰ বাবে নিজকে প্ৰস্তুত কৰি তোলা উচিত।

'A loveless world is a dead world'
---- Albert Camus

**মহামাৰীয়ে দিয়া যাতনা আৰু শিক্ষা ঃ**

ওৰাণ চহৰ। চিকিৎসক ডাঃ ৰিয়্যুখে এদিন চিকিৎসালয়ৰ পৰা নিজগৃহলৈ গৈ থাকোতে বাটত এটা মৰা এন্দুৰ দেখা পালে। ঘৰলৈ গৈ তেওঁ নিজৰ ঘৰৰ ভিতৰতো এটা এন্দুৰ মৰি থকা দেখা পাই তেওঁ কিছু আচৰিত হ'ল। কিছুদিনৰ ভিতৰতে গোটেই চহৰতে মৰা এন্দুৰ ভৰি পৰিল আৰু গোটেই চহৰখনে প্লেগ মহামাৰীত আক্ৰান্ত বুলি চৰকাৰী পক্ষই ঘোষণা কৰিলে। মহামাৰীৰ সময়ছোৱাৰ মানুহৰ দুখ-কষ্ট যন্ত্ৰণা আমি পঢ়িছিলো আলবেয়াৰ কেম্যুৰ বিখ্যাত উপন্যাস 'প্লেগ'ত। কিন্তু যোৱা দুবছৰে আমি চাক্ষুষ অভিজ্ঞতাৰ মুখামুখি হ'লো। 'ক'ৰনা' মহামাৰীৰ সংহাৰত কিদৰে লাখ লাখ মানুহ মৃত্যুমুখত পৰিল, অক্সিজেন নাই, চিকিৎসা কৰিবলৈ হাস্পাতালত বিছনা নাই, দূৰে দূৰে থাকিয়ে আত্মীয়জনক বিদায় দিবলগা হোৱা কৰুণ পৰিস্থিতি, দূৰতে পৰি থকা মাস্ক-ছেনিটাইজাৰ কিদৰে হৈ পৰিল মানুহৰ নিত্য ব্যৱহাৰ্য সামগ্ৰী, মহামাৰীয়ে তচ্‌নচ্ কৰি থৈ যোৱা অৰ্থ ব্যৱস্থা, লাখ লাখ গৃহমুখী শ্ৰমিকৰ যাতনা, হতাশা-নিৰাশাৰ ছবিবোৰৰ আমি সাক্ষী হ'লো। এতিয়া আহো মূল কথালৈ। এই কথা আমি স্বীকাৰ কৰিবই লাগিব প্ৰতিটো প্ৰত্যাহ্বানে আমাক একো একোটা শিক্ষা প্ৰদান কৰি থৈ যায়। বিজ্ঞান-প্ৰযুক্তি বিদ্যাত মানৱজাতিৰ অপৰিসীম আধিপত্যৰ পিছতো ক্ষুদ্ৰ এটা ভাইৰাছে সমগ্ৰ বিশ্ববাসীক স্থবিৰ কৰি দিলে, সাৰি নগ'ল আমেৰিকা, ইংলেণ্ড আদিৰ দৰে চিকিৎসা বিজ্ঞানত আগবঢ়া দেশবোৰো। মানৱজাতি যে প্ৰকৃতিৰ দাস এই কথা আমাক সময়ে সময়ে প্ৰকৃতিয়ে সোঁৱৰাই দি আছে যদিও আমি তাক আওকান কৰি প্ৰকৃতিৰ ভাৰসাম্য বিনষ্ট কৰি মাথো নিজৰ মুনাফা লাভত গুৰুত্ব দিও। প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা কৰি নিজৰ লগতে ভৱিষ্যত প্ৰজন্মৰ পৃথিৱীখন সুস্থ সৱল কৰি ৰখাতো আমাৰ গুৰুদায়িত্ব।

**ব্যক্তিগত ঃ**

মহাবিদ্যালয়ৰ আলোচনী 'কলহী'ৰ ছপা কাম প্ৰায় শেষ হোৱাৰ সময়তে বিশ্বজুৰি সংহাৰ সৃষ্টি কৰা ক'ৰনা ভাইৰাছৰ বাবে ইয়াৰ কাম আমি তেনেকৈয়ে এৰিবলগীয়া হৈছিল। যাৰবাবে আলোচনীখন সময়মতে প্ৰকাশ কৰিব পৰা নগ'ল। আলোচনীখন যথা সময়ত উলিয়াব নোৱাৰাৰ বাবে আমি দুঃখিত। আলোচনীখনৰ পূৰ্বৰ গৰিমা অকণো যাতে লাঘৱ নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি আমি প্ৰতিটো কাম নিয়াৰিকৈ কৰিবলৈ চেষ্টা কৰিছো। তথাপিও অজানিতে ক'ৰবাত হৈ যোৱা ভুল-ক্ৰুটিৰ বাবে আপোনালোকৰ ওচৰত মাৰ্জনা বিচাৰি ছয়গাঁও মহাবিদ্যালয়ৰ ৩৩সংখ্যক মুখপত্ৰ 'কলহী' আপোনালোকৰ হাতত অৰ্পণ কৰিলোঁ।

হেঁপাহেৰে—

দিপাংকৰ কলিতা
(দিপাংকৰ কলিতা)




কৰ্তব্যৰত অৱস্থাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰাজু বৰদলৈ

# কলহী সম্পাদনা সমিতি





ড° ৰাজু বৰদলৈ, উপদেষ্টা
কমল দাস, সভাপতি
উপেন ডেকা, তত্বাৱধায়ক






শিক্ষক সদস্য-
ড° নৱ কুমাৰ কলিতা
কমল ঠাকুৰীয়া
ড° ফণীন্দ্ৰ কলিতা
লক্ষ্য শৰ্মা



দিপাংকৰ কলিতা, সম্পাদক






ছাত্ৰ-ছাত্ৰী সদস্য-
ৰূপম দাস
বনজিৎ কলিতা
বাসুদেৱ দাস
গায়ত্ৰী দাস

# মহাবিদ্যালয় পৰিচালনা সমিতি



মহেশ কলিতা
সভাপতি



ড° ৰাজু বৰদলৈ
অধ্যক্ষ আৰু সচিব



ৰেকিবুদ্দিন আহমেদ
বিশেষ নিমন্ত্ৰিত সদস্য



অৰুণ শৰ্মা
গু.বি. মনোনীত সদস্য







অভিভাৱক সদস্য/সদস্যা-
কমলেশ্বৰ দাস
চন্দ্ৰকান্ত কলিতা
প্ৰেমলতা কলিতা দাস







শিক্ষক সদস্য-
ড° নগেন কলিতা
ড° বনমালী নাথ
অনা-শিক্ষক সদস্য-
প্ৰতাপ বড়ো

# ২০১৮-১৯ ইং বৰ্ষৰ ছাত্ৰ একতা সভা



# মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ প্ৰতিভা





কৰিশ্মা ৰাভা, শ্ৰেষ্ঠ কণ্ঠশিল্পী
বাসুদেৱ দাস, শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী আৰু শ্ৰেষ্ঠ তাবি
দ্বীপজ্যোতি কলিতা, শ্ৰেষ্ঠ কৰ্মী




বুবুল দাস, শ্ৰেষ্ঠ খেলুৱৈ
পাৰুল দাস, শ্ৰেষ্ঠা খেলুৱৈ




বনজিৎ কলিতা, মিঃ ছয়গাঁও মহাবিদ্যালয়
প্ৰিয়ংকা দাস, মিচ্‌ ছয়গাঁও মহাবিদ্যালয়



২০১৯ ইং বৰ্ষত গুৱাহাটী বিশ্ববিদ্যালয় যুৱ মহোৎসৱত বিষ্ণু ৰাভা সংগীত প্ৰতিযোগিতাত দ্বিতীয় শ্ৰেষ্ঠ বঁটা লাভ কৰা আমাৰ মহাবিদ্যালয়ৰ গৌৰৱ ছাত্ৰী কৰিশ্মা ৰাভা



২০১৯ ইং বৰ্ষত ছয়গএ্রা লোক উৎসৱৰ প্ৰতিযোগিতামূলক সাংস্কৃতিক শোভাযাত্ৰাত শ্ৰেষ্ঠ দলৰ বঁটা গ্ৰহণ কৰাৰ মুহূৰ্তত আমাৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক দল




২০১৯ ইং বৰ্ষত দিল্লীত অনুষ্ঠিত ৰাষ্ট্ৰীয় যুৱ সংসদত কামৰূপ জিলাক প্ৰতিনিধিত্ব কৰা আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ বাসুদেৱ দাস

# সূচীপত্ৰ

**প্ৰবন্ধমালা**


**নাওখেল ঃ দক্ষিণ কামৰূপৰ এক পৰম্পৰা** ✍ বিষ্ণুজ্যোতি ৰাজবংশী/১
**দক্ষিণ কামৰূপীয়া মাধুৰী ঃ ভবেন দাস** ✍ বাসুদেৱ দাস/৪
**টমাছ আৰু কৌতুহল** ✍ কৰবী কলিতা/৭
**সাম্প্ৰদায়িকতাবাদ** ✍ জুবাইৰ হাছান/৯
**আত্মপ্ৰেমৰ প্ৰয়োজনীয়তা** ✍ সাগৰ দাস/১২
**সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ গীতত জাতীয় চেতনা** ✍ লুকমান আলি/১৪
**ৰাভা জনজাতিসকলৰ চমু পৰিচয়** ✍ ৰঞ্জুমণি ৰাভা/১৬
**কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰ** ✍ অজয় শীল/১৮
**যুৱ প্ৰজন্ম আৰু যুৱ মানসিকতা** ✍ নৱজ্যোতি কুমাৰ/২০
**জীৱন আৰু কৃতকাৰ্যতা** ✍ কমল ঠাকুৰীয়া/২২
**গ্ৰাম্য অঞ্চলৰ উন্নতিৰ বাবে সচেতন মহলৰ সামাজিক দায়বদ্ধতা** ✍ ড° ফণীন্দ্ৰ কলিতা/২৪


**কাব্যকানন**


**বিনন্দীয়া ছয়গাঁও** ✍ লিজা দাস/২৭
**ফাগুন** ✍ ৰীয়া বেগম/২৭
**শিক্ষাগুৰু** ✍ প্ৰহ্লাদ ৰাভা/২৮
**বাঁহী** ✍ অঞ্জলী কুমাৰী/২৮
**নৈৰ বুকুত বলা বতাহৰ গান** ✍ জিণ্টীময়ী কলিতা/২৯
**মই সাধাৰণতকৈ অন্য নহয়** ✍ বিজনজ্যোতি কলিতা/২৯
**দেউতাৰ স্মৃতি** ✍ জুলি মেধি/৩০
**অনুভৱ** ✍ সঞ্জয় নাথ/৩০
**ভালপোৱা** ✍ উপাসনা দাস/৩১
**জন-জাগ্ৰত** ✍ নিপ কুমাৰ কলিতা/৩১
**কল্পনা** ✍ অম্বিকা বড়ো/৩২
**সন্ত্ৰাস** ✍ তুলুমণি কলিতা/৩২
**ৰঙীন অনুভূতি** ✍ কৰবী দাস/৩৩
**বাস্তৱ** ✍ সুৰভী নাথ/৩৩
**আৱেগৰ অনুভূতি** ✍ বিদ্যুৎ কলিতা/৩৪
**মা** ✍ জ্যোতিৰূপা নাথ/৩৪
**আই** ✍ মিনাক্ষী কলিতা/৩৫
**গৰখীয়া** ✍ ভূষণ কলিতা/৩৬
**শেষ ডিচেম্বৰ** ✍ ৰাজীব ডেকা/৩৭
**হিয়াখন মৰুভূমি হ'ল** ✍ নিৰঞ্জন দাস/৩৮


**কথাশিল্প**


**বেসুৰা** ✍ ৰূপম দাস/৩৯
**চিতা** ✍ নিশা কলিতা/৪১
**পূৰ্ণিমা** ✍ ভায়োলিনা বড়ো/৪৩
**আধৰুৱা সপোন** ✍ লুনা ঠাকুৰীয়া/৪৫
**বৰষা যেতিয়া নামে** ✍ তপন ঠাকুৰীয়া/৪৭
**অৰ্ধস্বপ্ন** ✍ অম্বিকা বড়ো/৪৯
**বিধ্বংসী সহায়** ✍ জ্যোতিস্মা গোস্বামী/৫২




ENGLISH SECTION


Self Confidence : First step to Success ✍ Mehedi Hassan/৫৩
Importance of Communication Skills ✍ Gayatri Talukdar/৫৪
Technological Zombies ✍ Phulmoni Rabha/৫৫
Yug Purush of Indian Politics - A Tribute ✍ Dipankar Kalita/৫৬
Does Money Make Many Things? ✍ Uddipta Kumar/৫৮
Indian Army ✍ Joonmoni Kalita/৫৯
Community Management and Environment Protection ✍ Marjina Ahmed/৬০
Contrast ✍ Priyanka Das/৬৩
Thread ✍ Pampy Kalita/৬৩
To a Future that Does not Exist ✍ Gangotree Kalita/৬৪
A Beautiful Pain ✍ Anamika Thakuria/৬৪
The Lonely Soul ✍ Sonali Boro/৬৫
Nothing ✍ Kritanjali Rabha/৬৫
Friendship ✍ Debashree Biswas/৬৬
Let me Fly ✍ Dipannita Kalita/৬৬


हिन्दी विभाग


उपन्यासकार प्रेमचन्द और निर्मला उपन्यास का एक सामान्य लेख ✍ जुपितरा कलिता/৬৭
रामभक्ति : 'उद्भव और विकास' ✍ यतीन राजवंशी/৬৯
माँ ✍ गीतांजली दास/৭১
प्यार ✍ मिनाक्षी कलिता/৭১
सपना ✍ लीज़ा दास/৭২
मेरा बचपन ✍ निशांत आगरवाल/৭৩
नारी ✍ भृगुमणि दास/৭৩
जीवन: एक पहेली ✍ सीमाराणी कलिता/৭৪


অতিথি চ'ৰা


ধৰ্মৰ উৰ্দ্ধত ✍ ড° ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী/৭৫
আনন্দৰাম ঢেকিয়াল ফুকন ঃ ভাষিক সংগ্ৰামৰ মুখ্য সেনাধ্যক্ষ ✍ ময়ূৰ বৰা/৭৬
ৰাধাৰ আধা কৃষ্ণৰ বাধা ✍ জুনমণি দাস/৮৪


অন্যান্য শিতান


এটা কবিতাৰ আঁত ধৰি ঃ এই প্ৰজন্মৰ বেথা... ✍ অৰ্পণা ৰাভা/৮৫
A Letter to all those in power to influence and transform ✍ Pankaj Lochan Das/৮৭
শিক্ষামূলক ভ্ৰমণ ঃ দিল্লী, আগ্ৰা, ৰাজস্থানলৈ ✍ চুমী ঠাকুৰীয়া/৮৯
একাংকিকা নাট ঃ ৰাজপথৰ মালিতা ✍ ড° নগেন কলিতা/৯৩


কথোপ-কথন


বিজিত কলিতাৰ সৈতে বাৰ্তালাপ /১০৫
সোণোৱালী পথৰ সন্ধানত/১০৭

নিয়মীয়া শিতান /১০৯-১৪৪




# প্ৰবন্ধ মালা



সমালোচনা আৰু সৃষ্টিশীল ৰচনা সম্পৰ্কে ধাৰণা ব্যক্ত কৰি প্ৰাচীন সাহিত্যিকসকলৰ প্ৰায় ভাগেই সমালোচক আৰু সৃষ্টিশীল লেখকৰ মাজত বিভেদৰ সীমাৰেখা টানিছে। নাট্যকাৰ চেনেকাই সমালোচকসকলক সৃষ্টিশীল লেখকতকৈ তলত স্থান দিছে। ইংৰাজ নাট্যকাৰ বেন জনচনেও দুয়োৰে মাজত পাৰ্থক্য দেখুৱাই কৈছে যে সমালোচকৰ যদি সৃষ্টিশীলতা নাথাকে তেনেহ'লে তেওঁ সৃষ্টিশীল ৰচনাৰ কৌশলবোৰৰ বিষয়ে একো নাজানিব।

— ড° পৰাগ কুমাৰ ভট্টাচাৰ্য

# নাওখেল

## দক্ষিণ কামৰূপৰ এক পৰম্পৰা



**বিষ্ণুজ্যোতি ৰাজবংশী**
স্নাতক ষষ্ঠ ষাণ্মাসিক

পৃথিৱীৰ প্ৰায় সকলো দেশতে নাৱৰ প্ৰচলন আছে। পূৰ্বতে জলভাগত চলাচল কৰিবৰ বাবে ‘ভেল’ (ভুৰ) আৰু ‘নাও’ৰ ৰিস্থা আছিল। কিন্তু সময়ৰ সোঁতত সেই ভেলৰ প্ৰচলন নাইকিয়া হ’ল আৰু নাৱৰ ঠাই জাহাজ, ফেৰী আদিয়ে ল’লে।

প্ৰাচীন কালৰেপৰা অসমত নানা ধৰণৰ নাৱৰ প্ৰচলন হৈ আহিছে— চৰা নাও, গছ নাও, গেৰেপ নাও, ভাবীনাও, মাৰ নাও, াৰ নাও, ডিঙি নাও আদি। এই নাওবোৰেৰে নাৱিকসকলে এঠাইৰ পৰা আন ঠাইলৈ বেহা-বেপাৰ কৰি ফুৰিছিল। পিছলৈ ইয়াক নোৰঞ্জনৰ বাবে খেল হিচাপে ব্যৱহাৰ কৰা হয়।

নাওখেল হৈছে পৃথিৱীৰ একমাত্ৰ খেল য’ত খেলৰ লগত গীত ব্যৱহাৰ কৰা হয়। অৰ্থাৎ নাওখেল হৈছে ক্ৰীড়া আৰু ংস্কৃতিৰ সংমিশ্ৰণৰ এক অপূৰ্ব সমাহাৰ।

অসমৰ দক্ষিণ কামৰূপত নাওখেল আৰু ইয়াৰ গীতৰ পৰম্পৰা অতি পুৰণি। কোৱা হয় যে চান্দ সদাগৰে দশম শতিকাতে ান্দৰ খেৰাত (অসম-মেঘালয় সীমান্তত থকা এখন ঠাই) পোনপ্ৰথমে নাওখেলৰ প্ৰতিযোগিতা পাতি উপভোগ কৰিছিল। পিছলৈ লশী নৈ আৰু ইয়াৰ দক্ষিণে থকা কলহী নৈত নাওখেল পাতিবলৈ লয়।

দক্ষিণ কামৰূপৰ অধিকাংশ অঞ্চল নৈ, বিল, পুখুৰী, জলাহ আদিৰে পৰিপূৰ্ণ হোৱা বাবে এই অঞ্চলৰ গাঁৱৰ লোকসকল কম-বেছি পৰিমাণে নাও চলোৱাত পাকৈত। যাৰবাবে আজিও এই প্ৰাচীন সংস্কৃতি জীয়াই আছে। এই অঞ্চলৰ নাওবোৰ সাধাৰণতে দুই ধৰণৰ— গছ নাও আৰু ডিঙি নাও। ডিঙি নাওক খেল নাও, এক কেইঠা নাও অথবা হলোং নাও বুলিও কোৱা হয়। এই নাৱৰ সহায়ত ইয়াৰ মানুহে জলপথত যাতায়াত কৰে। ডিঙি নাও বা খেল নাও আকৌ তিনি ধৰণৰ দেখা যায়। দীঘলীয়া কৰী থকা তক্তা জোৰা দি কৰা, কৰী থকা এডাল গছতে কাটি কৰা আৰু জোৰা দি কৰা কৰী নোহোৱাকৈ সজা ডিঙি নাও। আগতে গছ নাৱৰ খেল হৈছিল যদিও বৰ্তমান ডিঙি নাৱৰ খেল হয়। খেললৈ নিয়াৰ আগতে নাওখন বিভিন্ন ধৰণে সজাই পৰাই লোৱা হয়। আৰু ৰাইজে ধূপ-ধূনা, নৈবেদ্যৰে সেৱা লৈ নাওখন পানীত নমায়। দক্ষিণ কামৰূপৰ কুকুৰমাৰা, পলাশবাৰী, ২নং জীয়াকুৰ, কুলশী, সতপুৰ, গুমি, ছমৰীয়া, পাৰঘাট আদি গাঁৱত এই খেলবিধ হয়। সাধাৰণতে ভাদ-আহিন মাহত পৰম্পৰাগতভাৱে অনুষ্ঠিত কৰা নাওখেলৰ প্ৰতিযোগিতা বিশেষভাৱে জনপ্ৰিয়।

নাওখেলৰ নাওখনৰ আগত থকা ব্যক্তিজনক 'কৰিয়াল' বুলি কোৱা হয়। কৰিয়ালৰ পিছত থকা ব্যক্তিগৰাকীক 'আগুৱাল' বুলি কোৱা হয়। আগুৱালৰ পিছত বঠা বোৱা ব্যক্তিসকল থাকে, যাক 'বাইছা' বুলি কোৱা হয়; আৰু তেওঁলোকৰ পিছত থাকে 'পদতি', যিয়ে বিভিন্ন গীত-পদ গাই খেলুৱৈসকলক উৎসাহ প্ৰদান কৰে। নাওখনৰ একেবাৰে শেষত থকা ব্যক্তিজনক 'গুৰিয়াল' বুলি কোৱা হয়। তেখেতে নাওখনৰ কৰীত (নাৱৰ পিছফালৰ ওখ অংশ) উঠি দীঘল বঠা এপাটেৰে নাওখনক দিশ প্ৰদান কৰে।

আগতেই উল্লেখ কৰা হৈছে যে নাওখেল হৈছে ক্ৰীড়া আৰু কৃষ্টিৰ এক অপূৰ্ব সমাহাৰ। নাওখেল যদিও বৰ্তমান এক আন্তঃৰাষ্ট্ৰীয় খেল ইয়াৰ আৰম্ভণি কৰিছিল গাঁৱৰ খাটি খোৱা কৃষিজীৱী মানুহে। তেওঁলোকে এই খেলত কিছুমান গীত গাই নিজৰ মনৰ ভাৱ প্ৰকাশ কৰাৰ লগতে খেলুৱৈসকলক উৎসাহ প্ৰদান কৰে।

সাধাৰণতে নাওখেলৰ গীতসমূহ শ্ৰীকৃষ্ণ, বেউলা-লখিন্দাৰ, দেহ বিচাৰ আদিৰ ওপৰত গোৱা হয়। এই গীতসমূহ লিখিত ৰূপত পোৱা নাযায়, এইবোৰ মানুহৰ মুখে মুখে চলি অহা। এই গীতসমূহৰ এটা বিশেষত্ব হ'ল যে গীতসমূহ সুৰৰ ওপৰত অধিক প্ৰাধান্য দিয়া হয়।

নাওখেল চলি থকা সময়ত সাধাৰণতে কোনো বিশেষ গীত গোৱা নহয়, মাত্ৰ—

অ'.................... হেইছো...........

ৰামবোল, হৰিবোল এহে.........

হৰি ৰাম ৰাম হে.................

এনে ধৰণৰ উৎসাহ তথা মনোবল বৃদ্ধি ক দিহা গায়। কিন্তু নাওখেলৰ আগতে নাওখন খেলৰ ঠাইলৈ যোৱা সময়ত বা খেল শেষ কৰি ঘৰলৈ আহি থকা সময়ত কিছু গীত গোৱা হয়।

উদাহৰণস্বৰূপে ঃ

দিহা ঃ হুৱাইলো ৰে<br>
অ'ৰে নন্দেৰ নন্দন<br>
অ'ৰে চন্দেৰ চন্দন<br>
আমাৰ হুৱাইলো ৰে.................

পদ ঃ জয় নমো নাৰায়ণ অ' — নি নিৰঞ্জন।<br>
তোমাৰ চৰণে প্ৰভু পশি শৰণ।।................................

ইয়াৰ উপৰিও অন্য এটি গীত—

দিহা ঃ হায় মোৰ মলুৱা ৰে<br>
অ' মোৰে মলুৱাক কোনে মাৰিলা<br>
হায় অ' .......... হায় মোৰ মলুৱা ৰে<br>
...............................

এই গীতটি প্ৰায় সকলোৰে চিনাকি। এ গীতটি প্ৰথমে ভাৰতৰত্ন ড° ভূপেন হাজৰিকাদেৱৰ কণ্ঠ আকাশবাণী গুৱাহাটীত প্ৰচাৰ হৈছিল। নাওখেলত বেউলা লখিন্দাৰৰ ওপৰতো গীত গোৱা হয়।

উদাহৰণস্বৰূপে ঃ

দিহা ঃ কি এহে'<br>
অ' কাকা বুকোৰ ভাই<br>
শান্তি ভেল আইহ্‌বা লাগছি<br>
লাহৰী খেলাই হে।

পদ ঃ মৰা স্বামী কোলে লৈ<br>
চান্দৰ বোৱাৰী আই<br>
স্বামীক জীয়াবলৈ কৈলাশকে য হে।......................

বেউলা সতী আই<br>
ভেলে উজাই যায়<br>
কৈলাশৰো বাটে যায় নেতাক লাগ পাইহে।..................



এনেধৰণৰ গীতসমূহৰ উপৰিও দেহবিচাৰৰ
তিৰ লগতে দক্ষিণ কামৰূপৰ লোক সংস্কৃতিৰ অন্যতম কৃষ্টি
তেলী নামৰ গীতসমূহো ইয়াত গোৱা হয়।

নাওখেল খেলিবলৈ যোৱা খেলুৱৈসকলক
লাগুৰা অথবা গুৰা সান্দহ খুৱাই খেললৈ পঠোৱা হয় আৰু
খলি অহাৰ পিছতো জালাগুৰা অথবা গুৰা সান্দহ, গুৰ মিঠৈ
দি খাবলৈ দিয়া নিয়ম অতীতৰে পৰা চলি আহিছে। আগতে
ওখেলত পুৰস্কাৰ হিচাপে ডাব নাৰিকল, পিতলৰ কলহ অথবা
ঠা ছাগলী আদি দিয়া হৈছিল। যাৰবাবে এই খেলবিধৰ মাদকতাই
কীয়া আছিল।

**সামৰণি** ঃ ভাৰতবৰ্ষত আনুষ্ঠানিকভাৱে নাওখেল অনুষ্ঠিত হোৱা ৰাজ্য কেৰেলাৰ পাছতেই অসম। কিন্তু কেৰেলাই নাওখেলক লৈ যেনেকৈ পৰ্যটনৰ ক্ষেত্ৰত সুযোগৰ সৃষ্টি কৰিছে সেয়া অসমে কৰিব পৰা নাই। নাওখেল তথা ইয়াৰ গীতসমূহ নৱ প্ৰজন্মৰ আগত চিনাকি কৰি দিবলৈ কোনেও চেষ্টা নকৰাৰ ফলত এই পৰম্পৰাগত লোক-সংস্কৃতি হেৰাই যাব ধৰিছে। ইয়াৰ উপৰিও নাওখেল অনুষ্ঠিত কৰাৰ বাবে হোৱা আৰ্থিক অসুবিধাইয়ো এই খেলবিধৰ ওপৰত সংকটৰ সৃষ্টি কৰিছে। এই পৰম্পৰাগত খেলবিধক আকৌ উজ্জীৱিত কৰি পৰ্যটনৰ বাবে আকৰ্ষণীয় কৰিবলৈ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। সদৌ শেষত দক্ষিণ কামৰূপৰ পৰম্পৰাগত লোক-সংস্কৃতিসমূহ প্ৰজন্ম- প্ৰজন্ম ধৰি উত্তৰণ হৈ থাকক, তাৰে কামনাৰে লেখা সমাপ্তি কৰিলো।

সহায়ক ব্যক্তি ঃ শ্ৰীসুকুমাৰ মেধি

□□□

Chhaygaon College Library
Date:............
Kamrup : Assam



# দক্ষিণ কামৰূপীয়া মাধুৰী
# ভবেন দাস


বাসুদেৱ দ
স্নাতক চতুৰ্থ ষাণ্মাসি


অসমীয়া চলচ্চিত্ৰ উদ্যোগলৈ যিসকলে অৱদান আগবঢ়াই আজিৰ পৰ্যায়লৈ লৈ অনাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে সেইসকলৰ ভিতৰত দক্ষিণ কামৰূপ অঞ্চলৰ ৰামপুৰৰ ভবেন দাসৰ নামটোও উল্লেখযোগ্য। উপযুক্ত প্ৰচাৰ আৰু চৰ্চাৰ অভাৱত এই উগ্যোগলৈ যথেষ্টখিনি অৱদান আগবঢ়াইও একপ্ৰকাৰ অপৰিচিত হৈয়ে থকা ভবেন দাসৰ বিষয়ে চৰ্চাৰ প্ৰয়োজন আছে। অসমীয়া ছবি উদ্যোগৰ লগতে বাংলা, হিন্দী, ওড়িয়া ছবি জগতত যথেষ্টখিনি কাম কৰি যোৱা ভবেন দাসে শৈশৱতে সাংস্কৃতিক দিশটোৰ প্ৰতি আকৃষ্ট হৈছিল নটসূৰ্য ফণী শৰ্মাৰ মঞ্চাভিনয় দেখি ।

প্ৰবীণ ফুকনৰ 'পাৰঘাটি', শৈল বৰুৱাৰ 'চাকনৈয়া', নিপ বৰুৱাৰ 'স্মৃতিৰ পৰশ' আৰু ফণী শৰ্মাৰ 'পিয়লি ফুকন' আদি চলচ্চিত্ৰৰ নিৰ্মাণকাৰ্যতো বিভিন্ন ধৰণে জড়িত থকা নিৰহংকাৰী দাসে এই ক্ষেত্ৰখনত ক্ৰমান্বয়ে কৌশলসমূহ আয়ত্ত কৰি ১৯৫৬ চনত লখিমী নামৰ চলচ্চিত্ৰখনৰ জৰিয়তে স্বাধীনভাৱে চলচ্চিত্ৰ পৰিচালনাৰ ক্ষেত্ৰত অভিষেক ঘটায় । লখিমী প্ৰডাকচনৰ বেনাৰত নিৰ্মিত এই চলচ্চিত্ৰখনৰ সংগীত পৰিচালনা কৰিছিল ব্ৰজেনে বৰুৱাই। য'ত জ্ঞানদা কাকতি, প্ৰবীণ ফুকনৰ দৰে নামজ্বলা অসমীয়াই মুখ্য চৰিত্ৰত অভিনয় কৰিছিল ।



'উপগ্ৰহ'ৰ এটি দৃশ্যত বিজয় শংকৰ আৰু পূৰ্ণিমা শই

লখিমীৰ মুক্তিৰ পাছত তেওঁ কানামাছি নামৰ এখন বাংলা লচ্চিত্ৰ পৰিচালনা কৰিছিল আৰু এইখন আছিল তেওঁ পৰিচালনা ৰা প্ৰথমখন বাংলা চলচ্চিত্ৰ। য'ত সাবিত্ৰী চট্টোপাধ্যায়, সুনন্দা নাৰ্জী, তপতী ঘোষ আদিয়ে অভিনয় কৰিছিল। লখিমী আৰু নামাছিৰ নিৰ্মাণৰ পাছত তেওঁ প্ৰযোজকৰ অভাৱত কেইবছৰমান লচ্চিত্ৰৰ নিৰ্মাণৰ কাম হাতত ল'ব পৰা নাছিল। অমায়িক াক্তিত্বৰ সৰ্বদাপ্ৰিয় ভবেন দাসে আন পৰিচালকৰ চলচ্চিত্ৰত তঃপ্ৰোতভাৱে জড়িত থাকি সেৱা আগবঢ়াই নিজৰ ছবি নিৰ্মাণৰ লিকা পেছাদাৰী প্ৰযোজক তথা সংগীৰ অভাৱত বহু সময়ত মকি ৰ'বলগীয়া হৈছিল। তেওঁক উপযুক্ত সহযোগিতা কৰিবলৈ কানো ওলাই অহা নাছিল এই কথা স্পষ্টৰূপে প্ৰতিফলিত হয় খিমীৰ নিৰ্মাণৰ পাছত দ্বিতীয়খন অসমীয়া চলচ্চিত্ৰ মুক্তি দিবলৈ ায় ১৭ বছৰ অপেক্ষা কৰিব লগা হোৱা আৰু কানামাছিৰ মুক্তিৰ াছত দ্বিতীয়খন বাংলা চলচ্চিত্ৰৰ নিৰ্মাণকাৰ্য হাতত ল'ব নোৱাৰা থা দুটাৰ পৰা। লখিমী নিৰ্মাণৰ ১৭ বছৰ পাছত চলচ্চিত্ৰপ্ৰেমী চামৰ সদিচ্ছাৰ বলত তেওঁৰ দ্বিতীয়খন অসমীয়া ছবি উপগ্ৰহৰ ৰ্মাণকাৰ্য সম্পূৰ্ণ হৈছিল। উপগ্ৰহ নিৰ্মাণৰ পাছতে ধৰ্মকাই আৰু া নামৰ ছবি দুখন নিৰ্মাণ কৰিছিল যদিও ইয়াৰ পাছত তেওঁ আকৌ মকি ৰ'ব লগা হয় । মাৰ বণিজ্যিক বিফলতাই তেওঁ সংগীহীনতা াৰু প্ৰযোজকৰ অভাৱত ভোগা কথাটো জল জল-পট পটকৈ লচ্চিত্ৰপ্ৰেমীৰ চকুত ফুটি উঠিছিল। ভবেন দাসে নিৰ্মাণ কৰা ৰ্মকাই চলচ্চিত্ৰখনৰ সংগীতে অসমীয়া জনতাৰ মাজত আজিও ক সুকীয়া স্থান দখল কৰি আছে। জয়ন্ত হাজৰিকাই সংগীত দিয়া ই ছবিখনৰ গীতসমূহ লিখিছিল ডঃ ভূপেন হাজৰিকা, ডঃ নিৰ্মলপ্ৰভা ৰদলৈ আৰু বিপুল কুমাৰ বৰুৱাই। চলচ্চিত্ৰখনৰ ৰাণাদাৰ কণ্ঠৰ ভৰিৰ তলুৱাৰ পৰা যদি ধৰাখন খহি খহি পৰা যেন লাগে' আৰু ৰ্মলা মিশ্ৰৰ সৈতে দ্বৈত কণ্ঠৰ 'সঁচাকৈ কোৱা কথাটি কোৱা ' ীত দুটিৰ সমাদৰ শ্ৰোতাৰ মাজত আগৰ দৰে একেই আছে। ৰ্মকাইৰ নায়ক-নায়িকা আছিল বিজু ফুকন আৰু ইলা কাকতি।



'লখিমী'ৰ এটি দৃশ্য



*'ধৰ্মকাই'ত বিজু ফুকনৰ সৈতে প্ৰশান্ত হাজৰিকা*

প্ৰচাৰ, খ্যাতি ,জনপ্ৰিয়তা আদিৰ আঁতৰত থাকি নিৰৱে সাংস্কৃতিক ক্ষেত্ৰখনত নিজৰ কৰ্ম সাধনাৰে কীৰ্তি ৰাখি থৈ যোৱা ভবেন দাসে অসমীয়া, বাংলা, হিন্দী আৰু ওড়িয়া এই চাৰিওটা ভাষাৰ চলচ্চিত্ৰ উদ্যোগৰ হৈ যথেষ্টখিনি কাম কৰিছিল। তেওঁ ছবি নিৰ্মাতা কল্যাণ গুপ্তাৰ সহকাৰী হিতচাপে ললিতা নামৰ ছবিখনৰ নিৰ্মাণকাৰ্যতো নিয়োজিত আছিল। মালা কাৰ্টুজ, জনতা ইনচাফ মাঙতা হ্যায় আদি হিন্দী চলচ্চিত্ৰত সহকাৰী পৰিচালকৰ দায়িত্ব সুচাৰুৰূপে পালন কৰা দাসে 'ঝংকাৰ' নামৰ এখন হিন্দী চলচ্চিত্ৰৰ পৰিচালনাৰ কামো হাতত লৈছিল যদিও ছবিখনে ছবি গৃহত মুক্তি নাপালে।

অসমীয়াকে ধৰি চাৰিটাকৈ চলচ্চিত্ৰ উদ্যোগত কাম কৰা অসমীয়া ব্যক্তিৰ তালিকা এখন বিচাৰিলে কিমানজনৰ নাম ওলাব সেয়া সচেতন চলচ্চিত্ৰপ্ৰেমীসকলৰ জ্ঞাত। ১৯৮৬ চনত তেওঁ অন্তিমখন অসমীয়া চলচ্চিত্ৰ 'মা'ৰ মুক্তি দিছিল। শেষৰখন চলচ্চিত্ৰ মুক্তিৰ ৩৫ টা বৰ্ষ গৰকাৰ পাছতো তেওঁৰ বিষয়ে উপযুক্ত ৰূপত চৰ্চা কৰাত আমি সম্পূৰ্ণৰূপে ব্যৰ্থ বুলি ক'লেও ভুল কোৱা নহ'ব। সমগ্ৰ অসমৰ প্ৰেক্ষাপটৰ কথা বাদেই দিলো, আজিৰ তাৰিখত জন্মস্থান দক্ষিণ কামৰূপতে ভবেন দাসৰ বিষয়ে উপযুক্ত চৰ্চা হোৱা নাই। সম্ভৱতঃ প্ৰমথেশ বৰুৱাৰ পাছতে বাংলা চলচ্চিত্ৰ নিৰ্মাণ কৰা দ্বিতীয়জন অসমীয়া আছিল ভবেন দাস। সি যি কি নহওক পাৰ হৈ যোৱা সময়ৰ কথা পৰিহাৰ কৰি এইজন সংস্কৃতিৰ সাধকক ন ৰূপত আজিৰ প্ৰজন্মৰ মাজত তুলি ধৰাৰ বাবেহে চিন্তা-চৰ্চা কৰাৰ সময় সমাগত। অন্যথা চিৰদিনৰ বাবে পাহৰণিৰ গৰ্ভত হেৰাই যাব অসমীয়া চলচ্চিত্ৰ উদ্যোগৰ ভেটি মজবুত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা ভবেন দাস এক শিল্পী সত্তা। ❑

*ইতিপূৰ্বে 'অসম বাণী'ত প্ৰকাশিত*

# টমাছ আৰু কৌতুহল

*Genius is one per-cent*
*inspiration and ninety nine*
*per-cent perspiration*
*– Thomas Alva Adision*

করবী কলি
উঃ মাঃ প্ৰথম



টমাছ আলভা এডিছনৰ—
জন্ম - ১৮৫৭ চনৰ, ২১ফেব্ৰুৱাৰীত
দেউতাকৰ নাম- ছেমুৱেল এডিছন
মাকৰ নাম- নাঞ্চি এলিয়ট

যি মূলা বাঢ়ে তাৰ দুপাততে চিন। অতি কোমল বয়সতে টমাছ আল্ভা এডিছনে তেওঁৰ স্বকীয় প্ৰতিভাৰ পৰিচয় দিবলৈ আৰম্ভ কৰিছিল। টমাছ আল্ভা এডিছন সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ উদ্ভাৱক তথা আৱিষ্কাৰক। তেওঁৰ আৱিষ্কাৰে পৃথিৱীখন আৰু মানুহৰ জীৱনধাৰণৰ এক প্ৰকাশ কৰিব নোৱাৰা পৰিৱৰ্তন সাধন কৰিছে। টমাছ আল্ভা এডিছন এনে এজন মহৎ লোক যাৰ পৰা আমি বিপদক সম্পদলৈ আৰু অসুবিধাক সুবিধালৈ ৰূপান্তৰিত কৰাৰ শিক্ষা পাব পাৰো। উদাহৰণস্বৰূপে আমি এডিছনৰ গ্ৰন্থাগাৰত জুই লগা কথাটোকেই ক'ব পাৰো। এডিছনৰ এটা বিশাল গ্ৰন্থাগাৰ আছিল। কোৱা হয় যে এইটোৱেই হেনো সমগ্ৰ পৃথিৱীতে এনে ধৰণৰ প্ৰথম গৱেষণাগাৰ য'ত এজন মানুহৰ নেতৃত্বত বহুতো কাৰিকৰী আৰু গৱেষণা কৰ্মীয়ে কাম কৰি নতুন নতুন সঁজুলি উদ্ভাৱন কৰিছিল। কিন্তু আচৰিতভাৱে বহুবছৰ ধৰি কঠোৰ পৰিশ্ৰম কৰি তেওঁ যিবোৰ মূল্যবান বৈজ্ঞানিক সঁজুলি তৈয়াৰ কৰিছিল সেইবোৰ এদিন জুইত ছাৰখাৰ হৈ গৈছিল। টমাছ আল্ভা এডিছনে গোটেই জীৱন ধৰি তিল তিলকৈ গঢ়ি তোলা অমূল্য গৱেষণাগাৰটো যেতিয়া চকুৰ আগতে জুয়ে পুৰি ছাই কৰি পেলালে, সেই এক ভয়ংকৰ দৃশ্যত তেওঁ হতাশ নহৈ জীৱনটোক

ভুনকৈ গঢ়াৰ এটা সুযোগ বুলিহে গ্ৰহণ কৰিছিল। তেওঁৰ মতে ৰই জুইয়ে তেওঁৰ অতীতৰ ভুলবোৰহে পুৰি পেলাইছে। গতিকে ৰ'ব পাৰি যে টমাছ আল্ভা এডিছনৰ নিচিনা কঠোৰ পৰিশ্ৰমী াৰু ধৈৰ্যশীল মানুহ পৃথিৱীত খুব কমেইহে উপজিছে।

বৰ্তমান ইতিহাসৰ সৰ্বশ্ৰেষ্ঠ আৱিষ্কাৰক টমাছ আল্ভা ডিছন, যাক ছাত্ৰাৱস্থাত এগৰাকী শিক্ষয়িত্ৰীয়ে অতি নিৰ্বোধ বুলি াবিছিল আৰু স্কুলত ভৰ্তি হোৱাৰ তিনিমাহৰ ভিতৰতে তেওঁক ল এৰিবলৈ বাধ্য কৰিছিল। এডিছন আচলতে নিৰ্বোধ নাছিল। ৰূৱেপৰাই এডিছনৰ চিন্তা শক্তি আৰু কল্পনা শক্তি ইমান প্ৰখৰ াছিল যে সকলো সময়তে তেওঁ নিজৰ চিন্তাত মগ্ন হৈ আছিল। কলো সময়তে তেওঁ কিবা নহয় কিবা এটাৰ বিষয়ে চিন্তা কৰি াকিছিল। যাৰবাবে শ্ৰেণীত কিবা প্ৰশ্ন সুধিলে উত্তৰ দিব াৰাৰিছিল।

এডিছনৰ কৌতুহলী মনটোৱে নানান প্ৰশ্নৰ উত্তৰ বিচাৰি ৰিছিল। তেওঁ তেওঁৰ প্ৰশ্নৰ উত্তৰ বিচাৰি মাক-দেউতাককো নানান শ্ন কৰিছিল। উদাহৰণস্বৰূপে এদিন হঠাৎ এডিছনে দেউতাকক শ্ন কৰিলে— 'দেউতা, ৰাতিৰ আকাশত কোনে বাৰু ইমানবোৰ কি জ্বলায়?' দেউতাকে ক'লে— 'সেইবোৰ চাকি নহয়, আকাশৰ ৰাহে, আৰু সেইবোৰ নিজে নিজেই জ্বলে।' দেউতাকৰ উত্তৰ নি এডিছনে আকৌ প্ৰশ্ন কৰিলে— 'আকাশৰ তৰাবোৰ নিজে জে কেনেকৈ জ্বলিব পাৰে? আমাৰ ঘৰৰ চাকিবোৰ দেখোন মায়ে লাই দিলেহে জ্বলে।' দেউতাকে আকৌ ক'লে— 'তুমি ৰাতিৰ াকাশৰ তৰাবোৰ চাকি বুলি ভাবি লৈছা। সেইবাবেহে তোমাৰ ৰত প্ৰশ্ন হৈছে। কিন্তু পুৱাৰ পৰা সন্ধিয়ালৈকে আকাশৰ ৰলিটোওতো জ্বলি থাকে। জ্বলি জ্বলি যি পোহৰ আৰু তাপ লায়। বেলিটো যেনেকৈ নিজে নিজে জ্বলে, আকাশৰ তৰাবোৰো শ্চয় নিজে নিজে জ্বলে।' এডিছনে আকৌ সুধিলে— 'সিহঁত জে নিজে জ্বলি থাকে, সেইটো কথা বাৰু বুজিলো। কিন্তু সিহঁত তিয়াও নুমাই নোযোৱাকৈ সদায় কেনেকৈ জ্বলি থাকিব পাৰে? হঁত কেতিয়াও নুমাই নাযাবই নেকি?' এইবাৰ দেউতাকে অলপ ন্তা কৰি উত্তৰ দিলে— 'তৰাবোৰৰ ইন্ধনৰ পৰিমাণ নিশ্চয় ইমান াছি যে সিহঁত আৰু বহুদিন জ্বলি থাকিব পাৰিব। অৱশ্যে এনে টা দিন আহিব পাৰে, যেতিয়া ইন্ধনবোৰ পুৰি শেষ হ'ব। তেতিয়া ৰাবোৰো নিশ্চয় আপোনা-আপুনি নুমাই যাব।'

বাপেক-পুতেকৰ এইবোৰ কথা-বাৰ্তাৰ কেইদিনমানৰ াছত ঘটনা। এডিছনহঁতৰ ঘৰৰ আগচোতালৰ এটা চুকত কিছুমান ৰৰ দম থোৱা আছিল। হঠাৎ এদিন দেখা গ'ল যে দমটো একুৰা কাণ্ড জুই হৈ জ্বলিব ধৰিছে। জুইকুৰা ঘৰলৈও বিয়পি যোৱাৰ পক্ৰম ঘটিছে। তাকে দেখি সকলোৱে মাজত হুৰা-দুৰা লাগিল। সকলোৱে দৌৰা-দৌৰি কৰি জুই নুমোৱাৰ চেষ্টাত লাগিল। এনেতে সকলোৱে লক্ষ্য কৰিলে যে জুইকুৰাৰ নিচেই কাষতে খুব শান্ত হৈ কণমানি এডিছনে জুইকুৰাৰ ফালে একান্তমনে চাই বহি আছে। এডিছনৰ মাকে দৌৰি আহি এডিছনক নিৰাপদ স্থানলৈ লৈ গ'ল। ইতিমধ্যে জুইকুৰা নুমাইছিল। খেৰত কোনে জুই লগাই দিছে সেই কথা আৰু জানিবলৈ বাকী নাথাকিল। কাৰণ এডিছনে আনন্দত হাত চাপৰি বজাই চিঞৰি চিঞৰি দেউতাকক ক'বলৈ ধৰিলে— 'দেউতা.......... দেউতা........ তুমি কোৱা কথা সঁচা প্ৰমাণিত হ'ল। খেৰবোৰ পুৰি শেষ হোৱাৰ লগে লগে জুইকুৰাও নুমাই গ'ল। আকাশৰ তৰাবোৰো এদিন নিশ্চয় নুমাই যাব।' এডিছনে দেউতাকৰ কথাৰ হাতে কামে প্ৰমাণ লৈহে এৰিলে।

যিহেতু এডিছনে স্কুল এৰিবলগীয়া হৈছিল, গতিকে এডিছনৰ মাকে এডিছনৰ শিক্ষাৰ দায়িত্ব নিজৰ কান্ধত তুলি ল'লে। অৰ্থাৎ এডিছনৰ পঢ়াশলীয়া জীৱন তিষ্ঠিছিল মাত্ৰ তিনিমাহহে।

কৌতুহল আছিল টমাচৰ স্বভাৱৰ প্ৰধান বৈশিষ্ট। সকলো কথা নিজে পৰীক্ষা কৰি তাৰ সত্যাসত্য প্ৰমাণিত নোহোৱালৈকে শান্তি নাপাইছিল।

আকৌ এদিনাখনৰ কথা— এডিছনহঁতৰ ঘৰৰ সন্মুখত থকা বাগিছাখনত নানান ধৰণৰ চৰাই অহা-যোৱা কৰি থাকে আৰু এয়া স্বাভাৱিক কথা। এডিছনে চৰাইবোৰ দেখি মনে মনে ভাবিছিল—মানুহেও যদি চৰাইৰ নিচিনাকৈ উৰিব পাৰিলেহেঁতেন তেন্তে কিমান ভাল কথা হ'লহেঁতেন। তেতিয়াহ'লে মানুহেও ইঠাইৰ পৰা সিঠাইলৈ ভুৰুংকৈ উৰি যাব পাৰিলেহেঁতেন। এয়া একো অসাধাৰণ কথা নহয় আৰু এনে ইচ্ছা কেৱল এডিছনৰ মনতেই যে প্ৰথমে জাগিছিল এনেও নহয়, ইয়াৰ আগতেও বহু লোকে ইয়াৰ ওপৰত পৰীক্ষা-নিৰীক্ষা কৰি আহিছে। তথাপি এডিছনে ইয়াৰ ওপৰত যি পৰীক্ষা চলালে সেয়াহে মৌলিক।

এডিছনে ভাবিলে— মানুহে উৰিব নোৱাৰে, কিন্তু চৰায়ে পাৰে। চৰায়ে উৰিব পৰাৰ নিশ্চয় কিবা ৰহস্য আছে। সেই ৰহস্যটো জানিব পাৰিলেই ময়ো হয়তো নিশ্চয় চৰাইৰ নিচিনাকৈ উৰিব পাৰিম। এডিছনে বহুদিন ধৰি চৰাইয়ে কি খায়, কি কৰে সেইবোৰ পৰ্যবেক্ষণ কৰিব ধৰিলে। এনে কৰোতে এডিছনে লক্ষ্য কৰিলে যে চৰাইবোৰে মাটিত বা গছত বগাই ফুৰা পোক-পৰুৱাবোৰ খায় অথবা আহাৰ হিচাপে গ্ৰহণ কৰে। কিন্তু মানুহেতো পোক-পৰুৱা নাখায়; সেইবাবেই হয়তো মানুহে উৰিব নোৱাৰে। তেন্তে পোক-পৰুৱা খালে মানুহেও নিশ্চয় উৰিব পাৰিব। গতিকে এয়াও এডিছনে পৰীক্ষা নকৰাকৈ নাথাকিল। চৰাইৰ নিচিনাকৈ মানুহেও যদি পোক-পৰুৱা খায় তেতিয়াহ'লে মানুহে উৰিব পাৰিব নে নাই তাক পৰীক্ষা কৰিহে এডিছনৰ মন মগজে শান্তি লভিব।

এদিন টমাছে সিহঁতৰ ঘৰৰ চাৰিওফালৰ পৰা বিচাৰি বিচাৰি এসোপা পোক-পৰুৱা লৈ আনিলে। কোনেও নেদেখাকৈ পোকবোৰ এডিছনে পতাত পিহি পানীৰ লগত মিহলাই তাৰ চৰ্বত বনালে, কিন্তু নিজ হাতে তৈয়াৰ কৰি সেই চৰ্বত গিলাচ খাবলৈ হয়তো তাৰ ঘিণ লাগিছিল। সেয়ে এডিছনে সিহঁতৰ ঘৰৰ লিগিৰীজনীক এগিলাচ খুওৱাৰ সিদ্ধান্ত কৰিলে। এইখিনি খোৱাৰ পিছত যদি লিগিৰীজনী উৰিব পৰা হয় তেন্তে তাৰ অনুমান সত্য প্ৰমাণিত হ'ব। কিন্তু সমস্যাটো আহি পৰিল তেতিয়া, যেতিয়া লিগিৰীজনীয়ে চৰ্বতগিলাচৰ গোন্ধ-ৰং দেখি খাবলৈ অনিচ্ছা প্ৰকাশ কৰিলে। কিন্তু এডিছনে কথাৰ যাদুৰে লিগিৰীজনীক মান্তি কৰালে। এইখিনিতে আমি নিশ্চয়কৈ অনুমান কৰিব পাৰিছো যে এডিছনৰ কথাৰে মানুহৰ মন জয় কৰিব পৰা গুণটোও নথকা নহয়।

লিগিৰীজনীয়ে চৰ্বতগিলাচ খালে যেনিবা, কিন্তু খোৱাৰ লগে লগে গোটেইবোৰ বমি হৈ ওলাই আহিল। বমিৰ প্ৰকোপত লিগিৰীজনীৰ পেটৰ গোটেই নাড়ি-ভুঁৰু পৰ্যন্ত ওলাই অহাৰ উপক্ৰম হৈছিল। ঘৰখনত এক হুলস্থূলৰ পৰিৱেশ সৃষ্টি হ'ল আৰু অৱশেষত এডিছনে মাকৰ ওচৰত সকলোবোৰ ভাঙি-পাতি ক'লে।

ইহঁতৰ প্ৰাণীয়ে কোনো বস্তু বা ঘটনাৰ প্ৰতি কৌতূহল অনুভৱ নকৰে। কিন্তু মানুহে.......... প্ৰশ্ন কৰে.......... উত্তৰ বিচাৰে.............. যিয়ে মানুহৰ জ্ঞানৰ ভঁৰাল চহকী কৰি তোলে। সেইবাবেই কোৱা হৈছে 'কৌতূহলেই জ্ঞানৰ আৰম্ভণি।'

এডিছনৰ যেতিয়া চৰাইৰ নিচিনাকৈ উৰিবলৈ কৰা চেষ্টা ব্যৰ্থ হৈছিল, তেতিয়া এটা কথাই তাৰ মন আকৰ্ষণ কৰিছিল। এইবাৰো চৰাইয়েই আছিল এডিছনৰ মনত কৌতূহল সৃষ্টিৰ উৎস।

এডিছনহঁতৰ কুকুৰা ৰখা ঘৰটোৰ পৰা এদিন ৰাতিপুৱা এজনী কুকুৰা ওলাই অহাৰ লগে লগে কেইবাটাও কণ কণ পোৱালি পিছে পিছে ওলাই আহিল। সিহঁতৰ খোজবোৰ থৰক-বৰক। কুকুৰা পোৱালিকেইটাৰ ওপৰত চকু পৰাৰ লগে লগে এডিছনৰ মনত প্ৰশ্নৰ উদয় হ'ল— 'ক'ৰ পৰা আহিল এই কুকুৰা পোৱালিবোৰ? মই দেখোন আগতে ইহঁতক দেখা নাই!' এডিছনে দৌৰি গৈ মাকক সুধিলত মাকে ক'লে— 'সিহঁত ইমানদিন কণী হৈ আছিল। মাকে কণীত উমনি দিয়াৰ ফলত সিহঁত ওলাই আহিছে।' মাকক আকৌ সুধিলে— 'মা! উমনি কেনেকৈ দিয়ে?' মাকে যিহেতু এইবোৰ দেখিয়েই থাকে গতিকে এডিছনৰ প্ৰশ্নৰ উত্তৰো অতি সহজভাৱেই দিলে।

প্ৰায় এক-দুই ঘন্টামান পিছত মাকে এডিছনক নেদেখি তাক মাত লগালে। কিন্তু এডিছনৰ পৰা একো উত্তৰ নাপাই মাক চিন্তিত হৈ বিচাৰ-খোচাৰ কৰিলে যদিও এডিছন নাই..........।

চুবুৰিটোৰ এঘৰৰ এজনী ছোৱালী এডিছনৰ পৰম বন্ধু। তাইৰ নাম আছিল ইছাবেল। এডিছনে একমাত্ৰ তাইকেই সকলো কথা খুলি কয়। এডিছনৰ মাক-দেউতাকৰ নিচিনাকৈ তাইও এডিছনৰ অসংখ্য প্ৰশ্নৰ উত্তৰ দিবলগীয়া হয়। ইছাবেলে যেতিয়া গম পালে যে এডিছন নোহোৱা হোৱাৰ ঠিক এক-দুই ঘন্টা আগত কুকুৰা পোৱালিৰ বিষয়ে মাকক সুধিছিল, তেতিয়া এডিছনক ক'ত বিচাৰি পোৱা যাব সেয়া অনুমান কৰিবলৈ ইছাবেলৰ এক মুহূৰ্তও নালাগিল। ইছাবেলে কাকো একো নোকোৱাকৈ টমাছহঁতৰ কুকুৰা ঘৰৰ ফালে টমাছক বিচাৰি গ'ল। অলপ সময়ৰ পিছতেই তাই উত্তেজিত হৈ চিঞৰিবলৈ ধৰিলে— 'মই ঠিক অনুমান কৰিছিলো, টমাছ ক'ত থাকিব পাৰে!' তাই সকলোকে মাতিলে— 'আহাচোন আহা, টমাছে কি কৰি আছে চোৱাহি।' ইছাবেলৰ চিঞৰ শুনি সকলো কুকুৰা ঘৰটো পালেহি। তাত সকলোৱে দেখিবলৈ পালে টমাছে এটা ডাঙৰ খৰাহিৰ ওপৰত অলপো লৰচৰ নকৰাকৈ বহি আছে। তেতিয়া মাকে টমাছক সুধিলে— 'তুমি ইয়াত কি কৰি আছা? খৰাহিটোৰ ওপৰত এনেকৈ বহি আছা যে?' টমাছে গম্ভীৰ হৈ উত্তৰ দিলে— 'মই কণী উমনি দি আছো। তুমিয়েই দেখোন কৈছিলা কণী উমনি দিলে কুকুৰা পোৱালি ওলায়। মই দেখোন এঘন্টাতকৈ বেছি সময় ধৰি কণী উমনি দি আছো, ক'তা এটাও দেখোন কুকুৰা পোৱালি নোলাল।' কিন্তু কণীবোৰ ভাঙি গোটেইবোৰ টমাছৰ গাত লেটি-পেটি হ'ল।

শেষ পৰ্যন্ত এনেবোৰ অন্তহীন কৌতূহলেই তেওঁক পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ উদ্ভাৱকত পৰিণত কৰিছিল। আজিৰ যুগত টমাছৰ আৱিষ্কাৰে এই পৃথিৱীখনৰ এক অপ্ৰকাশ্য ৰূপত পৰিৱৰ্তন সাধন কৰিছে। তেওঁ আধুনিক জগত নিৰ্মাণ কৰা মহান উদ্ভাৱকসকলৰ অন্যতম আছিল। এওঁৰ মৃত্যু হয় ১৯৩১ চনৰ ১৪ অক্টোবৰত। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৪ বছৰ। টমাছে নিজৰ জীৱনকালত আমালৈ বহু মূল্যৱান সামগ্ৰী আৱিষ্কাৰ কৰি থৈ গ'ল। তেওঁ গ্ৰামোফোন, বিজুলীবাতি আদিৰ আৱিষ্কাৰেৰে জগতখনত এক নতুন দিগন্তৰ সূচনা কৰি থৈ গৈছে।

সহায়ক পুথি ঃ 'পোহৰৰ সাধনা', হোমেন বৰগোহাঞি (টমাছ আলভা এডিছনৰ জীৱন কাহিনী)

□□□



# সাম্প্ৰদায়িকতাবাদ

**জুবাইৰ হাছান**
উঃ মাঃ প্ৰথম বৰ্ষ

ভাৰতবৰ্ষ এখন বহু ভাষা-ভাষী, জাতি-বৰ্ণ, ধৰ্মীয় লোকৰ দেশ। ইয়াত শ শ বছৰ ধৰি বিভিন্ন ভাষা-ভাষী আৰু ধৰ্মৰ লোকে বসবাস কৰি আছে। জনসংখ্যাৰ ভিত্তিত পৃথিৱীৰ দ্বিতীয় বৃহত্তম দেশ ভাৰতবৰ্ষত মুঠ ১৩৩ কৌটিতকৈও অধিক জনসংখ্যা থকাৰ উপৰিও ইয়াত ৬৪৫ টাতকৈ অধিক জনগোষ্ঠী আৰু ৫,০০০ তকৈও অধিক জাতি আছে। বৈচিত্ৰ্যতাৰ এক উৎকৃষ্ট উদাহৰণ হিচাপে উনুকিয়াই দিব পৰা এই ভাৰতবৰ্ষৰ সমস্যাসমূহৰ বিষয়ে ক'বলৈ গ'লে বহুতো আহি পৰে যদিও প্ৰধান সমস্যাসমূহৰ বিষয়ে ক'বলৈ গ'লে বহুতো আহি পৰে যদিও প্ৰধান সমস্যাসমূহ হৈছে— ৰাজনৈতিক সমস্যা, অৰ্থনৈতিক সমস্যা, সামাজিক সমস্যা, পৰিৱেশ সম্বন্ধীয় সমস্যা আদি। কিন্তু বৰ্তমান সময়ত আমাৰ দেশ ভাৰতবৰ্ষত প্ৰায়ে দেখা দিয়া আৰু বাৰে বাৰে বাতৰিৰ শিৰোনাম দখল কৰি অহা সমস্যাটো হৈছে— সাম্প্ৰদায়িকতাবাদ।

বিভিন্ন ৰাজনৈতিক চিন্তাবিদে সাম্প্ৰদায়িকতাবাদৰ অৰ্থ বিভিন্ন প্ৰকাৰে প্ৰকাশ কৰিছে। কিছুমান চিন্তাবিদৰ মতে, জাতীয়তাবাদৰ নেতিবাচক ধাৰণাই হৈছে সাম্প্ৰদায়িকতাবাদ। আন কিছুমান চিন্তাবিদৰ মতে ধৰ্মনিৰপেক্ষতা ধাৰণাৰ এটা নেতিবাচক দিশ বুলি কয়। আন কথাত সাম্প্ৰদায়িকতাবাদে ধৰ্মক মাধ্যম কৰি ধৰ্মৰ লগত সম্পৰ্ক নথকা কেতবোৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক উদ্দেশ্য সাধনৰ ওপৰত গুৰুত্ব দিয়ে। মুঠৰ ওপৰত আমি সহজভাৱে বুজিবলৈ হ'লে বুজিব লাগিব যে সাম্প্ৰদায়িকতাবাদে ভিন্ন ধৰ্মাৱলম্বীলোকৰ মাজত সম্প্ৰদায় আৰু ধৰ্মক কেন্দ্ৰ কৰি ঘৃণা আৰু সংঘাত সৃষ্টি কৰে। ইয়াৰোপৰি ই বিভিন্ন জাতি, জনজাতি, জনগোষ্ঠীৰ মাজতো ভিন্নতাৰ সৃষ্টি কৰে।

বৰ্তমান সময়ত কিছুমান চিন্তাবিদে সাম্প্ৰদায়িকতাবাদক সমস্যা হিচাপে অভিভূত কৰিব নিবিচাৰে। কিয়নো তেওঁলোকৰ মতে যদি সাম্প্ৰদায়িকতাবাদ সঁচাকৈয়ে সমস্যা তেতিয়াহ'লে আজিৰ সমাজত সম্প্ৰদায়বোৰৰ মাজত একতা নাথাকিব লাগিছিল; কিন্তু এই একতা থকাৰ বাবে ইয়াক সমস্যা বুলি ক'ব নিবিচাৰে। ইয়াৰোপৰি আমি এইটোও লক্ষ্য কৰা উচিত যে সম্প্ৰদায়িকতাবাদৰ যি প্ৰভাৱ আৰু ইয়াৰ ফলত সময়ে সময়ে সৃষ্টি হোৱা সংঘাত আৰু সংঘৰ্ষ যিদৰে বৃদ্ধি পাই আহিছে, ইয়াৰ ফলত ই একপ্ৰকাৰ চিন্তাৰ বিষয় হৈ পৰাৰ উপৰিও ভাৰতবৰ্ষৰ জাতীয় সংহতিত বাৰুকৈয়ে আঘাত সানিছে। যাৰ উদাহৰণ হিচাপে আমি ১৯০২ চনৰ গুজৰাটৰ সাম্প্ৰদায়িক সংঘৰ্ষ, ১৯৯২ চনৰ বাবৰি মছজিদ ধ্বংস, ২০০২ চনৰ আন এক সংঘৰ্ষ গুজৰাটত হোৱাকে ধৰি বহুতো উল্লেখনীয় সংঘৰ্ষৰ বিষয়ে আমি ক'ব পাৰো।

ভাৰতীয়সকলৰ মাজত সাম্প্ৰদায়িকতাবাদৰ সূচনা কৰা বা বীজ ৰোপণ কৰাৰ আঁৰত আছে— ইংৰাজসকল। ইংৰাজসকলে নিজৰ স্বাৰ্থসিদ্ধি কৰাৰ বাবে এই বাৰেবৰণীয়া ভাৰতবৰ্ষত সাম্প্ৰদায়িকতাবাদকে অস্ত্ৰ হিচাপে লৈ বিভিন্ন সম্প্ৰদায়ৰ মাজত সংঘৰ্ষৰ সৃষ্টি কৰে আৰু যাক লৈ আজিও আমাৰ মাজত সংঘাতৰ সৃষ্টি হৈয়েই আছে। ইংৰাজসকলে ভাৰতত শাসন আৰম্ভ কৰাৰ লগে লগে ইয়াৰ প্ৰধান ধৰ্মাৱলম্বী লোক হিন্দু আৰু মুছলমানৰ মাজত বিভাজন নীতি প্ৰয়োগ কৰাৰ পিছৰে পৰা তেওঁলোকৰ মাজত সংঘাত বৃদ্ধি পায়। সেইদৰে দেশৰ স্বাধীনতাৰ পূৰ্বে মুছলমান সম্প্ৰদায়ৰ লোকে মুছলিম লীগ গঠন কৰাৰ ফলতো হিন্দু আৰু মুছলমানসকলৰ মাজত বিভাজন আৰম্ভ হয়। শেষত মহম্মদ আলী জিন্নাৰ দ্বৈত জাতিৰ সূত্ৰৰ ফলত ভাৰত দ্বি-খণ্ডিত হোৱাত অধিকাংশ মুছলমান ধৰ্মীয় লোক ইয়াৰ পৰা আঁতৰি যোৱাত ভাৰতত শান্তিৰ বাতাৱৰণ আৰম্ভ হ'ব বুলি ধাৰণা কৰা হৈছিল যদিও এতিয়াও দুয়োটা ধৰ্মীয় লোকৰ মাজত উত্তেজনা অব্যাহত আছে আৰু ইয়াৰ ফলতে দুয়োটা ধৰ্মৰ লোকসকলৰ মাজত সময়ে সময়ে প্ৰায় সাম্প্ৰদায়িক সংঘৰ্ষ সংঘটিত হয়।

সাম্প্ৰদায়িকতাবাদৰ বিষয়ে গভীৰভাৱে আলোচনা কৰিবলৈ গ'লে ইয়াৰ বৈশিষ্ট্যবোৰ অতি গুৰুত্বপূৰ্ণ। সেয়ে তলত কেইটামান সাম্প্ৰদায়িকতাবাদৰ উল্লেখযোগ্য বৈশিষ্ট্য দিয়া হ'ল—

১) ই ৰাষ্ট্ৰীয় স্বাৰ্থতকৈ সাম্প্ৰদায়িক স্বাৰ্থৰ ওপৰত অধিক গুৰুত্ব দিয়ে।

২) সাম্প্ৰদায়িকতা বিশ্বাসীসকলে সকলো লোকক নাগৰিক হিচাপে গণ্য কৰাতকৈ কোনো এটা বিশেষ সম্প্ৰদায়ৰ লোক বুলি বিবেচনা কৰে।

৩) ই আন এটা ধৰ্মীয় লোকৰ প্ৰতি শত্ৰুভাৱ পোষণ কৰে।

৪) এটা সম্প্ৰদায়ৰ লোকে তেওঁলোকৰ ধৰ্মীয় মত আৰু সামাজিক বাধ্যবাধকতা সেই সম্প্ৰদায়ৰ সদস্যৰ ওপৰত জাপি দিলেও তেওঁলোকৰ ধৰ্ম আৰু সামাজিক দিশত কোনো স্বাধীনতা নাথাকে। তেওঁলোকে ধৰ্মীয় নেতাসকলে যিদৰে নিৰ্দেশ বা আদেশ দিয়ে, তাক পালন কৰিব লাগে।

৫) সাম্প্ৰদায়িকতাবাদৰ সমৰ্থকে ধৰ্মক ৰাজনীতিৰ পৰা পৃথক হোৱাটো নিবিচাৰে। ই আনকি চৰকাৰকো ধৰ্মীয় ৰীতি-নীতিৰে পৰিচালনা হোৱাটো বিচাৰে।

৬) ই কোনো এটা ধৰ্মীয় স্বাৰ্থকে পৃথক বুলি বিবেচনা নকৰি আন ধৰ্মনিৰপেক্ষ বিষয়ত স্বাৰ্থৰ ক্ষেত্ৰতো পৃথক বুলি বিবেচনা কৰে।

ভাৰতবৰ্ষত সাম্প্ৰদায়িকতাবাদৰ বিকাশৰ বহুতো কাৰণ আছে। সেই কাৰণবিলাক তলত দিয়াৰ দৰে আলোচনা কৰিব পাৰি—

**১) সাম্প্ৰদায়িক ৰাজনৈতিক দলৰ ভূমিকা ঃ**

ভাৰতীয় সংবিধানে ভাৰতক এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ হিচাপে ঘোষণা কৰিলেও ইয়াত সাম্প্ৰদায়িক ৰাজনৈতিক দল বা সংগঠন যেনে— মুছলিম লীগ, মৌলবাদী সংগঠন, বিশ্ব হিন্দু পৰিষদ, বজৰং দল, শিৱসেনা আদি দল আছে আৰু সেই দল বা সংগঠনবিলাকে নিজ নিজ স্বাৰ্থ পূৰণৰ কাৰণে নিজ সম্প্ৰদায়ৰ লোকক উচটনি দি সাম্প্ৰদায়িক সংঘৰ্ষ সংঘটিত কৰে।

**২) চৰকাৰৰ দৃষ্টিভংগী ঃ**

চৰকাৰৰ দৃষ্টিভংগীৰ কাৰণেও বহুক্ষেত্ৰত ভাৰতত সাম্প্ৰদায়িক সংঘৰ্ষ বৃদ্ধি পোৱাত ইন্ধন যোগাইছে। যদি চৰকাৰখনে কোনো এটা নিৰ্দিষ্ট সম্প্ৰদায়ৰ হকে কাম কৰে তেতিয়া আন সম্প্ৰদায়বোৰ ক্ষুণ্ণ হৈ পৰে যদিহে তেওঁলোকক চৰকাৰে গুৰুত্ব প্ৰদান নকৰে। যিটো কম-বেছি পৰিমাণে আমাৰ দেশত দেখিবলৈ পোৱা যায়।

**৩) পৃথক হৈ থকাৰ প্ৰৱণতা ঃ**

বিভিন্ন ঠাইত বিশেষকৈ হিন্দু আৰু মুছলমানসকলে নিজৰ সম্প্ৰদায়ৰ লগত আন সম্প্ৰদায় লগ হৈ থকাটো নিবিচাৰে অৰ্থাৎ পৃথক হৈ থাকিব বিচাৰে যাৰ ফলতো সাম্প্ৰদায়িক সংঘৰ্ষ বৃদ্ধি পায়।

**৪) মুছলমানসকলৰ অৰ্থনৈতিক অনগ্ৰসৰতা ঃ**

ইংৰাজ শাসনৰ সময়ৰেপৰা মুছলমান সম্প্ৰদায়ৰ লোকসকল আৰ্থিক, শিক্ষা-দীক্ষা আদি দিশত তুলনামূলকভাৱে হিন্দুসকলতকৈ দুৰ্বল। আনকি স্বাধীনতাৰ পিছতো মুছলমানসকলে হিন্দুসকলৰ তুলনাত এতিয়াও পিছপৰি আছে। এনেকুৱা এক পাৰ্থক্যৰ ফলতো সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টি হয়।

**৫) ধৰ্মৰ গোড়ামি ঃ**

ধৰ্মৰ গোড়ামিও সাম্প্ৰদায়িকতাবাদৰ আন এক কাৰণ। বিশেষকৈ কিছুসংখ্যক মুছলমান আৰু হিন্দু লোকৰ নিজৰ ধৰ্মৰ প্ৰতি প্ৰদৰ্শন কৰা গোড়ামিৰ ফলতো সংঘাত হোৱা দেখা যায়।

**৬) ভোটবেংকৰ ৰাজনীতি ঃ**

নিৰ্বাচনৰ সময়ত কিছুমান ৰাজনৈতিক দলে জয়লাভ কৰাৰ স্বাৰ্থত ভোটবেংকৰ যি ৰাজনীতি কৰে তাৰ ফলত সাম্প্ৰদায়িকতাবাদৰ প্ৰসাৰ ঘটে।

**৭) হিন্দুত্বৰ ধাৰণা ঃ**

ভাৰতত কিছুমান ৰাজনৈতিক দল আৰু সংগঠন যেনে ভাৰতীয় জনতা পাৰ্টী, শিৱসেৱা, বজৰং দল আৰু বিশ্ব হিন্দু পৰিষদ আদি সংগঠনবিলাকে হিন্দুত্বৰ ধাৰণাৰ পৃষ্ঠপোষকতা আৰু প্ৰচাৰ কৰাৰ ফলত হিন্দু আৰু মুছলমান সম্প্ৰদায়ৰ লোকৰ মাজত উত্তেজনা বৃদ্ধি পাইছে।

**৮) ৰাম মন্দিৰ নিৰ্মাণ ঃ**

বাবৰি মছজিদ ধ্বংস কৰি তাৰ ঠাইত ৰাম মন্দিৰ নিৰ্মাণৰ দাবীয়েও হিন্দু আৰু মুছলমান লোকৰ মাজত সাম্প্ৰদায়িক বীজ গাঢ় কৰাত বৰঙণি যোগাইছে।

**৯) পাকিস্তানৰ ভূমিকা ঃ**

দেশ বিভাজনৰ পিছত পাকিস্তানৰ লগত সংঘটিত হোৱা যুদ্ধবোৰেও ভাৰতবৰ্ষত সাম্প্ৰদায়িকতাবাদৰ প্ৰসাৰ ঘটাইছে।

**১০) নিৰ্বাচনী ব্যৱস্থা ঃ**

ভাৰতীয় নিৰ্বাচন আয়োগে কিছুমান ধৰ্মীয় সংগঠনক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সুবিধা দিয়াৰ ফলতো দেশত সাম্প্ৰদায়িকতাবাদৰ ভাৱ বৃদ্ধি পাইছে।

**১১) শিক্ষানুষ্ঠাৰ নেতিবাচক ভূমিকা ঃ**

আমাৰ ভাৰতবৰ্ষৰ কিছুমান ধাৰ্মিক শিক্ষানুষ্ঠানৰ নেতিবাচক ভূমিকাৰ ফলতো সাম্প্ৰদায়িকতাবাদৰ সৃষ্টি হৈছে। যেনে— আলিগড় মুছলিম বিশ্ববিদ্যালয়, বেনাৰস হিন্দু বিশ্ববিদ্যালয় আদি।

আমাৰ দেশ ভাৰতবৰ্ষত সাম্প্ৰদায়িকতাবাদে যি ৰূপ গ্ৰহণ কৰিছে ইয়াৰ প্ৰতিৰোধৰ উপায় বহুতো আছে। যেনে—

১) ধৰ্মীয় ভিত্তিত কোনো ৰাজনৈতিক দল, সংগঠন গঠন কৰিবলৈ দিব নালাগে।

২) কোনো ধৰ্মীয় গোটে ধৰ্মীয় স্বাধীনতাৰ সুযোগ লৈ যাতে দেশত অশান্তিৰ সৃষ্টি কৰিব নোৱাৰে, তাৰ প্ৰতি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা।

৩) প্ৰশাসনৰ দিশত প্ৰশাসনীয় বিষয়াসকলে কোনো ধৰ্মীয় বা ধৰ্মীয় লোকৰ সমস্যাসমূহৰ সমাধান কৰোতে কোনো পক্ষপাতমূলক ধাৰণা গ্ৰহণ কৰিব নালাগে। তেওঁলোকে নিৰপেক্ষভাৱে চোৱাচিতা কৰিব লাগে।

৪) ভাৰতীয় সংবিধানত ভাৰতীয় নাগৰিকৰ যি ধৰ্মীয় স্বাধীনতাৰ বিধান আছে, সেই বিধানবিলাক অতি কঠোৰভাৱে পালন কৰিব লাগে।

৫) সকলো ৰাজনৈতিক দলে কোনো সম্প্ৰদায়ৰ স্বাৰ্থতকৈ জাতিটোৰ স্বাৰ্থৰ প্ৰতিহে গুৰুত্ব দিব লাগে।

৬) সংবিধান অনুসৰি ভাৰতত যিকোনো ধৰ্ম প্ৰচাৰৰ সুবিধা থাকিলেও, সেই ধৰ্ম সংবিধান বা প্ৰচলিত আইন অনুসৰিহে প্ৰচাৰ কৰিব লাগে।

৭) কোনো ৰাজনৈতিক দলক ভোটবেংকৰ পৃষ্ঠপোষকতা কৰিব দিব নালাগে। এইক্ষেত্ৰত প্ৰত্যেক সম্প্ৰদায়ৰ লোক সচেতন হোৱাটো প্ৰয়োজন।

৮) সমাজৰ যিবিলাক লোকে সাম্প্ৰদায়িক সংঘৰ্ষ সূচনা কৰে, তেওঁলোকৰ ওপৰত কঠোৰ শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

৯) বিভিন্ন শ্ৰেণীৰ লোকৰ মাজত সাম্প্ৰদায়িক সম্প্ৰীতি ৰক্ষাৰ বিষয়ে প্ৰয়োজনীয় প্ৰচাৰকাৰ্য অব্যাহত ৰাখিব লাগে।

১০) কোনো ধৰ্মীয় স্থানকে ধৰ্মীয় ভেদভাৱ, সাম্প্ৰদায়িক উত্তেজনা, এটা সম্প্ৰদায়ৰ বিৰুদ্ধে ঘৃণাৰ ভাৱ প্ৰচাৰ কৰিব দিব নালাগে।

১১) কেন্দ্ৰীয় বা ৰাজ্যিক চৰকাৰৰ কোনো মন্ত্ৰীক ধৰ্মৰ বিষয় লৈ বিবৃতি দিয়াৰ সুবিধা দিব নালাগে।

১২) সাম্প্ৰদায়িক সম্প্ৰীতিৰ কাৰণে বিভিন্ন স্বেচ্ছাসেৱী অনুষ্ঠান, শান্তি সমিতি আদি গঠন কৰিব লাগে।

১৩) সাম্প্ৰদায়িক সম্প্ৰীতি বৃদ্ধি কৰাৰ বাবে সমূহীয়া উৎসৱ আদি পালনৰ বিধান কৰিব লাগে।

ধৰ্মৰ ভিন্নতাৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয় সংবিধান প্ৰণেতাসকলে সেই সময়তে বিভিন্ন চিন্তা-চৰ্চাৰ অন্তত ভাৰতবৰ্ষত যাতে হিন্দু, মুছলমান, শিখ, বৌদ্ধ আদি বিভিন্ন ধৰ্মাৱলম্বী লোকে সময়ে সময়ে যাতে ধৰ্মৰ দোহাই দি সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টি কৰিব নোৱাৰে তাৰ বাবে কিছুমান বিধান সংবিধানত সন্নিৱিষ্ট কৰিছে। যেনে— সংবিধানত ধৰ্মনিৰপেক্ষতাৰ ধাৰণাক স্বীকৃতি দিছে যাতে ধৰ্মক দোহাই দি সাম্প্ৰদায়িক অশান্তি সৃষ্টি কৰিব নোৱাৰে আৰু সংবিধানত উল্লেখ কৰা ভাতৃসুলভ ধাৰণাই জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে সকলো লোককে একতাৰ বলেৰে আৱদ্ধ কৰিব বিচৰা হৈছে। ইয়াৰোপৰি কেন্দ্ৰীয় চৰকাৰে প্ৰণয়ন কৰা দুখন আইনৰ জৰিয়তেও সাম্প্ৰদায়িকতাৰ সংঘৰ্ষ হ্ৰাস কৰাৰ চেষ্টা কৰা হৈছে। এখন আইনৰ জৰিয়তে জাতি, বৰ্ণ, ভাষা আৰু সম্প্ৰদায়ৰ বাবে যদি সমাজত ঘৃণাৰ ভাৱ বা শত্ৰুভাৱ বৃদ্ধি কৰিছে তেনে লোকৰ ওপৰত তিনি বছৰলৈকে শাস্তি দিয়াৰ ব্যৱস্থা কৰিছে। আন এখন আইনৰ দ্বাৰা নিৰ্বাচনৰ সময়ত কোনো প্ৰচাৰ কাৰ্য চলালে তেনে লোকে যদি ধৰ্ম, সম্প্ৰদায়ক কেন্দ্ৰ কৰি প্ৰচাৰ কাৰ্য চলায় তেনে লোকক ভোটাধিকাৰৰপৰা বঞ্চিত কৰাৰ বিধান কৰা হৈছে।

ভাৰতবৰ্ষত সুদীৰ্ঘ বছৰ ধৰি চলি অহা সাম্প্ৰদায়িকতাবাদৰ এই সমস্যাটোক বৰ্তমানৰ বিশ্বায়নৰ যুগত চিৰদিনৰ বাবে বিদায় দিয়াৰ প্ৰয়োজন। কিয়নো ইয়াত থকা বিভিন্ন জাতি, জনজাতি, সম্প্ৰদায়ৰ একতাৰ ফলতহে ভাৰতবৰ্ষ এখন শক্তিশালী দেশ হ'ব পাৰিব, যাৰবাবে আমি সকলো ভাৰতীয়ৰ জাতীয় সচেতনতাৰ প্ৰয়োজন। সাম্প্ৰদায়িকতাৰ মনোভাৱ আমি সকলোৱে পৰিহাৰ কৰি নিজকে এজন ভাৰতীয় নাগৰিক হিচাপে গৌৰৱবোধ কৰি আমি প্ৰতিজ্ঞাবদ্ধ হোৱা উচিত—

"We are Indian
We are one nation."

❑❑❑



# আত্মপ্ৰেমৰ প্ৰয়োজনীয়তা

**সাগৰ দা**
**উঃ মাঃ প্ৰথম ব**

*"......... Love yourself first and everything else falls into line......."*

আপুনি নিজক ভাল পাইনে? সম্ভৱতঃ আপুনি প্ৰথমে সমাজ বা মানৱ জাতিক ভালপাওঁ বুলি ক'ব। বৰ্তমান সমাজত প্ৰা নিজ দেশ, অন্য ব্যক্তি তথা সমাজক ভাল পাবলৈ শিকোৱা হয়। আনক ভাল পোৱাটো যথেষ্ট প্ৰশংসনীয়, কিন্তু ইয়াৰ লগত আত্মপ্ৰেম প্ৰয়োজনীয়তাও আহি পৰে। যদি আপুনি নিজক ভাল নাপায়, তেতিয়া সমাজখনক ভাল পাবলৈ চেষ্টা কৰাটো হাস্যকৰ হ'ব। কাৰ নিজৰ প্ৰতি ভালপোৱা ভাৱ থাকিলেহে নিজ দেশ তথা অন্য ব্যক্তিক ভাল পাব পাৰি। আহকচোন, আত্মপ্ৰেম সম্বন্ধে কিছু আলোচনা কৰোঁ।

আত্মপ্ৰেমৰ বিষয়ে আলোচনা কৰাৰ আগতে আত্মপ্ৰেম কি সেই বিষয়ে জানি ল'ব লাগিব। আত্মপ্ৰেমৰ অৰ্থ হৈছে নিজ মানসিক তথা বাহ্যিক প্ৰয়োজনবোৰৰ প্ৰতি সচেতন হোৱা। আত্মপ্ৰেম হৈছে যোগাত্মক দৃষ্টিভংগী, যিয়ে আপোনাৰ মনটোক আলোকি কৰি ৰাখিব পাৰে। যেতিয়া আপুনি অনুভৱ কৰে যে আপোনাৰ নিজৰ প্ৰতি ভালপোৱা আছে, তেতিয়া এই চিন্তাই আপোনা আটাইতকৈ সুখী কৰি তুলিব। একাংশ ব্যক্তিয়ে আত্মপ্ৰেমক স্বাৰ্থপৰতাৰ লগত সংযোজিত কৰিব বিচাৰে। মই তেনে ধাৰণাক মুঠে সমৰ্থন নকৰো। কাৰণ আত্মপ্ৰেম আৰু স্বাৰ্থপৰতাৰ মাজত যথেষ্ট পাৰ্থক্য আছে। স্বাৰ্থপৰতাই মানুহ এজনক দুখী কৰাৰ লগতে গোটে

> কামত বিফল হ'ম বুলি ভাবি সেই কামটো কেতিয়াও বাদ দিব নালাগে। নিজৰ ওপৰত আস্থা ৰাখি পৰিকল্পিতভাৱে কৰ্ম কৰি যাওক। এই কথাষাৰৰ লগত গীতাত ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক দিয়া উপদেশৰো মিল আছে। আমি নিজক পৰ্যাপ্ত সময় দিয়া উচিত।

সমাজখনকে কলুষিত কৰে। কিন্তু আত্মপ্ৰেমে সমাজত সুখ আৰু শান্তিৰ নিজৰা বোৱাব পাৰে। আত্মপ্ৰেমৰ সপক্ষত এটা যুক্তি আগবঢ়ালো। ধৰা হ'ল, আপুনি ক'ৰবালৈ গৈ আছে। তাত বহুতো অন্ন, বস্ত্ৰ, বাসস্থানবিহীন লোকক দেখা পালে। তেওঁলোকক কিছু আৰ্থিক সাহায্য প্ৰদান কৰিবলৈ আপোনাৰ মন গ'ল। কিন্তু ধনৰ অভাৱৰ ফলত আপুনি তেওঁলোকক সহায় কৰিব নোৱাৰিলে। গতিকে দুখ মনেৰে শুদাহাতে উভতি আহিবলগীয়া হ'ল। অৰ্থাৎ ইয়াৰদ্বাৰা এইটোৱেই বুজাব বিচাৰিছো যে যদি আপোনাৰ নিজৰ প্ৰতিয়েই কোনো ভালপোৱা ভাব নাথাকে, তেতিয়া সমাজক কেনেদৰে ভাল পাব। গতিকে প্ৰথমে আত্মপ্ৰেমেৰে নিজৰ মনটোক ভৰাই তোলক। দেখিব, গোটেই বিশ্বখনেই আপোনাৰ প্ৰিয়।

জীৱনৰ বহুক্ষেত্ৰত আমি বিভিন্ন শাৰীৰিক তথা মানসিক প্ৰয়োজন অনুভৱ কৰো। এনে কিছুমান সময় আহি পৰে য'ত আমি নিৰুপায়, অসহায়, অকলশৰীয়া অনুভৱ কৰো। এনে লাগে যেন সকলোৱে আমাক এৰি গৈছে। এনেধৰণৰ দুঃচিন্তাবোৰে আমাৰ মানসিক স্বাস্থ্যত আঘাত হানে। এই সকলোবোৰ সমস্যা আত্মপ্ৰেমহীনতাৰ বাবেই দেখা যায়। আত্মপ্ৰেমে মনত আত্মবিশ্বাস যোগায়। আমি যিবোৰ বস্তু নিজে নিজক দিব লাগিছিল সেইবোৰ আমি আনৰ পৰা বিচাৰি আছোঁ।

মনত ৰাখিব, আপুনি যদি কোনো কামত বিফল হয়, তেতিয়া ই এইটো নুবুজায় যে আপুনি আৰু কেতিয়াও নোৱাৰিব। আত্মপ্ৰেমৰ যোগেৰে নিজৰ মনত বিশ্বাস বঢ়োৱাৰ প্ৰয়োজন। কামত বিফল হ'ম বুলি ভাবি সেই কামটো কেতিয়াও বাদ দিব নালাগে। নিজৰ ওপৰত আস্থা ৰাখি পৰিকল্পিতভাৱে কৰ্ম কৰি যাওক। এই কথাষাৰৰ লগত গীতাত ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক দিয়া উপদেশৰো মিল আছে। আমি নিজক পৰ্যাপ্ত সময় দিয়া উচিত। সমাজৰ সমস্যাবোৰৰ সমাধান বিচৰাতকৈ প্ৰথমে আপুনি নিজৰ সমস্যাৰ সমাধান বিচৰা উচিত। তেতিয়াহ'লে আপুনি আনৰ বাবে চিন্তা কৰাৰ ক্ষমতা অৰ্জন কৰিব পাৰিব। যদি আপুনি কেতিয়াবা কাৰোবাৰ পৰা আঘাত (Hurt) অনুভৱ কৰে, তেতিয়া ইয়াৰ প্ৰভাৱ নিজৰ ওপৰত বা নিজৰ কামৰ ওপৰত কেতিয়াও পৰিবলৈ নিদিব। মনত ৰাখিব, এনেধৰণৰ কথাই আপোনাৰ একো ক্ষতি কৰিব নোৱাৰে। প্ৰয়োজন মাথো, এইবোৰক উপেক্ষা (ignore) কৰা। আনৰ ভালপোৱা বিচৰাতকৈ নিজক ভাল পাবলৈ শিকক। এই চিন্তাধাৰাই আপোনাৰ লগতে গোটেই সমাজখনকো উন্নতিৰ শিখৰলৈ লৈ যাব। মাথো প্ৰয়োজন আত্মপ্ৰেমৰ।

শেষত সামৰণি হিচাপে কওঁ যে বস্তু এটা নিজৰ ওচৰত থাকিলেহে আনক দিব পাৰি। সেয়েহে, যদি আপুনি দেশ তথা মানৱ জাতিৰ সেৱা কৰিব বিচাৰিছে, প্ৰথমে সেই সেৱাৰ মনোভাৱ প্ৰথমে নিজেই আয়ত্ব কৰক। তাৰ পিছত দেখিব, ই আপোনাক দুগুণ উৎসাহেৰে সমাজৰ বাবে সহায়ক হোৱাত সহায় কৰিছে।

□□□

# সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ গীতত জাতীয় চেতনা

লুকমান আলি
স্নাতক চতুৰ্থ ষাণ্মাসিক



শিল্পীৰ সাধনাত কেতিয়াবা প্ৰেম, কেতিয়াবা আশা, কেতিয়াবা নিৰাশা আৰু কেতিয়াবা জাতীয় চেতনা মূৰ্ত্ত হৈ উঠে। শিল্পীয়ে কলা, সঙ্গীতৰ মাজেৰে জাতীয় চেতনাৰ উদ্ৰেক কৰি দেশপ্ৰেম জগাই তোলে। মানুহৰ অন্তৰত অনুভূতি জগাই তুলিব পৰা আকৰ্ষণীয় কলা হ'ল সংগীত কলা। সঙ্গীতে মানুহক সহজে আকৰ্ষণ কৰিব পাৰে। স্বনামধন্য গীতিকাৰ, সুৰকাৰ তথা গায়ক ড° ভূপেন হাজৰিকাৰ শিল্প সাধনা অসম আৰু অসমীয়াৰ বাবে এক সম্পদস্বৰূপ। ভূপেন হাজৰিকাই জ্যোতিপ্ৰসাদ, বিষ্ণুৰাভাৰ পথ অনুসৰণ কৰি অসমীয়া জাতীয় জীৱনক লৈ সঙ্গীত সাধনাতে যি অৱদান দি গ'ল এই অৱদানক চিৰকাল অসমীয়া জাতিয়ে স্মৰণ কৰি থাকিব।

সুধাকণ্ঠৰ গীতৰ শৰাই বহল ভিত্তিক। অসমী আইৰ অসমীয়া সমাজ প্ৰেম, সৌন্দৰ্য সমল আদি সকলো দিশৰে প্ৰকাশ ঘটিছে তেখেতৰ গীতত। এই সকলোবোৰৰ ভিতৰত জাতীয় চেতনাৰ গীতে অসমীয়া সমাজক অসম মাতৃৰ প্ৰতি ভালপোৱাৰ স্মৰণ সোঁৱৰাই থাকিব। যাযাবৰী শিল্পীজনাৰ গীতৰ মাজত অসম মাতৃৰ প্ৰতি থকা প্ৰেম মূৰ্ত হৈ উঠিছে। সুধাকণ্ঠই গোটেই জীৱন সঙ্গীতৰ সাধনা কৰি অসমৰ বাহিৰত থাকিও অসমী আইক পাহৰা নাই। সেয়ে গীতৰ মাজেৰে অসমী আইৰ গুণ-গৰিমা, সৌন্দৰ্য, অনুভূতি প্ৰকাশ কৰি অসমীয়া জাতিক দি থৈ গ'ল এক জাতীয় চেতনাৰ শিহৰণ।

*'অসম আমাৰ ৰূপহী*
*গুণৰো নাই শেষ*
*ভাৰতৰে পূৰ্ব দিশত*
*সূৰ্য উঠা দেশ'* বুলি অসমী আইৰ গুণ গাই মাতৃৰ প্ৰতি থকা প্ৰেমৰ অনুভূতি প্ৰকাশ কৰিছে এই গীতৰ মাজত। অসম মাতৃৰ

বুকুত ঠন ধৰি উঠা সংস্কৃতিৰ চিত্ৰ দাঙি ধৰিছে। সেয়ে গীতিকাৰৰ কণ্ঠত ভাহি উঠা—

*'বহাগতে আমাৰে আই মহুৰা হৈ ঘূৰে*

*মাঘৰ মাহত............. লখিমী আদৰে'* বুলি অসমীয়া বিহু সংস্কৃতিৰ পৰিচয় দাঙি ধৰিছে। অসমীয়া কৃষ্টি-সংস্কৃতি আছিল তেখেতৰ চিৰলগৰীয়া, তাক জীয়াই ৰখাৰ হেঁপাহ মূৰ্ত্ত হৈছে এনেবোৰ গীতৰ মাজেৰে।

*'আমি অসমীয়া নহওঁ দুখীয়া*
*বুলি সান্তনা লভিলে নহব।*
*আজিৰ অসমীয়াই নিজক নিচিনিলে*
*অসম ৰসাতলে যাব।।'*

লুইতৰ পাৰত জন্ম পোৱা গায়ক ভূপেন হাজৰিকাই লুইতৰ পাৰৰ ডেকা ল'ৰাক উৎসাহিত কৰিছিল নতুন অসম গঢ়িবলৈ। লুইতপৰীয়া অসমীয়া জাতিক আগুৱাই নিবলৈ। যেন লুইতেহে জানে অসমীয়া জাতিৰ সুখ-দুখ, হাঁহি-কান্দোনৰ কথা। সেয়ে 'আজি ব্ৰহ্মপুত্ৰ বহ্নিমান' বুলি আক্ষেপ কৰি অসমীয়া জাতিৰ দুৰাৱস্থাৰ অনুভৱ প্ৰকাশ কৰিছিল গীতৰ মাজেৰে। সেয়ে আক্ষেপৰ সুৰত ব্ৰহ্মপুত্ৰক কৈছিল—



*'তুমিয়েই যদি ব্ৰহ্মাৰে পুত্ৰ*
*সেই পিতৃত্ব তেনে নামমাত্ৰ*
*নহ'লে প্ৰেৰণা নিদিয়া কিয়?'*

অসমীয়া জাতিক প্ৰেৰণা দিয়াৰ বাবে ব্ৰহ্মপুত্ৰৰ যোগেদি নিজৰ অনুভূতি প্ৰকাশ কৰিছিল। ইয়াতে গীতিকাৰ ড° ভূপেন হাজৰিকাৰ জাতীয় চেতনাৰ স্বৰূপ আমি উপলব্ধি কৰিব পাৰো। সুধাকণ্ঠই গীতৰ মাজেৰে অসমীয়া বৃহত্তৰ সমাজ গঢ়াৰ চেষ্টা কৰিছিল বহু জাতি, জনজাতিৰ দেশ অসম মাতৃক। একতাৰ ডোলেৰে বান্ধ খাই অসমীয়া জাতিয়ে বিশ্বত এটা ভাল জাতিৰ পৰিচয় দিয়াৰ বাবে প্ৰেৰণা দিছিল গীতৰ মাজত। সেয়ে তেওঁৰ গীতত—

*'নানা জাতি উপজাতি*
*ৰহনীয়া কৃষ্টি কৰি সৃষ্টি*
*এই মোৰ অসম দেশ।'*

— এনেধৰণৰ সুৰ কৰিছিল য'ত অনুভৱ কৰা যায় জাতি গঠন প্ৰক্ৰিয়া আৰু প্ৰেৰণা। সকলো জাতিয়ে একতাৰ ডোলেৰে বান্ধ খাই বৰ অসম গঢ়াৰ সপোন বাস্তৱায়িত কৰাৰ প্ৰেৰণা তেখেতৰ গীতৰ মাজত প্ৰকাশ পাইছে।

তেখেতৰ গীতৰ সুৰত, কথাৰ মাজত জাতীয় প্ৰেমৰ পৰিচয় আমি পাওঁ। ড° ভূপেন হাজৰিকাৰ গীতত জাতীয় চেতনা চিৰদিনে অসমীয়া জাতিয়ে অনুভৱ কৰিব। অসমীয়া মানুহৰ সুখ-দুখ সকলোতে প্ৰেৰণা যোগাব পৰা সমল তেওঁৰ গীতৰ মাজত অসমীয়া জাতিয়ে অনুভৱ কৰিব পাৰিব। জাতীয় জীৱনত উন্নতি, প্ৰেৰণা চিৰকালেই জগাই থাকিব, তেওঁ এৰি থৈ যোৱা গীতৰ কথা আৰু সুৰত। অসমীয়া জাতিক বিশ্বৰ ভিতৰত প্ৰতিষ্ঠা কৰাৰ আকাংক্ষা গীতৰ মাজত সদায় বাজি থাকিব। এয়ে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা দেৱৰ গীতৰ মাজত অনুৰণিত হোৱা জাতীয় চেতনাৰ স্বৰূপ।

□□□

তথ্য ঃ

প্ৰথম অসমীয়া মিনি আলোচনীখনৰ নাম আছিল 'বিন্দু', যিখনৰ সম্পাদক আছিল ড° ভূপেন হাজৰিকা।



# ৰাভা জনজাতিসকলৰ চমু পৰিচয়

**ৰঞ্জুমণি ৰাভা**
স্নাতক দ্বিতীয় ষাণ্মাসিক

অসমৰ বিভিন্ন জনজাতিসকলৰ ভিতৰত ৰাভা জনজাতি এটা অন্যতম জনজাতি। বৰ্তমান এই জনজাতিৰ লোকসকল অসম আৰু মেঘালয়ৰ বাদেও পশ্চিমবংগ, ত্ৰিপুৰা, বিহাৰ, জলপাইগুৰি, দাৰ্জিলিং, নেপাল আৰু বাংলাদেশত বসবাস কৰি আছে।

নৃতত্ববিদসকলৰ মতে ৰাভাসকল ষোড়শ শতিকাত কোচৰ পৰা ৰাভা হয়। এইসকল পণ্ডিতৰ ভিতৰত ফ্ৰেইগু পেৰেইৰা, বুকানন, হেলিমটন, মাৰ্টিন, ডেল্টন, পোৰটাৰ, ড° গ্ৰিয়াৰচন, পোকৰ্নেল, ৰাডেল আদি অন্যতম।

বহু পণ্ডিতৰ মতে ৰাভাসকল বড়োসকলৰ এটা ঠাল। কছাৰীসকল যেতিয়া হিন্দু ধৰ্মৰ দ্বাৰা প্ৰভাবান্বিত হয় সেই কছাৰীসকলেই ৰাভা বুলি মত আগবঢ়াই। এই মতামত গ্ৰহণযোগ্য নহয় যেন লাগে। কাৰণ ৰাভাসকলৰ নিজা ভাষা আছে। তেওঁলোকৰ নিজা কলা-কৃষ্টি, সাহিত্য, লোক সাধু, আখ্যান, উপাখ্যান, কিংবদন্তী, লোকবিশ্বাস, আচাৰ-ব্যৱহাৰ, পূজা-পাৰ্বন আদি সুকীয়া। সেইফালৰপৰা ৰাভাসকল এটা সুকীয়া জনজাতি যেন লাগে।

ৰাভাসকলৰ আদি পুৰুষ হৈছে 'কোচ্ছে'। কোচ আৰু মেচ সম্বন্ধে ৰামমোহন নাথদেৱে 'অসমৰ মহিমা' নামৰ গ্ৰন্থত লিখিছে — চীনৰ পশ্চিমত আৰু হিমালয়ৰ উত্তৰত 'বড' নামৰ এখন দেশ আছিল। দেশখনত 'কুচাবড' আৰু 'মেছাবড' নামৰ দুটা অংশ আছিল। যিসকল লোক কুচাবডৰপৰা অসমলৈ আহিছিল তেওঁলোকক 'কোঁচ' বুলি কোৱা হৈছিল আৰু যিসকল লোক 'মেছাবড'ৰ পৰা আহিছিল তেওঁলোকক 'মেচ' বুলি কোৱা হৈছিল।

সাম্প্ৰতিক কালত পণ্ডিতসকলে ৰাভাসকলক নটা ফৈদত ভাগ কৰিছে। যেনে- ৰাংদানী, পাতি, মাইটোৰী, বিটলিয়া, হানা, চুঙা, টোটলা, কোচ আৰু দাহৰি। ইয়াৰ ভিতৰত প্ৰথম তিনিটা ভাগৰ দ্বাৰাই প্ৰকৃত ৰাভা সমাজ গঠিত।

হিন্দু ধৰ্মৰ প্ৰভাৱ ৰাভাসকলৰ মাজত যথেষ্ট পৰিছে। বহুতো হিন্দু দেৱ-দেৱীক তেওঁলোকে পূজা কৰে। ৰাভাৰ "বায়-লেমা বায়"(ৰাভাৰ কৌলিক দেৱ-দেৱী), 'ৰাভা বায়' অৰ্থাৎ বায়খো, হাছং, গ্ৰি' মবুদা ৰোন্তাক,

কামাহাচু, ছোং বাই তাঙি ইত্যাদি পূজাত পৰম্পৰাগত বিধি-ব্যৱস্থাৰে অৰ্থাৎ মদ, কুকুৰা, গাহৰিৰ কেঁচা তেজ, পিঠাগুৰি, চুঙাত প্ৰস্তুত কৰা মাংস, টংলতি, মেৰামুক ৰোংজুমুক (শিলৰ বেদী) ইত্যাদি উপচাৰেৰে জাতীয় বাদ্য সংগত কৰি ৰাভা ভাষাত ৰচিত স্তোত্ৰগীত গাই পূজা-পাতল কৰি আহিছে।

অসমীয়া লোকসংস্কৃতিৰ অতিকে আপোন ধানৰ লগত জড়িত লোকাচাৰ ৰাভা জনগোষ্ঠীৰ মাজতো প্ৰচলিত হৈ আহিছে। ধানখেতিৰ লগত বিভিন্ন লোকাচাৰ যেনে- ন গছা দিয়া , আগ অনা, কাতি গছা বা কাতি বিহু, ন ভাত খোৱা, নাঙল ধোৱা, খেতি চপোৱা আদি পৰ্ব। গো-পূজাৰ লগত জড়িত আচাৰ-বিধি কিছুমান ৰাভাসকলৰ মাজত মনকৰিবলগীয়া। যেনে- ব'হাগ বা মাঘৰ দোমাহীত গৰুক তেল-সেন্দুৰ দি নোওৱা-ধুওৱা ইত্যাদি।

<u>বিবাহ পদ্ধতিঃ</u> ৰাভাৰ বিবাহ পদ্ধতি অতি সহজ আৰু সৰল। আন আন জনজাতীয় সমাজত প্ৰচলিত থকাৰ দৰে ৰাভাৰ মাজতো বিয়াৰ সময়ত ছোৱালীৰ অভিভাৱকক গা-ধন দিয়া প্ৰথা প্ৰচলিত আছে । বিয়া কৰাবলৈ আহোতে দৰাই মূৰত বগা টুপী, গাত আলখাল্লাৰ দৰে দীঘল চোলা পিন্ধি হাতত ঢাল- তৰোৱাল লৈ আহে। বিধৱা বিবাহ আৰু বিবাহ বিচ্ছেদ দুয়োটা প্ৰথাই ৰাভা সমাজত প্ৰচলিত।

<u>ৰাভাসকলৰ খাদ্যঃ</u> ৰাভাসকলৰ খাদ্য প্ৰণালী সাধাৰণ মানুহতকৈ সুকীয়া বিধৰ। তেওঁলোকৰ ভাত, মাংস, মদ, জিম, খৰিচা, শুকান মাছ ইত্যাদি প্ৰিয় খাদ্য। মদ তেওঁলোকৰ অতিকে আপোন পানীয়, মদ বা আপং তেওঁলোকে ভাতৰ পৰা নিজেই প্ৰস্তুত কৰি লয়। বিভিন্ন ধৰণৰ উৎসৱ-অনুষ্ঠান, পূজা আদিত মুকলিকৈ আপঙৰ ব্যৱহাৰ কৰে। ঈশ্বৰক উদ্দেশ্য কৰি মদ বা আপং উচৰ্গা কৰাও দেখা যায়। ইয়াৰ উপৰি গাহৰিৰ মাংস তেওঁলোকৰ প্ৰিয় খাদ্য। গাহৰি পালন কৰা তেওঁলোকৰ এটা স্বাভাৱিক কাৰ্য।

ৰাভাসকলৰ 'মিখি- জিব্ৰা তানকায়' পদ্ধতিৰে খৰিচা নিঃসৰণ কৰা হয় আৰু এনেদৰে প্ৰস্তুত কৰা খৰিচা তেওঁলোকৰ অতি প্ৰিয় খাদ্য। ৰাভাসকলে খৰিচাৰ ৰস বা সিটাৰ লগত পানী, খাৰ আৰু পিঠাগুৰি মিহলাই কেঁচামাছ দি কৰা 'মিখি বামচি নাপিথিং' অৰ্থাৎ কেঁচামাছৰ জিম পিঠালি ৰন্ধন প্ৰকৰণত সিদ্ধহস্ত।

<u>ৰাভাসকলৰ বাদ্যসমূহ ঃ</u> লোকগীত আৰু লোক- নৃত্যৰ পৰিবেশনত বিশেষভাৱে সহায়ক উপকৰণবিধ হ'ল লোকবাদ্য। ৰাভাসকলৰ লোকগীত-নৃত্যৰ সৈতে লোকবাদ্যও সংগত কৰা পৰম্পৰা বিদ্যমান। তেওঁলোকৰ মাজতো ভালেমান লোকবাদ্যৰ ব্যৱহাৰ অদ্যপি দেখা যায়। সেইবোৰৰ ভিতৰত কাড়া, ব্ৰাংছি, মাঞ্চালেংকা, চিংগা, বাদুংদুপ্পা, গেমেনায়, বুবুৰেঙা, খ্ৰাম, দাইদি ইত্যাদি। উল্লেখ্য যে পৰম্পৰাগত বাদ্যসমূহ ভিন ভিন লোকনৃত্য - গীতৰ মাধুৰ্য বঢ়োৱাৰ সংগী।

<u>ৰাভাসকলৰ কলা ঃ</u> ৰাভা জনজাতিৰ এক নিজস্ব কলা-কৌশলগত সাজপাৰ আছে। সাজপাৰৰ উপৰিও অলংকাৰ, ভোজন- বিহাৰ, বাঁহ -বেতৰ সামগ্ৰীৰ মাজত দেখা পোৱা যায়। ৰাভা যুৱক- যুৱতীয়ে এতিয়া স্বকীয় সাজ হিচাপে পাজাৰ (গলবান্ধ) ৰি ফান (মেখেলা), কাংবাং (চাদৰ), কেমলেত (উৰণা) পৰিধান কৰে। এটা উল্লেখযোগ্য বৈশিষ্ট্য যে আদিতে ৰাভাসকলে কঁকালত বোৱা সাধাৰণ বিধৰ একোখন তাঁতশালেৰে (কু'মচিপ্ৰাং) অতি সুন্দৰ ফুলাম কাপোৰ বৈ উলিয়াইছিল। ৰাভাৰ প্ৰাচীন হস্তকলা, বয়নশিল্প, নৃত্য-গীত, বাদ্য অতি মনোৰম। কিন্তু এতিয়া সেয়া কিছু কমকৈ পৰিলক্ষিত হোৱা দেখা যায়। কিন্তু অতি আনন্দৰ কথা যে যোৱা কেবাবছৰ ধৰি ৰংদানি, মায়টোৰী, কোচ শিপিনীয়ে বোৱা ফুলৰ চানেকিয়ে ভাৰতৰ ৰাষ্ট্ৰপতি বঁটাৰ বাবে নিৰ্বাচিত হৈ ইতিমধ্যে চাৰিগৰাকী ৰাভা শিপিনীয়ে এই বঁটা লাভ কৰিছে। সেয়ে এতিয়া ৰাভা বয়নশিল্পৰ প্ৰতি সকলো শ্ৰেণীৰ ৰাভা ৰাইজে অফুৰন্ত আদৰ-প্ৰীতি প্ৰদৰ্শন কৰা দেখা পোৱা গৈছে।







সহায়ক গ্ৰন্থপঞ্জীঃ বিভিন্ন সংখ্যাৰ কাকত আৰু আলোচনী।

□□□

# কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰ



*"নিন্দা করতে গেলে বাইরে থেকে করা যায়*
*কিন্তু বিচার করতে গেলে ভেতরে প্রবেশ করতে হয়।।"*

(কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰ)

**অজয় শীল**
স্নাতক চতুৰ্থ ষাণ্মাসিক

কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰ এজন অগ্ৰণী বঙালী কবি, উপন্যাসিক সংগীতস্ৰষ্টা, নাট্যকাৰ, চিত্ৰকৰ, কণ্ঠশিল্পী আৰু দাৰ্শনিক আছিল। তেওঁক বঙলা ভাষাৰ সৰ্বশ্ৰেষ্ঠ সাহিত্যিক হিচাপে গণ্য কৰা হয়। ৰবীন্দ্ৰ নাথ ঠাকুৰক গুৰুদেৱ, কবিগুৰু আৰু বিশ্বকবি নামেৰে ভূষিত কৰা হৈছে। ৰবীন্দ্ৰ নাথৰ ৫২খন কাব্যগ্ৰন্থ, ৩৮খন নাটক, ১৩খন উপন্যাস, ৩৬ টা প্ৰবন্ধ, ইয়াৰ উপৰি তেখেতৰ মৃত্যুৰ পিছত অন্যান্য গদ্য সংকলন প্ৰকাশিত হয়। তেখেত ১৯১৫ টা গীত ৰচনা কৰিছিল আৰু প্ৰায় দুই-তিনি হাজাৰ ছবি অংকন কৰিছিল। ৰবীন্দ্ৰ নাথ ঠাকুৰৰ ৰচনাৰাজি বিশ্বৰ বিভিন্ন ভাষাত অনুবাদ কৰিছে। ১৯১৩ চনত 'গীতাঞ্জলি' কাব্যগ্ৰন্থৰ বাবে তেখেতে 'নোবেল বঁটা' লাভ কৰিছিল।

কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ জন্ম হৈছিল ৭ মে ১৮৬১ খ্ৰীষ্টাব্দত কলিকতাৰ জোড়াসাঁকো ঠাকুৰবাড়ি গাঁৱৰ বিখ্যাত ব্ৰাহ্মণ পৰিয়ালত। তেওঁৰ পিতৃৰ নাম আছিল ব্ৰাহ্মণ ধৰ্মগুৰু শ্ৰীদেবেন্দ্ৰ নাথ ঠাকুৰ আৰু মাতৃৰ নাম আছিল সাৰদা সুন্দৰী দেৱী। ৰবীন্দ্ৰনাথ ঠাকুৰ আছিল পিতৃ-মাতৃৰ চতুৰ্থ সন্তান। ৰবীন্দ্ৰ নাথ ঠাকুৰ বাল্যকালৰ পৰাই পঢ়া-শুনাত চোকা আছিল। তেখেতে আঠ বছৰ বয়সৰ পৰাই কবিতা লিখা আৰম্ভ কৰিছিল। ১৮৭৪ চনত তত্ত্ববোধিনী পত্ৰিকাত তেখেতৰ 'অভিলাষ' নামৰ কবিতা প্ৰকাশ

পায়। এই কবিতাটি আছিল তেওঁৰ প্ৰথম কবিতা। ১৮৭৮ চনত মাত্ৰ ১৭ বছৰ বয়সত তেওঁ প্ৰথমবাৰৰ বাবে ইংলেণ্ডলৈ যায়। ১৯০১ চনত তেওঁ পশ্চিমবঙ্গৰ শান্তি নিকেতনত ব্ৰহ্মচৰ্যাশ্ৰম প্ৰতিষ্ঠা কৰে আৰু তাতেই নিগাজিকৈ বসবাস কৰিবলৈ ধৰে। ১৯০২ চনত তেখেতৰ পত্নী মৃণালিনী দেৱীৰ মৃত্যু হয়। ১৯০৫ চনত তেওঁ বঙ্গ ভঙ্গ বিৰোধী আন্দোলনত ভাগ লয়। ১৯১৫ চনত বৃটিছ চৰকাৰে তেখেতক 'নাইট' উপাধিৰে ভূষিত কৰে। কিন্তু ১৯১৯ চনত জালিয়ানৱালাবাগ হত্যাকাণ্ডৰ প্ৰতিবাদত তেওঁ সেই উপাধি ত্যাগ কৰে। ১৯২১ চনত গ্ৰাম্য উন্নয়নৰ কাৰণে তেওঁ 'শ্ৰীনিকেতন' নামে এটা সংস্থা স্থাপন কৰে। ১৯৪১চনত কলিকতাৰ পৈত্ৰিক বাসভৱনতেই তেখেতে শেষ নিশ্বাস ত্যাগ কৰে।

কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰ আছিল মূলতঃ এজন কবি। তেওঁ মাত্ৰ আঠ বছৰ বয়সৰেপৰা কাব্যগ্ৰন্থ ৰচনা কৰিবলৈ আৰম্ভ কৰে। ৰবীন্দ্ৰ নাথৰ সমগ্ৰ ৰচনাৱলীসমূহক ৰবীন্দ্ৰ ৰচনাৱলী নামে ৩২ টা খণ্ডত প্ৰকাশিত হৈছে। ৰবীন্দ্ৰ নাথ ঠাকুৰে 'সন্ধ্যা সংগীত' কাব্যগ্ৰন্থখনৰ জৰিয়তে নিজৰ ব্যক্তিত্ব প্ৰকাশ কৰে। ৰবীন্দ্ৰ নাথ ঠাকুৰে ৰচনা কৰা বিখ্যাত কাব্যগ্ৰন্থসমূহ হ'ল— সোনাৰ তীৰ, চিত্ৰা, চৈতালি, কল্পনা, ক্ষণিকা, গীতাঞ্জলি, শেষসপ্তক, জন্মদিন, শেষলেখা, তোমাৰ সৃষ্টি পথ ইত্যাদি। তেওঁ লিখা কবিতা এটাৰ এফাঁকি তলত তুলি ধৰা হ'ল—

শেষের মধ্যে অশেষ আছে,
এই কথাটি মনে
আজকে আমার গানের শেষে,
জাগছে ক্ষণে ক্ষণে।
(গীতাঞ্জলি)

ৰবীন্দ্ৰ নাথ ঠাকুৰে মুঠ ১৩ খন উপন্যাস ৰচনা কৰিছিল।




সেইসমূহ হ'ল— বৌ ঠাকুৰাণীৰ হাট, ৰাজৰ্ষি, চোখেৰ বালি, নৌকাডুবি, প্ৰজাপতিৰ নিবন্ধ, গোৰা, ঘৰে-বাইৰে, চতুৰঙ্গ, যোগাযোগ, শেষেৰ কবিতা, দুই বোন, মালঞ্চ আৰু চাৰ অধ্যায়। উপন্যাসৰ উপৰিও তেওঁ বিভিন্ন নাটক ৰচনা কৰিছিল। সেইসমূহ হ'ল— শাৰদোৎসব, ৰাজা, ডাকঘৰ, কালযাত্ৰা, ৰক্তকৰবী ইত্যাদিৰ উপৰিও আৰু অনেক নাট ৰচনা কৰি নাট্যজগতখনত বিশেষ অৱদান আগবঢ়াইছিল। ৰবীন্দ্ৰ নাথৰ নাটকসমূহ শান্তি নিকেতনৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰথম মঞ্চস্থ কৰিছিল।

কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ সাহিত্যৰ বৈশিষ্ট্য ভাৱৰ গভীৰতা, গীতিধৰ্মিতা, আধ্যাত্মিক চেতনা, মানৱপ্ৰেম, প্ৰকৃতিপ্ৰেম, স্বদেশপ্ৰেম, বিশ্বপ্ৰেম, বাস্তৱ চেতনা, প্ৰগতি চেতনা ইত্যাদি। ৰবীন্দ্ৰ নাথ ঠাকুৰৰ কাব্য সাহিত্যৰ অন্যতম শ্ৰেষ্ঠ কীৰ্তিস্তম্ভ হ'ল 'আমাৰ সোণাৰ বাংলা' আৰু 'জন গণ মন অধিনায়ক জয়হে' এই গীত দুটি যথাক্ৰমে বাংলাদেশ আৰু ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত। ৰবীন্দ্ৰ নাথ ঠাকুৰৰ এই সাহিত্যিক অৱদানৰ বাবে তেখেত সদায় চিৰস্মৰণীয় হৈ থাকিব।

□□□

তথ্য ঃ

সাহিত্যত নোবেল বঁটা বিজয়ী বৰ্তমানলৈ একমাত্ৰ ভাৰতীয় কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ।

# যুৱ প্ৰজন্ম আৰু যুৱ মানসিকতা



**নৱজ্যোতি কুমাৰ**
উঃ মাঃ দ্বিতীয় বৰ্ষ

ক্ষিপ্ৰ গতিত পৰিৱৰ্তিত এই সমাজক এক যোগাত্মক আৰু সুস্থিৰ অৱস্থালৈ আনিবলৈ হ'লে সুস্থ বিৱৰ্তনকামী ন চিন্তা প্ৰয়োজন আছে আৰু সেই চিন্তা পৰিকল্পনাক বাস্তৱায়িত কৰাৰ নিমিত্তে যুৱসমাজৰ ভূমিকা তথা সক্ৰিয় অংশগ্ৰহণ নিতান্তই প্ৰয়োজনীয়

সাম্প্ৰতিক সময়ত বিশ্বায়নে বিশেষকৈ অৰ্থনৈতিক বিশ্বায়নে বিকাশৰ গতিক এক নমাত্ৰা প্ৰদান কৰিছে। অৰ্থনৈতিক উদাৰীকৰ আৰু বিশ্বায়নে বৰ্তমানৰ যুৱসমাজক বাৰুকৈয়ে প্ৰভাৱিত কৰিছে যাৰফলত ভোগসৰ্বস্ব জীৱন হৈ পৰিছে সহজলভ্য। যুৱসমাজৰ বা অৰ্থ লাভৰো নতুন নতুন বহু পথ উন্মোচিত হৈছে যাৰফলত "সহজ অৰ্থোপাৰ্জন" হৈ পৰিছে তেনেই সহজ। ফলস্বৰূপে সতত নিষ্ঠা, আদৰ্শ, ত্যাগ, সহমৰ্মিতা আদিৰ বিপৰীতে গৈ যুৱসমাজে কেৱল অৰ্থৰ প্ৰতিযোগিতাত সোমাই পৰিছে, য'ত তেওঁলোৰে হেৰুৱাই পেলাইছে সামাজিক মূল্যবোধ আৰু ব্যক্তিগত নৈতিক চেতনা।

বৰ্তমান সমাজব্যৱস্থাক এক বিশ্লেষণাত্মক দৃষ্টিভংগীৰে চালে দেখা যায় যে প্ৰকৃততে এই অস্থিৰ পৰিৱৰ্তনে এক ভয়াব বিপদৰ সংকেতহে বহন কৰিছে। এই উশৃংখল সমাজৰ প্ৰত্যেক স্তৰতে দেখা যায় ব্যাপক অনিয়ম, হিংসা, বিদ্বেষ, অৰ্থ লাভৰ দুৰ্নিবা হেঁপাহ। ক'বলৈ গ'লে প্ৰত্যেক মানুহেই দুৰ্বলক দমন-শোষণ কৰি আগুৱাই যাব বিচাৰিছে আৰু তাতেই যেন তেওঁলোকে বিচা পাইছে এক মাতাল তৃপ্তি।

কৃষি প্ৰধান অসমত বৰ্তমানৰ সামাজিক ব্যৱস্থাই তুলি ধৰিছে এক অস্পষ্ট ভৱিষ্যতৰ চিত্ৰ। যুৱসমাজৰ কৰণীয় এইক্ষেত্ৰত অপৰিসীম। যুগৰ লগত আগুৱাই যাবলৈ নতুনক আদৰাৰ মানসিকতা আমাৰ প্ৰত্যেকৰে থকা উচিত যদিও আমি নিজৰ কলা- সংস্কৃতি, সৌন্দৰ্যক পাহৰি যোৱাটো অনুচিত। যুৱসমাজে পুঁজিবাদী অৰ্থনীতিত সম্পূৰ্ণৰূপে জাহ নগৈ সমাজৰ প্ৰত্যেক স্তৰ মানুহ উন্নতি কেনেকৈ সাধন কৰিব পাৰি সেই সম্পৰ্কে গঠনমূলক চিন্তা-চৰ্চা তথা কাৰ্যপন্থা গ্ৰহণ কৰাটো উচিত। যুৱসমাজেই দেশৰ ভৱিষ্যৎ

গতিকে বস্তুবাদী নহৈ সমাজবাদী চিন্তা-চৰ্চাক প্ৰাধান্য দিয়াটো খুবেই প্ৰয়োজনীয়।

বৰ্তমান সমাজ দুই ভাগত বিভক্ত, ধনী-দুখীয়া অথবা শোষক-শোষিত। সমাজত প্ৰথম শ্ৰেণীৰ লোকসকলে নিজে সদায় সুৰক্ষিত আৰু সুবিধাজনক অৱস্থাত থাকি দুৰ্বল শ্ৰেণীৰ লোকৰ ওপৰত প্ৰভূত্ব বিস্তাৰ কৰিব বিচাৰে। সাধাৰণ দৰমহাৰ চাকৰি এটাৰ বাবে লাখ লাখ টকা লৈ দুৰ্বল শ্ৰেণীৰ লোকসকলক শোষণ কৰিছে। সমাজত নিজৰ স্বাভিমান বিক্ৰী কৰি উপযুক্তজনক লঠিয়াই সংস্থাপিত হোৱা এই আঢ্যৱন্ত লোকসকলে ক্ষমতা, সামাজিক স্থিতি আৰু পদমৰ্যাদাৰ লোভত পাহৰি যায় বিষ্ণু-জ্যোতিৰ অসমখনত বিয়পি পৰা এইচাম সুবিধাবাদীৰ বাবেই আজি অসমখন ঘূণে ধৰিবলৈ আৰম্ভ কৰিছে। যাৰফলত শোষিতৰ ওপৰত শোষণৰ মাত্ৰা বাঢ়ি গৈ আছে আৰু এনেকৈয়ে বাঢ়ি গৈ আছে অৰাজকতা। পোৱা-নোপোৱাৰ এই প্ৰতিযোগিতাত ভাগ লৈ আজি মানুহ হৈ পৰিছে নিঃসংগ। গাত শক্তিকণ থকালৈকে দৌৰিছে মাথো দৌৰিছে। কাৰোবাৰ বাবে অলপ সময় ৰ'লেই যেন তেওঁলোক হাৰি যাব আৰু অৱশেষত তেওঁলোক যে হৈ পৰিব অসফল লোক বা লুজাৰ। প্ৰতিযোগিতাৰে ভৰা জীৱনত মানুহে ভয়-শংকাৰে জীয়াই থাকি অৱশেষত আপোন মানুহৰ সাদৰৰ মাত এযাৰৰ বাবে হাহাকাৰ কৰি ফুৰে, কিন্তু সেই সময়ত হয়তো তেওঁৰ কাষত কোনো আত্মীয় নাথাকে, আৰু তেতিয়াই তেওঁৰ নিজৰ অহংকাৰ, গৰ্ব শক্তি সকলো মষিমূৰ হৈ যায়; উপলব্ধি কৰে— আনক শোষণ কৰি নিজে আগবাঢ়ি যোৱাৰ এই প্ৰতিযোগিতাৰ আন্তঃসাৰশূন্যতাৰ কথা। ৰৈ যায় মাথো কিছুমান বেদনাগধুৰ স্মৃতি।

গতিকে ক'বলৈ গ'লে প্ৰত্যেক মানুহেই বাস্তৱত জীয়াই থাকি আনৰ কোনো ক্ষয়-ক্ষতি নকৰাকৈ নিজৰ কৰণীয়খিনি সময়মতে নিয়াৰিকৈ আৰু সততাৰে কৰি গ'লে আমাৰ এই অস্থিৰ সমাজলৈ সুস্থিৰতা আহিব। 'সততা', 'নিষ্ঠা', 'সহানুভূতি', 'দয়া', 'মমতা' আদি শব্দবোৰৰ সুষম বাস্তৱিক প্ৰয়োগে যুৱসমাজৰ মানসিকতালৈ এক ধনাত্মক চিন্তাৰ ঢল আনিব।

কিন্তু সুখৰ কথা এই যে বৰ্তমানৰ সমাজতো এচাম যুৱক আছে, যি সকলে প্ৰকৃত শান্তিৰ সন্ধানত নামি পৰিছে। কিন্তু উপযুক্ত পৰিৱেশ, দিক-দৰ্শক তথা উৎসাহদাতাৰ অভাৱত তেওঁলোকৰ এই সন্ধানৰ গতি স্থবিৰ হৈ পৰিছে অথবা স্থবিৰ হ'বলৈ বাধ্য হৈছে।

গতিকে কাল্পনিক জগতৰ মায়া-মোহত নোসোমাই বাস্তৱৰ প্ৰকৃত সত্যক স্বীকাৰ কৰি প্ৰত্যেক মানুহেই প্ৰত্যেকৰে বাবে সদভাৱ, সন্মান, শ্ৰদ্ধা, সহায়ৰ মনোভাৱ ৰখাটো নিতান্তই প্ৰয়োজনীয়। সমাজত ভিন্নতা থকাটো স্বাভাৱিক। কিন্তু সেই ভিন্নতা আয় বা অৰ্থ চাই হোৱাটো লজ্জাজনক। ধন-সম্পত্তিয়ে মানুহৰ ভিন্নতা আনিব নোৱাৰে, ভিন্নতা আনে মানুহৰ চিন্তাধাৰা, মানুহৰ ব্যৱহাৰ তথা মানসিকতাইহে। গতিকে এজন মানুহৰ আন মানুহৰ প্ৰতি যি মানসিকতা, চিন্তাধাৰা অথবা ব্যৱহাৰ সেয়া সদায় সৎ, শুদ্ধ, যুক্তিসংগত, সমভাৱাপন্ন হোৱাৰ লগতে মানৱীয় অনুভূতিৰে সিক্ত হোৱা উচিত।

সেয়েহে, আমি যুৱ প্ৰজন্মই বৰ্তমানৰ চিন্তা-ধাৰাক এক সুস্থিৰ গতি প্ৰদান কৰি আগুৱাই যাব পাৰিলেই এখন সুন্দৰ সমাজ গঢ়ি তোলাটো সহজ হৈ পৰিব। সংস্কাৰমুখী মনোভাৱেৰে প্ৰত্যেকেই আগুৱাই আহি নিজৰ কৰ্মখিনি নিষ্ঠা, সততা আৰু সৎসাহসেৰে কৰি গ'লেই এক নতুন দিগন্তৰ সূচনা হ'ব। যুৱসমাজৰ সুস্থ-সবল চিন্তা, নেতৃত্ব আৰু কৰ্মৰ মাজেৰে অসমী আই উন্নতি তথা শান্তিৰ মুকুট পৰিধান কৰি জিলিকি উঠক, তাৰে কামনাৰে এই লিখনি সামৰিছো।□



সহায়ক গ্ৰন্থপঞ্জীঃ ১) বিভিন্ন সংখ্যাৰ আলোচনী ২) ইন্টাৰনেট

# জীৱন আৰু কৃতকাৰ্যতা

কমল ঠাকুৰীয়া
মুৰব্বী অধ্যাপক
ৰাজনীতি বিজ্ঞান বিভাগ



সময় গতিশীল। সময় কাৰো বাবে ৰৈ নাথাকে। সময়ে মানুহক বহু কথা শিকাই থৈ যায়। বয়স বঢ়াৰ লগে লগে মানুহে ভিন্ন পৰিৱেশ আৰু পৰিস্থিতিৰ সন্মুখীন হয়। ইয়ে ব্যক্তিক অভিজ্ঞতা আহৰণত সহায় কৰে। এই অভিজ্ঞতা সদৰ্থক দৃষ্টিভংগীৰে গ্ৰহণ কৰি জ্ঞানীজনে জীৱন পথত খোজ দিয়ে। ইয়ে ব্যক্তিজীৱনক সুখী আৰু সমৃদ্ধিশালী কৰে। মানৱীয় গুণেৰে মানৱ সেৱাত মনোনিৱেশ কৰিবলৈ মানুহক আভ্যন্তৰীণ শক্তি প্ৰদান কৰে। পৰিয়ালৰ সদস্যৰ লগত ভাল সম্পৰ্ক বা ওচৰ-চুবুৰীয়াৰ লগত ভাল সম্পৰ্ক বজাই ৰাখিব পৰাটোও কৃতকাৰ্যতাৰ চিন। ঠিক তেনেদৰে নিকট আত্মীয় আৰু বন্ধু-বান্ধৱৰ সৈতে ভাল সম্পৰ্ক ৰখাটোও কৃতকাৰ্যতাৰ চিন। পৰীক্ষাত ভাল ফলাফল পোৱাটো যেনেকৈ কৃতকাৰ্যতাৰ চিন, তেনেকৈ মানৱীয় গুণ আৰু নৈতিকতা অৰ্জন কৰাটোও কৃতকাৰ্যতাৰ চিন। অধ্যাৱসায় (কৃচ্ছ্ৰসাধনা), জীৱন সম্পৰ্কে সুস্থ দৃষ্টিভংগী আৰু প্ৰবল কষ্টসহিষ্ণু এটা মানুহে মানুহক জীৱনৰ বাটত আগ বঢ়াই লৈ যাব পাৰে। পৃথিৱীৰ মহা মহা মনীষীৰ জীৱন বুৰঞ্জী অধ্যয়ন কৰিলে তেওঁলোকে জীৱনত কৰা সাধনা আৰু কঠোৰ পৰিশ্ৰমৰ বিষয়ে উমান পাব পাৰি। কৃতকাৰ্যতা ব্যক্তিজীৱনলৈ একেদিনাই নাহে। ই নেৰানেপেৰাকৈ লাগি থকা সাধনা, একাগ্ৰতা আৰু পৰিশ্ৰমৰ ফল।

সময়ৰ পৰিবৰ্তনৰ লগে লগে সমাজৰ পৰিবৰ্তন হয়। পৰিবৰ্তিত সময়ৰ সৈতে ব্যক্তিয়ে খাপ খোৱাকৈ পৰিবৰ্তন হ'ব লাগিব। আধুনিক চিন্তাধাৰাৰে ব্যক্তি সমৃদ্ধ হোৱাটো সময়ৰ আহ্বান। আত্ম-সচেতনতা আৰু আত্ম-সজাগতাই বহু প্ৰশ্নৰ উত্তৰ দি যায়। আত্ম-সচেতনতাই সমাজ উত্তৰণৰ প্ৰাথমিক চৰ্ত। ব্যক্তিয়ে জীৱন কালত বহু সমস্যাৰ সন্মুখীন হয়। পৃথিৱীত এনে কোনো লোক নাই যি সমস্যাৰ সন্মুখীন হোৱা নাই। সমস্যাৰ সন্মুখীন হ'বলৈ যি লোকৰ সাহস আৰু সামৰ্থ আছে, সেইজন লোকৰ জীৱনলৈ কৃতকাৰ্যতা আহিবই। ধৈৰ্য, সাহস আৰু নেৰানেপেৰা প্ৰচেষ্টা হ'ল কৃতকাৰ্যতাৰ আভূষণ।

মানুহ কল্পনাপ্ৰৱণ। মানুহে কল্পনাৰ কাৰেংঘৰ সাজে। তথাপি আমি ক'ব নোৱাৰাকৈয়ে বাস্তৱৰ মুখামুখি হওঁ। বাস্তৱ ভৱাতকৈ

কঠিন। আমি বাস্তৱৰ সন্মুখীন হোৱাতকৈ এনে কিছুমান কথা অৱতাৰনা কৰো; যিবিলাকে আমাক জীৱনৰ বাটত বহু পিছুৱাই লৈ যায়। আমাৰ যদি অমুক থাকিলহেঁতেন তেন্তে অমুক হ'লোহেঁতেনে বা অমুক সুবিধা পোৱা হ'লে অমুক হ'ব পাৰিলোহেঁতেন ইত্যাদি কথাৰ অৱতাৰনা কৰা আমি শুনা পাওঁ। কিন্তু আমি এনেধৰণৰ কথাও পাতিব লাগে য'ত সীমিত সুবিধাৰে বা বিশেষ সুবিধা নোপোৱাকৈ দৰিদ্ৰতাৰ সৈতে যুঁজি মানুহে কেনেকৈ বিভিন্ন ক্ষেত্ৰত (বিদ্যায়তনিক/প্ৰশাসনিক/ৰাজনৈতিক/ সাহিত্য/বিজ্ঞান) উচ্চ শিখৰত উপনীত হৈছে। সৎ পথত থাকি অসামান্য পৰিশ্ৰম কৰিলে মানুহৰ জীৱনত কৃতকাৰ্যতা সম্ভৱ। ব্যক্তিয়ে পৰিয়ালৰ সদস্য আৰু বন্ধু-বান্ধৱৰ সৈতে বিশ্বাসৰ সম্বন্ধ প্ৰতিষ্ঠা কৰাটো নিতান্তই প্ৰয়োজনীয়। সৰু সৰু কামৰ সমষ্টিয়ে মানুহক মহৎ কৰ্মৰ পিনে আগুৱাই নিয়ে। কৰ্মত সৰু-বৰ নাই। মৰ্যাদাসহকাৰে কৰ্মত প্ৰবৃত হোৱাটোৱেই মূল কথা। সমাজৰ সেৱাৰ মনোভাৱেৰে আৰু মুখত হাঁহি বিৰিঙাই প্ৰতিটো কামত অগ্ৰসৰ হোৱাটো নিশ্চয় সুস্থ মানসিকতাৰ পৰিচয়।

সমাজৰ ইতিবাচক পৰিবৰ্তন সকলোৱে আশা কৰে। এনেধৰণৰ পৰিবৰ্তনে মানুহক প্ৰভাৱিত কৰে। নতুন নতুন কৰ্মত মনোনিৱেশ কৰিবলৈ উৎসাহিত কৰে। সমাজত চলা অন্ধবিশ্বাসৰ পৰা জ্ঞানী মানুহে পৰিত্ৰাণ বিচাৰে। ই এক স্বাভাৱিক পক্ৰিয়া। আনক পৰিবৰ্তন কৰিব বিচৰাতকৈ প্ৰথমে নিজে পৰিবৰ্তন হোৱাটো ভাল। নিজৰ পৰিবৰ্তন হোৱা দেখি তেতিয়াহে আনে পৰিবৰ্তন হ'বলৈ অনুপ্ৰাণিত হ'ব। তেতিয়াহে ব্যক্তিজীৱনৰ সাৰ্থকতা আহে। জীৱনৰ প্ৰতিটো খোজতে ইতিবাচক দৃষ্টিভংগী গ্ৰহণ কৰি মন, মগজু আৰু হৃদয় পৰিপূৰ্ণ কৰি ৰাখিব লাগে। জীৱনৰ ছন্দ হেৰাই যাব দিব নালাগে। সদা সচেতন হৈ থাকি জীৱন নামৰ ৰথখন চলাই থাকিব লাগে। যেতিয়া আনক আৱেগিকভাৱে, মানসিকভাৱে আৰু শাৰীৰিকভাৱে আঘাত কৰিবলৈ মনত চিন্তা নাহে, তেতিয়াহে মন প্ৰশস্তিৰে ভৰি পৰিব।

মানুহৰ জীৱনত দুটা দিশ থাকে - অন্তৰ্জীৱন আৰু বহিৰ্জীৱন। মানুহৰ অন্তৰ্জীৱন বেদনাদায়কো হ'ব পাৰে আৰু চিন্তামধুৰো হ'ব পাৰে। দৰিদ্ৰতাই মানুহক বহু যন্ত্ৰণা দিয়ে। বহুতে এই যন্ত্ৰণাক জয় কৰি মানুহৰ জয়গান গাইছে। বহু এনেকুৱা ব্যক্তি



আছে যি দৰিদ্ৰতাৰ প্ৰত্যহ্বান গ্ৰহণ কৰি জীৱন সংগ্ৰামত ব্ৰতী হৈ বিশ্বত প্ৰতিষ্ঠা লাভ কৰিছে। বহুতে মানৱ সেৱাত ব্ৰতী হৈ প্ৰেম আৰু মহানুভৱতাৰ বাণী বিলাইছে। জীৱনক ইতিবাচক দৃষ্টিভংগীৰে চাবলৈ শিকিছে। মানুহৰ জীৱনত প্ৰাপ্তি যেনেকৈ আছে অপ্ৰাপ্তিয়ো তেনেকৈ আছে। তথাপি মানুহে সপোন দেখে, সপোন ৰচে। সপোন দেখিয়ে জীৱনত আগ বাঢ়ে। সপোনক দিঠকত পৰিণত কৰিব বিচাৰে। জীৱন সংগ্ৰামত ব্ৰতী হয়। মানুহে জীৱনৰ যাত্ৰাপথত বহুজনক লগ পায়। সম্পৰ্ক গঢ়ে, সম্পৰ্ক ভাগে। নতুনৰ পিনে মানুহ ধাৱিত হয়। নতুন যাত্ৰা আৰম্ভ হয়। মানৱ সভ্যতা থকালৈকে এই যাত্ৰা। এই যাত্ৰা অসীমলৈ, অন্তহীন। মানুহ তৃষ্ণাতুৰ। কিছুমান বিষয়ত মানুহ তৃপ্ত হয়। পাছ মুহূৰ্ততে আকৌ অতৃপ্ত হয়। এনেদৰে মানুহৰ জীৱন পৰিক্ৰমা চলি থাকে আৰু চলি থাকিব। এয়া নিয়তিৰ নিয়ম।

□□□



# গ্ৰাম্য অঞ্চলৰ উন্নতিৰ বাবে সচেতন মহলৰ সামাজিক দায়বদ্ধতা

ড° ফণীন্দ্ৰ কলিতা
সহকাৰী অধ্যাপক
ৰাজনীতি বিজ্ঞান বিভাগ

এখন দেশ উন্নতিৰ জখলাত আগবাঢ়িবলৈ হ'লে গ্ৰাম্যাঞ্চলৰ উন্নতি ইয়াৰ প্ৰাথমিকতা হ'ব লাগিব। কিয়নো বৰ্তমানেও প্ৰায় ৭০% লোকে গ্ৰাম্যাঞ্চলত বসবাস কৰে। অৰ্থাৎ তুলনামূলকভাৱে অতি নগণ্যসংখ্যক লোকেহে চহৰ বা নগৰাঞ্চলত বসবাস কৰে। গতিকে গ্ৰাম্যাঞ্চলৰ উন্নতিক আওকাণ কৰি নগণ্যসংখ্যক লোক বসবাস কৰা চহৰ বা নগৰাঞ্চলৰ উন্নতিৰে দেশৰ সামগ্ৰিক বিকাশ সম্ভৱপৰ কৰি তুলিব নোৱাৰি। ভাৰত বা অসমক বিশ্বৰ বুকুত এটা উজ্জ্বল ভোটাতৰা হিচাপে প্ৰক্ষেপ কৰিবলৈ হ'লে গ্ৰাম্যাঞ্চলৰ বিকাশক কোনোগুণে আওকাণ কৰিব পৰা নাযাব। সেয়েহে মহাত্মা গান্ধীয়েও এই কথা অনুমান কৰিয়েই হ'বলা গ্ৰাম্যাঞ্চলৰ উন্নতিৰ কথাটো দোহাৰিছিল। তেখেতে গ্ৰাম্য অৰ্থনীতিক বিশেষকৈ কুটীৰ শিল্পৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰি গ্ৰাম্য অৰ্থনীতিৰ লগতে দেশীয় অৰ্থনীতিক স্বাৱলম্বী কৰি গঢ়ি তুলিব বিচাৰিছিল।

গ্ৰাম্যাঞ্চলৰ বিকাশ বা অৰ্থনীতিয়ে বহু কথাৰ তাৎপৰ্য বহন কৰে। এটা অঞ্চলৰ উন্নতি বুলিলে প্ৰথমতে ইয়াৰ প্ৰাথমিক উপাদানসমূহৰ প্ৰয়োজনীয়তাৰ দিশটোক গুৰুত্ব দিব লাগিব। উদাহৰণস্বৰূপে যোগাযোগ যেনে ৰাস্তাঘাট, খোৱাপানী, বিজ্ঞানসন্মত নলা-নৰ্দমাৰ সু-ব্যৱস্থা, স্বাস্থ্যসন্মত বিশুদ্ধ খোৱাপানী, শিক্ষা, স্বাস্থ্য, ৰাজহুৱা যোগান ব্যৱস্থা, উপযুক্ত বজাৰ, জলসিঞ্চন ব্যৱস্থা, খেলা-ধূলা, সুস্থ ৰাজনৈতিক-সামাজিক বাতাবৰণ, নিয়োগ, প্ৰযুক্তিগত জ্ঞান আদি অবিহনে গ্ৰাম্যাঞ্চলৰ উন্নতি এটা সপোনৰ বাদে আন একো নহয়।

ভাৰতবৰ্ষ স্বাধীন হোৱাৰ আজি প্ৰায় ৭০ বছৰে গ্ৰাম্যাঞ্চলক বিকাশৰ মধুৰ বতাহজাকে চুব পৰা নাই। বিশেষকৈ দক্ষিণ কামৰূপৰ অন্তৰ্গত ছয়গাঁও অঞ্চলৰ কথাকেই উনুকিয়াব পাৰি। এই অঞ্চলত অৰ্থনীতি মূলতঃ কৃষিৰ ওপৰত নিৰ্ভৰশীল যদিও বৰ্তমানে গোলকীকৰণৰ প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱে যুৱকসকলক অনাকৃষিখণ্ডত নিয়োজিত কৰাও পৰিলক্ষিত হৈছে। এইখিনিতে উনুকিওৱা প্ৰয়োজন যে স্বাধীনতাৰ

প্ৰায় সাতটি দশক অতিবাহিত হোৱাৰ পিছতো আজি পৰ্যন্ত এই অঞ্চলটোত জলসিঞ্চনৰ সু-ব্যৱস্থা গঢ়ি উঠা নাই। কেৱলমাত্ৰ বৰষুণৰ পানীৰ ওপৰত নিৰ্ভৰ কৰিয়েই পৰিয়ালৰ ভাতসাজ মোকলাবলৈ ৰাইজ বাধ্য হৈছে। তাৰোপৰি উন্নত বীজ তথা কৃষিখণ্ডৰ আধুনিকীকৰণৰ অভাৱে কৃষিখণ্ডত যুৱ প্ৰজন্মক নিয়োজিত কৰিবলৈ নিৰুৎসাহিত কৰা পৰিলক্ষিত হৈছে। সেয়েহে কৃষিখণ্ডৰ পৰা আঁতৰি আহি দুই-এজন যুৱকে স্বাৱলম্বী হোৱাৰ যত্ন কৰিছে যদিও আধুনিক প্ৰায়োগিক শিক্ষণৰ অভাৱত তেওঁলোকেও আশানুৰূপ ফল পাবলৈ সক্ষম হোৱা নাই। ইয়াৰে মাজৰ কিছুমানে আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰি চাকৰিমুখী হৈছে যদিও বেছিভাগেই সফল হ'ব পৰা নাই আৰু পৰিণামস্বৰূপে তেওঁলোকে কিছুমান ব্যাধিৰ কবলত পৰাহে পৰিলক্ষিত হৈছে, যিটো খুবেই গ্ৰাম্যাঞ্চলৰ সৰ্বাংগীণ উন্নতিৰ বাবে চিন্তনীয়। এই সামাজিক ব্যাধিৰ দ্বাৰা অপৰাধ প্ৰৱণতামুখী হৈ ঘৰৰ আশে-পাশে এক সামাজিক অসুস্থ পৰিৱেশ গঢ়ি উঠিছে। আধুনিক সা- সৰঞ্জাম যেনে টেলিভিছন, মোবাইল আদিৰ অপব্যৱহাৰে সামাজিক বাতাৱৰণক ধ্বংসৰ গৰাহলৈ ঠেলি দিছে। এইখিনিতে সকলোৱেই একমত হ'ব যে যুৱ শক্তিক সঠিক ক্ষেত্ৰত ব্যৱহাৰ কৰা আৰু সঠিক পথত আগবঢ়াই লৈ যোৱাটো প্ৰতিটো পৰিয়ালৰ বাবেই যে মংগলজনক তেনে নহয় বৰং গ্ৰাম্যাঞ্চলৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক, বৌদ্ধিক আদি সকলো ক্ষেত্ৰতে অতিকৈ প্ৰয়োজন। এইক্ষেত্ৰত পৰিয়ালৰ অভিভাৱকৰ পৰা আৰম্ভ কৰি সমাজৰ প্ৰতিজন সচেতন নাগৰিক তথা প্ৰশাসনে গুৰু দায়িত্ব বহন কৰিব লাগিব। সকলোৱে মিলি প্ৰচলিত কু-ব্যৱস্থাসমূহ আঁতৰাই সু-ব্যৱস্থাসমূহ বাহাল নাৰাখিলে সামাজিক ব্যৱস্থাৰ কেতিয়াও সংশোধন নহ'ব। গ্ৰাম্যাঞ্চলত এতিয়াও চুকে কোণে মুক্তভাৱে মদ-ভাং সেৱন, জুৱা আদি প্ৰচলিত হৈ আহিছে যিয়ে উঠি অহা নৱপ্ৰজন্মৰ ভৱিষ্যৎ বিনষ্ট কৰিছে। এইক্ষেত্ৰত পৰিয়ালৰ অভিভাৱকৰ লগত গ্ৰাম্যাঞ্চলৰ সচেতন মহলৰ এক গুৰু দায়িত্ব আছে।

অৱশ্যে অশিক্ষা আৰু কৰ্মহীনতাও গ্ৰাম্যাঞ্চলৰ অ-ব্যৱস্থাৰ এক মুখ্য কাৰণ। বৃত্তিমুখী শিক্ষাৰ অভাৱত কৰ্মহীনতা বৃদ্ধি পাইছে। বৰ্তমানৰ প্ৰতিযোগিতামুখী বজাৰত বৃত্তিমুখী শিক্ষাৰ ওপৰত গুৰুত্ব দিয়া হয়, কিন্তু দৰিদ্ৰতাৰ বাবেই হওক বা উপযুক্ত দিক্ দৰ্শন তথা তত্ত্বাৱধানৰ অভাৱতেই হওক এই অঞ্চলসমূহত নিবনুৱা এক ভয়ংকৰ অৱস্থালৈ গতি কৰিছে। তদুপৰি প্ৰতিযোগিতামুখী গোলকীয় উপাদানসমূহে গ্ৰাম্যাঞ্চলৰ পৰম্পৰাগত কুটীৰ শিল্প তথা হস্তশিল্পসমূহ সম্পূৰ্ণৰূপে নিৰ্মূল কৰি গ্ৰাম্য অৰ্থনীতিক পংগু কৰিছে। পৰিণামস্বৰূপে যুৱ প্ৰজন্মৰ মাজত কৰ্মহীনতাৰ সৃষ্টি কৰি গ্ৰাম্য সমাজখনৰ সুস্থ পৰিৱেশক মোক্ষম আঘাত হানিছে।

তদুপৰি এইখিনিতে এইটোও মনত ৰখা প্ৰয়োজন যে কৰ্মসংস্কৃতিয়েহে এটা পৰিয়াল বা এখন গাঁও, এখন সমাজ আৰু এটা জাতি জীয়াই ৰাখিব পাৰিব। আজিৰ যুৱপ্ৰজন্মই কৰ্মসংস্কৃতিক ত্যাগ কৰিলে কিন্তু ৰাজপথত শ্লোগান দিয়াৰ বাদে আন উপায় নাইকিয়া হ'ব। সচেতন হোৱাৰ উপযুক্ত সময় হ'ল। আমাৰ মাজৰে সহোদৰসকলক কৰ্মহীন অপ-সংস্কৃতিৰ

অৱশ্যে অশিক্ষা আৰু কৰ্মহীনতাও গ্ৰাম্যাঞ্চলৰ অ-ব্যৱস্থাৰ এক মুখ্য কাৰণ। বৃত্তিমুখী শিক্ষাৰ অভাৱত কৰ্মহীনতা বৃদ্ধি পাইছে। বৰ্তমানৰ প্ৰতিযোগিতামুখী বজাৰত বৃত্তিমুখী শিক্ষাৰ ওপৰত গুৰুত্ব দিয়া হয়, কিন্তু দৰিদ্ৰতাৰ বাবেই হওক বা উপযুক্ত দিক্ দৰ্শন তথা তত্ত্বাৱধানৰ অভাৱতেই হওক এই অঞ্চলসমূহত নিবনুৱা এক ভয়ংকৰ অৱস্থালৈ গতি কৰিছে।

পৰা আতৰাই সঠিক পথৰ সন্ধান দিয়া আমাৰ সকলোৰে এক মৌলিক কৰ্তব্য হোৱা উচিত। যদিও কৰিবলগীয়া বহুত আছে, মাত্ৰ এটা সাকাৰাত্মত মন আৰু পৰিৱেশৰ দৰকাৰ। গাঁৱৰ কোনো এটা চুকত বা কোনোবা এখন দোকানৰ সন্মুখত আড্ডা দি মূল্যবান সময় অতিবাহিত কৰাৰ পৰিবৰ্তে কিবা এটা উৎপাদনমুখী কাম কৰি নিজৰেই পৰিয়ালটোক সকাহ দিয়াটোও এটি সামাজিক কাম বা দায়িত্ব।

কোৱা হয় যুৱ শক্তি অগাধ শক্তিৰ উৎস। সেয়েহে এনে উৰ্দ্ধমুখী শক্তিক সাকাৰাত্মক দিশত আগবঢ়াই নিলে নিশ্চয়কৈ পৰিয়াল তথা সমাজৰ লগতে জাতিটোৰো উৎকৰ্ষ সাধন হ'ব। কৰ্মহীন আৰু নিৰুৎসাহীত লোকক লৈ গঠিত সমাজেই হওক বা জাতিয়েই হওক বেছিদিন জীয়াই থাকিব নোৱাৰে। তিব্বত তাৰেই এক বাস্তৱ উদাহৰণ। এসময়ত তিব্বতীসকল অতি আগবঢ়া জাতি আছিল, কিন্তু সময়ৰ সোঁতত এই জাতিটো একেবাৰে কৰ্মহীন হ'ল, উৎসৱ পাৰ্বনত মচগুল হৈ সময় অতিবাহিত কৰিবলৈ ল'লে আৰু অতি সৰোপা জাতিলৈ ৰূপান্তৰিত হ'ল। পৰিণামস্বৰূপে, এসময়ৰ আগবঢ়া তিব্বতীসকল আজি চীনাসকলৰ কবলত। ঠিক সেইদৰে কৰ্মসংস্কৃতিৰ অভাৱত আজি অসমীয়া জাতিৰ বজাৰ আৰু পথাৰ বহিৰাগতই দখল কৰিলে। যি জাতিৰ বজাৰ আৰু পথাৰেই নিজৰ নিয়ন্ত্ৰণত নাই সেই জাতি আনৰ নিয়ন্ত্ৰণলৈ যোৱাটো বাস্তৱ কথা। সেয়েহে সময় থাকোতেই কৰ্মসংস্কৃতিক ওভোতাই আনি সমাজত এক সুস্থ বাতাৱৰণৰ জন্ম দিয়াটো সম্ভৱপৰ হ'ব পাৰে, কিয়নো কৰ্মসংস্কৃতিয়ে আমাৰ অঞ্চলৰ অপসংস্কৃতিক উচ্ছেদ কৰিবলৈ সমৰ্থ হ'ব আৰু ই জাতিটোৰ তথা সমাজখনৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰক সুদৃঢ় কৰিব। ই জানো আমাৰ জাতি আৰু ভৱিষ্যতক সুৰক্ষিত কৰাৰ বাবে এক বৃহৎ পদক্ষেপ নহ'ব?

সমান্তৰালভাৱে এইক্ষেত্ৰত অভিভাৱকৰ নিজৰ ল'ৰা-ছোৱালীৰ প্ৰতি এক গুৰু দায়িত্বও আছে। কিয়নো প্ৰত্যেকৰে বাবে নিজৰ পৰিয়ালটো এক প্ৰাথমিক অনুষ্ঠান, যিয়ে এজন ব্যক্তি ব্যক্তিত্ব গঢ় দিয়াৰ ক্ষেত্ৰত এক গভীৰ ৰেখাংকন কৰে। শি অৱস্থাৰেপৰা পৰিয়ালত অভিভাৱকে এক অন্যায় বিৰোধী, দুৰ্নীতি বিৰোধী ব্যক্তিত্ব গঢ় দি স্ব-প্ৰতিভাৰে পৰিপুষ্ট হৈ সৎ চিন্তা আৰু স কাৰ্যৰ দ্বাৰা যাতে দেশ, জাতি আৰু সমাজৰ প্ৰতি এক নিস্বাৰ্থ সে আগবঢ়াবলৈ আগবাঢ়ি আহে তাৰ ওপৰত গুৰুত্ব দিয়া উচিত লগতে তেওঁলোকৰ মনত এক কৰ্মস্পৃহা জগাই তুলি সমাজ কৰ্মসংস্কৃতি গঢ়ি তুলিবলৈ অনুপ্ৰাণিত নকৰিলে সি পৰিয়ালতে হওক বা নিজৰ অঞ্চলতেই হওক এক যোগাত্মক অৰিহণা যোগাব অসমৰ্থ হ'ব।

বৰ্তমান গঢ়ি উঠা ভোগবাদী আধুনিক সমাজখ নৱপ্ৰজন্মক বাৰুকৈয়ে গ্ৰাস কৰি পেলাইছে আৰু ফলস্বৰূ তেওঁলোকৰ মনত অপৰাধ প্ৰৱণতাই গা কৰি উঠিছে। এনে ক্ষেত্ৰ সমাজ তথা গ্ৰাম্যাঞ্চলৰ নেতৃস্থানীয় সচেতন মহলে সঠিক প নেদেখুৱালে গ্ৰাম্যাঞ্চলৰ সামাজিক জীৱন কেতিয়াও সুস্থ হৈ নুথি সেয়েহে প্ৰায়ে পৰ্যৱেক্ষিত হোৱা এই নেতৃস্থানীয় লোকসক নৱপ্ৰজন্ম তথা সমাজখনৰ সুন্দৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰা তেওঁলোকৰ ক্ষুদ্ৰ আৰু ৰুগীয়া স্বাৰ্থসমূহ ত্যাগ কৰিবলৈ আগবা আহি তেওঁলোকৰ সন্মুখত এক সুন্দৰ নিদৰ্শন দাঙি ধৰিব লাগি তদুপৰি নৱপ্ৰজন্মই এই নেতৃস্থানীয় লোকসকলে নেতৃত্ব দি থ অনুষ্ঠান-প্ৰতিষ্ঠানসমূহত স্বচ্ছ আৰু নিকা ভাৱমূৰ্তি তৈয়াৰ কৰা উপৰিও এইবোৰৰ জৱাবদিহীতা আৰু দায়ৱদ্ধতা নিৰ্ধাৰণ কৰি লাগিব। তেতিয়াহে নৱপ্ৰজন্মক এইবোৰে আকৃষ্ট কৰি তেওঁলোক সক্ৰিয় অংশগ্ৰহণ সুনিশ্চিত কৰিব পাৰিব। কিয়নো সক্ৰিয় অংশগ্ৰহ অবিহনে কোনো সামাজিক অনুষ্ঠান ইয়াৰ পূৰ্বনিৰ্ধাৰিত লক্ষ্য উপনীত হ'ব নোৱাৰে। গতিকে এইসমূহৰ স্বাৰ্থহীন, নিকা আৰু স্ব ভাৱমূৰ্তিয়েহে নৱপ্ৰজন্মক আকৃষ্ট কৰি গ্ৰাম্য সমাজখনত এক সুন্দ তথা সুস্থ বাতাৱৰণ তৈয়াৰ কৰাত অৰিহণা যোগাব পাৰিব।

□□□

# কাব্য কানন



কবিতাৰ জন্ম হয় আটাইতকৈ সুখৰ মুহূৰ্তত অথবা গভীৰ বেদনাসিক্ত সময়ত।

— এ.পি.জে. আব্দুল কালাম

# বিনন্দীয়া ছয়গাঁও

**লিজা দাস**
উঃ মাঃ প্ৰথম বৰ্ষ

বৰ্ণিল অসমৰ দক্ষিণ কামৰূপৰ
বক্ষস্থলত অৱস্থিত তুমি,
হে মহান ছয়গাঁও !!
তোমাৰ বুকুত আছে শিক্ষা-সংস্কৃতিৰ অসংখ্য ভাণ্ডাৰ।
মেৰঘৰে সোঁৱৰাই বেউলা-লক্ষ্মীন্দাৰ,
চান্দ সদাগৰৰ মধুৰ কাহিনী।
মাঁ চণ্ডিকাই দিয়ে,
শক্তিৰ বিপুল সম্ভাৰ।
ওজাপালি, থিয়নাম, আইনামে আগবঢ়াই,
ছয়গাঁৱৰ ঐতিহাসিক সংস্কৃতি।
কলহী নদীত খোদিত আছে,
ৰীমা দাস, বীৰেণ সিংহৰ কলা সংস্কৃতি।
শিক্ষাৰ প্ৰাণকেন্দ্ৰ 'ছয়গাঁও কলেজে' বিলায়,
জ্ঞানৰ আলোক।
অসমৰ এই বৈচিত্ৰ্যময় ভূ-স্বৰ্গ,
য'ত নাই কোনো ধৰণৰ বৈষম্য।।



# ফাগুন

**ৰীয়া বেগম**
উঃমাঃ দ্বিতীয় বৰ্ষ

এইবেলি ফাগুন বৰ ৰঙাকৈ ফুলিছে
ধূলি ধূসৰিত
আকাশ মুখৰিত
ছন্দে ছন্দে আবিৰৰ পোহৰ মেলিছে।
এইবেলি ফাগুন উতনুৱা হৈ বলিছে
সৰাপাতৰ জুনুকা বজাই
কাৰ শৰীৰৰ আচল উৰুৱাই
মাতাল ফাগুন
কম্পিত খিৰিকীত কিহৰ গুণগুণ।
ফাগুন জুই হৈ ফুলে
বাউল হৈ নাচে
আজুৰি আনে গজালি মেলাৰ সপোন।
ফাগুন এক নিমন্ত্ৰণ
বাসন্তি-বিভৰ
ফাগুন এক অভিনৱ অনুৰাগ।



# শিক্ষাগুৰু

প্ৰহ্লাদ ৰাভা
স্নাতক দ্বিতীয় ষাণ্মাসিক

হে মহান শিক্ষাগুৰু! তোমাক জনাওঁ নমস্কাৰ
বিলোৱা জ্যোতি তুমি মমৰ দৰে গলি গলি
জ্ঞানৰ শলিতাৰে পোহৰ বিলোৱা অকৃত্ৰিমভাৱে
তোমাৰ জ্যোতিৰে সকলো হয় জ্যোতিষ্মান
আনৰ গৌৰৱেৰেই গৌৰৱান্বিত হোৱা এই ধৰাত
তোমালোক আনৰ দুখত দুখী হোৱা
সুখ দেখিলেও আনন্দিত হোৱা
ধৈৰ্য্যত তোমালোক মেৰুৰ দৰে
জ্ঞানত পৰিপুষ্ট শিখাৰ দৰে
কাকো হীন-পৰ নাই দেৱতাৰ দৰে
মৌমাখিয়ে মৌচাক গঢ়াৰ দৰে
জ্ঞানৰ সম্ভাৰ গোটাই মৌচাক গঢ়া
জ্ঞানৰ মৌ আমাক পিবলৈ দিয়া
তাৰেই অমৃত পাণ কৰি আমি
সমাজত নিজকে প্ৰতিষ্ঠিত কৰো
আব্দুল কালাম, ষ্টিফেন হকিঙৰ দৰে
জনগণৰ প্ৰশংসা লভিও তোমালোকৰ
নাই অহংকাৰ
হে শিক্ষাগুৰু! তোমাক বাৰাম্বাৰ নমস্কাৰ।।



# বাঁহী

অঞ্জলী কুমাৰী
স্নাতক চতুৰ্থ ষাণ্মাসিক

অনুভূতিৰ সিক্ত সান্নিধ্যত
এয়া ৰচিব ওলাইছোঁ
এক অম্লান ইতিহাস
এক নতুন বাঁহী
আৰু...
সেই অজান বাঁহীবাদকৰ
ওঁঠত যেন সৰস্বতীয়ে স্থান
লৈছিল...
পৃথিৱীৰ সকলো দুখ বেদনা ধুৱাই লৈ
যোৱা চকুপানীবোৰ আৰু
সেই গভীৰ উশাহবোৰ
যেন ক্ৰমান্বয়ে
নিঃশেষ হৈ ৰয়
হৃদয়ৰ বিগলিত সত্তাত।

# নৈৰ বুকুত বলা বতাহৰ গান



জিন্টীময়ী কলিতা
উঃ মাঃ দ্বিতীয় বৰ্ষ

নৈখনে কান্দিছে....
হু-হুৱাই কান্দিছে....
বোৱাই নিছে মোৰ জীৱন মূহুৰ্তৰ
এটি এটি স্মৃতিকণা,
ধোৱাই নিছে মোৰ বৰ্ণিল সপোন
সেয়ে আজি নৈ খনেও কান্দিছে
মোৰ সমভাগী হৈ,
কান্দোনত ভাহি আহিছে এটি গান
নৈৰ বুকুত বলা বতাহৰ গান
সেই গানেই সোঁৱৰাইছে
মোক মোৰ অতীত
মোৰ ভগ্ন সপোন
অতীতৰ এটি এটি স্মৃতিকণা।

আধৰুৱা মোৰ জীৱন
আধৰুৱা মোৰ প্ৰেম
আৰু সেই নৈখন।
যাৰ সাক্ষীত গুঞ্জৰি উঠিছিল..
মোৰ প্ৰণয় ভ্ৰমৰ,
সুবাসিত হৈছিল হৃদয়পুষ্প
আজি নৈখনেই বোৱাই নিছে সেই
সময়... অতীত... মোৰ প্ৰেম।
সেয়ে আজি নৈখনেও কান্দিছে
হু-হুৱাই কান্দিছে
মোৰে সমভাগী হৈ,
কান্দোনত ভাহি আহিছে এটি গান...
নৈৰ বুকুত বলা বতাহৰ গান!!

# মই সাধাৰণতকৈ অন্য নহয়

বিজনজ্যোতি কলিতা
উঃমাঃ দ্বিতীয় বৰ্ষ

বন্ধু,
মই সাধাৰণকৈ অন্য নহয়
আজি মই য'ত
ইয়াত কোনোবা আছিল এজন
মোৰ পিছতো ইয়ালৈ আহিব এজন।
কোনেওঁ চুকি নোপোৱাটো মই কৰা নাই
(থকাৰ ওপৰতহে আমি কৰিব পাৰো
আমাৰ জন্ম আমি নাজানো)
মই যি কৰিছো
এয়া মোৰ নিজৰ বাবে নহয়
মই যি পাইছো
এয়া মোৰ সম্পত্তি নহয়
ইয়াত সকলোৰে ভাগ আছে।
কণমানিটোৰ দৰে ময়ো এদিন সুধিছিলো
মা, মানুহ মৰে কিয়?
মই সাধাৰণতকৈ অন্য নহয়
আজি মই য'ত
ইয়াত কোনোবা আছিল এজন।

# দেউতাৰ স্মৃতি

জুলি মেধি
উঃ মাঃ প্ৰথম বৰ্ষ

তিনিটা আখৰেৰে এটি শব্দ
নাজানো মনত নাই মোৰ
কেতিয়াৰ পৰা এই শব্দটি মই
মুখেৰে ক'বলৈ শিকিছিলো
ডাঙৰ হৈ গম পালো
দেউতা মানেনো কি
তুমিয়ে মোৰ সকলোতকৈ আপোন
তুমি মোক বহুত ভালপোৱা মই জানো দেউতা
তুমিনো ইমানেই ভাল আছিলানে
গালি-গালাজ, মাৰ-শোধ আজিলৈকে এইবোৰ
তুমি কৰা বুলি শুনিবলৈকে নাপালো
তুমি বহুত ভাল...
ক'ত আছা দেউতা তুমি
বহুত মনত পৰে তোমালৈ
মা, আমিবোৰ অকলশৰে থাকি গ'লো
তুমি ক'ত গুচি গ'লা, ঘূৰি আহা তুমি
আমাৰ জীৱন যেন এতিয়া আধৰুৱা
আমাৰ বাবে তুমিয়ে সকলো
মাৰ সেই উকা কপালখন
আমি চাব নোৱাৰো
তোমাক প্ৰতিটো মুহূৰ্ততে স্মৰণ কৰো
ঘৰখনতে যেন এতিয়া নিস্তব্ধ বাস কৰিছে
দুখ থাকিলেও লুকাই সুখ দেখুৱাওঁ
ঘৰখন আজি যেন শান্ত
আমাৰ বাবে তুমি সদায়ে জীয়াই আছা
আমাৰ সকলোৰে হৃদয়ত প্ৰাণত বিশ্বাসত
এতিয়া যেন তোমাৰ আধৰুৱা সপোন
সম্পূৰ্ণ কৰিবলৈয়ে আমি জীয়াই আছো।



# অনুভৱ

সঞ্জয় নাথ
স্নাতক চতুৰ্থ যান্মাসিক

চুই চোৱাচোন!!
ধূলিকণাৰ সৰু সৰু কণাবোৰ
বতাহত উৰি ফুৰা স্মৃতিবোৰ
জীৱনৰ পথত সংগতি ৰাখি
অনুভৱ কৰা সপোনবোৰ
যি সপোন গৈ আছে
সফলতাৰ পথত!
জীৱনৰ সুখবোৰ অনুভৱ কৰা
দুখবোৰৰ লগত ৰিজাই চোৱা
দেখিবা সকলো একলগ হৈ
তোমাৰ লগত থিয় দিছে!
অনুভৱ কৰা তুমি
অনুভৱ কৰা!!

# ভালপোৱা

**উপাসনা দাস**
উঃ মাঃ প্ৰথম বৰ্ষ

আজি সৰপাতত ঠিকনা বিচাৰি
নাভাগৰো, বৈ আছো আশাৰ
দলিচা পাৰি, যেনিয়েই চাও
শূন্যতাৰে ভৰা
মইতো নিজৰ মাজতেই সুখী
কল্পনাৰ সাগৰত সিচোঁ
শব্দৰ সপোন ৰচোঁ
মৰমৰ দুগালত আঁকি লওঁ
ভালপোৱাৰ প্ৰলেপ
কালজিয়া মোৰ বুকুৰে
অচিনাকি এক অনুভৱে
বাৰে বাৰে মোক ক'ব খুজে
বিচাৰে তোমাক কাষৰতে
মাথো মৰি মৰি জীয়াই আছো মই
ঠিকনাবিহীন এটি পৰিচয় লৈ
সেয়াই চাগে ভালপোৱা।।





# জন-জাগ্ৰত

**নিপ কুমাৰ কলিতা**
স্নাতক চতুৰ্থ ষাণ্মাসিক

হেৰ' লগৰীয়া শুনা
বিমূৰ্ষ মানুহৰ পীড়া,
নাই স্থান, নাই পাত্ৰ
কেৱল চূড়ান্ত চক্ৰ।

সৰ্বাই নিমাত প্ৰাণৰ প্ৰবাদ
হিম হৈ বলিছা কিয় অসাৰ,
নৰই অশ্ৰু, তিক্তৰে ৰাঙলী খেলি
কৰিব জানো মুক্ত আইক।

জাৰজ পক্ষী হৈ নাহিবা
ভেঁটি নষ্ট কৰিবলে,
হেংদাঙেৰে কাটি ৰাঙলী কৰিম
আইৰ বুকুত শান্তি দিবলৈ।

হেৰ' ভাৰৰীয়াৰ দল
যখিনী, পিশাচিনীক নিদিবি জপাই
মুক্ত বতাহৰ সোৱাদ ল'বলৈ
নকৰিবি আমাক পৰনিৰ্ভৰ।



# কল্পনা


**অম্বিকা বড়ো**
স্নাতক দ্বিতীয় ষাণ্মাসিক


অন্তহীন আশাৰে ভৰা
মোৰ মনৰ মজিয়াত,
কেতিয়াবা আল্পনা আঁকো।
যুগমীয়া ৰহস্যৰে ভৰা
স্বপ্ননীল আকাশত বিচাৰোঁ...
কিছু শ্যামল অনন্তমালা।।

হৃদয়ৰ অসীম তৰংগৰাশিলৈ
বৈ অহা চেতনাৰ অনেক ঢৌৰে
সাদৰী আনে জীৱনৰ মোহ-মায়া
শেষ নোহোৱা জীৱন পথত
আকৌ ঘূৰি আহে স্বৰ্গীয় চেতনা।।

আজলিৰে ভৰা এমুঠি সপোন
বাৰে বাৰে ভাঙি যায়,
আনন্দৰে ভৰা জীৱনৰ
সকলো আশাবোৰ।
তথাপিও বাৰে বাৰে সপোন দেখো
জানোছা পাওঁগৈ লক্ষ্যস্থান।।

# সন্ত্রাস


**তুলুমণি কলিতা**
স্নাতক ষষ্ঠ ষাণ্মাসিক


সন্ত্রাসে আগুৰা এই সমাজত
নাই কোনো মানৱতাৰ চিন
নাই কোনো সৰলতা
মাথোঁ কৃত্রিমতাৰেই জর্জৰিত।
এই সভ্য সমাজত আছে,
মানৱৰ প্ৰতিৰূপ দানৱ।
চৌদিশে কেৱল কর্কশতাৰ প্ৰতিধ্বনি
চৌদিশে কেৱল সন্ত্রাস! আৰু সন্ত্রাস!
সকলো যেন অচিনাকি!
মানুহৰ মাজত নাই কোনো
মানৱতাৰ গাঢ় সম্পর্ক।
চৌদিশে কেৱল অস্পৃশ্যতা আৰু অশ্লীলতা
নির্যাতিত ক'তো নাৰীৰ চিঞৰ
পথভ্ৰষ্ট ক'তো লোকৰ শোকৰ ছাঁৰে
আৱঁৰা এই সমাজ,
কেৱল হত্যা লুণ্ঠনে তচ-নচ কৰা
ক'তো মাতৃ, ক'তো ভগ্নীৰ
বুকু উদং কৰা চিঞৰ।
বোমা-বাৰুদে উত্তাপিত কৰা
এই সমাজত আছে
কেৱল ধ্বংসলীলা আৰু তেজৰ চেকুঁৰা
চৌদিশে কেৱল সন্ত্রাস! আৰু সন্ত্রাস!



# ৰঙীন অনুভূতি

**কৰবী দাস**
উঃমাঃ প্ৰথম বৰ্ষ

এটি মিঠা অনুভৱ
নেজানো;
কিয়নো জানো
জীপাল হ'ব ধৰিছে
মোৰ ৰঙা কলিজাৰ
কেঁচা তেজৰ
বিশাল সাগৰখনত।
কিছু অতীত
ৰোমান্থন স্মৃতিবোৰে
উমান লৈছে।
মোৰ আৱেগৰ অনুভূতিৰ পথাৰখনত
মতলীয়া বতাহ এজাকে
চুই যাব ধৰিছে
মোৰ নয়নৰ এপাহিক।
কিনকিনীয়া বৰষুণ এটোপাল
যেন নামি আহি
সাবতি ধৰিছে মোৰ
ভালপোৱাৰ ৰঙীন অনুভূতিক।



# বাস্তৱ

**সুৰভী নাথ**
স্নাতক দ্বিতীয় ষাণ্মাসিক

কঠিন বাস্তৱ
আলফুলীয়া সপোন
আজিৰ ফূৰ্তিৰ টোপোলাটি যেন,
কাইলৈ ভগা দাপোণৰ কান্দোন।
বিচাৰিলেও পাম জানো
চুই যোৱা বতাহজাক?
উৰুৱাই নিব নেকি
মোৰ আশাৰ বৰষুণজাক
তথাপিও সাজিছোঁ
নিৰৱে নিজানত
এটি দুটি মুহূৰ্তৰ
সোঁৱৰণি জাক জাক।
যতনে সাজিছো জানা
স্মৃতিৰ অট্টালিকা
নোৱাৰিবা খহাব
ভেটি মোৰ বহুত টান
যদিও নাথাকিব কথা-বতৰা
থাকিবতো ভাৱনাবোৰ
এয়াই হ'ব বাস্তৱ মোৰ
এয়াই হ'ব জীৱন।

# আৱেগৰ অনুভূতি

বিদ্যুৎ কলিতা
স্নাতক দ্বিতীয় ষাণ্মাসিক

হেজাৰ সপোন হেজাৰ তৃষ্ণা
বিয়পি আছে
মোৰ প্ৰতিটো পলৰ আস্থাৰ সুঁতিত
কিয়নো বিলীন হ'ব পৰা নাই
তোমাৰ মৰমৰ চানেকিত
আজি যে অ' আজি যে
নামি আহিব ধৰিছে
অলেখ শিহৰণ
মোৰ আৱেগৰ অনুভূতিত
কতবাৰ তোমাৰ হৃদয়খন
চুবলৈ আগবাঢ়ি আহো
নেজানো কিহৰ বিপাঙে
ধৰি বান্ধি ৰাখে মোক
কতবাৰ তোমাৰ সেই মিছিকিয়া
হাঁহিটিক
আপোন কৰি ল'ব খোজো
যেনিবা মনৰ দুৰ্বলতাই আহি
মোক থেকেচি, থেকেচি আঁতৰাই নিয়ে
অস্থিৰতাৰ সেই দুৰ্বল পৃথিৱীত
এবাৰ চকু খুলি
চোৱা!!
অপেক্ষাৰ সন্ধিক্ষণে
নিগৰি আছে
তুমি মোক এদিন
আকোঁৱালি ল'বা বুলি
হে'ৰ আকৰি
মোৰ প্ৰেমিক চৰাইজনী
এবাৰ চকু মেলি চোৱা।

# মা

জ্যোতিৰ্ৰূপা না
স্নাতক দ্বিতীয় ষাণ্মাসি

মা, তোমাৰ বাৰু মনত পৰেনে
সেই যে মোৰ শৈশৱৰ কথাবোৰ
মনত পৰেনে?
যেতিয়া মোৰ 'মা' শব্দ শুনিবলৈ
তুমি মোক কোলাত আকোঁৱালি লৈছিলা
য'ত তুমি মোক প্ৰথম ধৰণীত
খোজ দিব শিকাইছিলা
মা, এতিয়া কিয় আঁতৰাই থলা মোক
সেই শৈশৱৰ মৰমবোৰৰ পৰা
আকৌ দিব নোৱাৰানে মা
সেই শৈশৱৰ মৰম চেনেহ
পাম নে কেতিয়াবা বাৰু ঘূৰাই
সেই দিনবোৰ মা?



# আই

**মিনাক্ষী কলিতা**
স্নাতক ষষ্ঠ ষাণ্মাসিক

আই, সেই কাহিনীবোৰ আজি আৰু নাই
সময়ৰ সোঁতত সকলো দেখোন স্মৃতি হৈ যায়
বৰ্তমানে গৰকি যোৱা সময় অতীত হৈ যায়।
আই, সেই কাহিনীবোৰ আজি জীয়াই নাই...
নৈৰ পাৰৰ বালি চৰত
পিতাইৰ হালৰ সীৰলুত লহপহকৈ বাঢ়ি অহা
গাজৰ মূলাও আজি নাই,
পিতলৰ খৰাহীত কেৰেলা ছিঙি মোনা ভৰাই
নৈ পাৰ হোৱা সময়ো আজি নাই
আই, সেই কাহিনীবোৰ আৰু নাই
সময়ৰ সোঁতত সকলো স্মৃতি হৈ যায়
নৈৰ পাৰৰ বালি চেকি পানী খোৱা দিন
কেতিয়াবাই যায়
পথাৰৰ মাজত চপৰাৰ উধানত বনোৱা চাহৰ সোৱাদ
বহুদিন পোৱা নাই।
আই, আজি একোৱেই নাই
ৰাতিপুৱা আইৰ জুঁহালত হোৱা কাজিয়াও নাই
জুইত সেকি দিয়া শুকান ৰুটিৰ লোভ.... আই
আজিও আছো বাট চাই
বহুদিন পিতাইৰ হালৰ মৈত কাকো উঠা দেখা নাই
আই আজিও আছো বাট চাই
সেই কাহিনীবোৰ আজি আৰু নাই,
বৰ্তমানে সকলো সামৰি লৈ যায়
আই, আজিও আছো বাট চাই...



# গৰখীয়া

**ভূষণ কলিতা**
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ

গৰখীয়াৰ স'তে
গৰখীয়া হৈছিলোঁ

পাহাৰত গৰু চাৰিব গৈছিলোঁ
গৰখীয়াৰ লগত

বাঁহনিৰ তলেৰে
গো-বাটেৰে
গৈছিলোঁ আমি গৰুজাকৰ
পিছে পিছে
হাতত আছিল আমাৰ লৰু

গৰুজাক মেলি দিছিলোঁ
পাহাৰখনৰ নামনিত

গৰখীয়াৰ বাঁহীৰ সুৰত
ডুবিছিলোঁ মই দুপৰীয়া

পাহাৰৰ শিলৰ চেপত
বহিছিলোঁ আমি

গৰখীয়াই কঁকালৰ
টোপোলা খুলিছিল
টোপোলাত পিঠাগুড়িৰ লগত
আঠীয়া কল আছিল

নিজানত নিজৰাৰ পানীৰে
পিয়াহ পলুৱাইছিলোঁ আমি

আহাৰ-শাওণত
সেউজীয়া কৰিছিলোঁ আমি পথাৰখন

অৰণ্য এখনে
আৱৰি আছিল আমাক
গৰু চৰিছিল পাহাৰত

গৰু চাৰি গধূলি
আহিছিলোঁ ঘৰলৈ
গৰুজাকৰ পিছে পিছে

গৰুৰ কি মায়া
গৰখীয়া হোৱা কি আনন্দ

আয়ে কোৱা সহজ কথা
যাৰ নাই গৰু
সি সবাতোকৈ সৰু

ঘৰখনত এতিয়া
গৰখীয়া নাই
গোহালি নাই
গৰু নাই

ধান নাই
ভঁৰাল নাই

গোহালি ঘৰৰ বেৰত
আঁওজাই থোৱা
নাঙল-যুঁৱলি নাই
মাটি মৈয়াবলৈ মৈ নাই

ক'ত হেৰালোঁ গৰখীয়া
ক'ত হেৰালোঁ গোহালিৰ গৰু
ক'লৈ আহিলোঁ।

# শেষ ডিচেম্বৰ

ৰাজীৱ ডেকা
সহকাৰী অধ্যাপক
ইংৰাজী বিভাগ



শীতৰ এই শূন্য ষ্টপত ৰৈ গৈছোঁ মই।
কেলেণ্ডাৰত শেষ ডিচেম্বৰ
বিদায়ত বুৰাই এই চহৰ
শুভকামনা উপচা বাটেৰে গুচি গৈছা তুমি

সকলো কাহিনীৰে থাকে জীৱনৰ দৰে জীৱন
ভাল বেয়া-একো এটাই ইয়াত নহয় স্থায়ী

লাহে লাহে তুমিও হালধীয়া পাত এটি হ'বা
বতাহক ভয় কৰিবা বৰষুণকো
চকু মুখত পৰিব কুঁৱলীৰ দাগ
এদিন শীতে চিঙিব খুজিব তোমাকো
এইয়াওতো পৰিধিৰ ভিতৰৰে এক সত্য

বেলি ডুবাৰ পৰত ঘাটৰ এচটা শিলত
ঘূৰি নহা নাওবোৰলৈ আমি ৰৈ আছিলোঁ
বিন্দু বিন্দু হৈ পমি গৈছিল চৰাইবোৰ দূৰৰ মেঘত

এনেকৈ চকুতেই উৰলিব এলবামৰ সকলো ছবি
যোৰাৰাতিৰ সপোনৰ দৰে হেৰাই যাব বহু প্ৰিয় কথা
সোঁৱৰণী সকলোৰেই যে শেষ ঠিকনা

যাত্ৰা দীঘলীয়া হওক নহওক
আকৌ লগ পাওঁ অথবা নাপাওঁ
শেষটো হ'বই ক'ৰবাত গৈ গৈ

আৰুনো কিমান পৰ
তুমিওটো ৰৈ যাবা কোনোবাটো শূন্য ষ্টপত অকলে
যিদিনা আহিব তোমাৰ পৃথিৱীলৈও শেষ ডিচেম্বৰ।

# হিয়াখন মৰুভূমি হ'ল

নিৰঞ্জন দাস
অনাশিক্ষক কৰ্মচাৰী

আঘোণৰ সোণোৱালী পথাৰ
মনত ভোগ নিবাৰণৰ সপোন
আজি অতীত...
সেউজীবোৰ ক্ৰমশঃ লুপ্তপ্ৰায়
আধুনিকতাৰ দপ্‌দপ্‌নিত সিহঁতবোৰ পলাল
ৱোৱনী, দাৱনীবোৰ উচ্চাকাংক্ষী আধুনিকা হ'ল
চলনাময়ী ৰঙীণ সপোনত বিভোৰ হালোৱা
সুবিধাবাদী ব্যস্ত সেউজীয়াবোৰৰ শোষণত।
পথাৰখন কঁপি উঠে কোনো অজান আশংকাত
মাটিবোৰ ৰংচঙীয়া হ'ল
সুউচ্চ অট্টালিকাৰ বেৰত
লাগি থাকিল সেউজীয়াবোৰ
ভালপোৱা আজি আৱদ্ধ অট্টালিকাৰ কোঠাত
উপহাৰবোৰ মূল্যৱান কিন্তু মূল্যহীন হ'ল
সিহঁতৰ হিয়াখন আজি মৰুভূমি হ'ল
য'ত নাই কোনো আবেগ, আশা আৰু সৃষ্টি।



# কথা শিল্প



প্ৰতিজন মানুহেই একো একোজন কথক
বুকুত লৈ ফুৰে অনেক কাহিনী
কাহিনীবোৰত নিহিত থাকে
আৱেগ-অনুভূতি, প্ৰেম-বিচ্ছেদ-সংগ্ৰামৰ জীয়া ছবি।

# বেসুৰা



ৰূপম দাস
উঃ মাঃ দ্বিতীয় বৰ্ষ

ঘড়ীটো টং টংকৈ শব্দ কৰি বাৰ বজাৰ ইংগিত দিছে। মাজৰাতিৰ নিৰ্জনতা ভেদি ওচৰৰ পাহাৰৰপৰা ফেঁচাৰ বিষাদভৰা উৰুলি আহি কাণত পৰিছে, গছ-লতিকাৰ শুকান ডালে ঘৰৰ চালত কৰ্কশ শব্দ কৰি মোক যেন জগাই ৰাখিছে। হঠাতে দূৰৰপৰা কোনো অসহায় মহিলাৰ আৰ্তনাদ ভাহি আহিল, বুকুখন চিৰিংকৈ গ'ল। বিছনাৰ পৰা উঠি শব্দটো আকৌ এবাৰ শুনিবলৈ চেষ্টা কৰিলো কিন্তু নাই, শব্দৰ বিপৰীতে নিৰ্জনতা। শব্দটো যথাসম্ভৱ বেছি দূৰৈৰপৰা অহা নাছিল, এই গলিটোৰ শেষৰপৰাই ভাহি আহিছিল এই শব্দ...।

সেই গলিটো আন কাৰো নহয় তাত থাকে ৰঞ্জিতা নামৰ এগৰাকী যুৱতী। কেইদিনমান আগতে তাইক মোৰ ঘৰৰ সন্মুখেৰে যাওঁতে দেখি কৈছিলো— 'আমাৰ গলিৰ নতুন যেন পাওঁ।' তাই মিচিকি হাঁহিটিৰে হয়ভৰ জনাই নিজৰ পৰিচয় আগবঢ়াইছিল।

অতি সৰলমনা ছোৱালী, মাক-দেউতাক দুবছৰ আগতে ঢুকালে। গাঁৱত তেনেদৰে জীৱিকাৰ উপায় নোহোৱাত তাই চহৰৰ কোম্পানীতে কাম বিচাৰি আহিছে। গাঁৱলীয়া নিভাঁজ আৱৰণ এটা তাইৰ গোটেই দেহতে বিৰাজমান। সাজ-পোছাকতো কোনো জাক-জমকতা নাই কিন্তু দৰিকণা মাছে গাঁৱৰ জুৰিৰ সৌন্দৰ্য বঢ়ায়, চহৰৰ গেলা দুৰ্গন্ধময় নলাত পৰি এই দৰিকণাই বৰণ সলায়।

দুৱাৰখন খুলি বাহিৰলৈ ওলাই আহিলো। তেতিয়াও দুই-এজন লোক ৰাস্তাৰে গৈ আছে। খোজতে উমান পায় তেওঁলোকৰ ব্যস্ততা। ৰঞ্জিতাৰ ঘৰটোৰ ফালে চাবলৈ মূৰটো ঘূৰাওতে ঘৰৰ সন্মুখত ৰাখি থোৱা কলা ৰঙৰ বলেৰ' এখনত চাৰি-পাঁচজন ডেকা ল'ৰা উঠা দেখিলো। সিহঁত অৰ্দ্ধউলংগ অৱস্থাতে আছিল। বলেৰ'খন দ্ৰুতবেগত মোৰ আগেৰে পাৰ হৈ গ'ল। সিহঁতৰ মাজৰ কোনোবা এজনে কোৱা শুনিলো— 'বিউটিফুল নাইট্‌চ'। আন কোনোবা এজনে পেলাই দিলে এটা ওৱাইনৰ বটল। বটলটো ৰাস্তাত পৰি এটা এনেকুৱা বিকট শব্দ সৃষ্টি কৰিলে যিটোৱে সমগ্ৰ ৰাতিৰ নিৰ্জনতা ভেদি গ'ল; কিন্তু শব্দটো আৰু কোনোবাই শুনিলেনে? খণ্ড-বিখণ্ড হৈ গ'ল এটা ওৱাইনৰ বটল যি ৱাইনশ্বপৰ আকৰ্ষণ আছিল সেয়া আজি ৰাস্তাৰ আৱৰ্জনা হ'ল য'ৰ পৰা মানুহ সদায় আঁতৰত। মই কোঠাৰ ভিতৰত সোমাই আহিলো। মনটো অস্থিৰ হৈ আছিল। কিছুসময় কোঠাৰ ভিতৰতে খোজকাঢ়িলো। পানী খাবলৈ মন যোৱাত মই গিলাচটো উঠাই ল'লো। হঠাতে মোৰ চকু আজিৰ বাতৰিকাকতখনত পৰিল। আজি কিছুদিনৰপৰা বাতৰিকাকতখন চোৱাটো প্ৰায় কমিয়েই আহিছিল। 'খবৰবোৰ সত্যৰ পৰা অসত্যলৈ ধাবিত হৈছে, আজিকালি বাতৰিকাকত লিখা কলমবোৰৰ চিয়াঁহী হেনো ৰজাঘৰীয়াৰ হাতত' মোৰ সাংবাদিক

বন্ধু এজনৰ ভাষ্য আছিল সেয়া। তাৰ তেনেকুৱা কথা শুনি মোৰো বাতৰিকাকতখনৰ প্ৰতি অভিপ্ৰায় নোহোৱা হৈছিল; কিন্তু এ মহানগৰৰ নিৰ্জন ৰাতিবোৰ বাতৰিকাকতখনৰ লগত কটোৱাই শ্ৰেয়। ৰং-বিৰঙৰ পৃষ্ঠাকেইখনৰ মাজতে যে কত মানুহৰ হাঁহি-কান্দো লুকাই থাকে। ৰজাঘৰৰ চিয়াঁহীৰে যদি কলমবোৰ নচলিলেহে তেতিয়া হয়তো বিশ্বাসৰ শিপাডাল যথেষ্ট গভীৰতালৈ গ'লহেঁ। সূ ফালে মুখ কৰি থকা সূৰ্যমুখী ফুলপাহৰ দৰে সংবাদ মাধ্যমৰ মুখো শাসকপক্ষৰ ফালে হোৱাটোৱেই আমাৰ বাবে দুখ।

সন্মুখ পৃষ্ঠাৰ শিৰোনাম— 'নিশাৰ মহানগৰীত দলবদ্ধ ধৰ্ষণ, বচাবলৈ যোৱা যুৱক অমৰক জালত ফচোৱাৰ চেষ্টা।' ভিতৰ পঢ়ি চোৱাৰ প্ৰয়োজনবোধ নকৰিলো। মোৰ সহজে অনুমেয় আছিল পিছৰ কথাখিনি। হয়তো কাইলৈৰ বাতৰিকাকতখনতো এ শিৰোনামেৰেই বাতৰি পৰিৱেশিত হ'ব কিন্তু অমৰৰ ঠাইত মোৰ নাম নাথাকিব। তথাপি সন্দেহ, এক অজান ভয়ে মোৰ দেহ-মন শিহৰি কৰিবলৈ ধৰিলে। দোলন ঘড়ীৰ কাঁটাডালৰ দৰে গোটেই ঘটনাটো মোৰ মন-মগজুত বহুবাৰ একেধৰণে ডুলিব ধৰিলে। মই অস্থি অনুভৱ কৰিলো। ল'ৰাকেইজনে মোক দেখিছিল নেকি বাৰু? আৰু ৰঞ্জিতা, তাই কেনেবাকৈ মোক তাইৰ লগত ঘটা ঘটনাৰ সাক্ষী নসজাইতো! নাই নাই, এনেকুৱা হ'ব নোৱাৰে...।

মই বিচনাত শুই পৰিলো। মোৰ কোঠাৰ বেৰত ওলমি থকা নাডিয়া মুৰাডৰ পেইণ্টিংখনলৈ মোৰ দৃষ্টি গ'ল। পেইণ্টিংখন যে উজ্বল হৈ জিলিকি আছে। চিত্ৰকৰৰ ৰং-তুলিকাৰ ঘঁহনি খাই তাই হৈ পৰিছে এক সংগ্ৰামী সত্তা মোৰ কোঠাটোৰ বাবে। কিন্তু এ মহানগৰখনত সংগ্ৰামী সত্তাটোৰ মূল্য কিমান? ৰঞ্জিতাহঁতৰ বাবে...!

'কাইলৈ ৰবিবাৰে ধৰ্ষণ, বলাৎকাৰৰ বিৰুদ্ধে এক সজাগতা সভা আয়োজন কৰা হৈছে। সমূহ ৰাইজৰ উপস্থিতি আন্তৰিকতাৰে কাম কৰিলো।' হঠাতে মোৰ কোঠাটোৰ আগেৰে এখন গাড়ী চিঞৰি চিঞৰি পাৰ হৈ গ'ল। ঘড়ীটোলৈ চকু ফুৰালো, প্ৰায় এক বাজিছিল। মো হাঁহি উঠিছিল এইবাবেই যে 'মহানগৰৰ মানুহৰ সংজ্ঞাই বেলেগ, মানুহবোৰ মানুহৰ বাবে নহয়।' মোৰ তিনিবছৰ হ'ল মহানগৰীৰ চাৰিবে মাজত কটোৱা। গাঁৱৰ সহজ-সৰলতা এৰি এই শিলৰ হৃদয়ৰ মানুহৰ মাজত জীৱন কটোৱা। কত সমাজৰ হিতৰ বাবে সভা-সমিতিত ভা ল'লো, কোনো কাম নাই। জোনটোৱে যেতিয়া মেঘত লুকাই তেতিয়া অসংখ্য তৰাইয়ো জগত পোহৰাব নোৱাৰে।

কথাবোৰ ভাবি ভাবি কেতিয়া টোপনি আহিল গমকে নাপালো। ওচৰৰ কোঠাটোৰ পৰা সংগীতৰ ৰাগ এটি কঁপি কঁপি বাজি যেন কোনোবাই পুৱাৰ মনৰ চাহকাপ লৈ সন্মুখতে বৈ আছে। সংগীতৰ ৰাগটো যেন দেহ জীপাল কৰি ৰখা তেজহে, কি সুন্দৰ! শীত কঁপি থকা মহানগৰখনক পাৰবীনে গাই থকা সংগীতৰ ৰাগটোৱে যেন তাপ দি জীয়াই ৰাখিছে। তাইৰ যথেষ্ট বয়স হৈছে তথাপি খু ভাল গীত গায়। সংগীতৰ সাধনাক জীৱন হিচাপে লৈছে কিন্তু তাই এইবাবেই দুখিতঃ যে ইমান বছৰ সংগীতৰ সাধনা কৰিও চৰকাৰ পৰা একো এটা স্বীকৃতি নাপালে। আনকি সংগীতৰ লগত নিজকে বিলীন কৰি দিয়া বাবেই তাইৰ নগৰীয়া স্বামীয়ে তাইক এৰি গৈছে। সংগীত মোৰ বাবে দুখৰ এপাহি সুখ যদিও তাইৰ বাবে সুখৰ এপাহি দুখহে। কিন্তু তাই সংগীতৰ প্ৰেমিকা। তাই যেতিয়া সংগীত অনুষ্ঠান এটাত নিজৰ গীতৰ অনুষ্ঠান আৰম্ভ কৰে তেতিয়া তাই পাহৰি যায় জীৱনৰ দুখ আৰু কৈ উঠে 'মানুহৰ বাবে আমি, কিন্তু আম বাবে কোনো নাই।' পাৰবীনৰ সুন্দৰ ৰাগটো মোৰ মনত ডুলি থাকিল।

দুৱাৰখন খুলি বাহিৰলৈ ওলাই গ'লো। খুব ব্যস্ত মানুহবোৰ। দুই-এটা কাউৰী জাৰৰৰ দ'মত পৰিছে। ওচৰৰ পানীৰ টেপটো পৰা মনিব নোৱাৰালৈকে দীঘলীয়া মানুহৰ শাৰী। মোৰ কোঠাৰ সন্মুখৰ অট্টালিকাৰ বেলকনিত সুৰেশে পেইণ্টিং আঁকি আছে। মহানগৰখন এচুকত যেন পৃথিৱীৰ সকলোখিনি সুখ লুকাই আছে— সেয়া সুৰেশৰ বেলকনি আৰু পাৰবীনৰ কোঠালি। পেইণ্টিংখন মই ভালদ দেখা পাওঁ। অৰ্দ্ধউলংগ নাৰীৰ ওপৰত চাৰি-পাঁচখন পুৰুষৰ হাত। নাৰীগৰাকী অদৃশ্য হৈ পৰিছে যেন ভোকাতুৰ শিয়াল এজাকে এ অসহায় ছাগলী টানিছে। সুৰেশে কালি ৰঞ্জিতাৰ ঘটনাটো দেখিছিল নেকি? যেন ঘটনাটোৱেই পেইণ্টিংখনত ফুটি উঠিছে। সুৰেশ মনতো হয়তো একেধৰণে আউল লাগিছে কিয়নো সমাজখন সম্পূৰ্ণ বেলেগ। ইতিমধ্যে সি চৰকাৰৰ এটা চিত্ৰ সম্পৰ্কীয় পুৰস্কাৰ বাবেও মনোনীত হৈছে যদিহে এই সময়ত সি চৰকাৰৰ বিৰুদ্ধে চিত্ৰৰ দ্বাৰা প্ৰতিবাদ কৰে তেতিয়াহ'লে পুৰস্কাৰৰ পৰা বঞ্চিত হ' জনামতে সেই পুৰস্কাৰটোত ইতিমধ্যে বহু নেতা-পালিনেতাৰ অঙহী-বঙহীও মনোনীত হৈছে। নাই, সি এই সময়ত চিত্ৰৰ দ্বাৰা প্ৰতিবা নকৰে, হয়তো মনৰ প্ৰশান্তিৰ বাবেহে এই চিত্ৰ সি আঁকিছে।

তেতিয়া সূৰ্যটো ৰঞ্জিতাৰ ঘৰৰ ওপৰত। মই ঘৰটোৰ ফালে চাওঁতে দেখিলোঁ ৰঞ্জিতাই এক ধুনীয়া সাজ পিন্ধি মোৰ পিনে চাই আ যেন কালি ৰাতি তাইৰ লগত একো ঘটনাই ঘটা নাই। মোক দেখি তাই হাঁহি দিলে। ময়ো হাঁহি দি ৰাতিপুৱাৰ সম্ভাষণ জনালো। পিন্ধা সাজ তাইৰ যথেষ্ট দামী আৰু এনে লাগিছিল যেন কাপোৰযোৰ কিনিছে দুই-এদিন আগতে। মই চাই থাকোতে এজন মানুহক তাই দুহেজাৰ দিয়া দেখিলো। কিয় দিলে নাজানো। বাৰণ্ডাত বহি থাকোতে হঠাৎ আকাশখন কলাবৰণীয়া হ'ল, হয়তো বৰষুণ দিব। মই কোঠাৰ ভিত সোমাই গ'লো। এজাক বহুত জোৰেৰে বৰষুণ আহিল আৰু মোৰ ঘৰৰ আগৰ নলাটোৱে যোৱাকালি গাঁৱৰপৰা বিক্ৰী কৰিবলৈ অনা শা পাচলিৰ আৱৰ্জনাবোৰ উটি গ'ল। সম্পূৰ্ণ পথটোৱে পৰিষ্কাৰ হ'ল লগতে শাক-পাচলিবোৰো নলাত মিলি গ'ল।□

# চিতা

নিশা কলিতা
স্নাতক চতুৰ্থ যাণ্মাষিক

চিতাখনৰ জুইকুৰা দাও দাওকৈ জ্বলি আছে। চণ্ডালজনে ওচৰতে বহি আপোনমনে চিলিমত ভাং হুপিছে। ক'লা কাপোৰ, চুলি জঁটলা। খৰি দিবলৈ অহা মানুহবোৰ ছেদেলি ভেদেলি হৈছে। কোনোৱে চিতাৰ ওচৰলৈ একোবাৰ গৈ চাইছে আৰু কিমান বাকী আছে। কোনোৱে ঘিউ-মৌৰ বটলবোৰ থুপুৰিয়াইছে। কোনোৱে ৰোৱা ধূপ কাঠিবোৰ একলগ কৰি চিতাৰ জুইত জাহ যাব দিছে। নতুনকৈ যোৱা কেইজন মানে শ্মশানখন তন্ন-তন্নকৈ চাইছে। চণ্ডালজনে জ্বলি থকা শৰটো হানি-খুচি দিয়া দৃশ্যবোৰ চাবৰ সময়ত সিহঁতৰ নিজকে ডাঙৰ বৈজ্ঞানিক বা গৱেষক যেন বোধ হৈছিল। বেছিভাগ মানুহেই ভৰি হাত সুন্দৰকৈ ধুই লৈ বহি কথাৰ মেল মাৰিছে। নানান কথা। কোনোৱে উলিয়াইছে জীৱন মৰণৰ সংলাপ বাণী। 'জন্ম হ'লে মৃত্যু হ'বই' ইত্যাদি। কোনোৱে ভূত-প্ৰেতৰ কাহিনী। কোনোৱে আকৌ নানান খুহুতীয়া কথা। প্ৰায় কেইজনৰেই গাত দেশীয় সুৰাৰ ৰিম জিম নিচা।

কিন্তু, এই সকলোবোৰৰ পৰা আঁতৰত বহি আছে এগৰাকী মহিলা। যিগৰাকী বৰ্তমান চিতাত জ্বলি থকা মানুহজনৰ পৰিবাৰ। জ্বলোৱাৰ আগমুহূৰ্ত্তত বৰ কষ্টকৰ হৈছিল তেওঁক ৰখোৱাটো। প্ৰায় চাৰিজনমান মানুহে ধৰিহে তেওঁক চম্ভালি বহুৱাই ৰাখিছিল। কান্দোনৰ ৰোল তুলি শ্মশানখন কঁপাই দিয়া মানুহজনী এতিয়া পিছে শান্ত। শৰীৰৰ কোনো লৰচৰ নোহোৱাকৈ চিতাৰ সমুখত বহি আছে-প্ৰশান্ত চিত্তে । তেওঁৰ গাৰ চাদৰখনো সংযত অৱস্থাত নাই। অৱশ্যে তৎসত্বেও তাত উপস্থিত কাৰোৱে চকুৰে তাইক নজৰ দিবলৈ সাহস কৰা নাই।

মহিলা গৰাকীৰ নাম সুনন্দা। ভোগেশ্বৰ দাসৰ পত্নী। প্ৰকৃত অৰ্থত ধনী বুলি যাক কোৱা হয়, তেনেকুৱা ধনী নহয় যদিও, গাঁও খনৰ ভিতৰত তেওঁলোকেই লেখত ল'ব লগীয়া ব্যক্তি বুলি ক'লে ভুল নহ'ব। জীৱনৰ আদকুৰি বাট চলা ভোগেশ্বৰ আৰু সুনন্দাৰ সংসাৰত তেওঁলোক দুজনৰ বাদে মাজত তৃতীয়জন কোনো নাছিল। তথাপিও এটা চৰকাৰী চাকৰিৰে চলা সংসাৰখনত সুখৰ অভাৱ নাছিল। সুনন্দা আৰু ভোগেশ্বৰ ইজনে আনজনক লৈ তৃপ্ত আছিল। প্ৰথম অৱস্থাত তেওঁলোকৰ আৰ্থিক অৱস্থা ভাল নাছিল। সুনন্দাই যেতিয়া কৈছিল— 'ময়ো কাম কৰো। দুয়োজনে সমানে উপাৰ্জন কৰিম।' তেতিয়া ভোগেশ্বৰে কৈছিল, "ইমান সম্পত্তি কাৰ বাবে লাগে? মই মাৰি গ'লেও চিন্তা নোহোৱাকৈ তুমি চলি যাব পাৰিবা।" সুনন্দাই তেওঁৰ মুখত লগে লগে সোপা মাৰি ধৰিছিল আৰু দ্বিতীয়বাৰলৈ তেনে কথা নকবলৈ সকীয়াই দিছিল। সতি-সন্ততি নোহোৱাকৈও তেওঁলোকৰ সংসাৰখন সুন্দৰ ভাৱেই চলি গৈছিল। দুয়োজনে পৰস্পৰৰ পৰিপূৰক আছিল। কিন্তু, মৃত্যুৰ খবৰনো কোনে আগতীয়াকৈ পায়! সিদিনা বাতৰিকাকত পঢ়ি থকা অৱস্থাতেই ব্ৰেইন ষ্টোক হয়। হস্পিতাললৈ নিব পাৰিলে যদিও মূৰত তেজ জমা হোৱা বাবে বচাব পৰা নগ'ল।

চিতাখনৰ জুইৰ প্ৰকোপ কমিছে। তপত অঙঠাবোৰ জমা হৈছে। সময় প্ৰায় আবেলি চাৰি বাজিছে। মানুহবোৰৰ কিছু ইতিমধ্যেই গুচি গৈছে। যি কেইজন আছে তেওঁলোকেও যাবলৈ ওলাইছে। শেষকৃত্য প্ৰায় সমাপন। বাকী যিখিনি কাম বাকী আছে সেইখিনি চণ্ডালজনৰ দায়িত্ব। বিনিময়ত তেওঁ পাব এমুঠি ভাং আৰু কিছু খাদ্য। কিছুমানে তেওঁক পইচাও দিব খোজে। কিন্তু তেওঁ পইচা নলয়। যাবৰ সময়তো সুনন্দাক উঠাই নিয়াটো বৰ কষ্টকৰ হ'ল। বহি থকাখিনিৰ পৰা উঠোৱাটো মহা কষ্টকৰ হ'ল। তাইৰ শৰীৰটোও চুব নোৱাৰাকৈ তপত হৈছিল। দূৰত বহি থকা মানুহ কেইজন মানে মনতে ভাবিলে ইমান তপত সহ্য কৰি কেনেদৰে বহি আছিল। মানুহ খিনিয়ে জোৰ কৰি উঠাই লৈ আহিল ঘৰলৈ। অঙহী-বঙহী আৰু গএগ্ৰা লোকৰ সহযোগত সকামখিনি ঠিকে ঠাকে হৈ গ'ল।

সময় দোভাগ ৰাতি। শ্মশানৰ গছবোৰত থকা ফেঁচা, বাদুলী আদিৰ কিচিৰ মিচিৰ মাত আৰু পাখিৰ ঢপ-ঢপনি। এয়োদশীৰ স্পষ্ট জোনাকৰ তলত ভাং হুপি হুপি অৰ্দ্ধনিদ্ৰাত মগ্ন চণ্ডালজন।

যেন চণ্ডালৰ ৰূপত সাক্ষাৎ মহাদেৱ। যৌৱনৰ যিটো বয়সত মানুহে ৰূপৰ বানত মোহাচ্ছন্ন হৈ বালিত মাছ খেপিওৱা দি হাবাথুৰি খাই মৰে, কৰ্তব্য আৰু আকাংক্ষাৰ চাকনৈয়াত পৰি কক্‌বকাই মৰে, যেতিয়া বিবেকক চেপি ৰাখি উত্তেজনাবোৱে দিকভ্ৰান্ত কৰে; সেই বয়সতেই এইজন ডেকা ল'ৰাই নিজকে সমৰ্পন কৰি দিছে এজন চণ্ডালৰ ৰূপত। ল'ৰাজনৰ নাম গাঁওখনৰ কোনেও নাজানে। প্ৰায় সাত-আঠ বছৰমানৰ আগতে ক'ৰবাৰ পৰা আহি ঘৰে ঘৰে ভিক্ষা খুজি ফুৰিছিল। লাহে লাহে সি ভিক্ষা খোজাটো কমাই দিলে। গাঁৱৰ চণ্ডালবিহীন ৰাজহুৱা শ্মশানখনত সি থাকিবলৈ ল'লে। গাঁৱৰ মানুহে যেতিয়া সোধে শ্মশানত থাকিবলৈ ভয় নালাগেনে বুলি, তেতিয়া কয় যে সেইখনহে আচল ঠাই, য'ত চিৰদিনৰ বাবে মানুহ থাকি যায়। বাকীবোৰতো সাময়িক মাত্ৰ। ল'ৰাজনৰ কথা, চাল-চলন গাঁওখনৰ মানুহবোৰৰ বাবে আসাধৰণ আছিল। প্ৰথম অৱস্থাত বহু চোকা নজৰ দিয়া হৈছিল। পিছত ৰাইজৰ বিশ্বাস হ'ল যে তাৰ উদ্দেশ্য চুৰ কৰা বা তেনেকুৱা অসৎ অভিসন্ধি নাই। পিছলৈ ৰাইজে আলোচনা কৰি তাক মৰিশালিখনৰ স্থায়ী চণ্ডালৰূপে থাকিবলৈ দিলে। প্ৰথমৰ পৰাই ভাং খাইছিল যদিও পিছলৈ ই তাৰ একেবাৰে এৰাব নোৱাৰা অংগ হৈ পৰিল। দিন-ৰাতি অনবৰতেই ভাঙৰ নিচাত ডুবি থকা প্ৰায় আঠাইছ-ত্ৰিছ বছৰীয়া ডেকাজন দাঢ়িয়ে চুলিয়ে ভোবোকাৰ। গাঁওখনৰ নতুনকৈ ভাং খাবলৈ আৰম্ভ কৰা ডেকা কেইজন মানে লুকাই চুৰকৈ ইয়ালৈ আহি চণ্ডালৰ লগত ভাং টানি যায়। চণ্ডাল ৰ ভাঙৰ টোপোলা কেতিয়াও শেষ নহয়। এই ত্ৰয়োদশীৰ মিঠা জোনাকত অৰ্দ্ধনিদ্ৰাত মগ্ন ডেকা চণ্ডালজন। এনেদৰেই তেওঁ সদায় থাকে। কেতিয়াবা গাঁওখনত মৰা-হজা হ'লেও দিনৰ ভাগতহে আনে। কেতিয়াবা একেবাৰে সাংঘাতিক ভাৱে জৰ্জ্জৰী হ'লেহে কাৰোবাক ৰাতি খৰি দিবলগীয়া হয়। সেইবাবে এই সময়খিনি তেওঁৰ নিজা। এই সময়ৰ মাদকতা, গভীৰতা তেওঁৰ নিজা। কিন্তু আজি তেওঁ অনুভৱ কৰিলে যেন কোনোবাৰ আগমন ঘটিছে। অৰ্দ্ধনিদ্ৰিত অৱস্থাতেই তেওঁ শ্মশানলৈ অহা বাটটোলৈ চালে। দেখিলে বগা কাপোৰ পিন্ধা কোনো নাৰীৰ অস্পষ্ট শৰীৰ। তেওঁ গম পালে যে এয়া নিশ্চয় দাহন কাৰ্যৰ বাবে অহা মানুহ নহয়। সেইবাবে তেওঁ আকৌ নিজৰ অৰ্দ্ধনিদ্ৰাত মগ্ন হ'ল। তেওঁৰ চকুত কোনো আশ্চৰ্যৰ ভাৱ দেখিবলৈ পোৱা নগ'ল। কিছুপৰ পিছত তেওঁ মন কৰিলে যে সেই নাৰীগৰাকী শ্মশানৰ এক বিশেষ ঠাইত বহি লৈছে। চণ্ডালজনে কোনো প্ৰতিক্ৰিয়া নকৰাকৈ শুই থাকিল।

পিছদিনা পুৱা যেতিয়া চণ্ডালৰ টোপনি ভাগে তেতিয়া মহিলাগৰাকী তাত নাছিল। দিনৰ ভাগত কোনো নাহিল। ৰাতি আকৌ মহিলাগৰাকী আহিল আৰু আগৰ ঠাইত বহি ৰ'ল। কোন হ'ব পাৰে এওঁ বুলি চণ্ডালে মনত পেলাবলৈ চেষ্টা কৰিলে। বৰ বেছি কষ্ট নকৰাকৈ সহজে তেওঁৰ মনত পৰিল— যোৱা কেইদিন মান আগত স্বামী ঢুকোৱা তিৰোতাগৰাকীয়েই এওঁ। চণ্ডালে তাৰ বাদে আৰু বেলেগ চিন্তাও নকৰিলে, মনত পেলাবলৈও চেষ্টা নকৰিলে। মহিলাগৰাকী নিজৰ স্থানত বহি থাকিল। চণ্ডালে আকৌ ভাং হুপাত লাগিল। চতুৰ্দশীৰ জোনাকত শ্মশানখন পোহৰ হৈ উঠিছিল চণ্ডালৰ চিলিমৰ ধোৱাৰে শ্মশানখন ৰহস্যময়ী হৈ পৰিছিল। ধোৱা আৰু জোনাকৰ মাজত মৰিশালীখনত আছিল দুটি জীৱিত নৰ।

পিছদিনাও তাৰ ব্যতিক্ৰম হোৱা নাছিল। সময়মতে মহিলা গৰাকী আহি নিজৰ ঠাইত বহি লৈছিল। ব্যতিক্ৰম মাত্ৰ এটা হৈছিল আগৰ দৰে আজিও ভাং খাইছে যদিও আজি চণ্ডাল নিদ্ৰিত নহয়, সজাগ। ক'ব গ'লে তেওঁ আজি অপেক্ষা কৰি আছিল মহিলাগৰাকী অহালৈ। তেওঁ অহাৰ পৰা চণ্ডালে সকলো পৰ্যবেক্ষণ কৰিলে। মহিলাগৰাকী আহে। তেওঁৰ স্বামীক যিখিনি ঠাইত জ্বলোৱা হৈছিল সেইখিনিত বহে, আৰু একেথৰে ছাই আৰু অঙৰাবোৰ চাই থাকে কিন্তু মুখেৰে একো নামাতে। পূৰ্ণিমাৰ জোনাকত স্পষ্টকৈ জিলিকি উঠা মহিলাগৰাকীৰ মুখখন আজি প্ৰথমবাৰৰ বাবে চণ্ডালে চালে। এক প্ৰৌঢ় মহিলাৰ গৰীমাময়ী মুখ। মেলা চুলি। আৰু কপালত ট-ট কৈ জ্বলি থকা সেন্দুৰৰ ফোঁট। সেই মুখখন কোনো সাধৰণ নাৰীৰ মুখ নহয়। উজ্বল চকুযুৰিৰে এয়া এক অসাধৰণ প্ৰশান্তিময় মুখ। বছৰ বছৰ ধৰি যুগ যুগ ধৰি চাই থাকিব পৰা প্ৰশান্তিকৰ এখন মুখ। সদায় ভাঙৰ নিচাত ডুব গৈ থকা চণ্ডাল আজি ডুব গ'ল এগৰাকী মহিলাৰ ৰাগিয়াল ৰূপত। পূৰ্ণিমাৰ জোন ক্ৰমান্বয়ে শেতা হৈ আছিল। সূৰুযৰ নতুন প্ৰকাশ হ'বলৈ আৰু কিছুপৰ বাকি। মহিলাগৰাকী বহাৰ পৰা উঠিল। আৰু ধীৰে ধীৰে শ্মশানখনৰ পৰা আঁতৰি গ'ল।

ভোগেশ্বৰ দাস ঢুকোৱা এমাহ পাৰ হৈ গ'ল। গাঁওখনত তেওঁৰ পত্নী সুনন্দাক লৈ নানান মুখৰোচক কাহিনী চলিছে। ভাবিছে তাইৰ গাত ভূত লম্ভিছে। আন কোনো কোনোৰ মতে চণ্ডাল আৰু তাইৰ মাজত কিবা চলিছে। গাঁৱৰে কোনোবাই ৰাতি কিবাকে' তাইক হয়তো শ্মশানৰ ফালে যোৱা দেখিছে। কিন্তু ভয়তে পিছে পিছে যাব নোৱাৰিলে। শ্মশানত মাজৰাতি যোৱাটো তাইৰ অভ্যাসত পৰিণত হৈছে। মানুহজনীৰ স্বাস্থ্য দিনে দিনে পৰি গৈ এতিয়া হাড়ে-ছালে লগা অৱস্থা। চণ্ডালজনৰো তাইলৈ অপেক্ষা কৰি থকাটো অভ্যাসত পৰিণত হৈ গৈছে।

চণ্ডালে এতিয়া ভাং নাটানে। মাত্ৰ প্ৰশান্তিৰে বহি সুনন্দাৰ মুখখনলৈ চাই থাকে। সুনন্দাৰ মুখমণ্ডল তথা শৰীৰ যিমানেই বেয়াৰ পিনলৈ ঢাল খাইছে, চকুৰ উজ্বলতা যেন সিমানেই বৃদ্ধি হৈছে। হৃদয়ৰ অন্তৰংগৰ পৰা কিবা এটা বস্তু পাবলৈ বিচাৰি বিচাৰি যেতিয়া সেইটো অতি নিকট ভৱিষ্যতত আৰু নিশ্চিতভাৱে পোৱা যাব বুলি জনা যায়, তেতিয়া চকুত যি উজ্বলতা আহে, ঠিক সেই উজ্বলতা সুনন্দাৰ চকুত। চণ্ডালে সেই চকুত বিচাৰি পালে সেইগৰাকী মানুহক যাক তেওঁ ইমানদিনে বিচাৰি ফুৰিছিল। ইমান প্ৰেম! এজন মানুহৰ প্ৰতি আন এজন মানুহৰ ইমান গভীৰ প্ৰেম থাকিব পাৰে। চণ্ডাল লাহে লাহে সেই নিচাত ডুবি গৈ থাকিল।

আকৌ এখন চিতা জ্বলিল। চণ্ডালে নিজ হাতে সাজিলে চিতাখন। চিতাৰ জুইত ক্ৰমান্বয়ে জ্বলি যাব ধৰিলে সুনন্দাৰ দেহ। দাউদাউকৈ জ্বলি থকা চিতাখন চাই ৰ'ল চণ্ডালে। গাঁৱৰ মানুহবোৰ কিছু দূৰৰ পৰা চাই থাকিল। হঠাৎ সকলোৰে চকুৰ আগতেই চণ্ডাল চিতাৰ জুইৰ মাজলৈ সোমাই গ'ল। চকুৰ পচাৰতে এটা জীৱন্ত মানুহ জ্বলি শেষ হৈ গ'ল।❐

# পূৰ্ণিমা



**ভায়োলিনা বড়ো**
স্নাতক দ্বিতীয় ষাণ্মাসিক

'মা............ মা, তোমাৰ ফোন আহিছে মা।' মাকৰ ফোন অহা দেখি ধৃতিয়ে তাইৰ পঢ়া টেবুলৰপৰাই চিঞৰিবলৈ ধৰিলে। সেই সময়ত ধৃতিৰ মাক পূৰ্ণিমা পাকঘৰৰ কামত ব্যস্ত হৈ আছিল। ধৃতিয়ে মতা শুনি মাকে লৰালৰিকৈ পাকঘৰৰ পৰা ওলাই আহিলে আৰু ফোনটো ধৰিলে। পূৰ্ণিমাই ফোনটো ধৰি হেল্লো বুলি কোৱাৰ লগে লগে সেইফালৰপৰা কোনে কি ক'লে ধৃতিয়ে একো অনুমানেই কৰিব নোৱাৰিলে। পূৰ্ণিমাই কাণত লৈ থকা ফোনটো হাতৰ পৰা তলত পৰি গ'ল আৰু পূৰ্ণিমা ওচৰতে থকা বিচনাখনত বহি পৰিল। মুখেৰে একো ক'ব পৰা নাই আৰু চকুলোও নিগৰা নাই, কেৱল বজ্ৰপাত পৰা মানুহৰ দৰে একেঠাইতে বহিছে আৰু বেৰত ডাঙৰকৈ আঁৰি থোৱা পূৰ্ণিমা, তাইৰ গিৰিয়েক দীপক আৰু কেঁচুৱা অৱস্থাত ধৃতিক দেউতাকে কোচত লৈ থকা ফটোখনলৈ অবাক হৈ একেথৰে চাই আছে, কিন্তু মুখেৰে একো এটা শব্দ নাই। মাকক এনে অৱস্থাত দেখি ৫বছৰীয়া কণমানি ধৃতিয়ে ভয় খালে আৰু মাকক সাৱটি ধৰিলে। তাই মাকৰ গালে-মুখে হাত বুলাই দি মাকক বহুবাৰ মাতিবলৈ চেষ্টা কৰিলে। কিন্তু পূৰ্ণিমাৰ কোনো সঁহাৰিয়েই নাই; বাৰে বাৰে মাতিবলৈ চেষ্টা কৰিও ধৃতি যেন বিফল হ'ল।

পূৰ্ণিমাই ফটোখনলৈ চাই ৭ বছৰ আগৰ পৃথিৱীখনলৈ ঘূৰি গৈছে। তেতিয়া তাইৰ বয়স আছিল ২২ বছৰ যেতিয়া তাই দীপকক লগ পাইছিলে। তাইৰ বি.এ পঢ়া সম্পূৰ্ণ হৈছিল আৰু দীপকে তেতিয়া এম.এ পঢ়ি আছিলে। পূৰ্ণিমাৰ দদায়েক হেমন্তৰ বন্ধু আছিল দীপক। দদায়েকৰ লগত প্ৰায়েই সিহঁতৰ ঘৰলৈ আহিছিল দীপক আৰু তেনেকৈ পূৰ্ণিমাৰ লগত দীপকৰ দেখা হৈছিল। দীপকে সিহঁতৰ ঘৰলৈ আহিলে পূৰ্ণিমাই প্ৰায়েই চাহ লৈ আহিছিল আৰু পূৰ্ণিমাৰ ফালে চাই দীপকে মিচিকিয়া হাঁহি এটি মাৰি দিছিল। পূৰ্ণিমাইও দীপকৰ সেই মিঠা হাঁহিটিত সহাৰি জনাইছিল। পূৰ্ণিমা দেখিবলৈ বহুত ধুনীয়া আছিল একেবাৰে পূৰ্ণিমাৰ জোনটোৰ নিচিনা। লাহে লাহে পূৰ্ণিমা আৰু দীপকৰ মাজত বন্ধুত্ব গঢ়ি উঠিল আৰু সেই বন্ধুত্বই এদিন ভালপোৱাৰ ৰূপ ল'লে। সিহঁত দুজনৰ মাজত গভীৰ প্ৰেম আৰম্ভ হ'ল। পূৰ্ণিমাৰ দদায়েকে সিহঁতৰ এই সম্পৰ্কটোৰ কথা গম পোৱাৰ পিছত বিশেষ একো আপত্তি নকৰিলে কিয়নো দীপক ল'ৰাটো খুবেই সহজ সৰল, নম্ৰ-ভদ্ৰ ল'ৰা আছিল। লগতে দীপকৰ ঘৰখনো অৰ্থাৎ পৰিয়ালটোও এটা সম্ভ্ৰান্ত পৰিয়াল। দীপকৰ দেউতাক গাঁৱৰ হাইস্কুলখনৰ

প্ৰধান শিক্ষক আছিল, এতিয়া অৱসৰ পাই কিছুমান সামাজিক কামত লিপ্ত হৈছে। এজন কৃতী শিক্ষক হিচাপে সমাজত দেউতাকৰ যথেষ্ট নাম আছে। মাক-দেউতাকৰ একমাত্ৰ সন্তান দীপক। দীপকক লৈ মাক দেউতাকৰ বহুত সপোন আছিল আৰু তাক উচ্চ শিক্ষাৰে শিক্ষিত কৰিব বিচাৰিছিল। এটা সময়ত দীপক এখন কলেজৰ ইংৰাজী বিভাগৰ অধ্যাপক হ'ল। ঘৰত সকলোৰে আনন্দৰ সীমা নোহোৱা হ'ল। দীপক আৰু পূৰ্ণিমাৰ কথাও দীপকে মাক-দেউতাকক ক'লে। মাক দেউতাকেও কোনো আপত্তি নকৰাকৈ দীপক আৰু পূৰ্ণিমাৰ বিয়াখন খুব ধুম-ধামেৰে পাতি দিলে।

তাৰপিছত সকলো ঠিকেই গ'ল। পূৰ্ণিমা আৰু দীপকৰ বৈবাহিক জীৱন খুবেই সুখৰ হ'ল। দীপকৰ মাক-দেউতাকেও পূৰ্ণিমাক নিজৰ জীয়েকৰ দৰে মৰম দিবলৈ ল'লে। বিয়াৰ এবছৰ পিছত সিহঁতৰ মাজলৈ ধৃতি আহিল। খুবেই মৰমলগা সুখৰ সংসাৰ হ'ল সিহঁতৰ। দীপকৰ মাক-দেউতাকো নাতিনী পাই আনন্দত আত্মহাৰা হ'ল।

দুবছৰ পিছৰ কথা। হঠাৎ যেন অমানিশা নামি আহিল সিহঁতৰ জীৱনলৈ। এদিন দীপক কলেজ ছুটী হোৱাৰ পিছত নিজৰ গাড়ীৰে ঘৰ অভিমুখে আহি থাকোতে হঠাৎ সন্মুখৰ পৰা এখন ট্ৰাকে খুন্দিয়ালে। লগে লগে হুলস্থূল লাগিল, চাৰিওফালে মানুহে আগুৰি ধৰিলে। দীপকৰ গাড়ীখন ট্ৰাকে খুন্দিওৱাৰ ফলত দীপকৰ গাড়ীখন গৈ পোষ্ট এটাত লাগি বেয়াকৈ আঘাতপ্ৰাপ্ত হ'ল। দীপকে তেজেৰে লুতুৰি-পুতুৰি হৈ পৰি আছে। কোনোবাই ঘৰত খবৰ দিয়াত পূৰ্ণিমা, দীপকৰ দেউতাক আৰু মাকে দুবছৰীয়া ধৃতিক কোঁচত লৈ তৎক্ষণাত সেই ঠাইত উপস্থিত হ'ল। দীপকৰ অৱস্থা দেখি আটাইৰে মূৰত যেন সৰগখনহে খহি পৰিল। পূৰ্ণিমা পাগলীৰ নিচিনা হৈ পৰিল। লগে লগে দীপকক চিকিৎসালয়লৈ লৈ যোৱা হ'ল আৰু পৰীক্ষা-নিৰীক্ষা কৰাৰ পিছত ডাক্তৰে ক'লে যে দীপকে ভিতৰত বেয়াকৈ আঘাত পাইছে আৰু ভৰি এখন ভাঙি গৈছে যাৰফলত ভৰিখন কাটি পেলাব লগা হ'ব। লগতে ডাক্তৰে এইটোও ক'লে যে দীপকে আৰু আগৰ নিচিনাকৈ কাম কৰিব নোৱাৰিব, ঘূৰা-ফুৰা কৰিব নোৱাৰিব। মাত্ৰ ২৮ বছৰ বয়সতে দীপকে পংগুৰ দৰে জীৱন কটাব লগাত পৰিল। সেই ঘটনাটোৰ পৰা দীপকে যেন কেৱল এটা সজাত বন্দী চৰাইৰ দৰে বন্দীত্বৰ জীৱন যাপন কৰিবলৈ ল'লে। পূৰ্ণিমাই চাৰিওফালে অন্ধকাৰ দেখিলে। তাই দীপকৰ মুখলৈ চালেই আপোনা-আপুনি চকুলো নিগৰে। দীপকে অন্তৰে অন্তৰে ভাবিবলৈ ল'লে যে সি কেতিয়া এই পৃথিৱীৰ পৰা বিদায় ল'ব! কাৰণ সি তাৰবাবে পূৰ্ণিমা আৰু মাক-দেউতাকে কষ্ট পোৱাটো কেতিয়াওঁ নিবিচাৰে। বিভিন্ন ধৰণৰ চিন্তাই দীপকক জুমুৰি ধৰিবলৈ ধৰিলে। ধৃতিৰ কি হ'ব! তাইৰ ভৱিষ্যৎ গঢ়াৰ যে একেলগে সংকল্প লৈছিল পূৰ্ণিমাৰ লগত, এতিয়া পূৰ্ণিমাই অকলে সকলোবোৰ কেনেকৈ চম্ভালিব! এনেকুৱা ধৰণৰ কথাবোৰ তাৰ মনলৈ আহিবলৈ ধৰিলে। বিভিন্ন চিন্তা আৰু বন্দী হৈ থকাৰ বাবে বাহিৰৰ পৃথিৱীখনলৈ নোলোৱাৰ ফলত দীপকৰ অৱস্থা দিনে দিনে বেয়ালৈহে ঢাল খাবলৈ ল'লে। ইফালে লাহে লাহে অভাৱেও দেখা দিবলৈ ধৰিলে। দীপকৰ চিকিৎসাৰ নামত পূৰ্ণিমাৰ আ-অলংকাৰ আৰু মাটি-বাৰীও বিক্ৰী কৰিবলগাত পৰিল।

কিন্তু হঠাৎ এদিন পূৰ্ণিমালৈ অহা ফোনকলটোৱে যেন কিছু সকাহ দিলে। বিয়াৰ পূৰ্বে পূৰ্ণিমাই হাইস্কুল এখনৰ অসমীয়া বিষয়ত পদ এটা খালী থকা গম পাই আৱেদন কৰি থৈছিল আৰু সেই স্কুলখনৰে প্ৰধান শিক্ষকে পূৰ্ণিমাক ফোন কৰি ইন্টাৰভিউ ল'বলৈ মাতিলে। পূৰ্ণিমাও ইন্টাৰভিউ দিবলৈ গ'ল আৰু সুখ্যাতিৰে ইন্টাৰভিউত সুফল দেখুৱাবলৈ সক্ষম হ'ল বাবে সেই পদটোত তাই নিযুক্তি লাভ কৰিলে। কিন্তু স্কুলখন পূৰ্ণিমাহঁতৰ ঘৰৰপৰা বহুত দূৰত, প্ৰায় ৮/৯ ঘন্টাৰ বাট। সেয়ে তাই সংকোচ কৰিছিল আৰু যাব নিবিচাৰিছিল যদিও দীপক আৰু ঘৰখনৰ অৱস্থালৈ চাই অনিচ্ছা সত্বেও তাই যাব লগাত পৰিল। ধৃতিক লগত লৈ পূৰ্ণিমা কান্দি কান্দি যাবলৈ ওলাল। পূৰ্ণিমাৰ দদায়েক হেমন্তই স্কুলখনৰ ওচৰত সুবিধা হোৱাকৈ ভাড়া ৰূম এটা ঠিক কৰি দিছে। এবছৰমান তেনেকৈয়ে পাৰ হ'ল। প্ৰত্যেক সপ্তাহত দুবাৰ হ'লেও পূৰ্ণিমা ঘৰলৈ যায়। ঘৰলৈ গৈ তাই দীপকৰ চকুলৈ চাব নোৱাৰে, কেৱল দুয়োজনৰে চকুলো নিগৰে। কিন্তু তথাপিও পূৰ্ণিমাই নিজক চম্ভালিবলৈ দীপকৰ আগত হাঁহি থাকিব বিচাৰে। সিহঁতৰ এই কৰুণতম দৃশ্য দীপকৰ মাক-দেউতাকে আঁতৰৰ পৰা চাই থাকে আৰু চকুলো টুকে।

সময় বাগৰিল। তেনেকৈ আৰু ১ বছৰ পাৰ হ'ল। ধৃতিয়ে ৫ বছৰত ভৰি দিলে। তাই দৌৰি ফুৰে, খেলি ফুৰে। এদিনাখনৰ কথা। সেইদিনা আছিল শনিবাৰ। আনদিনাৰ দৰে পূৰ্ণিমাই স্কুলৰ পৰা আহি কামবোৰ হোৱা কৰি গা ধুই পাকঘৰলৈ গৈছিল ৰাতিৰ আহাৰৰ যোগাৰ কৰিবলৈ। পূৰ্ণিমাই পাকঘৰত কাম কৰি থকা অৱস্থাত ধৃতিয়ে মাত লগালে— 'মা', তোমাৰ ফোন আহিছে মা।' ধৃতিয়ে মতা শুনি পূৰ্ণিমাই লৰালৰিকৈ পাকঘৰৰপৰা ওলাই আহি ফোনটো ধৰিলে আৰু এইফালৰ পৰা 'হেল্লো' বুলি কোৱাৰ লগে লগে সেইফালৰ পৰা তাইৰ শহুৰেকে কান্দি কান্দি ক'লে যে দীপক আৰু এই পৃথিৱীত নাই। কথাখিনি শুনাৰ লগে লগে পূৰ্ণিমা শিলামূৰ্ত্তিৰ দৰে হৈ পৰিল।□

# আধৰুৱা সপোন

লুনা ঠাকুৰীয়া
স্নাতক দ্বিতীয় ষাণ্মাসিক

১৭ বছৰ বয়সতেই বাসন্তী বৰুৱা বিবাহপাশত আৱদ্ধ হৈছিল। বিয়াৰ এমাহ পিছৰ পৰাই দুখৰ জীৱন অতিবাহিত কৰি আহিছে বাসন্তী বৰুৱাই। ৰত্নেশ্বৰ হ'ল বাসন্তীৰ স্বামী। অনিচ্ছাসত্বেও মাক-দেউতাকৰ কথা পেলাব নোৱাৰি সাংসাৰিক জীৱনত আৱদ্ধ হৈছিল বাসন্তী। আধৰুৱা শিক্ষা সাং কৰিয়েই বিয়াত বহিবলৈ বাধ্য হৈছিল। ৰত্নেশ্বৰ এগৰাকী প্ৰশাসনিক বিষয়া। উচ্চপদস্থ বিষয়া হোৱা বাবে মাক-দেউতাকে বাসন্তীৰ ভৱিষ্যতৰ কথা নাভাবি খৰধৰকৈ বিয়া দি দিলে। কিন্তু বিয়াৰ এমাহ পাছতেই ৰত্নেশ্বৰৰ এক ডাঙৰ বিপদৰ কথা পোহৰলৈ আহে। বাসন্তীয়ে গম পালে যে গিৰিয়েকে হেনো এক ডাঙৰ বেমাৰৰ সৈতে জীৱন-মৰণ যুঁজ চলাই আছে। যাৰ নাম হৈছে কৰ্কট ৰোগ। এবছৰ পাছত তেওঁলোকৰ মাজলৈ এজনী কন্যা সন্তান আহে, তাইৰ নাম ৰখা হয় ময়ূৰী। কিন্তু অতি দুখৰ বিষয় যে ময়ূৰীৰ মাত্ৰ তিনি মাহ বয়সতে দেউতাকৰ মৃত্যু হয়। পিতৃহাৰা হ'ল পৃথিৱী চিনি নোপোৱাকৈয়ে। দেউতাকক বচাব পৰা নগ'ল। সেই কণমানিটি দেউতাকৰ মৰমৰ পৰা বঞ্চিত হৈ থাকিল।



সময় কেতিয়াও কাৰো বাবে ৰৈ নাথাকে। বছৰ বাগৰি গ'ল। এখোজ দুখোজকৈ আগবাঢ়িব পৰা হ'ল ময়ূৰী। দিন যোৱাৰ লগে লগে তাইক স্কুলতো নামভৰ্তি কৰোৱা হ'ল। মাকে বহুত কষ্টৰ মাজেৰে ডাঙৰ-দীঘল কৰিছে তাইক। লোকৰ ঘৰত কাম কৰি দুপইচা উপাৰ্জন কৰিছে যদিও প্ৰয়োজনীয় সকলো দিব পৰা নাই। কিছু অভাৱ পূৰণ নোহোৱাকৈয়ে ৰৈ যায়। সৰুৰে পৰাই অভাৱৰ মাজেৰে পাৰ হোৱা ময়ূৰীয়ে সপোন দেখিছে এজন সু-চিকিৎসক হোৱা। দিন-ৰাতি এক কৰি মাক বাসন্তীয়ে কষ্ট কৰিছে। তাইৰ ভৱিষ্যতৰ বাবে, ডাঙৰ-দীঘল কৰি মানুহ হিচাপে গঢ়িবলৈ মাকে চেষ্টা কৰিছে। এনেকৈয়ে সময় বাগৰি গৈ থাকিল।

তাই স্কুললৈ সদায় খোজকাঢ়ি অহা-যোৱা কৰে। তাই এতিয়া নৱম শ্ৰেণীৰ ছাত্ৰী আৰু সম্পূৰ্ণ বুজা ছোৱালী। তথাপিও মাজে সময়ে নিজৰ জীৱনটোক লৈ দুখ কৰে। তাইৰ বান্ধৱীকেইজনী সদায় চাইকেল আৰু দেউতাকহঁতৰ মটৰ চাইকেলেৰে স্কুললৈ অহা-যোৱা কৰে। তাইও কেতিয়াবা নভবা নহয়, মইয়ো যদি এনেকৈয়ে আহিব পালোহেঁতেন। কিন্তু আকৌ বাস্তৱলৈ ঘূৰি আহে। নাই, এইবোৰ মিছা। মোৰ এই দুই ভৰিয়েই মোৰ বাবে যথেষ্ট বুলি কৈ তাইৰ মনটোক বুজাবলৈ চেষ্টা কৰে। কাৰণ এইবোৰ কথা ভাবি থাকিবলৈ ময়ূৰীয়ে অকণো সময় অবাবত নষ্ট কৰিব নিবিচাৰে। আজৰি সময়ত ছবি আঁকি, কবিতা লিখি ভাল পায়। কেতিয়াও সময় অথলে যাবলৈ দিয়া নাছিল। এনেদৰে সময় বাগৰি গৈ ময়ূৰী হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল আৰু ফলাফল ঘোষণা হৈছিল যে তাই ৬ টা বিষয়ত লেটাৰসহ ডিষ্টিংচন পাবলৈ সক্ষম হৈছে। তাইৰ ফলাফলত মাক সুখী হৈছিল আৰু চকুলো ওলাইছিল। ময়ূৰীয়ে দেউতাকলৈ মনত পেলাই দেউতাক নোহোৱাৰ বেদনা অনুভৱ কৰিলে।



সময়ত ৫ কিঃমিঃ দূৰত্বত অৱস্থিত কলেজ এখন বিজ্ঞান বিভাগত তাইক নাম লগাই দিয়া হ'ল। এনেকৈয়ে তাই কলেজীয়া জীৱন আৰম্ভ হ'ল। মাত্ৰ দুটা প্ৰাণীৰে ঘৰখন চলি থকা বাস্তৱ জীৱনৰ দুখবোৰ ভবা-চিন্তা কৰোতেই মাক বেমাৰ পৰিল। কাম-কাজ কৰিবলৈকো গাত শক্তি কমি আহিল, ভাল খাবলৈকে নাপায়। তথাপিও মাকে কাম কৰিবলৈ যোৱাটো এৰি পৰা নাই। দুপইচা হ'লেও উপাৰ্জন কৰি ময়ূৰীৰ অভাৱ দূৰ কৰিব বিচাৰে। এনেকৈ বছৰ পাৰ হৈ ময়ূৰীয়ে উচ্চতৰ মাধ্যমি পৰীক্ষাতো ভাল ফল দেখুৱালে। ইয়াৰ পাছত ময়ূৰীক যথে পৰিমাণৰ ধনৰ প্ৰয়োজন হ'ল। তাই চিকিৎসকৰ বাবে বিশেষ অধ্যয়ন কৰিব লাগিব আৰু সেই ধনৰ পৰিমাণ অধিক। মা তাইৰ প্ৰয়োজনৰ চিন্তাত বিভোৰ হৈ পৰিল। দিনে-ৰাতি কেৱ এটা চিন্তাই মাকৰ মূৰত বাস কৰি আছে যে, কেনেকৈ আনি দি তাইক ইমানবোৰ টকা? তেনেকৈয়ে চিন্তা কৰি মাক এদিনাখ দিনটোৰ কাম শেষ কৰি ময়ূৰীহঁতৰ ঘৰৰ পৰা ১কিঃ মিঃ নিলগ থকা মানুহ এঘৰৰ পৰা ঘৰ অভিমুখে আহি আছিল। একমাত্ৰ এ চিন্তাতেই মাকজনী জুৰুলা হৈ গৈছিল। সেই কথাটো চিন্তা ক থাকোতেই কেতিয়া পথৰ মাজ গৈ পালে গমকে নাপালে পাছফালৰ পৰা আহি থকা তীব্ৰবেগী মাৰুতি ভেন এখ মহতিয়াই লৈ গ'ল। মাক আৰু বাচি নাথকিল। বিধাতাই লৈ গ' মাকক ময়ূৰীৰ হৃদয়ৰ পৰা। ওচৰৰে মানুহ এজনৰ পৰা ময়ূৰী মাকৰ দুৰ্ঘটনা হোৱা বুলি গম পাই কান্দি কান্দি সেই ঠাইলৈ গ'ল ময়ূৰীৰ মাক আৰু কেতিয়াও ঘূৰি নাহে। ময়ূৰী মাকৰ নিথ শৰীৰটো দেখি অচেতন হৈ পৰিল। কোন আছে এতিয়া তাইৰ সকলো হেৰাই গ'ল, তাইৰ সপোন দিঠকত পৰিণত কৰিব এতিয়া কোনো নাই। ক্ষন্তেক পাছত তাই চেতন অৱস্থালৈ আ আৰু তাৰ পিছত বিভিন্ন প্ৰশ্নই তাইক আমনি কৰে। কোন আ তাইৰ ওচৰত? তাই থাকিবনে এতিয়া জীয়াই? একো উত্তৰ বিচা নাপাই তাই মাকৰ আকস্মিক মৃত্যু হোৱা ঠাইলৈ দৌৰি গ'ল আ তাতেই তাই আত্মহত্যা কৰিলে। তীব্ৰবেগী বাছ এখনে তাই দেহ টুকুৰা-টুকুৰ কৰি পেলালে। ময়ূৰীৰ আধৰুৱা সপোন আধৰু হৈয়ে ৰ'ল।□



# বৰষা যেতিয়া নামে

তপন ঠাকুৰীয়া
স্নাতক চতুৰ্থ যাণ্মাসিক

'তোৰ বাইকখন ক'ত আছে?'

বিদ্যুতক মই সুধিলো, সি ক'লে—

'পলিটিকেল ডিপাৰমেণ্টৰ কাযত'।

তাৰ পিছত সি আকৌ মোৰ ফালে চায় ক'লে—

'ৰ' তই ইয়াত থাকচোন, পটকে মই বাইকখন লৈ আহো।'

এইবুলি কৈ সি পলিটিকেল ডিপাৰ্টমেণ্টৰ ফালে খোজ ল'লে। হঠাৎ মই গুৰুমকৈ হোৱা শব্দ এটা শুনিলো, আকাশৰ পিনে চকু ফুৰাই দেখিলো মেঘবোৰে কলা আৱৰণ পিন্ধি ইমূৰৰ পৰা সিমূৰলৈকে দৌৰি আছে। সূৰ্যৰ ৰশ্মিয়ো লাহে লাহে কমি যাব ধৰিছে। কলেজৰ চাৰিওফাল সন্ধ্যাপৰাৰ দৰে হৈ পৰিছে। তেতিয়া মই অনুভৱ কৰিব পাৰিলো, গুৰুমকৈ হোৱা শব্দটো বিজুলী ঢেৰেকণিৰহে, এটোপাল ক্ষীণ বৰযা নামি আহি মোৰ শেঁতা পৰি থকা গালখনত এটি সৰু চুম্বন আঁকি দিলে, আগখন হাতেৰে গালখনত দিয়া চুম্বনৰ স্পৰ্শ কৰি মূৰটো ওপৰৰ পিনে উজাই দি দেখিলো, অসংখ্য বৰষা অতি দ্ৰুতগতিৰে নামি আহিব ধৰিছে। লগে লগে মই বাইকখন আনিব গৈ থকা বন্ধু বিদ্যুতক চিঞৰি ক'লো, 'অই বৰষা নামিছে, জলদি আহ, বাইকখন আনিব নেলাগে' এই বুলি কৈ মই বকুল গছজোপাৰ তলৰ লোহাৰ গেটখনেৰে সোমাই গৈ প্ৰেক্ষাগৃহৰ বাৰান্দাৰ সন্মুখত থিয় হ'লো, বিদ্যুতে বৰষাৰ ৰুদ্ৰ ৰূপ দেখি তৰা-নৰা ছিঙি বেগতে দৌৰ লগালে, প্ৰেক্ষাগৃহৰ সন্মুখ পোৱা অৱস্থাত দেখিলো বেচেৰাক বৰষাই আধা ধোৱাই দিলে। তাৰপাছত দুয়ো প্ৰেক্ষাগৃহৰ বাৰান্দাত একেলগে থিয় হ'লো। সিও পকেটৰ পৰা বগা ৰুমালখন উলিয়াই চুলিটাৰি আচুৰিব ধৰিলে। মইয়ো ইমূৰৰ পৰা সিমূৰলৈকে প্ৰেক্ষাগৃহৰ বাৰান্দাখন চাব ধৰিলো। ইতিমধ্যে বহুত ছাত্ৰ-ছাত্ৰীয়ে আহি ভিৰ কৰিছে, বৰষাই যেন সকলোকে বাৰান্দাত

বন্দী কৰি ৰাখিছে। আমিও বৰষাৰ ভয়ত সেইসকল ছাত্ৰ-ছাত্ৰীৰ মাজত চামিল গৈ পৰিলো, কিন্তু আমাৰ বাবে অকণমান জেগাৰ অভাৱ আছিল, য'ত আমি সুকলমে থিয় হৈ বৰষাৰ মনোমোহা দৃশ্য উপভোগ কৰিব পাৰো। উপায় নাপাই অৱশেষত মোৰ কাষতে থকা প্ৰেক্ষাগৃহৰ খুঁটাটোতে মই পিঠিখন পেলাই বৰষাৰ অন্তিম টোপালটো দেখিবৰ বাবে অপেক্ষা কৰি থাকিলো। কেইমিনিটমান যোৱাৰ পিছত হঠাৎ মোৰ চকু পৰিল, বকুল গছজোপাৰ তলৰ লোহাৰ গেটটোৰ দাঁতিতে কিতাপ লোৱা বেগ এখনক আগফালে লৈ দুয়োডাল ফিটাতে দুয়োখন হাত সোমাই বুকুৰ মাজত সাবতি ধৰি কোনোবা এজনী ছোৱালীয়ে থিয় হৈ ৰৈ আছে। এনে যেন লাগিল বৰষাৰ প্ৰচণ্ড ৰূপ দেখি ছোৱালীজনীয়ে সেই ঠাইত বন্দী হৈ থাকিব লগা হৈছে। আনকি তাই প্ৰেক্ষাগৃহৰ বাৰান্দালৈ আহিব খুজিলেও পটকে আহিব নোৱাৰে কাৰণ বৰষাৰ উৎপাত যেন চাৰিওফালে বিয়পি পৰিছে। যদিও সেই ঠাইডোখৰ প্ৰেক্ষাগৃহৰ বাৰান্দাতকৈও সুবিধা কম তথাপিও ওপৰত নাও আকৃতিৰ চিমেণ্টেৰে বনাই থোৱা চালখনৰ বাবে কিছুসময় জিৰণি ল'ব পাৰে, যেন বকুল গছজোপাৰ সৰে সৰে বৰষাৰ সৰু সৰু টোপাল নামি আহি তাইৰ গা তিয়াই গৈছে। আৰু সেই বৰষাৰ টোপালৰ মাজত বিলীন হৈ বিজুলীৰ চিকমিকনিৰ ৰশ্মিয়ে তাইৰ চুলিটাৰিক আপোন কৰি লৈছে, লাহি বতাহত বাগৰি পৰে, আকৌ তাই সজাই দিয়ে কাণৰ পিছফালে। সেই সময়তে মোক মাত লগাই বিদ্যুতে—

'অ'ই তপন, এইপিনে আহচোন।'

মই গ'লো। সি আগখন হাতেৰে দেখুৱাই দিয়ে বৰষাৰ টোপালবোৰ ভূ-পৃষ্ঠত নামি আহি একো একোটা ঘৰ সজাৰ দৰে পানীৰ বুৰবুৰণি সজাই তুলিছে, দেখি মই ৰোমাঞ্চিত হৈ পৰিলোঁ। পকেটখন খেপিয়াই চালো, মোবাইলটো উলিয়াই দেখিলো ইমানে মোৰ ভাগ্যখন বেয়া, মোবাইলটো চুইচ্ অফ হৈ আছে। লগে লগে বিদ্যুতৰ মোবাইলটো লৈ পানীৰ টোপালৰ বুৰবুৰণিৰ এফালৰ পৰা এংগলটো মিলাই 'চিনেমেটিক' শ্বট্ ল'বলৈ আৰম্ভ কৰিলোঁ। ভিডিঅ'টো চাই থকাৰ সময়ত আকৌ মোৰ চকুত পৰিল সেইজনী ছোৱালীৰ যিজনী ছোৱালীয়ে বৰষাৰ ভয়ত বকুল গছজোপাৰ তলৰ লোহাৰ গেটটোৰ দাঁতিতে আশ্ৰয় লৈছিল, কিন্তু সেইসময়ত মই ছোৱালীজনীক দেখিছিলো প্ৰেক্ষাগৃহৰ বাৰান্দাতে। চাগে আমি ভিডিঅ'টো বনাই থকাৰ সময়ত তাই বাৰান্দালৈ আহি উপস্থিত হৈছিল। আৰু প্ৰথম অৱস্থাত যিদৰে ছোৱালীজনীক দেখিছিলো ঠিক তেনেদৰে বেগখন আগত লৈ দুয়োডাল ফিটাতে দুয়োখন হাত সোমাই বুকুৰ মাজত সাবতি লোৱা পৰিস্থিতে দেখিলো। তাইৰ চাগে সেইখিনি সময়ত চিনাকি বান্ধৱী নাছিলে সেয়েহে অকলশৰে ইমূৰৰ পৰা সিমূৰলৈকে ঘূৰি থকা দেখিলো, বাকী ছাত্ৰ-ছাত্ৰীবিলাক নিজৰ কথাত মগ্ন। বিদ্যুতৰ মোবাইলটো তেতিয়া মোৰ হাতত আছিলে মইয়ো সময়বোৰ পাৰ কৰিবৰ কাৰণে গোটেই প্ৰেক্ষাগৃহৰ বাৰান্দাৰ সন্মুখখিনি ইমূৰৰ পৰা সিমূৰলৈকে ভিডিঅ' কৰি যাবলৈ আৰম্ভ কৰিলোঁ। হঠাৎ গছ এডালৰ শুকান পাত এটাৰ ফালে মোৰ চকু পৰিলে। যিমানে জোৰকৈ বৰষা নামে সিমানে পাতটোৱে লাহে লাহে ডালটোৰ পৰা আতৰি আহি ধৰিছে, কিন্তু মোৰ মনত এনেকুৱা এটা ভাৱ জাগিল পাতটোৱে চাগে গছডালৰ মায়া-মোহ এৰিব খোজা নাই। যিমান ঘাত-প্ৰতিঘাত নাহক কেলেই সি চাগে গছডালক এৰি নিদিয়ে। ভিডিঅ' কৰি গৈ থাকিলো। অৱশেষত তৃতীয়বাৰ আকৌ ছোৱালীজনীক এটা নতুন ব্যতিক্ৰমী ৰূপত দেখিলো। ব্যতিক্ৰমী ৰূপটো এইটোৱে আছিল, যিটো আমি সাধাৰণভাৱে ভাবিব নোৱাৰো, অথনি ইমূৰৰ পৰা সিমূৰলৈকে অকলশৰে ঘূৰি থকা ছোৱালীজনীৰ পৰা এটা ব্যতিক্ৰমী কথা যে শিকিব পাৰি মই ভবায়ে নাছিলো। আচলতে এই পৃথিৱীত 'সংগ'ৰ অভাৱ যে কেতিয়াও হ'ব নোৱাৰে এই উদাহৰণটো মই নিজ চকুৰে দেখিলো। ভাবি চালে আচৰিত প্ৰেক্ষাগৃহৰ টিনপাতৰ পৰা বৰষা নামিছে। তাই আগহাতখন আগুৱাই নিজৰ অনুভৱৰ পৃথিৱীখনত সংগৰ আস্থা দি, মনৰ নিজানত এটা পলতে জোনাক নমাই পোহৰাই তুলিছে এসাগৰ মৰম বৰষাক উপচাই, এখন আটকধুনীয়া ৰোমাঞ্চকৰ প্ৰতিচ্ছবি সৃষ্টি কৰিছে 'বৰষা যেতিয়া নামে'। তাই চাগে এনেকৈয়ে অনুভৱত ব্যাকুল হৈ পৰে।।

□□□



# অৰ্ধস্বপ্ন

**অম্বিকা বড়ো**
স্নাতক দ্বিতীয় ষাণ্মাসিক

অনন্যা..... অনন্যা...... মামীয়েকৰ মাততহে অনন্যাৰ সম্ভেদ ঘূৰি আহিল। টোপনিৰ পৰা উঠি খিৰিকীখন মেলি তাই অতীতৰ কথাবোৰ ভাবি আছিল। অনন্যাৰ মাকে তাইক জন্ম দিয়ে নিঠৰুৱা কৰি এই পৃথিৱীৰ পৰা বিদায় লৈছে। আৰু দেউতা ? দেউতা আছিল এজন কঠিন হৃদয়ৰ মানুহ। অনন্যা জন্ম হোৱাৰ কাৰণে মাক আজি এই পৃথিৱীত নাই এই বুলি দেউতাকে তাইক দোষাৰোপ কৰিছে। তেওঁৰ কোনো সন্তান নাই বুলি ধৰি লৈছে। সেইকাৰণে কেচুঁৱাৰ পৰাই তাইক মামা-মামীয়ে ডাঙৰ কৰিছে। মামা আৰু মামীৰ কোনো সন্তান নাই। সেইকাৰণে তাইক নিজৰ সন্তান বুলি ভাৱে, মৰম কৰে। সৰুৰে পৰা পঢ়া শুনাৰে পৰা আদি কৰি সকলো দায়িত্ব লৈছে।

আজিৰ পৰা প্ৰায় আঠ বছৰমান আগৰ কথা। কিনকিনীয়া বৰষুণত তাই ছাটিটো মেলি লৈ কলেজলৈ খোজকাঢ়ি গৈ আছিল। মামীহঁতৰ ঘৰৰ পৰা প্ৰায় ১ কিলোমিটাৰমান দূৰ হ'ব কলেজলৈ। তাই বি.এ. পঢ়ি আছিল। এনেতে পিছফালৰ পৰা কোনোবাৰ মাত ভাহি আহিল....... অই অনন্যা ৰবাচোন....... !! তাই পিছফালে ঘূৰি চালে। এয়া দেখোন মৃগাংক দা। মৃগাংক অনন্যাতকৈ প্ৰায় ২/৩ বছৰমান ডাঙৰ হ'ব। মৃগাংকই তাৰ পেহীয়েকহঁতৰ ঘৰতে থাকে। মৃগাংকৰ ঘৰ পেহীয়েকহঁতৰ ঘৰৰ পৰা প্ৰায় ৪০ কিলোমিটাৰ

মান হ'ব। অনন্যাৰ মোমায়েকৰ ঘৰৰ ওচৰতে মৃগাংকৰ পেহীয়েকৰ ঘৰ। মৃগাংকই অনন্যাৰ সৈতে সৰুৰে পৰা একেলগে ডাঙৰ হৈছে। অনন্যাই পঢ়া কলেজত মৃগাংকই বি.এছ.ছি পঢ়ি আছে। মৃগাংকই অনন্যাক গালত চিকুটি গালি পাৰিলে অই বেঙী, ইমান যে মাতি আছো শুনা নাই? এইবুলি ছাতিটো অনন্যাৰ পৰা কাঢ়ি ললে। দুয়ো কলেজলৈ বুলি একেলগে খোজ ললে। মৃগাংকই অনন্যাক হঠাৎ মাত লগালে। অই অনন্যা...... মই তোক বহুদিনৰ পৰা এটা কথা কম বুলি ভাবি আছো। আজি আবেলি নৈৰ পাৰত আহিবি চোন, বহুত জৰুৰী কথা আছে।



অনন্যা- এতিয়াই কচোন কি কথা!!

মৃগাংক- এতিয়া নহয় আবেলি কম।

অনন্যা- ঠিক আছে, যাম বাৰু আবেলি। মৃগাংক দা................! মৃগাংক দা মানুহজন বৰ উগ্র স্বভাৱৰ কিন্তু হৃদয়খন বৰ কোমল। কিবা এটা কৰো বুলি ক'লে কৰিয়েই পেলায়, কোনো আগ-পিছ ভাবি নাচায়। মানুহক মৰম দেখাব নাজানে কিন্তু মৰমীয়াল। সকলোকে সহায় কৰি ভাল পায়। আৰু অনন্যাক? অনন্যাক মৃগাংকই দাবি-ধমকি দিয়ে। এইটো নকৰিবি, সেইটো কৰ, এনেকৈ গালি দিয়ে। অনন্যাৰ বৰ ভাল লাগে যেতিয়া মৃগাংক দাই তাইক এনেকৈ দাবি ধমকি দিয়ে। তাই মৃগাংকৰ মাজত আপোনত্ব বিচাৰি পায়। সেইকাৰণে চাগে মৃগাংক দাক ইমান ভাল লাগে।

মৃগাংকদাই বাৰু তাইক কিয় নৈৰ পাৰলৈ যাবলৈ কৈছে। এনেকুৱা কি কথা ক'ব বিচাৰিছে অনন্যাক? বহুত জৰুৰী কথা আছে বুলি কৈছে। কিন্তু কি?? অনন্যাৰ মনটোত এনেকৈ বহুত প্রশ্ন আহি আছিল। সেইদিনা তাইৰ মনটো শান্ত নাছিল। কেতিয়া আবেলি হ'ব, কেতিয়া নৈৰ পাৰলৈ যাব, এইবোৰ কথাকেই তাই ভাবি আছিল। মৃগাংক দাই বাৰু তাইক ভাল পায় নেকি? ছিঃ ছিঃ তাই এইবোৰ কি কথা ভাবিছে। এইবোৰ অসম্ভৱ। তাইৰ দৰে ঘাটমাউৰা ছোৱালীজনীক নো কোনে ভাল পাব?

মৃগাংকই আবেলি নৈৰ পাৰত বহি অনন্যালৈ বাট চাই আছিল। নৈৰ পাৰত থকা শিলগুটি পানীত দলিয়াই আছিল। এনেতে অনন্যা আহি পালে। অনন্যাই মৃগাংকক মাত লগালে.....

অনন্যা- অ মৃগাংক দা, কি কৰি আছা?

মৃগাংক- দেখা নাই? মই কি কৰি আছো!

অনন্যা- হ'ব হ'ব! ইমান খং দেখুৱাব নালাগে। এতিয়া কোৱা কি কথা কম বুলি ভাবি আছিলা।

অনন্যাই মৃগাংকৰ কাষতে বহি ল'লে। মৃগাংকই তলমূৰ হৈ কিবা এটা ভাবি দীঘল নিশ্বাস এটা এৰি অনন্যাক ক'লে। মই কৰ পৰা আৰম্ভ কৰিম, কেনেকৈ আৰম্ভ কৰিম একো ভাবি পোৱা নাই। মৃগাংকই কবলৈ আৰম্ভ কৰিলে। শুনা অনন্যা, মই যি কথা ক'বলৈ ওলাইছো তুমি চাগে কল্পনাই কৰা নাই। কথাটো ভালকৈ ভাবিবা। অনন্যাই যেন বুজি পাইছে যে মৃগাংকদাই তাইক কি ক'ব বিচাৰিছে। আৰু মৃগাংক দা হঠাৎ সলনি যে? 'তই' ৰ সলনি 'তুমি' বুলি কিয় মাতিলে। অনন্যাই যেন নিজে নিজক প্রশ্ন কৰি নিজেই উত্তৰ বিচাৰি পাইছে।

তাই চুপ-চাপ হৈ মৃগাংকৰ কথাবোৰ শুনি গ'ল। মৃগাংকই ক'লে, অনন্যা..... তোমাৰ বাৰু মনত আছেনে? অষ্টম শ্রেণীত পঢ়ি থাকোতে যে তোমাক কোনোবাই জোকাইছিল, পিছত তুমি আহি মোক কৈ দিছিলা। মোৰ খং উঠি সেই ল'ৰাজনক যে বহুত মাৰিছিলো...... আৰু তুমি তোমাৰ মামা-মামীৰ লগত যে কৰবাত আলহী খাব গৈছিলা, তেতিয়া তুমি নহলৈ মই দুদিন ভাত-পানী একো খোৱা নাছিলো..... আৰু যে ৰবাৰ টেঙা কাটোতে তুমি হাতৰ আঙুলি কাটি লৈছিলো......

আৰু ...... আৰু যে.....

অনন্যা- হ'ব.... হ'ব...., এইবোৰ চব মনত আছে মোৰ এতিয়া কোৱা আচল কথাটো।

মৃগাংকই ক'লে আচলতে কি জানা অনন্যা...... মই তোমাক সেই সৰুৰ পৰাই ভাল পাঁও। তেতিয়া মই বুজি পোৱা নাছিলো। এতিয়া উপলব্ধি কৰিছো। সঁচাকৈ অনন্যা মই তোমাক বহুত বহুত ভাল পাওঁ অ'....। অনন্যাই আৰু মনে মনে বৈ থাকিব নোৱাৰিলে তাইৰ কি হ'ল জানো, নিজেই নাজানিলে। তাই নিজকে পাহৰি গ'ল।

তাই ক'লে- মৃগাংক দা মইয়ো তোমাক ভাল পাওঁ!!

এনেকৈয়ে ৪/৫ বছৰ পাৰ হ'ল। মৃগাংকই চৰকাৰী চাকৰি এটা পালে। অনন্যা আৰু মৃগাংকৰ সম্পৰ্কৰ কথা দুয়োৰে ঘৰত গম পালে আৰু মান্তিও হ'ল। এতিয়া দুয়োৰে বিয়াৰ দিন-বাৰ ঠিক কৰিলে। মৃগাংক আৰু অনন্যাই আনন্দত পাৰ নোপোৰা হ'ল। দুয়ো মধুৰ স্বপ্ন কল্পান্তৰ সাগৰত উটি-ভাহি ফুৰিবলৈ ধৰিলে।

এনেদৰে বাট চাওঁতে চাওঁতে বিয়াৰ দিনটো আহি পালে। মৃগাংক আৰু অনন্যাৰ আনন্দত গাত ত'ত নাইকিয়া হ'ল। ইমান দিনৰ সপোন আজি পূৰণ হ'ব। দুয়ো দুয়োৰে জীৱনৰ লগৰী হ'ব। এনেদৰে সময়বোৰ পাৰ হ'ল। ৰাতি ১০/১১ মান বজাত কইনা বিদায় দিবৰ যো-জা কৰিছে। দৰা অহাৰ বাট চাই আছে। এনেকৈ বাট চাওঁতে চাওঁতে ১২ বাজি গ'ল। দৰা অহা নাই। অলপ পিছতেই দুজন লৰা আহি ক'বলৈ ধৰিলে যে মৃগাংক আৰু নাই.....!! অনন্যাৰ লগতে সকলোৰেই আচৰিত হৈ সুধিলে..... মৃগাংক নাই মানে? ক'ত গ'ল মৃগাংক?? ল'ৰা দুজনে সকলো ভাঙি-পাতি ক'লে যে যেতিয়া কইনা ল'ব আহি আছিল তেতিয়া দৰা থকা গাড়ীখন অৰ্থাৎ মৃগাংক থকা গাড়ীখন এক্সিডেণ্ট হয়। লগে লগে গাড়ীখনত থকা মৃগাংকৰ লগতে সকলো লোকৰে মৃত্যু হয়। এইখিনি কথা শুনাৰ লগে লগে অনন্যাৰ বুকুখনত শিলে হেচি ধৰা যেন অনুভৱ হ'ল। তাইৰ মূৰৰ ওপৰত যেন গোটেই সৰগখন ভাঙি পৰিল। বিয়াত উপস্থিত থকা সকলোৰে শিল পৰা কপৌ যেন হৈৰ'ল.....। মৃগাংক আৰু অনন্যা যে কিমান সপোন দেখিছিল সেই সপোনবোৰ সপোনে হৈ ৰ'ল। অনন্যাৰ আপোন মানুহবোৰ কিয় গুচি যায়? জন্মৰ পিছতেই মায়ে এৰি গ'ল, দেউতাইও দেখিব নোৱাৰে আৰু এতিয়া যাৰ লগত গোটেই জীৱনটো কটাব বিচাৰিছিল; সুখ-দুখৰ সমভাগী হ'ব বিচাৰিছিল তেওঁৰো গুচি গ'ল। ভগবান ইমান নিষ্ঠুৰ হ'ব



লাগেনে? কিয় তাইৰ লগতে এইবোৰ হ'ল? কিয় ভগৱানে তাইক তেনেকুৱা কৰিলে? এইবোৰ কথা কৈ চিঞৰি চিঞৰি তাই কান্দিলে। মৃগাংক দা অনন্যাৰ ওচৰলৈ কেতিয়াও ঘূৰি নাহে। অনন্যা আৰু মৃগাংকৰ সপোনবোৰ অৰ্ধস্বপ্ন হৈ ৰ'ল.....!!!

অনন্যা.... অনন্যা.... তোৰ টোপনিৰ পৰা উঠিবৰ হোৱা নাই? উঠা.... উঠা.... মোমাইৰাৰ কাৰণে চাহ কৰহি। হঠাৎ মামীয়েকৰ মাতত অনন্যাই অতীতৰ জগতখনৰ পৰা ঘূৰি আহিল। তাৰপিছত তাই মামীয়েকক মাত লগাই কোঠাটোৰ পৰা ওলাই গ'ল..... গৈছো মামী....।।

□□□

# বিধ্বংসী সহায়

জ্যোতিস্মা গোস্বামী
স্নাতক ষষ্ঠ ষাণ্মাসিক



১৫ মিনিটমানৰ পৰা মহানগৰীৰ যান-জঁটৰ মাজত সোমাই থাকি অসহ্য লাগি গৈছে। এফালে উৎকট গৰম, আনফালে আকৌ কাণতাল মৰা হৰ্ণৰ শব্দ। চিটিবাছত মানুহৰ ভিৰত ইমান সময় বহি থকাটো সম্ভৱ একমাত্ৰ খিৰিকীৰ কাষৰ চিটটোৰ বাবে। এবাৰ মোবাইলটো ওলাই চাও, এবাৰ খিৰিকীৰে বাহিৰৰ ফালে চকু ফুৰাই শান্তনা লভো। তাতে আকৌ পানীৰ বটল, চকলেট-চানা বেচিব অহা বেপাৰীকেইটাৰ পৰাও আমনি লাগি যায়। এনেদৰে বহি থাকোতে হঠাৎ খিৰিকীৰে মলিয়ন হাত এখন আগবঢ়াই দিলে। বাহিৰলৈ চাই দেখো দহ-বাৰ বছৰীয়া ল'ৰা এজন। ফটা-ছিগা লেতেৰা পোছাক, মুখখনো দৰিদ্ৰতাই মলিয়ন কৰি পেলাইছে। তাৰ মুখখনো চাগে মৰমলগায়ে যদিহে দৰিদ্ৰতাই গ্ৰাস নকৰিলে হে। তাৰ হাতত থকা খুচুৰা পইচাকেইটাৰ শব্দতহে মোৰ তন্দ্ৰা ঘূৰি আহিল। বেগটো খুচৰি পাঁচ টকা এটা পালোঁ। কিন্তু, ল'ৰাটোৰ মুখলৈ চাই বেচেৰাই ভোকত থকা যেন পাই হঠাৎ কিবা এটা মহানুভৱতা জাগি উঠাত দহ টকা এটা তাৰ হাতত দিলোঁ। সিয়োঁ হাঁহি এটা মাৰি আগুৱাই গ'ল। লাহে লাহে গাড়ীখন চলিল। যান-জঁট নোহোৱা হ'ল। অন্য চিন্তাত মগ্ন হৈ থাকোতে গাড়ীখন ৰ'ল এটা ষ্টেচনত। এনেতে হঠাৎ এটা দৃশ্য চকুত বন্দী হ'ল। ল'ৰা এজন জাৰবৰ দম এটাৰ কাষত বহি নাকেৰে কিবা এটা বস্তুৰ পৰা গোন্ধ লোৱাৰ দৰে দীঘলকৈ উশাহ টানি আছে। অলপ আঁতৰত আছিল বাবে ভালকৈ মানিব নোৱাৰি কিন্তু অনুমান কৰিব পাৰি যে নিচাজাতীয় বস্তুয়েই হয়। এই ল'ৰাজন আৰু অলপ আগতে লগপোৱা ল'ৰাজন সমবয়সীয়া। দেখাত একেই পোছাক, একেই অৱস্থা। এই দুয়োটা পৰিস্থিতি তুলনা কৰি মনতে সন্দেহ উপজিল। কিজানিবা সেই; মই পইচা দিয়া ল'ৰাটোৰেও এনেদৰে ভোকৰ নামত পইচা খুজি নিচা কৰাৰহে বস্তু গোটায়। কথাটো ভাবি নিজৰে বেয়া লাগিল বহুত। অজানিতে ময়ো কিজানি তাৰ ভৱিষ্যত ধ্বংস কৰাত অবিহণা জগালো। এনে সৰু সৰু ল'ৰা-ছোৱালীবোৰক ৰাস্তাই-ঘাটে এনেদৰে এৰি দিব নালাগে। এই দৰিদ্ৰ কণমাণিবোৰৰ বাবে ৰজাঘৰীয়াই ব্যৱস্থা গ্ৰহণ কৰিব লাগে। প্ৰত্যেক শিশুৱে যিহেতু দেশৰ ভৱিষ্যত। কথাবোৰ মনতে পাগুলি গৈ থাকোতে মোৰ নামিব হ'লেই। কিন্তু, ল'ৰা দুজনক মনত ৰৈ গ'ল!



# ENGLISH Section



*"While thought exists, words are alive and literature becomes an escape, not from, but into living."*

*– Cyril Connolly*

c
o
a
t

b
t

ল
অ
কি
পঃ
লা
আঁ
এে
ব্য
ক
ল

# Self Confidence : First step to success

**Mehedi Hassan**
B.Com 4th Sem.

*"Self confidence is the first requisite to great undertakings"*

–Samuel Johnson

This world, in which we live, is a very competitive one. It is popularly described as a rat race, full of ompetent people and the fittest of them survives. Success is not a cake walk. One has to face lots of hardships and bstacles to taste success. The most important aspect in achieving success is self confidence. However, people are nbitious but not confident enough to go for it. Infact, most of them don't know how to go about it or are terrified take risks in their lives.

Self confidence is not something which can be achieved in a day or two. Let us understand that we are not orn with it. It's the situation we face, motivation from others and self motivation that make us truly confident. Hence iose of us who feel that we lack confidence, have no reason to be upset.

There are 3 kinds of people. One, who dream big but do not have any idea how to pursue it. The second, ho are over confident and end up ruining their opportunities. Lastly, the ones who are confident and have talent. his segment knows what they want and how to move further.

For attaining a goal, it is important to strive for it and work on the strategies rentlessly. It is necessary to nake proper planning and follow up. We will come accross ups and downs but should not lose focus and give up. Vork hard throughout and be focused until the desired result is achieved.

Now, the question arises as to what are the plans/strategies. At the outset, one has to be disciplined. It is not asy as it sounds, but, requires lot of commitment. However, it is not impossible. Take good care of physique as it s very important when it comes to self confidence. Healthy food habits and proper sleep are very much essential. ince hard work is involved, it is imperative that we do not lose hope or be disheartened. Knowing who you are and hat your strengths are, is an area that requires your utmost focus. However, it depends on how we perceive it. verybody has flaws, but we have to shine through them. Don't lose hope, be patient, take care of oneself and work ard. The puzzle will fall in place.





# Importance *of* Communication Skills



**Gayatri Talukdar**
B.Com 4th Sem.

Communication is simply the act of transferring information from one place to another, whether this be vocall (using voice), written (using printed or digital media such as books, magazines, websites or emails), visually (usin logos, maps, charts or graphs) or non verbally (using body language, gestures and the tone and pitch of voice). Of ho well this information is transmitted and received is the measure of how good our communication skills are.

The ability to communicate inforamtion accurately, clearly and as intended, is a vital life skill and something th should not be overlooked. It's never too late to work on your communication skills and by doing so improve your quali of life. Reading, writing and listening carefully are the three most important communication skills for students. The skills like most of the communication skills sounds too familiar as a result of which we take them for granted. A regards reading and writing, the only thing that we need to tackle is to adpot with our growing age and concentratio With these two qualities, it is possible to develop our reading, oral communication and writing skills.

Here are some steps to help you develop good communication skills:

**Have courage to say what you think :** Be confident in knowing that you can make worthwhile contributions conversation. Take time each day to be aware of your opinions and feelings so you can adequately convey them others. Individuals who are hesitant to speak because they do not feel their input would be worthwhile need not fear.

**Practice :** Developing advanced communication skills begins with simple interactions. Communication skills can practiced every day in settings that range from the social to the professional. New skills take time to refine, but ea time you use your communication skills, you open yourself to opportunities.

**Eye Contact :** Whether you are speaking or listening, looking into the eyes of the person with whom you are conver ing can make the interaction more successful.

**Body Language :** Body language can say so much more than a mouthful of words. An open stance with arms relax at your sides tells anyone around you that you are approachable and open to hearing what they have to say. Arn crossed and shoulders hunched on the other hand, suggest disinterest in conversation or unwillingness to communica Often, communication can be stopped before it starts by body language that tells people you don't want to tal Appropriate posture and an approachable stance can make even difficult conversations flow more smoothly.

**Pronounce Your Words correctly :** People will judge your competency through your vocabulary. If you aren't su of how to say a word, don't use it. Inprove your vocabulary by reading new words in daily routine. Look in th dictionary to help you learn how to pronounce a new word. Thus, effectively communication centers round the usa of words, speed of delivery of words, pitch modulation and body language. Using the right tools to communicate th right messages at the right time can salvage a crisis and motivate people to work towards success. Every indvidual developing effective communcation skills can surely reach the pinnacle of success.

# TECHNOLOGICAL ZOMBIES


**Phulmoni Rabha**

B.Com 4th Sem.


We are living in the $21^{st}$ century of constant evolution where technology is growing every single day with different speciality and aspects. From infrastructure to our lifestyle everything has changed. As we are growing, our thinkings and needs are beoming more technological. From waking up by the morning alarm to going bed at night every act of ours depends on technology. Undoubtedly, technology has made deep impact on the functioning of our daily life. However sometimes we use them a bit too much to make us addicted to them, and make us technological zombies.

Technology is eating our brains yet we don't use our brains anymore. Due to possession of smartphones, we don't need to either. If we need to know the meaning of a word we will google it instead of searching it on the nearest dictionary. If we need to solve a simple mathematical problem, a calculator is always accessible on our phone as well. Technological zombies are everywhere. Even on the roadways you can spot the worst of humankind, i.e, texting while driving into the opposite side of the road. As if whatever we are typing is so important that we jeopardize our own life and others.



Social media, Gaming, Online streaming plays a significant role in the rise of technological zombies. We take selfies instead of witnessing the beautiful scenery in front of us. So that we can post those on our social media accounts and hope of getting atleast a hundred or two-hundred likes on it. We should always keep this in mind that social media never gives us the true definition of one's happiness as everyone hides their real faces by posting pictures with their beautiful smiles. Also, when a conflict occurs our first instinct is to record the scene instead of calling hands for help. Gaming, on the other hand is the major problem for todays youth and minors. They always stick to their mobiles and play games the whole day. They donot realise that this is making them lazy and unhealthy.

There is no doubt about the benefits that we are getting from technology. It saves our time and energy. But we need to understand that technology is slowly taking over our lives and making us dependent on it. So it's better to decrease the use of technology and stop yourself from being technological zombies.

# YUG PURUSH OF INDIAN POLITICS - A TRIBUTE



**Dipankar Kalita**
B. Com 4th Sem

"Atal". Every time we hear this name it evokes a sense of respect and reverence in every heart. A journalist by profession, statesman by intellect and a poet at heart, Atal Bihari Vajpayee was born in bourgeois family of a school teacher cum poet Krishna Bihari Vajpayee and Krishna Devi on Dec 25th 1924 in the erstwhile princely state of Gwalior.

He studied from Saraswati Shishu Mandir, Gorkhi, Gwalior and then attended Victoria College and graduated with distinction in English, Hindi and Sanskrit. Afterwards he took admission in DAV College, Kanpur to pursue law degree. Here an interesting fact is that he did law with his father staying in the same hostel. He never married but adopted a daughter, Namita.

His first brush with national politics was in his student days when India was in the hand of British; he joined Quit India Movement in 1942 and was arrested for a brief period. He also became the member of RSS. His exposure to active politics started in 1951 when he entered Bhartiya Jansangh, an associate political party of RSS.

He was elected to the Lok Sabha in 1957. There, for the first time the country saw his oratorical skill. There is story that once Pandit Nehru was discussing about building hotels for foreign delegates then an strict voice came from behind that job of government is to make hospitals not hotels and it was none other than Atal ji. After that Pandit

Nehru predicted that this young man will someday become prime minister of India and his prophecy comes true after about 40 years.

It was Vajpayee who earned a lot of respect even from his opponent. In 1962 when he lost election, Indira Gandhi said that there was emptiness in parliament without him so he was brought back through Rajya Sabha. Atal Ji dubbed her as goddess Durga after the historic win of 1971 war.

By the virtue of his oratorical and organisational skill he became the face of Jansangh. Vajpayee was again arrested in 1975-79 during internal emergency imposed by the government.

Later he became the Minister of External Affairs in Morarji Desai's cabinet and he was the first to deliver a speech in Hindi in UN General Assembly.

After the fall of Janta Party government, he along with his colleagues formed Bhartiya Janta Party and became its first and longest serving president. During the Ram Janambhoomi Movement Atal Ji stood as the face of BJP. It was his charismatic personality that people of Lucknow (mostly Muslims) accepted him.

In 1996 when BJP emerged as a single largest party and he was sworn in as 10th Prime Minister of India but resigned after 13 days falling short of majority.

बाधाएँ आती हैं आएँ
घिरें प्रलय की घोर घटाएँ
पावों के नीचे अंगारे
सिर पर बरसें यदि ज्वालाएँ
निज हाथो में हँसते-हँसते
आग लगाकर जलना होगा
कदम मिलाकर चलना होगा।

-अटलविचार।

He was re-elected as prime minister in 1998. With his genial and easy going manner that hid an iron will and a master statesman Vajpayee steered the country ably through a period of economic turbulence following the Asian meltdown, the post Pokhran nuclear sanction and the Kargil war keeping aside the relevance of Lahore Summit. Unfortunately Government lasted for only 13 months as it lost the confidence of motion by a margin of just single vote. Unlike today's political scenario he did not bargain to save his government and did not compromise his morals and self-respect. He always kept nation first beyond himself and his party.

In 1999, BJP led NDA coalition back with bang and AB Vajpayee was unanimously chosen as the prime minister. It was his term when India arose from the deep sleep of complication and saw the new era of development. During his rule, government took many productive initiatives for public welfare like National Highway Development Programme, Golden Quadrilateral, Sarva Siksha Abhiyan, FDI in Insurance, New Telecom Policy, Kisan Credit Card, Pradhanmantri Gram Sadak Yojna, Tax reforms, National Commission for (Human Rights, Women, Minorities, SC/ST, OBC, Tribals) etc. He also passed a law against terrorism called POTA.

Indian economy exceeded a record 7% GDP. IT industry started booming. During his rule country saw enthusiastic increase in foreign investment, modernisation of public and industrial infrastructure, job opportunities, urban modernisation and expansion etc.

He served the nation for almost five decades with full devotion and lifted the lives of billion souls. Won best parliamentarian award and is the only MP till now who has been elected from four different states.

Besides being an admiring heroic personality and achieving a pinnacle of success he is a very humble man. Always bearing a childish smile on his face; Atal ji is a connoisseur of food. He loves music and books.

Atal ji is a noble soul who deserves our love and respect. True to his name he is an eminent democrat, erudite politician, a selfless social worker, forceful orator, outstanding poet and versatile litterateur, eminent journalist and indeed a multi faced personality. He articulates the aspirations of masses; his works ever echo commitment to nationalism. He is a proletarian who actually showcased the meaning of patriotism.

Indian Govrnment decleared his Birthday as National Good Governance Day and conferred upon him India's highest civilian honor **Bharat Ratna**. The Bharat Ratna itself must be feeling proud after being honored by Atal Ji.

टूटे हुए सपनों की कौन सुने सिसकी
अन्तर की चीर व्यथा पलकों पर ठिठकी
हार नही मानूँगा
रार नई ठानूँगा
काल के कपाल पर लिखता मिटाता हूँ
गीत नया गाता हूँ।।



# DOES MONEY MAKE MANY THINGS?

**Uddipta Kumar**
B.Com. 4th Sem.

Now-a-days people work like machines just to earn more money from more than one source and they feel that they can get everything with money. In trying to earn money they miss small and precious pleasures that life offers to humans.

There is no end to that want of earning. And at a peak stage,they feel that they are the only persons responsible for their huge success. But it is sad that at that stage most of the people forget taking care of their parents and other family members, supporters and friends who made them strong to be in that position and overcome the difficulties that life poses them.

There is a saying "Money makes many things" which may be good or bad depending on how we use it. Now, people earn lakhs of salary per month. Are they happy with that money? No, because they miss something, something which money cannot buy. Something which they cannot have by just working like a machine i.e., they miss the feel of being alive and spend the quality time with family.

How much money should a person earn in his life? It is enough if he earns to satisfy the basic needs of the family and education and future of the children. But people wish to have a lavish and luxurious life. With this aim they work like slaves and become slaves of money.

At the end, they realise that they couldn't take even a single rupee with them. The great Alexander is the best example for this. This is the reality of life. Depending on how you use money can either free you or enslave you. So, lets spend money wisely by donating some to the needy. With this perspective, if a person earns there will be no regrets due to lack of money. And we can spend time with our beloved parents who gave us such a wounderful life and this world. Money is only somethig that we need but not everything in life.



# Indian Army

**Joonmoni Kalita**
B. Com 4th Sem

We owe so much to the Indian Army. They are the reason we sleep peacefully at night, a perfect example of bravery. But there's still so much we don't know about our man of steel. Take a look and educate yourself.

1. The Indian Army was formed in 1776, under the government of the East India company in Kolkata.
2. The Indian Army has about 53 cantonments and 9 army bases, spread across India.
3. The Siachen Glacier, 5000 metres above sea level, is the highest battlefield in the world and the Indian Army controls it.
4. The Indian Army is the biggest voluntary army in the world. To think that we have the maximum number of willing soldiers in the world is a matter of great pride.
5. The Military Engineering Services (MES) is one of the biggest construction agencies in India.
6. The Indian Army has a cavalry regiment. There are only such regiments in the world.
7. Assam Rifles, the oldest paramilitary force in India, was formed in 1835.
8. The Indian Army is one of the biggest troop contributors to the United Nations peace making operations.
9. The Bailey Bridge is the biggest bridge in the world, located in the Ladakh valley between the Dras and Suru rivers in the Himalayas. It was constructed by the Indian Army in 1982.
10. The President's bodyguard is the oldest armoured regiment of the Indian Army. It was established in 1773, and is currently based in the Rashtrapati Bhawan, New Delhi.
11. Soldiers of the Indian Army are considered among the best in jungle warfare.

Take a bow, Indian Army. Respect.

Source : www.defencenews.in.



# COMMUNITY MANAGEMENT AND ENVIRONMENT PROTECTION

**Marjina Ahmed**
Assistant Professor
Department of Management

Community management or common pool resource management is the management of a common resourc or issue by a community through the collective action of volunteers and stakeholders. The resourced managemen can be either material or informational. Examples include the management of common grazing and water right fisheries and open soure software. In the case of physical resources, community management strategies ar frequently employed to avoid the tragedy of the commons and to encourage sustainability.

Environmental protection is the practice of protecting the natural environment by individuals, organisatio and governments. Its objectives are to conserve natural resources and the existing natural environment and, whe possible, to repair damage and reverse trends.

Due to the pressures of over consumption, population growth and technology, the biophysical environme is being degraded, sometimes permanently. This has been recognized and governments have begun placing restrain on activities that cause environmental degradation. Since the 1960s, environmental movements have created mo awareness of the various environmental problems. There is disagreement on the extent of the environmental impa of human activity and even scientific dishonesty occurs, so protection measures are occasionally debated.

মফাট মিলছক দিয়া স্মাৰক-পত্ৰত শিক্ষা আৰু বাণিজ্যৰ বিকাশৰ বাবে তেওঁ যি কথা লিখিছিল, তাৰ মাজৰ দুটা বাক্য উদ্ধৃতি দিয়াৰ লোভ সামৰিব নোৱাৰিলোঁ। অসমৰ শিক্ষাৰ অনগ্ৰসৰ ছবিখনৰ বাবে তেওঁ এঠাইত লিখিছে, "We are constrained with regret to acknowledge that education in our country, under the enlightened government of England, is in retrograde state." ব্যৱসায়ৰ ক্ষেত্ৰত উপনিবেশ এখন আত্মনিৰ্ভৰশীল হোৱাটো কোনো সাম্ৰাজ্যবাদী ৰাষ্ট্ৰই কামনা কৰে। ব্ৰিটিছৰ উচ্চপদস্থ বিষয়া হিচাপে আনন্দৰামে এই কথা নজনাৰ কথাই নুঠে। কিন্তু বিভিন্ন সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হোৱাৰ তাৎপৰ্য হৃদয়ংগম কৰি আনন্দৰামে নিৰ্ভীকভাৱে তেওঁৰ স্মাৰক পত্ৰত লিখিছে— "No nation can secure to itself the blessing and comforts of civilized life until it has manufacturers of its own; and in short no country can rise to wealth or importance that is deficient or imperfectly versed in the act of manufacture." দুয়োটা বাক্যই কেৱল তেওঁৰ ইংৰাজীত থকা ব্যুৎপত্তিকে নুসূচায়, ই সূচাই বিদ্যা-শিক্ষা আৰু ব্যৱসায়ৰ বিকাশে এটা জাতিক কি ধৰণে প্ৰাণৱন্ত কৰি তুলিব পাৰে সেই সকলো কথা।

আনন্দৰাম ঢেকিয়াল ফুকনে মফাট মিলছক দিয়া স্মাৰক-পত্ৰৰ বিস্তৃত ব্যাখ্যা এইবাবে কৰা হ'ল যে তাৎক্ষণিকভাৱে সফলকাম নহ'লেও মিলছৰ প্ৰতিবেদনৰ মাজতে আধুনিক অসমীয়া ভাষাৰ স্বকীয়তাৰ প্ৰথম বীজটো দৃশ্যমান হয়। মিলছে যোগাত্মক মন্তব্য দিলে যদিও মাতৃভাষাৰ অক্লান্ত সৈনিক আনন্দৰাম ক্ষান্ত নহ'ল। ১৮৫৫ খ্ৰীষ্টাব্দত তেওঁ পুনৰ ইংৰাজীত লিখি প্ৰকাশ কৰিলে— "A few remarks on the Assamese Language and

Vernacular Education in Assam." এইখন পুথিত তেওঁ নিজৰ নাম ব্যৱহাৰ কৰা নাছিল। A Native ছদ্মনামটো তেওঁ ব্যৱহাৰ কৰিছিল। বহুতে কয় চৰকাৰী চাকৰিয়াল আছিল বাবে তেওঁ নিজৰ নামটো দিয়া নাছিল। কিন্তু মোৰ ধাৰণামতে এই কথাটো সত্য নহয়। কিয়নো মিলছক প্ৰদান কৰা স্মাৰক-পত্ৰৰ পৰাই সকলোৱে বুজিছিল তেওঁৰ জাগ্ৰত স্বদেশানুৰাগ আৰু জ্ঞানান্বেষী মনটোৰ কথা। মই ভাবো নিজৰ নামটো ফাটি ফুটি যোৱাকৈ প্ৰচাৰ কৰাতকৈ জাতিটোৰ আৰু ভাষাটোৰ স্বাৰ্থৰ কথাবোৰ ফলপ্ৰসূভাৱে হোৱাটোহে তেওঁ বিচাৰিছিল। এই গ্ৰন্থখনৰ ১০০ কপি তেওঁ শিৱসাগৰৰ মিছন প্ৰেছত ছপাই ৰাজ্যৰ মূল ব্যক্তিসকলক দিছিল। কামটো কৰোতে তেওঁৰ ৪০ টকা খৰচ হৈছিল। কিতাপখনৰ এটা কপি বংগৰ চৰকাৰকো প্ৰেৰণ কৰিছিল।

গ্ৰন্থখনৰ মূল প্ৰতিপাদ্য বিষয়টো হ'ল অসমীয়া ভাষা বাংলা ভাষাৰ এটা ঠাল নহয়। সেইটো কথা অসমীয়া আৰু বাংলা ভাষাৰ শব্দভাণ্ডাৰৰ পৰা নানা উদাহৰণ দাঙি ধৰি প্ৰতিপন্ন কৰিছিল। মানুহৰ জীৱনৰ দুটা অত্যন্ত গুৰুত্বপূৰ্ণ বস্তু হৈছে fire আৰু water। এই দুয়োটা অতি প্ৰয়োজনীয় বস্তুৰ অসমীয়া আৰু বাংলা প্ৰতিশব্দ যে বেলেগ সেই কথাও আনন্দৰামে দাঙি ধৰিছিল। তদুপৰি বিশ্লেষণ কৰোতে তেওঁ হিন্দী আৰু মূল সংস্কৃতৰ লগত থকা সম্পৰ্কবোৰৰ কথাও কৈছে। এই বিশ্লেষণৰ জৰিয়তেই তেওঁ অসমৰ বিদ্যালয় আৰু আদালতত বাংলাৰ ঠাইত অসমীয়া ভাষা ব্যৱহাৰ কৰিবলৈ দাবী জনাইছিল।

অসমীয়া ভাষাৰ গৌৰৱময় ইতিহাস আৰু ঐতিহ্যৰ সোণসেৰীয়া সমলসমূহ লৈও আনন্দৰামে নিজৰ যুক্তি শক্তিশালী কৰি তুলিছিল। তেওঁ দেখুৱাইছে কিদৰে ১৮০০ খ্ৰীষ্টাব্দত বাংলা ভাষাতকৈ অসমীয়া ভাষা আগবঢ়া আছিল। কৃত্তিবাস আৰু কাশীৰাম দাসতকৈ অসমৰ শ্ৰীমন্ত শংকৰদেৱ আৰু ৰাম সৰস্বতীয়ে বহু কাল আগতেই ৰামায়ণ আৰু মহাভাৰতৰ পদ অসমীয়ালৈ অনুবাদ কৰাৰ কথাও তেওঁ কৈ গৈছে। শ্ৰীমদ্ভাগৱত আৰু গীতা বেলেগ বেলেগ লেখকে অসমীয়া গদ্য আৰু পদ্যত ৰচাৰ কথাও তেওঁ উল্লেখ কৰে। আনন্দৰামে আৰু কৈছিল যে অকল ধৰ্ম, বেজালি, বুৰঞ্জী, নাটক আদি সংস্কৃত পুথি অনুদিত হৈছিল এনে নহয়, ত্ৰয়োদশ শতিকাৰ পৰা মৌলিক অসমীয়া বুৰঞ্জীও ৰচিত হৈ আহিছে। নন্দ তালুকদাৰে সঠিকভাৱেই কৈছে যে সৰু পুথিখনৰ জৰিয়তে আনন্দৰামে প্ৰাক্-শংকৰী যুগৰপৰা সাম্প্ৰতিক যুগলৈকে অসমীয়া ভাষাৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। উল্লেখযোগ্য যে, ঢেকিয়াল ফুকনৰ সময়লৈকে দুখনমান বুৰঞ্জীৰ বাহিৰে আন কোনো পুৰণি পুথি ছপাৰূপত প্ৰকাশ পোৱা নাছিল। প্ৰাচীন পুথিসমূহৰ পাণ্ডুলিপিসমূহো একত্ৰিতভাৱে ক'তো পোৱা নগৈছিল। ইমানবোৰ সীমাবদ্ধতা অতিক্ৰম কৰি অসমীয়া ভাষাৰ বিকাশৰ কথা তথ্যসহকাৰে দাঙি ধৰিব পৰাতো তেওঁৰ অন্যতম কৃতিত্ব।

গুৱাহাটীত কেৱল এখন ইংৰাজী বিদ্যালয় স্থাপন কৰা কথাটোত তেওঁ মুঠেও সুখী হোৱা নাছিল। অসমৰ সকলো মানুহৰ মন-মনন আধুনিক শিক্ষাৰ পোহৰে আলোকময় কৰাটোহে তেওঁৰ মুখ্য উদ্দেশ্য আছিল। সেইবাবেই ব্ৰিটিছ শাসকক বহল-পৰিসৰত শিক্ষা প্ৰদান কৰিবলৈ তেওঁ আহ্বান জনাইছিল। এজন উচ্চপদস্থ বিষয়া হৈ আনন্দৰাম যদি নীৰৱ হৈ থাকিলেহেঁতেন, আজি আমাৰ ভাষা-সাহিত্যৰ গতি-প্ৰকৃতি কি হ'লহেঁতেন তাক ভাবিবলৈকো ভয় লাগে। তেওঁৰ নিজৰ ভাষাত 'ভাৰতৰ শিক্ষাৰ কৰ্তৃপক্ষৰ জাননীয়ে আমাক অসমৰ সুশিক্ষাৰ আশা দিছে। অসমৰ শিক্ষাৰ প্ৰথম চেষ্টা হিচাপে চৰকাৰে আমাক এটা ইংৰাজী কলেজ আৰু যথেষ্ট সংখ্যক গাঁৱলীয়া পঢ়াশালি দিয়ক আৰু নিজৰ আই-বোপাইৰ ভাষা চলাওক। আজিৰ অসমীয়া এই বিলাক লৈ নিজকে চহকী কৰিবলৈ সাজু। গাঁৱলীয়া পঢ়াশালিবিলাকত অসমীয়া পাঠ্য অনতিবিলম্বে চৰকাৰে দিব পাৰে।'

চমু জীৱনকালৰ প্ৰতিটো মুহূৰ্ততে অসমীয় ভাষা, সাহিত্য আৰু জাতিটোৰ সামগ্ৰিক বিকাশৰ বাবে উদ্বিগ্ন হৈ থকা আনন্দৰাম ঢেকিয়াল ফুকনে এখন অভিধানৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰিছিল। তেওঁৰ 'অসমীয়া ভাষা' নামৰ গ্ৰন্থখনিৰ পৰা তেওঁৰ অভিধান প্ৰণয়নৰ প্ৰয়াসৰ বিষয়েও জানিব পাৰি। তেওঁ অসমীয়া-ইংৰাজী আৰু ইংৰাজী-অসমীয়া দুখন অভিধানৰ কামতেই হাত দিয়া বুলি নন্দ তালুকদাৰে ব্যক্ত কৰিছে। নগাঁৱৰ উচ্চ পদস্থ ব্ৰিটিছ বিষয়া মেজৰ বাটলাৰে তেওঁক এই ক্ষেত্ৰত সহায় কৰিছিল। মাইলছ ব্ৰনছনৰ লগত হোৱা আলোচনাৰ জৰিয়তেও তেওঁ এটা ভিন্ন দৃষ্টিকোণ লাভ কৰিছিল। নন্দ তালুকদাৰে কৈছে— বাটলাৰে তেওঁৰ প্ৰস্তাৱিত অভিধানখনৰ বাবে ৯৩ জন গ্ৰাহক গোটাইছিল। আনন্দৰামে তেনে গ্ৰাহকৰ সংখ্যা ১৫০ হ'লেই অভিধানখন ছপা কৰিব বুলি মনস্থ কৰিছিল। অভিধানখনৰ কিছু অংশ একাদশ বছৰ দ্বাদশ সংখ্যাৰ 'অৰুণোদই'ত (১৮৫৬ খ্ৰীষ্টাব্দৰ ডিচেম্বৰ) প্ৰকাশো পাইছিল।

ঢেকিয়াল ফুকনৰ বহুমুখী প্ৰতিভা কেৱল অসমীয়া ভাষাৰ ক্ষেত্ৰতে সীমিত হৈ থকা নাছিল। বিভিন্ন পুথি আৰু আন আন তথ্যক আধাৰ কৰি লৈ আনন্দৰামে বাংলা ভাষাত আইন সম্পৰ্কে এখন গ্ৰন্থ ৰচনা কৰে। অসমীয়াৰ বাবে গৌৰৱৰ কথা যে তেওঁ ৰচা 'আইন ও ব্যৱস্থা সংগ্ৰহ' গ্ৰন্থখন আছিল বাংলা ভাষাত ৰচিত আইনৰ প্ৰথমখন গ্ৰন্থ। কলিকতাৰ 'নিউপ্ৰেছ যন্ত্ৰ'ৰ পৰা এইখন গ্ৰন্থ ১৮৫৫ খ্ৰীষ্টাব্দত প্ৰকাশ হৈছিল। বৰপেটাত চাকৰি কৰি থকাৰ সময়তে আনন্দৰামে এই গ্ৰন্থখন প্ৰণয়ন কৰিছিল। গ্ৰন্থখনৰ পৃষ্ঠা

সংখ্যা আছিল ৩৩০ আৰু মূল্য আছিল ৪ টকা। সেইখন গ্ৰন্থৰ মাজেদি তেওঁৰ অধ্যয়নশীল মন, বিশ্লেষণৰ ক্ষমতা আৰু কঠোৰ পৰিশ্ৰমী স্বভাৱৰ কথা ফুটি উঠে। গ্ৰন্থখন নকল কৰি দি আনন্দৰামক সহায় কৰিছিল বিশিষ্ট কবি প্ৰসন্নলাল চৌধুৰীৰ ককাদেউতাক গোবিন্দৰাম চৌধুৰীয়ে। প্ৰচাৰবিমুখ আনন্দৰামে এই গ্ৰন্থখনতো প্ৰথমে নিজৰ নাম দিব বিচৰা নাছিল। পাছত বহু লোকৰ অনুৰোধত নামটো ব্যৱহাৰ কৰে। বাংলা ভাষাৰ ওপৰত থকা তেওঁৰ সুন্দৰ দখলৰ কথাও সেইখন গ্ৰন্থই প্ৰমাণ কৰে।

আনন্দৰামে বাস কৰা যুগটোৰ লগতে তেওঁৰ অপাৰ ব্যস্ততা আৰু চমু জীৱনৰ কথাবোৰ দ-কৈ ভাবি চালে দৰাচলতে বিস্ময়াভিভূত নহৈ নোৱাৰি। মাত্ৰ ২৯ বছৰ বয়সত সাংসাৰিক ব্যৱস্তাৰ (৫টা সন্তানৰ পিতৃ) লগতে তেওঁ ব্ৰিটিছ প্ৰশাসনৰ বিষয়া হিচাপে বহুবোৰ প্ৰশাসনিক দিশ চোৱা-চিতা কৰিব লাগিছিল। চাকৰি জীৱনত স্থানান্তৰো হৈছিল কেইবাবাৰো। মাজতে আকৌ এবাৰ কলিকতা ভ্ৰমণ কৰি গুণাভিৰাম বৰুৱাৰ শিক্ষা-দীক্ষাৰ পৰা আৰম্ভ কৰি নিজৰ প্ৰেছ খোলালৈকে সকলো কাম নিয়াৰিকৈ কৰিছিল এইজনা ব্যক্তিয়ে। ইয়াৰ মাজতো তেওঁৰ মন-মননৰ মূল কেন্দ্ৰবিন্দু আছিল আধুনিক অসমীয়া সত্তাটোৰ সুস্থ বিকাশ। অসমীয়াৰ উত্তৰণৰ সপোনক বাস্তৱত ৰূপায়িত কৰিবলৈ ঐকান্তিক প্ৰচেষ্টা চলোৱা আনন্দৰাম ঢেকিয়াল ফুকন আছিল ঊনবিংশ শতিকাৰ প্ৰথমজন 'চিৰদিন অসমীয়া'। সেয়েহে তেওঁৰ জীৱনকীৰ্তিৰ বিষয়ে কিছু বিস্তৃতভাৱে আলোচনা কৰা হ'ল। শেষত অসমৰ গৱৰ্ণৰ জেনেৰেলৰ এজেণ্ট আৰু কমিচনাৰ কৰ্ণেল হপকিনচনে আনন্দৰাম সম্পৰ্কে আগবঢ়োৱা এটা উক্তিৰ উদ্ধৃতি দিব বিচাৰিছোঁ। বংগৰ ৰাজা ৰামমোহন ৰায়ৰ লগত তুলনা কৰি তেওঁ কৈছিল, "বংগদেশৰ ৰামমোহন ৰায় যেনে আসামত আনন্দৰাম ফুকনো তেনে আছিল, কিন্তু সেই দুই দেশৰ অৱস্থাৰ প্ৰভেদলৈ আৰু আনন্দৰাম ফুকনৰ নিজৰ উন্নতিৰ নিমিত্তে যিমান সুচল আছিল, তালৈ চাই তেওঁক ৰামমোহন ৰায়তকৈ অসাধাৰণ লোক বোলা উচিত।"

বিদেশী চাহাবে ইমান আগতে উপলব্ধি কৰিব পৰা সত্যটো অসমীয়া সচেতন মানুহে এতিয়াও সঠিকভাৱে উপলব্ধি কৰিব নোৱাৰাটো জাতিটোৰ বাবে দুৰ্ভাগ্যজনক কথা। এটা সময়ত জাতিৰ হতাশা দূৰ কৰি আনন্দৰামে আশা কঢ়িয়াইছিল। এতিয়া সেই আশা আৰু প্ৰেৰণাৰ সঞ্চাৰ কৰা 'চিৰদিন অসমীয়া'জনক অধিক আগ্ৰহ আৰু নিষ্ঠাৰে স্মৰণ কৰাৰ লগতে ব্যাখ্যা বিশ্লেষণ কৰাৰো সময় আহি পৰিছে। নিৰ্মোহ ব্যাখ্যা-বিশ্লেষণে প্ৰতীয়মান কৰে যে তেৱেঁই আছিল অসমীয়া ভাষা পুনৰ্বাসনৰ সংগ্ৰামখনৰ মুখ্য সেনাধ্যক্ষ।

□□□



# ৰাধাৰ আধা কৃষ্ণৰ বাধা

জুনমণি দাস

অল্প ইচ্ছাত প্ৰেম স্বাধীন নহয়
ভৰপুৰ ত্যাগত জন্ম হয়
একোটি জীয়া বাঁহীৰ সুৰ

কৃষ্ণ নামৰ কোনো আসন নাই
সৰ্বব্যাপি পোহৰ
ৰাধাসদৃশ কোনো পথিক নাই
গছেই প্ৰকৃত ছাঁ

ক্ষন্তেকীয়া আশাত কষ্ট হয় শিপাৰ
অযথা প্ৰেমৰোগ
কৰ্মজ্ঞানে পুহি ৰাখে ভৱিষ্যতৰ সম্পদ

ৰাধালৈ কৃষ্ণৰ উক্তি—
আধাতেই উপজে সকলো বাধা
সম্পূৰ্ণতাৰ জখলা বগোৱা
গোটেই বৃন্দাৱন তোমাৰ হাতত...






# অন্যান্য শিতান

## এটা কবিতাৰ আঁত ধৰি

# এই প্ৰজন্মৰ বেথা...

**অৰ্পনা ৰাভা**
স্নাতক ষষ্ঠ যাণ্মাসিক

'আহিনৰ পথাৰৰ গোন্ধ
কেনেবাকে নাকত আহি লাগিলে
মই হেৰা পাওঁ মোৰ দেউতাক
দোকানৰ জাপ ভঙা গামোছাৰ সুৱাসত
হেৰা পাওঁ মোৰ আইক
মই মোক মোৰ সন্তানৰ কাৰণে
ক'ত থৈ যাম? ক'ত?...'

— (নিৰ্মলপ্ৰভা বৰদলৈ)

আশৈশৱ জুৰি দোমোজা কঢ়িওৱা প্ৰজন্মৰ প্ৰতিনিধি আমি। আশৈশৱ জুৰি আমি ভুগি আহিছোঁ দোমোজাত... এফালে স্কুলৰ পঢ়া-শুনাৰ বোজা, আনফালে ওমলাঘৰ, পথাৰত দেও দি ৰোৱাৰ প্ৰবল ইচ্ছা; এফালে আধুনিক (?) পৃথিৱী এখনৰ হাতবাউল, আনফালে শিপা খামুচি ধৰাৰ আৱাহন।

আমাৰ শৈশৱত আৰু এতিয়াও আমাৰ পূৰ্বজক আমি উমৈহতীয়া ভাৱেও স্মৰণ কৰিব পাৰোঁ একোটা নিৰ্দিষ্ট গোন্ধত। ঋতুবোৰেও সোঁৱৰাব পাৰে আমাৰ পিতৃপুৰুষক।

খেলপথাৰৰ গোন্ধত লাগি থাকে পিতাৰ উশাহ, ঢেঁকীশাল, তাঁত নতুবা জুহালত মা নতুবা গধূলিৰ গোহালিৰ জাগৰ ধোঁৱাত সানমিহলি হৈ থাকে ককাৰ উশাহ।

নদীয়ে সোঁৱৰাব পাৰে ককাৰ নৈখনৰ লগত থকা আত্মীয়তাৰ কথা, শীতৰ ৰান্ধনি বেলিয়ে সোঁৱৰাব পাৰে মা-আইতাহঁতৰ মাঘলৈ বুলি কৰা প্ৰস্তুতি নতুবা শুকান নৰাণিডৰাই সোঁৱৰাব পাৰে পিতাহঁতৰ লেছেৰি বোটলা দিনৰ কাহিনী।

আমাৰ কি আছে? .... এনে কি কঢ়িয়াই আনিছো আমি আমাৰ শৈশৱৰ দিনৰ পৰা যে আমাক সুঘ্ৰাণে নষ্টালজিক কৰি তুলিব। আমাৰ শৈশৱত নাই লেছেৰি বোটলা পুৱা-গধূলি, নাই আকাশ- নদীৰ সৈতে আত্মীয়তা।

অতীতকাতৰ হ'ব পৰাকৈ আমাৰ নাই সুশৃংখল অতীত।

আমি কি পাইছোঁ, কি শিকিছোঁ শৈশৱৰেপৰা — সামাজিক-ৰাজনৈতিক অস্থিৰতা, অৰ্থনৈতিক মন্দাৱস্থা, গোষ্ঠীগত সংঘৰ্ষ, গোলকীয় উষ্ণতা, বিশ্বায়নে, বাণিজ্যিকৰণে গ্ৰাস কৰি অনা আত্মীয়তা ... আৰু তাৰ মাজত অৱচেতনত প্ৰান্তীয় গোটৰ মানুহৰ দৰে ক্ৰমাৎ শিপাহীন, সংস্কৃতিহীন হৈ গৈ থকাৰ ব্যথা... আৰু এই সকলোবোৰৰ মাজেৰে আমি ক্ৰমশঃ হেৰাই গৈছোঁ নিজৰেই মাজত।

ওপজাৰেপৰা আমি অধিকাংশই এজমেটিক, টুটি অহা আয়ুসৰেখাৰে আমি প্ৰত্যেকেই একোগৰাকী (পেছিভ) স্ম'কাৰ, বয়ঃসন্ধিৰ পৰতেই আমি এলকহ'লিক, আমাৰ নাই আত্মীয়ৰ সৈতে আন্তৰিক কথা-বতৰা... কি আছে আমাৰ?

নিজক সোঁৱৰিবলৈ আমাৰ নিজৰেই একো নাই। কিদৰে সোঁৱৰিব আমাক আমাৰ উত্তৰ প্ৰজন্মই? কি এৰি থৈ যাম আমি আমাৰ উত্তৰ প্ৰজন্মৰ বাবে? ক'ত থৈ যাম?

আমাক সুঁৱৰিবলৈ উত্তৰ প্ৰজন্মই, আমাৰ (অথবা সিহঁতৰ) নাথাকিব এখন মুকলি চোতাল, গছ-ফুল-শাকেৰে ভৰা একোখন বাৰী, নাথাকিব নদী, মুকলি পথাৰ, মুকলি বতাহ। কেৰিয়াৰৰ পিছত দৌৰিবলৈ শিকাওঁতে আমি পাহৰি পেলাম সিহঁতক চাবলৈ শিকাবলৈ মুকলি আকাশ, সূৰ্যোদয় নতুবা বেলিমাৰ (যিদৰে আমি শিকা নাই!), আমি সিহঁতক নিশিকাম সম্বন্ধবোৰক মূল্য দিবলৈ।

নিজৰ নিঃসংগতা গুচাবলৈকে সিহঁতো হৈ পৰিব এলকহ'লিক, পৰ্ণহ'লিক.... নিজক নিচুঁকাবলৈকে আশ্ৰয় ল'ব হেভী মেটেল! যিদৰে আমি অধিকাংশই লৈছোঁ।

ইয়াক বাদে নিজাকৈ কি আছে আমাৰ? পৰিয়ালকেন্দ্ৰিক দায়িত্বৰ মেটমৰা বোজা, প্ৰতিযোগিতাত দৌৰি ক্লান্ত হোৱা মন-মগজু, পাৰিপাৰ্শ্বিকতাই আনি দিয়া হতাশা, ক্ষোভ আৰু নিজক লৈ, ভৱিষ্যতক লৈ চূড়ান্ত দ্বিধাগ্ৰস্ততা।

... আৰু একো নাই। তেন্তে ক'ত থৈ যাম আমাক আমি আমাৰ সন্তানৰ বাবে? ক'ত? (!)



# A Letter to all those in power to influence and transform.

**Pankaj Lochan Das**
Assistant Professor
Department of English

January, 2020
Greetings Dear Sir,

This letter I compose is only a small report and suggestion to you all concerned with the current process of imparting English Education in colleges of Rural Assam. I assure you I have a matter of immediate importance. I had the good fortune to have a work experience as a teacher, in a College. So I know students first hand by the same profession.

Let me begin by describing these interesting students of mine. The young people are full of hope and awe. It is a sight to see. I hope the reader senses what I am talking about. They are good at mimicking bee-hive noise as well as pin drop silence!(depends on how you handle them). Almost all of them are Village Boys and Girls. Some of them come with the air of a learned, some with pride some with humour, some with shyness etc. Some with these and that etc. Its natural, I remember now how I behaved in my days. But all of them with the heart of an innocent child, apable of touching the sky. During my class- I found them eager and waiting for something to happen in their new ambience. But again it is the old board and Chalk again! It haunts all the classrooms of the country I guess. Coming to the point I see- A majority of the Senior students find it troublesome to speak out their mind. They also find it trouble to speak or write in correct English. English is a global language. If these village kids are deprived from its usage and power they will certainly be out from the race before they know it. So feeling concerned I thought about it gravely- How do I course out their mastery of a language in which they find themselves weak. Here are my thoughtful findings- How does one learn a language first of all? I will not drag in research work or something nonsense. I urge you to verify yourself. How did you learn your first language? Well I did my Assamese by listening. My English by Constant exposure to textbooks in English. And my Hindi- well like all my villagers of course, through TV serials! After a simple analysis I see that One learns a language by Listening, Reading or Watching. After a general survey in one of my regular classes I was also confirmed that most of the students do not like to read in English, listen to something in English let alone watch a movie in British accent. I made them aware of their weakness, frankly and also provided a possible remedy- to engage oneself in either reading something written in English, or Listen to English music or watch English movies frequently. And I know they are not going to do it! (giggles).

Here is where the concerned authorities should step in. I request the concerned keep everything aside and heed to this parasite of a problem. The learning of English could be dramatically improved in this modern world full of technologies only if we abandon all that is outdated. Yes by Outdated I mean the syllabus, the books the goddammit stories and poetry contained their in. These in no way seem to improve their will to speak a word in English. I was tired explaining a poem. I tried the best possible way. When the students completely understood it, the truth dawned upon me! I taught them an English Poem in Assamese! Students- 100 Teacher: 0. This is not funny. I might as well start all the Assamese folklores in my English class. One of my friend who is doing her masters in ELT(English Language Teaching) advised me that one should not stop talking in English while teaching English. Sounds good in theory but I tried that too upon my

poor village students. It don't work. Let me suggest what works – common sense. These students must be provided an environment where they are not forced but stimulated to learn. Today is the day of digital media. The student should be provided with the facility to watch an english movie, encouraged to listen english songs, Assignments on above topics etc. An Assignment on an English movie will not only make them raise their eyebrows out of enthusiasm but also make them learn at a pace more than their traditional printed poetry or story. We teachers will start seeing results. So a thought should be given regarding the matter. I see hope in their eyes and I do not wish to see the same snatched by an outdated system.

Most of the students are addicted to their cell phones not to the lecture of the teacher. And why not? The communication of most of the teachers are one way. The cell phone is interactive. It responds differently to different inputs. The teacher on the other hand has to deal with a same tone to everybody. During a short period of 45 mins very little can the teacher teach to a class of 100 plus students! 10-15 minutes (approx) are wasted yelling the register! While at University I even raised this issue with one of the Professors there. I asked her to give students more work in the form of assignments so that the students become more active not passive. Again coming to the point, A cell phone is not only entertaining but also interesting for the young. Their world, their joy seems to be hidden there not in the blackboard. It is better we understand the ground situation and think with the mature mind that we possess as adults. We must introduce them students with a bigger screen where they will open their mouth with awe. I am talking about a digital classroom. A projector screen will do wonders if used properly. I repeat that these kids here at the college are no ordinary kids of the 80s who know nothing of the world. They are smart, intelligent and accordingly they expect to be taught intelligently. The teaching process used 10 year ago cannot be used successfully today. As per my experience I find that they have their emotions at front at everything. If they can be emotionally involved in the learning process they will definitely soar. For example while lecturing on environmental issues they have to be shown the condition of countries like Bhutan,where environment is one of the top priority of the Government. These intelligent students I am sure will subconsciously register the picture of their ideal environment. The Screen is popular with the new generation, the sooner we learn the better. Not only the screen there are many new technology popular with the young generation. It is the duty of the authorities capable of designing the education system to keep up to date with the developments. We need pragmatic citizens and for that one need to open up all possible directions for development. I believe I have spoken up my mind with the experience of teaching some 100 plus classes.

Yours Sincerly,

***Archer***

# শিক্ষামূলক ভ্ৰমণ

## দিল্লী, ৰাজস্থান, আগ্ৰালৈ



**চুমী ঠাকুৰীয়া**
সহযোগী অধ্যাপিকা
অসমীয়া বিভাগ

বৰ্তমান সামাজিক পৰিৱেশৰ সৈতে খাপ খুৱাই চলিবলৈ হ'লে প্ৰত্যেক ব্যক্তিৰে জ্ঞানৰ পৰিধি বিশাল হোৱা দৰকাৰ। অকল কিতাপ পঢ়িলেই যে মানুহৰ জ্ঞানৰ পৰিধি বৃদ্ধি হ'ব তেনে নহয়, প্ৰত্যক্ষ অভিজ্ঞতাইও বহু পৰিমাণে মানুহৰ জ্ঞানৰ বিকাশ সাধন কৰে। প্ৰত্যক্ষ অভিজ্ঞতা লাভৰ বাবে ভ্ৰমণ হৈছে অতি আৱশ্যকীয় মাধ্যম। মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক দিশৰ বিকাশ সাধনৰ বাবে শিক্ষামূলক ভ্ৰমণ আৱশ্যকীয়। ভ্ৰমণ শিক্ষাই ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন ৰাজ্য বা দেশৰ লোক-জীৱন, লোকসংস্কৃতি, বেপাৰ-বণিজ, শিল্প-উদ্যোগ, অৰ্থনীতি, খেতি-বাতিৰ লগতে নানা ঠাইৰ ভূ-প্ৰকৃতিৰ বিষয়েও জ্ঞান দিব পাৰে। বৰ্তমান সময়ত সেইবাবে বিদ্যালয়-মহাবিদ্যালয়ত পাঠ্যক্ৰমৰ শিক্ষাৰ লগতে শিক্ষাৰ পৰিপূৰ্ণতা লাভৰ বাবে শিক্ষামূলক ভ্ৰমণৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। ছাত্ৰ-ছাত্ৰীসকল অন্যান্য দিশৰ প্ৰতি আগবাঢ়ি যাব পৰাৰ উদ্দেশ্য আগত ৰাখিয়েই ছয়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় ড° ৰাজু বৰদলৈ ছাৰৰ নিৰ্দেশ মৰ্মে ২০১৯ বৰ্ষৰ পঞ্চম যাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলক লৈ এটি শিক্ষামূলক ভ্ৰমণৰ ব্যৱস্থা কৰা হয়। মহাবিদ্যালয়ৰ পাঁচগৰাকী অধ্যাপক-অধ্যাপিকাৰ তত্বাৱধানত মুঠ ২৬ জন ছাত্ৰ-ছাত্ৰী ২০১৯ চনৰ জানুৱাৰী মাহত দিল্লী, ৰাজস্থান আৰু আগ্ৰালৈ শিক্ষামূলক ভ্ৰমণৰ বাবে যাবলৈ সিদ্ধান্ত লোৱা হৈছিল। এই শিক্ষামূলক ভ্ৰমণটিত মোৰ লগতে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° নগেন কলিতা ছাৰ, দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপক ড° নৰ কুমাৰ কলিতা ছাৰ, অসমীয়া বিভাগৰ অধ্যাপক উপেন ডেকা

ছাৰ, শিক্ষা বিভাগৰ অধ্যাপিকা নিজৰা কলিতা বাইদেউ শিক্ষক তত্বাৱধায়ক হিচাপে আছিল। নতুন ঠাই চাবলৈ, নতুন কথা শিকিবলৈ, অতীতৰ ঘটনাৰ সাক্ষী স্বৰূপ বিভিন্ন কীৰ্তিস্তম্ভসমূহ নিজ চকুৰে চাবলৈ মানুহৰ মনৰ ভিতৰত তীব্ৰ কৌতুহল আৰু হাবিয়াস জন্মে। এই কৌতুহল আৰু হাবিয়াস শিক্ষামূলক ভ্ৰমণলৈ যাবলৈ ওলোৱা আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজতো জন্মিছিল। সেয়ে এই ভ্ৰমণটিক লৈ প্ৰত্যেকগৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত এক উৎসাহ দেখিবলৈ পোৱা গৈছিল।

২০১৯ চনৰ ১৭ জানুৱাৰীৰ পুৱা ৫.৩০ বজাত মালিগাঁও কামাখ্যা ষ্টেচনৰ পৰা আমাৰ শিক্ষামূলক ভ্ৰমণৰ বাবে যাত্ৰা আৰম্ভ হৈছিল। সেইদিনাখন ৰাতিপুৱা ৫.৩০ বজাত ট্ৰেইন থকা বাবে ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে আমি আটায়ে পুৱতি নিশা ৩.০০ বজাত বাছেৰে মালিগাঁওস্থিত কামাখ্যা ষ্টেচনলৈ গৈছিলো। কামাখ্যা ষ্টেচন গৈ পোৱাৰ আগতেই আমি যাবলগীয়া North-East Express ট্ৰেইনখন ১ নং প্লেটফৰ্মত ৰৈ আছিল। ষ্টেচন গৈ পোৱাৰ পিছত আমি ট্ৰেইনত ছাত্ৰ-ছাত্ৰীসকলক নিজৰ টিকট নম্বৰসমূহ বিচাৰি দিছিলো। ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে গোটেই কেইজন অধ্যাপক-অধ্যাপিকাৰ একেটা ডবাতে টিকটসমূহ আছিল বাবে ট্ৰেইন যাত্ৰা আমাৰ আটাইৰে বাবে আনন্দমুখৰ হৈ পৰিছিল। ৫.৩০ বজাৰ লগে লগে আমাৰ শিক্ষামূলক ভ্ৰমণৰ মধুৰ যাত্ৰা আৰম্ভ হৈছিল। প্ৰত্যেকগৰাকী ছাত্ৰ-ছাত্ৰীৰ আনন্দ-উৎসাহ দেখি আমাৰ খুবেই ভাল লাগিছিল। ছাত্ৰ-ছাত্ৰীসকলে ট্ৰেইন যাত্ৰাৰ সময়ছোৱাত বিভিন্ন নৃত্য-গীত, ধেমেলীয়া কথাৰে সকলোকে আমোদ দিছিল। ট্ৰেইনৰ ভিতৰত ছাত্ৰ-ছাত্ৰীসকলে ডাঙৰকৈ গীত বজাই নৃত্য কৰাত ডবাটোৰ অন্য যাত্ৰীসকলেও আনন্দ লাভ কৰিছিল। আমাৰ ছাত্ৰ অৰূপৰ ধেমেলীয়া কথা, নৃত্য, অভিনয়, চুজিতৰ ধেমেলীয়া মন্তব্য, ৰাহুল, নয়ন, বিষ্ণু, পাৰ্থহঁতৰ ধেমেলীয়া কথা, ছাত্ৰী ডিম্পী, গায়ত্ৰী, যোগীপ্ৰিয়া, কাবেৰী, চয়নিকা, প্ৰিয়ংকাহঁতৰ বিহু নৃত্য, ট্ৰেইনত নয়নৰ জন্মদিন পালন, চুজিত আৰু অৰূপৰ মুখত ট্ৰেইনৰ চানাৱালাসকলৰ Mimicryয়ে সকলোকে হাঁহিৰ খোৰাক দিছিল। নগেন কলিতা ছাৰৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে নৃত্য, উপেন ডেকা ছাৰ আৰু নৱ কলিতা ছাৰৰ ধেমেলীয়া কথা, নিজৰা বাইদেউৰ ধেমেলীয়া হাঁহিয়ে আমাৰ শিক্ষামূলক ভ্ৰমণৰ যাত্ৰা আনন্দময় কৰি তুলিছিল। ১৮ জানুৱাৰীৰ সন্ধিয়া আমি Old Delhi গৈ পাইছিলো। Anand Bihar ষ্টেচনত ট্ৰেইনৰ পৰা নামি আটাইবোৰে গাড়ী এখনেৰে পাহাৰগঞ্জৰ হোটেললৈ গৈছিলো। New Delhiৰ পাহাৰগঞ্জত থকা Hotel Crystal Deluxe ত আমাৰ থকাৰ ব্যৱস্থা কৰা হৈছিল। দুদিন Train Journey কৰা বাবে আমি সকলোৱে ভাগৰুৱা অনুভৱ কৰিছিলো বাবে হোটেলৰ ওচৰৰ ৰেষ্টুৰেণ্ট এখনত ভাত-পানী খাই ৰাতিটো হোটেলত কটাইছিলো।

১৯ জানুৱাৰীৰ ৰাতিপুৱা ৫ বজাতেই আমি দিল্লীৰ কিছুমান ঐতিহাসিক ঠাই চাবৰ বাবে ওলাইছিলো। গোটেই দিনটোত বিভিন্ন ঠাই চাবৰ বাবে আমি ৰাতিপুৱা ৪ বজাতেই সাজু হৈছিলো। ভ্ৰমণটোত বিভিন্ন ঠাইত যাব লগা হোৱা বাবে ভ্ৰমণৰ গোটেই কেইদিনৰ বাবে এখন Tourist বাছ লোৱা হৈছিল। ৰাতিপুৱা ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে হোটেলৰ পৰা ওলাই ৰেষ্টুৰেণ্ট এখনত Breakfast কৰি দিল্লী ভ্ৰমণলৈ বুলি ওলাইছিলো। প্ৰথমে আমি যমুনা নদীৰ পাৰত অৱস্থিত দিল্লীৰ লালকিল্লাত উপস্থিত হৈছিলোঁ। লালকিল্লা মোগল সম্ৰাট ছাহজাহানৰ দ্বাৰা নিৰ্মিত এটা দুৰ্গ। নতুন দিল্লীৰ উত্তৰ অংশত অৱস্থিত লালকিল্লা মোগল স্থাপত্য, শিলা-কৌশল আৰু সৃষ্টিশীলতাৰ স্বৰ্ণযুগৰ অনুপম এটি নিদৰ্শন। জাল আকাৰ জ্যামিতিক নক্সাৰ গৰ্বনশৈলীত দূৰ্গৰ প্ৰাংগন নিৰ্মিত। দূৰ্গটো ৰঙা (লাল) বেলে পাথৰৰ বেৰাৰ দ্বাৰা বেষ্টিত। সেয়ে ই লালকিল্লা নামে জনাজাত। লালকিল্লাত উপস্থিত হোৱাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলে এই ঐতিহাসিক তথ্য সম্পৰ্কে জানিব পাৰিছিল। গণতন্ত্ৰ দিৱসৰ কিছুদিন পূৰ্বে আমি লালকিল্লাত যোৱা বাবে লালকিল্লাত হোৱা গণতন্ত্ৰ দিৱসৰ প্ৰস্তুতি সমূহো দেখিবলৈ পাইছিলো।



লালকিল্লা পৰিদৰ্শন কৰি আমি আটাইবোৰ ৰাজঘাটলৈ গৈছিলো। ৰাজঘাট জাতিৰ পিতা মহাত্মা গান্ধীৰ সমাধিক্ষেত্ৰ। গান্ধীৰ মৃত্যুৰ পিছত ১৯৪৮ চনৰ ৩১ জানুৱাৰীত ৰাজঘাটতে তেওঁৰ অন্তিম সৎকাৰ কৰা হৈছিল। সেই স্থানত কলা-মাৰ্বলৰ এক বেদীত মহাত্মা গান্ধীয়ে অন্তিম সময়ত উচ্চাৰণ কৰা 'হে ৰাম' দেৱনাগৰী লিপিত খোদিত কৰা আছে। তাৰ এফালে অখণ্ড জ্যোতি প্ৰজ্বলিত কৰি ৰখা হৈছে। এই ৰাজঘাটতে মহাত্মা গান্ধীৰ পিছত

জৱাহৰলাল নেহৰু, লাল বাহাদুৰ শাস্ত্ৰী, ইন্দিৰা গান্ধী, ৰাজীৱ গান্ধী আদি বহু কেইগৰাকী বিখ্যাত নেতাৰ সমাধি অৱস্থিত। চাফ-চিকুন ৰাজঘাটৰ পৰিৱেশ দেখি আমাৰ ছাত্ৰ-ছাত্ৰীসকলে আপ্লুত হৈ পৰিছিল।

ৰাজঘাটৰ পৰা ওলাই আমি আটায়ে Indira Gandhi Memorial চাবলৈ গৈছিলো। ভাৰতৰ প্ৰথম মহিলা প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ কন্যা ইন্দিৰা গান্ধীৰ শৈশৱৰ পৰা মৃত্যু পৰ্যন্ত সকলো স্মৃতি তাত দেখিবলৈ পাইছিলো। Indira Gandhi Memorial ত ইন্দিৰা গান্ধীৰ শোৱনি কক্ষ, অধ্যয়ন কক্ষ, ইন্দিৰা গান্ধীৰ ৰাজনৈতিক জীৱনৰ সকলো ছবি, ইন্দিৰা গান্ধীয়ে মৃতুৰ সময়ত পৰিধান কৰা কাপোৰ, বেগ আদি সকলো তাত সংৰক্ষণ হৈ আছে। যি ঠাইত ইন্দিৰা গান্ধীৰ গুলী লাগি মৃত্যু হৈছিল সেই ঠাইখিনিও ধুনীয়াকৈ কাঁচৰে বনাই সংৰক্ষণৰ ব্যৱস্থা কৰিছে।

Indira Gandhi Memorial পৰিদৰ্শন কৰি দিল্লীৰ দক্ষিণাঞ্চলত অৱস্থিত কুটুবমিনাৰ চাবলৈ গৈছিলো। কুটুবমিনাৰৰ ভিতৰত সোমাবলৈ টিকটৰ প্ৰয়োজন হৈছিল। কুটুবমিনাৰৰ Ticket Counter ৰ বাহিৰত বহু দৰ্শকৰ ভিৰ হোৱা বাবে আমি কিছুসময় ৰ'বলগীয়া হৈছিল। টিকট লোৱাৰ পিছত আমি আটাইবোৰ কুটুবমিনাৰৰ ভিতৰত সোমাই ছিলো। লাল বেলে পাথৰেৰে নিৰ্মিত কুটুবমিনাৰটোৰ উচ্চতা ২৩৮ ফুট। একাধিক হিন্দু আৰু জৈন মন্দিৰৰ ধ্বংসাৱশেষেৰে এই মিনাৰ নিৰ্মিত হৈছিল বুলি কথিত আছে। ১১৯২ চনত কুটুবুদ্দিন আইবাকে এই মিনাৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিছিল আৰু ইলটুতমিচৰ ৰাজত্ব কালত মিনাৰৰ কাম শেষ হয়। ২৩৮ ফুট উচ্চতাৰ কুটুবমিনাৰ চাই আমাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলেও আনন্দ লাভ কৰিছিল। কুটুবমিনাৰৰ পৰা ওলাই আমি ৰেষ্টুৰেণ্টত দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি কমল মন্দিৰ (Lotus Temple) চাবলৈ গৈছিলো। কিন্তু আবেলি ৪ বজাৰ পিছত কোনো লোকক ভিতৰত প্ৰৱেশ কৰিব নিদিয়াৰ বাবে সেইদিনাখন আমাৰ Lotus Temple চোৱা নহ'ল।



সন্ধিয়া আমি আটাইবোৰে খোজকাঢ়ি ইণ্ডিয়াগেট, ৰাষ্ট্ৰপতি ভৱন, সংসদ ভৱন চাবলৈ গৈছিলো। নতুন দিল্লীৰ পৰিচয়েই হৈছে ইণ্ডিয়া গেট। ১৯৩১ চনত এডৱাৰ্ড লুটিয়নচৰ আৰ্হিত নিৰ্মিত ইণ্ডিয়া গেট মূলতঃ নিৰ্মাণ কৰা হৈছিল প্ৰথম বিশ্বযুদ্ধত মৃত্যুবৰণ কৰা বৃটিছ ভাৰতীয় সৈন্য বাহিনীৰ সোঁৱৰণত। সন্ধিয়া সময়ত ইণ্ডিয়া গেটৰ অপূৰ্ব দৃশ্য উপভোগ কৰিবলৈ বহুতো লোকে ভিৰ কৰেহি। ইণ্ডিয়া গেটৰ পৰা আমি ৰাষ্ট্ৰপতি ভৱন আৰু সংসদ ভৱন চাবলৈ গৈছিলো। সন্ধিয়াৰ নিৰল-নিস্তব্ধ পৰিৱেশৰ লগতে তাৰ ৰঙীন দৃশ্যই আমাক তৃপ্তি প্ৰদান কৰিছিল। চাফ-চিকুণ সংসদ ভৱন, ৰাষ্ট্ৰপতি ভৱনৰ পৰিৱেশত আমি আপ্লুত হৈ পৰিছিলো। তাৰ পৰা আমি Metro Train ত উঠিবৰ বাবে Delhi Metro Station লৈ গৈছিলো। আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সেয়া আছিল এক নতুন অভিজ্ঞতা। সকলোৱে Metro Train ত উঠি আনন্দিত হৈছিল। Metro Train ৰ পৰা নামি আটায়ে নিশাৰ আহাৰ গ্ৰহণ কৰি হোটেললৈ গৈছিলো। সম্পূৰ্ণ দিল্লীখনৰ ঐতিহ্যমণ্ডিত ঠাইসমূহ এদিনতে শেষ কৰিব নোৱাৰি বাবে কিছুমান বিশেষ ঠাইহে আমি চাইছিলো।

পিছদিনা ২০ জানুৱাৰীৰ ৰাতিপুৱাই আমি Tourist Bus খনেৰে ৰাজস্থানৰ গোলাপী চহৰ (Pink City) ৰূপে খ্যাত জয়পুৰলৈ যাত্ৰা কৰিছিলো। দিল্লীৰ পৰা ৬ ঘণ্টা যাত্ৰা কৰাৰ অন্তত আমি দুপৰীয়া ১ বজাত জয়পুৰত উপস্থিত হৈছিলো। জয়পুৰত প্ৰথমে আমি আমিৰ কিল্লা চাবলৈ গৈছিলো। জয়পুৰ নগৰৰ পৰা ১১ কিলোমিটাৰ উত্তৰ পূৱে আৰাৱলী পৰ্বতৰ ঢালত আমিৰ অৱস্থিত। আমিৰলৈ যাবৰ বাবে আমাৰ ৩১ জনীয়া দলটোৰ বাবে ৫ খন জীপ লৈ আমিৰ কিল্লাত গৈ উপস্থিত হৈছিলো। আমিৰৰ ধুনীয়া কাৰেংবোৰ আৰু চাৰিওফালে থকা বিন্ধাযুক্ত সুবৃহৎ পকীবেৰবোৰ সঁচাই মনোমোহা। ৰাজা মানসিঙে সোঁতৰ শতিকাত আমিৰ প্ৰসাদ আৰু দূৰ্গ সঁজাবলৈ আৰম্ভ কৰিছিল। আমিৰৰ বিষয়ে পুংখানুপুংখভাৱে ছাত্ৰ-ছাত্ৰীসকলে বুজিবৰ বাবে এজন গাইড লৈছিলো। গাইডজনে আমাক আমিৰৰ ভিতৰ চ'বাৰ সকলো তথ্য বুজাই দিছিল। আমিৰ ভিতৰচোৱাত আছে — চিচ মহল (Shees Mahal), দিৱান-ই-আম (The Hall of Public Audience), দিৱাই-ই-খাচ (The Hall of Victory), মুখ নিৱাস, সুহাগ মন্দিৰ ইত্যাদি।

আমিৰৰ ভিতৰত থকা চিচ মহল কাঁচৰ টুকুৰাৰে নিৰ্মিত। ঘৰৰ মুধাৱৰণ, বেৰ, মজিয়া সকলোতে বিভিন্ন আকৃতিৰ কাঁচৰ টুকুৰা লগোৱা আছে। চিচ মহলৰ বিষয়ে গাইডজনে আমাক কোৱা মতে চিচ মহল নিৰ্মাণ কৰিছিল পাৰ্চিয়ান কাৰিকৰে। চিচ মহলত লগোৱা কাঁচৰ টুকুৰা সমূহ আছিল ইটালীয়ান কাঁচৰ। গাইডজনে

কোৱা মতে চিচ মহল আছিল আমিৰৰ ৰজা-মহাৰজাসকলৰ মনোৰঞ্জনৰ ঠাই।

আমিৰ কিল্লাৰপৰা ওলাই আমি আটায়ে হোটেলত দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি জয়পুৰৰ জল মহল বাহিৰৰপৰাই চাই জয়পুৰৰ এখন বজাৰলৈ গৈছিলো। জয়পুৰত সামগ্ৰীসমূহ চকুতলগা বিধৰ। কাপোৰ, বেগ, টুপী, চাতি সকলোতে আইনা সদৃশ কিছুমান সামগ্ৰী লগোৱা থাকে। জয়পুৰতে ৰাতিটো কটোৱাৰ বাবে হোটেল এখনৰ ব্যৱস্থা কৰি সন্ধিয়া গোলাপী চহৰখন চাবলৈ ওলাইছিলো। সন্ধিয়া চহৰখনৰ দৃশ্য চাবলৈ মনোমোহা। সন্ধিয়াতেই জয়পুৰৰ হাৱা মহল দেখি অভিভূত হৈ পৰিছিলো। গোলাপী ৰঙৰ পোহৰে ৰাতি হাৱা মহলৰ সৌন্দৰ্যত সোণত সুৱগা চৰাইছিল। ১৭৯৯ চনত মহাৰাজ চাৱা প্ৰতাপসিঙে সজোৱা হাৱা মহল পাঁচ মহলীয়া অষ্টকোণীয়া। এই মহলত ১৫২ খন খিৰিকী আছে। নিশাৰ গোলাপী চহৰখন ঘূৰি আমি আটায়ে জয়পুৰৰ বিখ্যাত ৰেষ্টুৰেণ্ট 'Khan Hotel'ত নিশাৰ আহাৰ গ্ৰহণ কৰিছিলো। তাৰপৰা আমি বাছেৰেই জয়পুৰৰ কিছুমান ঐতিহাসিক স্থান ভ্ৰমণ কৰি সেইদিনাখন ৰাতিটো কটাবলগীয়া হোটেললৈ উভতি গৈছিলো।

২১ জানুৱাৰীৰ ৰাতিপুৱা ৬ বজাত জয়পুৰৰ পৰা বাছখনেৰে আমি যাত্ৰা আৰম্ভ কৰিছিলো আগ্ৰালৈ। জয়পুৰৰ পৰা আগ্ৰালৈ ৬ ঘণ্টা যাত্ৰা কৰাৰ পিছত আমি আগ্ৰাত উপস্থিত হৈছিলো। সেই দিনাখন আগ্ৰাত প্ৰচণ্ড বৃষ্টিপাত, ধুমুহা হোৱাৰ বাবে আমি Agra Fort চাবলৈ গৈ আধা বাটৰ পৰাই উভতিবলগীয়া হৈছিল। ৰেষ্টুৰেণ্ট এখনত সোমাই দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি সেইদিনা আগ্ৰাতে ৰাতিটো কটাবলৈ হোটেল এখন ঠিক কৰিছিলো। প্ৰবল বৃষ্টিপাতৰ ফলত আগ্ৰাত ঠাণ্ডাৰ প্ৰকপো বৃদ্ধি হৈছিল। তাজমহল চাবলৈ আমাৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে অধীৰ অপেক্ষা কৰি আছিল। পিছদিনা ২২ জানুৱাৰীৰ দিনা ৰাতিপুৱাতেই আমি গৈ তাজমহলত উপস্থিত হৈছিলো। তাজমহলৰ ভিতৰচ'ৰালৈ যাবলৈ প্ৰৱেশ টিকট লৈ সকলোৱে ভিতৰত সোমাইছিলো। আগ্ৰাত অৱস্থিত তাজমহল এটা ৰাজকীয় সমাধিক্ষেত্ৰ। মোগল সম্ৰাট চাহজাহানে পত্নী মমতাজৰ স্মৃতি চিৰযুগমীয়া কৰি ৰখাৰ উদ্দেশ্যে এই অপূৰ্ব সৌধটি নিৰ্মাণ কৰিছিল। যমুনা নদীৰ পাৰত অৱস্থিত তাজমহলটো বগা মাৰ্বল পাথৰেৰে নিৰ্মাণ কৰা হৈছে। তাজমহলৰ ভিতৰত প্ৰৱেশ কৰি আমাৰ প্ৰত্যেকগৰাকী ছাত্ৰ-ছাত্ৰীয়ে অধিক আনন্দ লাভ কৰিছিল। ছাত্ৰ-ছাত্ৰীসকলৰ লগতে মইও তাজমহলৰ ভিতৰচ'ৰালৈ গৈ অভিভূত হৈ পৰিছিলোঁ। তাজমহলৰ ভিতৰত থকা ছাহজাহান আৰু মমতাজৰ সমাধিক্ষেত্ৰ দৰ্শন কৰোতে এটা কথাই মনলৈ আহিছিল যে মমতাজে জীৱিতকালত যেনেদৰে স্বামী ছাহজাহানৰ লগত আছিল তেনেদৰে মৃত্যুৰ পাছত ছাহজাহানো পত্নীৰ মমতাজৰ কবৰ ওচৰতেই আছে। তাজমহলৰ অসাধাৰণ সৌন্দৰ্যই মনত তৃপ্তি প্ৰদান কৰিছিল। তাজমহল অপৰূপ সৌন্দৰ্য উপভোগ কৰিবলৈ বাহিৰৰ বিভিন্ন দেশৰ লোকেও আহি ভিৰ কৰা দেখিবলৈ পাইছিলো।

তাজমহলৰ পৰা ওলাই আমি আগ্ৰাৰ পৰা পুনৰ দিল্লীলৈ যাত্ৰা কৰিছিলো। ২৩ জানুৱাৰীৰ ৰাতিপুৱাই আমাৰ দিল্লীৰ পৰা গুৱাহাটী অভিমুখী ট্ৰেইন আছিল বাবে পুনৰ পাহাৰগঞ্জস্থিত Hotel Crystal Deluxe ত আহি উপস্থিত হৈছিলো। কিন্তু ২৩ জানুৱাৰীৰ দিনাখন অনিবাৰ্য কাৰণত সকলোবোৰ ট্ৰেইন বাতিল হৈছিল। যাৰবাবে আমি আটাইবোৰ কিছু সমস্যাত পৰিছিলো। কিন্তু আমাৰ অধ্যাপক ছাৰ তিনিজনৰ বিশেষ তৎপৰতাত ২৪ জানুৱাৰীত আমাৰ উভতিবলগীয়া টিকট হৈ গৈছিল। ২৩ জানুৱাৰীৰ দিনাখন আমি গোটেইবোৰে দিল্লীৰ কাপোৰ বজাৰ চাবলৈ গৈছিলো। সেইদিনাখন সম্পূৰ্ণ দিনটো আমি আটায়ে বজাৰ কৰি সন্ধিয়া হোটেললৈ আহিছিলো। সম্পূৰ্ণ এটা দিন আমাৰ ছাত্ৰ-ছাত্ৰীসকলে দিল্লীত ফুৰিব পাৰিছিল। কেইজনমান ছাত্ৰ-ছাত্ৰীয়ে আমাৰ ছাৰ তিনিজনক লগত লৈ অক্ষয় ধাম আৰু কমল মন্দিৰো চাই আহিছিল। পিছদিনা অৰ্থাৎ ২৪ জানুৱাৰীৰ পুৱতি নিশা ৩ বজাত আমি পাহাৰগঞ্জৰ হোটেলৰ পৰা ওলাইছিলো। Old Delhi ৰ Anand Bihar ষ্টেচনৰ পৰা North-East Express যোগেৰে আৰম্ভ হৈছিল আমাৰ ওভতনি যাত্ৰা।

শিক্ষামূলক ভ্ৰমণ ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাৰ এটি অপৰিহাৰ্য বিষয়। বিভিন্ন ঠাই ভ্ৰমণ কৰাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰাকৃতিক, সাংস্কৃতিক, সামাজিক, ভৌগলিক পৰিস্থিতিৰ আৰু মানুহৰ জীৱন ধাৰণৰ প্ৰত্যক্ষ জ্ঞান লাভ কৰিব পাৰে। শিক্ষামূলক ভ্ৰমণে ছাত্ৰ-ছাত্ৰীৰ মনৰ প্ৰসাৰতা, হৃদয়ৰ ব্যাপ্তি আৰু দেশপ্ৰেমৰ অনুভূতি জাগ্ৰত কৰে। ছয়গাঁও মহাবিদ্যালয়ৰ পৰা দিল্লী, ৰাজস্থান আৰু আগ্ৰালৈ যোৱা শিক্ষামূলক ভ্ৰমণটিৰ জৰিয়তে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে বিবিধ বিষয়ৰ জ্ঞান লাভ কৰিছে। এগৰাকী তত্বাৱধায়ক হিচাপে ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে শিক্ষামূলক ভ্ৰমণলৈ গৈ মইও বহু পৰিমাণে উপকৃত হৈছো। ছাত্ৰ-ছাত্ৰীৰ সৈতে শিক্ষামূলক ভ্ৰমণলৈ যোৱাৰ মাদকতাই সুকীয়া। খুব আনন্দৰ মাজেৰে আমি শিক্ষামূলক ভ্ৰমণটি সফল কৰি তুলিছিলো। মোক ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে তত্বাৱধায়ক হিচাপে শিক্ষামূলক ভ্ৰমণলৈ যোৱাৰ সুবিধা কৰি দিয়া বাবে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° ৰাজু বৰদলৈ ছাৰক ধন্যবাদ জ্ঞাপন কৰিছো লগতে অসমীয়া বিভাগৰ মোৰ শ্ৰদ্ধাৰ ড° নগেন কলিতা আৰু উপেন ডেকা ছাৰ আৰু দৰ্শন বিভাগৰ ড° নৰ কুমাৰ কলিতা ছাৰকো ধন্যবাদ জ্ঞাপন কৰিছোঁ। ছাৰহঁতৰ সহযোগিতায়ো এই ভ্ৰমণত যাবলৈ মোক বহু পৰিমাণে উৎসাহী কৰি তুলিছিল। ভ্ৰমণৰ কেইদিন শিক্ষক-তত্বাৱধায়ক ছাৰ তিনিজন, নিজৰা বাইদেউ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ লগত কঁটোৱা সময়বোৰ মোৰ বাবে চিৰদিন স্মৃতি হৈ ৰ'ব।❒

একাংকিকা নাট

# ৰাজপথৰ মালিতা



চৰিত্ৰ পৰিচয়

১। পগলা
২। দোকানী
৩। খোৰা
৪। পকেটমাৰ
৫। কনিষ্টবল দাস
৬। অ' চি গোস্বামী
৭। ট্ৰাক ড্ৰাইভাৰ
৮। স্কুলীয়া ছাত্ৰ

ড° নগেন কলিতা
মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ

[ৰাজপথৰ দাঁতিৰ এখন সৰু দোকান (তামোল-পাণ, ৰঙা চাহ)ৰ সন্মুখ]

অ' চি ঃ (নেপথ্যত) দাস, Follow him.

কনিষ্টবল ঃ (নেপথ্যত) হোবো দক, ছাৰ। — ঐ ৰহ— বীৰেণ পুলিচোক চিনি প নাই?
(কনিষ্টবলৰ প্ৰৱেশ)
ক'ত লুকালাক এ ই? ই এফাল দি গেল না সেফাল দি গেল। আজি মোৰ দিনেই বয়া আছিল এই। হাওঁ — বীৰেণ পুলিচক চিনি প নাই। ও —ধইৰবা পাল্লি — পিঠি ফালি দিলু হোই।

খোৰা ঃ ছাৰ, কি হ'ল?

কনিষ্টবল ঃ কি হ'ল মানে— হাওঁ, দুটাকে মানুহৰ আগেদি চুৰটু দাউৰি—

খোৰা+পগলা ঃ কি হ'ল?

কনিষ্টবল ঃ পলাল, ধৈৰবা নল্লি?

পগলা ঃ চোৰ ধৰিবলৈ আমি পুলিচ নেকি?

কনিষ্টবল ঃ কথাগিলাতো তই ঠিকে কহ— পাগলা বুলিনু তোক কুনি কয় এ?

অ' চি ঃ দাস —- অ' দাস—

কনিষ্টবল ঃ হৈ ছাৰ— Yes ছাৰ— No ছাৰ।

অ' চি : কি হয় ছাৰ — Yes ছাৰ — No ছাৰ মাৰি আছা — চোৰটো ধৰিব নোৱাৰিলা ?

কনিষ্টবল : নৈল্লুদকক ছাৰ।

অ' চি : ক'ত পাৰিবা। আজিকালি পুলিচতকৈ চোৰবিলাকহে বেছি চতুৰ। সেই সামান্য চোৰটোকে ধৰিবা নোৱাৰিলা — আৰু উগ্ৰপন্থী কেনেকৈ ধৰিবাহে?

কনিষ্টবল : কি কয় দক, ছাৰ —উগ্ৰপন্থী — ধইৰ্‌বা লাগে — ধৈৰ্‌বা লাগে তো ?

অ' চি : পাৰিবা ?

কনিষ্টবল : পাৰু— এক্কেবাৰে বীৰোৰ দৰে ধৰি আইন্‌বা পাৰু — কিন্তু...

অ' চি : কিন্তু কি ?

কনিষ্টবল : ভয় লাগে, ছাৰ। অ' ছাৰ— এই উগ্ৰপন্থী চুগ্ৰপন্থী ধৈৰ্‌বা যাই তিৰি টুক বিধৱা কৰাতকে এটা কাম কৰু দক। — সেই চাইদৰ আলিটুত যাই দুখেনমান ট্ৰাক-চাকোৰে মাথা মাৰু বলক— বলক ছাৰ।

অ' চি : দাস, সামান্য চোৰটোকে ধৰিবা নোৱাৰা— পুলিচৰবা প্ৰয়োজনেই কি ? সন্ধিয়াৰ টি.ভি. নিউজত কেনেকৈ ওলাব জানা ?

কনিষ্টবল : কেংকে ওল্‌বো ছাৰ ?

অ' চি : বেজৰ নাকতে খৰ— থানাৰ সন্মুখতে চিলনী চোৰে থপিয়াই নিলে মহিলা পুলিচৰ ডিঙিৰ চেইন। বাতৰি কাকত সাংবাদিকে হয়তো লিখিব— স্মাৰ্ট পুলিচৰ স্বৰূপ উদঙাই চিলনী চোৰে পুলিচৰ ডিঙিতে দিলে হাত। ছিঃ লাজ লাগিব হে দাস।

কনিষ্টবল : লাজ কইৰ্‌বা কি টু ছাৰ ? আজি আমাৰেই দিন বয়া আছিল। হাও তাক ধইৰ্‌বা পাল্লি— ভাল মক্কেল আছিল, ফল। ও ছাৰ, অন্ততঃ দুই কে.জি.—

অ' চি : দুই কে.জি ?

কনিষ্টবল : হৈ ছাৰ, দুই কে.জি.।

অ' চি : ও, খাহীৰ মাংস— ?

কনিষ্টবল : নহয় হে ছাৰ।

অ' চি : ও, লোকেল মুৰ্গী ?

কনিষ্টবল : আহ হা.... নহয় হে ছাৰ ?

অ' চি : তেন্তে কি ?

কনিষ্টবল : পিয়াঁজ, ছাৰ— পিয়াঁজ।

অ' চি : হাঃ হাঃ হাঃ

কনিষ্টবল : আপ্‌নি হাঁইহলাক, ছাৰ।

অ' চি : নাহাঁহি কি কৰিম হে ?

কনিষ্টবল : ও ছাৰ, আজিৰ দিনোত দুই কে.জি. পিয়াজ কিনা কম গৌৰৱৰ কথা না...। অ' ছাৰ, ও ঘোৰোত গেলি তিৰিটুই কি কোৱে জানে ?

অ' চি : কি কয় হে দাস ?

কনিষ্টবল : হেৰি, আমাৰ ঘোৰোৰ ওচৰোৰ সেই বৌৱাণী যে— ও গিৰিয়েক মাষ্টৰ বাইহ্‌ৰা টাকাও নাপোই। তথাপিও মোনা ভৰে পিয়াঁজ আনে। আৰো আপ্‌নি পুলিচোত কাম কৰি কি ফলাইছি হে— এক প— এক প পিয়াঁজ আনে।— দুখ লাগি যাই এ ছাৰ। ছেঃ তাক ধৈৰ্‌বা পাৰা হোলি...

অ' চি : চোৰ গ'লে বুদ্ধি, বৰষুণ গ'লে জাপি।

কনিষ্টবল : আফচোচ থাকি গেল ছাৰ।

খোৰা : এটা কথা কওঁ — আমাৰ পুলিচবোৰৰ শাৰীৰিক ব্যায়াম নকৰাৰ ফলত পেটুলা হৈ পৰিছে। চোৰ-ডকাইতৰ পিছে

পিছে দৌৰিব কেনেকৈ?

কনিষ্টবল : ঐ, কথাটু তই কাক কৈছাহ?

খোৰা : আপোনাৰ ছাৰক।

কনিষ্টবল : তেইতাহোলি ঠিকে আছে দে।

পগলা : হাঃ হাঃ... সেইবাবেই মুম্বাই পুলিচবোৰক নতুনকৈ শাৰীৰিক ব্যায়ামৰ ক্লাছ ল'ব আৰম্ভ কৰি দিছে।

অ' চি : পগলাই খবৰ কাগজ পঢ়ে নেকি অ'? বহুত ভাল খবৰ ৰাখে দেখোন। নে খোৰাৰ লগত থাকি তাৰপৰাই শিকিলে?

কনিষ্টবল : অ' ছাৰ, এন্‌থোৰ কথা শুইন থাক্‌লি আমাৰ পেট নভৰে। এটা কাম কৰু দক— ঔগুৰীৰ চোকোতে তহল এটা দি আহু বলক ছাৰ।

দোকানী : ছাৰ—

কনিষ্টবল : ধেৎ তেৰি, দিলি নহয় পাছোৰ পে মাত। ঐ, কি লাগে তোক?

দোকানী : ছাৰ, যোৱা মাহৰ বাকীটো।

কনিষ্টবল : ঐ, পুলিচে বাকী মাৰি খ শুইন্‌ছা? শুইন্‌ছা? ঐ দৰমাহা পালি দিম নহয়, ফল। দিম যা। (প্ৰস্থান)

খোৰা : দোষ্ট, চোৰৰো সাহস কম নহয় দেই। পুলিচৰ ডিঙিৰ চেইন কাঢ়ি লৈ উধাও হ'ল— ধৰিবই নোৱাৰিলে।

পগলা : হাঃ হাঃ ... সেই পুলিচে আমাক নিৰাপত্তা দিব? মুঠেও আশা নকৰিবা দোষ্ট। যাৰ নিজৰেই নিৰাপত্তা নাই — সি আনক কি নিৰাপত্তা দিব হে?

খোৰা : অ' চিয়ে কেৱল ধান্দা কৰিয়ে থাকে— ক'ত, কেনেকৈ দুপইচা ঘটিব পাৰে— (বহিব) সেয়াহে চিন্তা।

পগলা : (দৌৰি আহি) তুমি কিয় বেয়া পাইছা দোষ্ট? (বহিব) ও, তুমি যে ধন ঘটিব পৰা নাই, সেইবাবে জ্বলিছা নিশ্চয়।

খোৰা : শুনা দোষ্ট, অট্টালিকাত থাকিলেই মানুহ ভাল মানুহ হ'ব নোৱাৰে। (পগলাই উঠে) দামী ঘৰে মানুহক দামী নকৰে, সুন্দৰ পোছাকে মানুহক সুন্দৰ কৰিব নোৱাৰে। পৰিষ্কাৰ পোছাকে চৰিত্ৰৰ দাগ ঢাকি ৰাখিব নোৱাৰে। এয়া চোৱা, মই পিন্ধা পোছাকযোৰ অপৰিষ্কাৰ হ'ব পাৰে, কিন্তু মোৰ চৰিত্ৰত কোনো দাগ বিচাৰি নাপাবা। ধনেৰে মানুহ ধনী হ'ব পাৰে, কিন্তু মনৰ ধনী নহ'বও পাৰে। মানুহ ধনী হ'ব লাগে ব্যক্তিত্বৰেহে।

পগলা : বাঃ বাঃ বাঃ .... (দৌৰি আহি) বঢ়িয়া কথা কলা হে, দোষ্ট। (পকেটত হাত ভৰাই) পকেটত এক পইচাও নাই, নহ'লে চাহকে খুৱাই দিলোহেঁতেন।

খোৰ : লোভ, বুজিছা, দোষ্ট — লোভ। লোভে মানুহক অন্ধ কৰি পেলায়। অধিক টকাৰ লোভে মানুহক অমানুহ কৰে। লোভেই মানুহক দুৰ্নীতিত লিপ্ত কৰায়। দুৰ্নীতি কৰা মানুহে কেতিয়াও আন মানুহৰ কথা চিন্তা কৰিব নোৱাৰে, সমাজৰ কথা চিন্তা কৰিব নোৱাৰে।

পগলা : (দৌৰি আহি) দোষ্ট, তুমি যে মঞ্চত ফাংচন কৰা— তাতেই দেখোন এই গানটো গাব পাৰা। ময়ো যাম তোমাৰ লগত। — না না না .. (আগলৈ দৌৰি) মই তোমাৰ সৈতে মঞ্চত নুঠোদেই। মই উঠিলে তোমাৰ ফিল্ড বেয়া হ'ব— দৰ্শকে টিকিয়াব — চেৰাবলিয়াৰ সৈতে মঞ্চত উঠা বুলি।

খোৰা : তুমি চিন্তা নকৰিবা, দোষ্ট। মোৰ কথামতে যদি কাম কৰা, তোমাকো মঞ্চত উঠাব পাৰোঁ। কিন্তু খোৰা বুলি মানুহে মোকেই উপলুঙা কৰে— এৰাই চলিব খোজে। মোক দেখিলে মানুহবোৰ কৌশলেৰে আঁতৰি যায়— মোৰ মনৰ কথা কাক ক'ম? এতিয়া তোমাক পাই ভাল লাগিছে। অন্ততঃ মোৰ মনৰ কথা শুনা এজন পাইছোঁ।

পগলা : সৌ তাত কিবা হ'ল নেকি? মানুহ জুম বান্ধিছে দেখোন।

খোৰা : নিৰ্বাচন আহিছে নহয়, কোনোবা নিৰ্বাচনী প্ৰাৰ্থীৰ প্ৰচাৰ সভা হ'ব নিশ্চয়। কি কয় শুনাচোন।

(নেপথ্যত) সংলাপ ঃ ৰাইজ, আপোনালোকে ভালদৰে জানে— গণতন্ত্ৰত ৰাইজেই ৰজা। আমাক ভোট দি জয়যুক্ত কৰক— আমি দেশৰ হকে কাম কৰিম, জনসাধাৰণৰ কল্যাণৰ হকে কাম কৰিম। আমি ক্ষমতালৈ আহিলে প্ৰথমেই জাতি, মাটি, ভেটি ৰক্ষাৰ কথাহে চিন্তা কৰিম— দুখীয়া ৰাইজক সহায় কৰাত প্ৰাধান্য দিম— দিনটোৰ ২৪ ঘণ্টাই বিজুলী যোগান ধৰিম (হাত চাপৰি)। আমি ক্ষমতালৈ আহিলে আপোনালোকে বোকা-পানী আৰু ৰাস্তাত গচকিব নালাগে— সকলো ৰাস্তা-ঘাট পকী কৰি দিম— আমি পণ লৈছো — অসমক ভাৰতৰ এখন শ্ৰেষ্ঠ ৰাজ্য হিচাপে গঢ়ি

তুলিম।

পগলা ঃ বাঃ বাঃ ... বঢ়িয়া (হাত চাপৰি)

খোৰা ঃ (বহি) ৰাজনৈতিক নেতাৰ চলাহী কথাত তুমি ভোল গ'লা দোষ্ট?

পগলা ঃ ভোল যোৱা নাই অ'।

খোৰা ঃ হাত চাপৰি মাৰিলা কেলেই?

পগলা ঃ শুনি ভাল লগা বাবে অট'মেটিক হাত চাপৰি আহি গ'ল।

খোৰা ঃ ইয়াকে কয় কৰিশ্মা, বুজিছা? মানে চমক। ৰাজনৈতিক নেতাবোৰে বক্তাৰ চমকেৰে নিৰ্বাচনৰ সময়ত সাধাৰণ ৰাইজক যে মুহি পেলায়, এয়া তাৰ প্ৰমাণ।

পগলা ঃ ৰ'বা হে দোষ্ট আৰু কি কয় শুনো ৰ'বা।
(নেপথ্যত) সেয়েহে ৰাইজ, আপোনালোকৰ বহুমূলীয়া ভোট মোক প্ৰদান কৰি আপোনালোকৰ ভৱিষ্যত সুৰক্ষিত কৰক। মনত ৰাখিব, মোৰ নিৰ্বাচনী প্ৰতীক হ'ল ৰথৰ চকা। চকা হ'ল গতিৰ প্ৰতীক। ৰথৰ চকাৰ ছবিত আঙুলি দবাই আপোনালোকে নাৰায়ণ চক্ৰৱৰ্তীক নিশ্চিত কৰক।)

পগলা ঃ হাঃ হাঃ .... ৰাইজ, আপোনালোকে নাৰায়ণ চক্ৰৱৰ্তীক ভোট দি আপোনালোকৰ ভৱিষ্যত সুৰক্ষিত কৰক। হাঃ হাঃ ...... হাঁহি নুঠিব? চব ঢোকেবাজ এইবোৰ।— (বেঞ্চত) ৰাইজ, আপোনালোক নেতাৰ মিঠা কথাত ভোল নাযাব। আপোনালোকৰ মগজুবোৰ বিক্ৰী নকৰিব, ৰাইজ। যোগ্য বুলি যাকেই ভাৱে তেওঁকহে ভোট দিব। (বেঞ্চত বহি পৰে)

খোৰা ঃ (ওচৰলৈ আহি) তুমি বুজাব নালাগে নহয় ৰাইজক — ৰাইজে ইমান বছৰে নিৰ্বাচনত ভোট দি আহিছে, সেই অভিজ্ঞতা ৰাইজৰ আছে।

পগলা ঃ (আগলৈ) স্বাধীনতাৰ সাতটা দশক অতিক্ৰম কৰাৰ পিছতো আমাৰ ৰাইজে নিজৰ মগজু খটুৱাব শিকা নাই। হায়, হায়... (কান্দে)

খোৰা ঃ দোষ্ট তুমি কান্দিছা?

পগলা ঃ নেকান্দি হাঁহিম নেকি?

খোৰা ঃ অলপ আগতে দেখোন হাঁহিছিলা—

পগলা ঃ হাঃ হাঃ ... হঁহা কন্দাই জীৱন বুজিছা? বৃটিছ গুচি গ'ল— আমি স্বাধীন হ'লোঁ। কিন্তু প্ৰকৃতাৰ্থত আমি স্বাধীন নে? স্বাধীনভাৱে চিন্তাই কৰিব পাৰিছো নে আমি (উহুঁ) জ্ঞানৰ দ্বাৰা পৰিচালিত হওঁ আমি। নিৰ্বাচনৰ সময়ত নেতাসকলে কথাৰ ফুলজাৰিৰে, প্ৰতিশ্ৰুতিৰ বন্যাৰে বিচলিত কৰি ৰাইজৰ চিন্তাৰ স্বাধীনতা কাঢ়ি নিনিয়ে নে?

খোৰা ঃ পগলা হ'লেও তুমি দেখোন কথাবোৰ ঠিকেই কৈছা ও।

পগলা ঃ পগলা? — কোন পগলা? — কাক পগলা বুলি কৈছা— হা? মই পগলা?

খোৰা ঃ নহয়, মানে....

পগলা ঃ নহয়তো। মোক পগলা বুলি কোনে কয়? এই সপোন শইকীয়াক পগলা বুলিবলৈ কাৰ সাহস আছে— নাম নাজানো তাৰ।

খোৰা ঃ এটা কথা কিন্তু ঠিক। তোমাৰ ঘৰৰ মানুহে তোমাৰ নামটো ঠিকেই ৰাখিছে। সপোন— সপোন...। সপোন দেখিয়েইতো তুমি ডিগ্ৰীও বহুকেইটা ল'লা। সেই হিচাপে ভাল চাকৰি এটাহে যোগাৰ কৰিব নোৱাৰিলা।

পগলা ঃ চাকৰি? চাকৰি নকৰোঁ মই। মই নিৰ্বাচন খেলিম।

খোৰা ঃ নিৰ্বাচন?

পগলা ঃ নিৰ্বাচন বুলি শুনিয়েই দেখোন আচৰিত হ'লা। কিয়?

খোৰা ঃ আচৰিত হোৱা নাই দোষ্ট। তুমি নিৰ্বাচন খেলিলে ময়ো তোমাৰ হকে লাগি দিম।

পগলা ঃ মই কেনেদৰে ভাষণ দিম জানা? (ইংগিত) ৰাইজ, মোৰ মনত আপোনালোকেই ভগৱান।

খোৰা ঃ হাঃ হাঃ... ভগৱান। ইলেক্চনৰ পিছতহে গম পোৱা যায় ভগৱানৰ কি অৱস্থা হয়।

পগলা : ৰাইজ, আপোনালোকক মই প্ৰতি কিলোত ৫০ পইচাকৈ চাউল দিম।
খোৰা : ভাল হে। দুখীয়া ৰাইজে কম দামত নিত্য ব্যৱহাৰ্য বস্তু পাব।
পগলা : পঞ্চাশ পইচাত চাউল দি মানুহক এলেহুৱা কৰিম। তেতিয়াহে পৰনিৰ্ভৰশীল কৰি ৰাখিব পাৰিম।
খোৰা : মই তেনেকৈ নাভাবোঁ। মোৰ বোধেৰে দুখীয়া ৰাইজৰ উন্নতিহে হ'ব।
পগলা : (বেঞ্চৰ পৰা নামি) মিছা কথা। (আগলৈ) দুখীয়াক দুখীয়া কৰি ৰখা এয়া এক কৌশল হে। দুখীয়া হৈ থাকিলেহে পৰনিৰ্ভৰশীল হৈ থাকিব— তেতিয়াহে ৰাজনৈতিক নেতাবোৰে সুবিধা ল'ব পাৰিব— তেওঁলোকৰ ভোটবোৰ কিনিব পাৰিব।
খোৰা : ইমানবোৰ ভোট কিনিবলৈ নেতাই টকা পাব ক'ত?
পদলা : হেই দোষ্ট, তাকো নাজানা? আমাৰ পৰাই নিব— আমাৰ নামত অহা ধনৰ পৰাই নিব। আমাক পঞ্চাশ পইচাৰ চাউল দিব, নিজৰ পকেটত পঞ্চাশ লাখ ভৰাব। হাঃ হাঃ ... কি সুন্দৰ সৰল অংক।
খোৰা : মই তোমাৰ লগ এৰিব লাগিব যেন পাইছোঁ।
পগলা : কিয়?
খোৰা : তোমাৰ চিন্তাধাৰাৰ সমৰ্থনকাৰী বুলি মোৰ পিঠিত ঔ কিল নপৰিলেই ৰক্ষা।
পগলা : (দৌৰি গৈ) দোষ্ট, তুমি খোৰা বুলিয়েই তোমাৰ কথাত ৰাইজে গুৰুত্ব নিদিয়ে বুলি তুমিয়েই দেখোন কৈছিলাহে।
(অ' চি গোস্বামী আৰু কনিষ্টবলৰ প্ৰৱেশ। পগলা লাহে লাহে ওলাই যায়। কনিষ্টবল দাসে হুইচেল বজাই গাড়ী ৰখোৱাৰ ইংগিত দিব। বাইক যোৱাৰ শব্দ)
কনিষ্টবল : বাইপেৰেৰ টাকাইদি বাইক কিন্‌ছাতো, বাহাদুৰি নোহোবো? — হাও, ই দেখুন গেল এ — বীৰেণ পুলিচোক চিনি পাৰ নাই? ধইৰ্‌বা পাল্লি, দিম যা সেকা। (আকৌ হুইচেলৰ শব্দ— ট্ৰাক ৰখাৰ শব্দ)
কনিষ্টবল : ড্ৰাইভাৰ জী, আপ ইধৰ আই য়ে তো। কাগজ-পত্ৰ ভী গোটে মাখান লৈ আইহ্‌বি। — ছাৰ এটা ভাল মক্কেল ধচ্ছু— হাজাৰোৰ কম নোকোৰ্‌বো। আই এ, আই এ, কাগজ-পত্ৰ ভী লৈ আহি এ।
ড্ৰাইভাৰ : হামকো ক্যু ৰুকা— হামাৰে পাচ তো চব আচলি মাল হে। চালান ভী হে—
কনিষ্টবল : চালান তালান বাদ দি এ ফল।
ড্ৰাইভাৰ : ফল? আপকো গলত ফেমি হুৱা। গান্ধী মে তো ফল নেহি হে। ফল হোতা তো আপকো দে যাতা।
কনিষ্টবল : ঐ এটু ফল সেটু ফল নহয় এ ফল।
ড্ৰাইভাৰ : আউৰ ফল? য়ে আচাম কা ক্যা পুলিচ হেই? হাম কাহা না গান্ধী মে ফল নেহি হে।
কনিষ্টবল : ধেৎ তেৰি, ফলোৰ কথা বাদ দি এ ফল। লাইচেন্স-চাইচেন্স আছে যদি দেখো।
ড্ৰাইভাৰ : ক্যা বোলা জী?
কনিষ্টবল : আপকে পাছ ড্ৰাইভিং লাইচেন্স হে?
ড্ৰাইভাৰ : হা— হ্যেই না। চব অৰিজিনেল হে। দেখ লিজিএ।
কনিষ্টবল : ও ছাৰ, ইখেন চাওকচুন— ঠিকেই আছে না — ফল।
অ' চি : Expiry date 22/12/2023 – হেৰা, এইখন দেখোন ঠিকেই আছে।
কনিষ্টবল : ৰোবোচুন ছাৰ। — আপকে পাচ গাড়ী কা ইঞ্চিওৰেন্স হেই?
ড্ৰাইভাৰ : হা— হ্যায় — য়ে লিজিএ। দেখ লিজিএ।
কনিষ্টবল : ও ছাৰ, ইবাৰ এখান চাৱকচুন।
অ'চি : অ' দাস কি মক্কেল আনিলা হে?
কনিষ্টবল : কিয়ো ছাৰ?
অ' চি : এইখনো দেখোন ঠিকেই আছে।
কনিষ্টবল : ৰোবো হে ছাৰ। —ঐ আপ কে পাচ গাড়ী কা পীচে চে যো ধঙা উল্টাহে না— ৰো চাৰ্টিফিকেট হ্যে
অ' চি : পলিউচন চাৰ্টিফিকেট।

কনিষ্টবল : হা হা সেটোৱে— পলুচন— হ্যায়?

ড্ৰাইভাৰ : ক্যু নেহী, হেয়। কিটনা মেহনত কৰকে — দিনভৰ লাম্বা লাইন মে খাৰা হো কে বনা লিয়া হেই— দেখ লো না ছাৰ।

কনিষ্টবল : ছাৰ এইখন।

অ' চি : ধেৎ তেৰি আজি দিনেই বেয়া। দাস এইখনো ঠিকে আছে।

কনিষ্টবল : এ ৰোবো ছুন ছাৰ। এই বীৰেণ পুলিচ থাকাওতে আপ্নি টেনচন নোলোবো।

ড্ৰাইভাৰ : হাম কো জানে দিজিয়ে না। বেকাৰ ক্যু টাইম বৰবাদ কৰ ৰহে হ্যায়। হামকো শিলিগুৰি তক জানা হে।

কনিষ্টবল : পাই গলু ছাৰ। ও ইয়াৰ নামোত পূৰা-পূৰি পাঁচ হাজাৰ চালান এখান কাটি দক।

ড্ৰাইভাৰ : ক্যা বোলা ছাৰ জী।

কনিষ্টবল : আপকো— পূৰা-পূৰি পাঁচ হাজাৰ টকা—

অ' চি : জুৰমানা—

কনিষ্টবল : হা হা — সেইটোৱে। জৰিমানা ভৰনা পৰেগা।

ড্ৰাইভাৰ : হামাৰে পাচ তো লাইচেন্স-উইচেন্স চব হ্যায়— জুৰমানা ক্যু, ভাই চাহাব।

কনিষ্টবল : এ ক্যু-চ্যু বাদ দি। আপকা লাইচেন্স-চাইচেন্স চোব ঠিকে আছে হায়। লেকিন, আপনে লাইচেন্স-চাইচেন্স জো থহা মে ভৰে আনা হ্যায় না— ৱো থহা পলিথিন কা হ্যায়। — ও ঠিকে আছে না, ছাৰ। ইচিলিএ আপকো পাঁচ হাজাৰ টাকা জৰিমানা ভৰনা যেনে তেনে পৰেগাই।

অ' চি : পলিথিন কা ইস্তেমাল কৰনা গেৰ কানুনী হেয়, আপ জানতে হেই কি নেহি?

কনিষ্টবল : হা হা ... সেইটোৱে— তাৰাতাৰি পইচা নিকালো।

ড্ৰাইভাৰ : হামাৰে পাচ তো ইতনা ৰুপয়া নেহি হেই।

কনিষ্টবল : ধেৎ তেৰি, ইটনা-চিটনা বাদ দি— কিটনা আছে তাৰা তাৰি বতাও।

ড্ৰাইভাৰ : ক্যা বোলা জী?

কনিষ্টবল : হামনে বোলা কি— আপকে পাচ— ছাৰ....

অ'চি : কিতনা ৰুপয়া হ্যেই?

কনিষ্টবল : হা হা সেইটু এ— কিটনা ৰুপিয়া হেই — তাৰা-তাৰি দিজিএ আৰো শিলিগুৰি গুচি জাইয়ে।

ড্ৰাইভাৰ : আৰে ভাই, দিক্কট মট ডিজিএ। হাম নে খুচি চে পাঁচ চো ৰুপয়া দিয়া হেই— লে লো— ঔৰ জানে দো।

কনিষ্টবল : ছাৰ, ইয়াক যাবা দেউং নেকি— বহুত দূৰোক যাবো তো। আপ— জাইএ, বুৰা-চুৰা মত পাইএ দে— (ড্ৰাইভাৰৰ প্ৰস্থান। —য়ে আচাম কা ক্যা পুলিচ হ্যায়— চব টাইম ধান্দা কৰতা হ্যায়— বেকাৰ টাইম বৰবাদ কৰতা হ্যায়।) (পগলা সোমাই আহে)

পগলা : পাঁচ টকা এটা দিয়ক না ছাৰ।

কনিষ্টবল : ধেৎ তেৰি, বহনি কল্লু হে— আইহ্লি নহয়—

পগলা : হাঃ হাঃ আপোনালোকৰ দোকানৰ বহনি হ'ল যেতিয়া— মই পাঁচ টকাহে খুজিছো— দিয়ক না — চাহ খাওঁ।

কনিষ্টবল : ঐ যাহ— যাহ। দিম যা পাছোত। যাৰ মাহোত দোকানোৰ বাকীটু এ দিব পাৰা নাই — তাক পইচা লাগে। — যাহ (লাঠী দাঙে)

খোৰা : পগলাৰ দৰে নিমাষিত প্ৰাণী এটাৰ ওপৰত হাত তুলিলে জানো কিবা বীৰত্ব প্ৰকাশ পাব।

অ' চি : তই আকৌ ক'ৰপৰা ওলালিহি ধৰ্মৰাজ যুধিষ্ঠিৰ?

খোৰা : সঁচা কথাই কৈছো ছাৰ।

অ' চি : সঁচা কথা— হাঃ হাঃ .... দাস, এতিয়া কি কৰা?

কনিষ্টবল : ছাৰ এতে চেকিং চলি থাকা বুলি জান্‌লি মানহুগিলা ও বেলেগ ৰাস্তাইদি গুমী ৰাস্তা উঠ্‌বো। গতিকে আমি গুমী চ'কক গেলি যাউং বলক।

অ' চি : ব'লা (প্ৰস্থান)

কনিষ্টবল ঃ নাউ মেন দি এ ফল। পাব্লিক প্লেচোত এইগিলা নাখোবি। (প্রস্থান)

পগলা ঃ এয়াই নেকি আমাৰ পুলিচ? হাঃ হাঃ ... আইন-শৃংখলাৰ ৰক্ষক, শান্তি ৰক্ষক।

খোৰা ঃ শান্তি ৰক্ষক নহয়নো কি? পকেট গৰম হ'লে নিজৰ শান্তি নহ'ব? ড্ৰাইভাৰটোৰ পৰা যে পাঁচশ টকা ল'লে, সিহঁতৰ পকেটত নোসোমাল নে? চালান কাটিলে জানো? আৰু বা কিমানৰ পৰা কিমান টকা এনেকৈ সৰকায়?

পগলা ঃ মই কান্দিম এতিয়া দোষ্ট।

খোৰা ঃ কিয় কান্দা, দোষ্ট।

পগলা ঃ পুলিচে দুৰ্নীতি কৰিছে, অশান্তি কৰিছে— তাকে তুমি শান্তি ৰক্ষক বুলি কৈছা—

খোৰা ঃ নালাগে কান্দিব। সৌ মানুহ দুজনে কি কথা পাতিছে শুনা চোন।

পগলা ঃ ৰ'বা— ৰ'বা শুনো ৰ'বা।

খোৰা ঃ কিবা শুনিলা।

পগলা ঃ শুনিলো, শুনিলো ৰ'বা।

খোৰা ঃ কি শুনিলা?

পগলা ঃ কিবা ৰেটৰ কথা কৈছে দেখোন। কাম সোনকালে কৰিবলৈ হ'লে ৰেট হেনো বেলেগ হ'ব।

খোৰা ঃ শুনাখিনি বাৰু ঠিকেই আছে— দেখিলা কি?

পগলা ঃ দুজন মানুহ দেখিলো, দোষ্ট।

খোৰা ঃ মানুহ দুজনে কি কৰিলে?

পগলা ঃ এজনে হাতৰ টিপতে অইনজনক কাগজ নে কিবা গুজি দিছে।

খোৰা ঃ কাগজ নহয়, সেয়া টকাহে। কিয় দিলে, জানা?

পগলা ঃ তেওঁৰ নিশ্চয় প্ৰয়োজন হৈছে। হাঃ হাঃ সেই কথাও সুধিব লাগেনে?

খোৰা ঃ (বহিব) প্ৰয়োজন আছে দোষ্ট। টকাৰ প্ৰয়োজন কাৰ নাই?

পগলা ঃ (বেঞ্চলৈ দৌৰি) তাৰমানে— তাৰমানে তোমাকো ক'লা টকা লাগে? হিঃ হিঃ

খোৰা ঃ এই দোষ্ট, তুমি ইমান দিনে মোক বুজিয়েই নাপালা নহয়? লাগিলে নাখাই মৰিম, অনৈতিক কামত মই কেতিয়াও লিপ্ত নহওঁ। মা-দেউতাই মোক এনে সংস্কাৰৰ শিক্ষা দিয়া নাই। খোৰা হ'লেও সিংহৰ পোৱালি। সিংহই কেতিয়াও ঘাঁহ নাখায়। চাটকে মৰি গ'লেও বৰষুণৰ পানীৰ বাহিৰে খাল-বিলৰ ঘোলা পানী কেতিয়াও নাখায়। (উঠিব)

পগলা ঃ ও ও ... এইমাত্ৰ যোৱা মানুহজনে দুৰ্নীতি কৰিছে নেকি?

খোৰা ঃ অ' দোষ্ট। মানুহ দুজনৰ কোট-পেণ্ট পিন্ধি ফিট-ফাট হৈ থকাজন পেঞ্চন অফিচৰ এজন ধূৰ্ত কেৰাণী আৰু আনজন যিজন ধূতি আৰু কামিজ পিন্ধিছে— সেইজন এজন হয়তো অৱসৰপ্ৰাপ্ত শিক্ষক। পেঞ্চন অফিচলৈ তাঁত-বাতি কাঢ়োতে কেইযোৰ চেন্দেল ক্ষয় খেদালে তাৰ হয়তো ঠিকনা নাই। তথাপি কাম নিসিজাত চমু পথ ল'বলৈ হয়তো বাধ্য হ'ল। ইমান বছৰে ল'ৰা-ছোৱালীক শিকাই মানুহ কৰাৰ পুৰস্কাৰ এয়াই নেকি?

পগলা ঃ (দৌৰি বেঞ্চলৈ) তুমি কেনেকৈ জানিলা হে?

খোৰা ঃ পেঞ্চন অফিচৰ সন্মুখত উপস্থিত হোৱা মানুহ দেখিলেই চিনিব পাৰি। (বহিব)

পগলা ঃ (আগলৈ) ও, তাৰমানে মানুহজনে ঘোচ লৈছে, নহয়নে দোষ্ট। বেয়া কথা হ'ল।

খোৰা ঃ বেয়া কথা হৈছেতো।

পগলা ঃ ............ ধেই, মানুহজনৰ পৰা মই চাহ খৰচ ল'ব লাগিছিল।

খোৰা ঃ ধেৎ দোষ্ট, কি কৈছা এইবোৰ? সেই দুৰ্নীতিগ্ৰস্ত মানুহজনৰ পৰা চাহ খৰচ লোৱা মানে দুৰ্নীতিক প্ৰশ্ৰয় দিয়াহে হ'ব। আমিও দেখোন দুৰ্নীতিক সমৰ্থন কৰাহে হ'ব?

পগলা ঃ (কান্দি) (উঠি গৈ) মই দুৰ্নীতি কৰিবলৈ ওলাইছো?

খোৰা ঃ হ'ব হ'ব, দোষ্ট — বন্ধ কৰা। তুমি দুৰ্নীতি কৰা নাই নহয়, ভুলতেহে দুৰ্নীতিক প্ৰশ্ৰয় দিবলৈ বিচাৰিছিলা।

পগলা ঃ হাঃ হাঃ — তাৰমানে মই দুৰ্নীতি কৰা নাই।

খোৰা : কৰা নাই।
পগলা : তাৰমানে, আমাৰ নিচিনা মানুহ থাকিলেহে সমাজখন নিকা হৈ থাকিব, নহয়নে দোষ্ট? (পগলাই লাহে লাহে বেঞ্চলৈ)
খোৰা : কিয় নহ'ব? যিখন সমাজত দুৰ্নীতি নাই— ব্যভিচাৰ নাই, সেইখন সমাজেই উন্নতিৰ শিখৰলৈ ধাৱমান হ'ব পাৰে। চোৱা দোষ্ট, মই এজন বিকলাংগ ব্যক্তি, শাৰীৰিকভাৱে অক্ষম। কিন্তু আমাৰ বাবে কোনোবাই চিন্তা কৰিলেনে?
পগলা : কোন কোন অফিচত— কোন কোন অফিচাৰৰ ওচৰলৈ তুমি গৈছিলা— মোক কোৱাচোন দোষ্ট।
খোৰা : তুমি জানি কি কৰিবা দোষ্ট? তুমি যেনেদৰে কৈছা— তুমি যেন মুখ্যমন্ত্ৰী হে।
পগলা : তথাপি জানি থোৱা ভাল দোষ্ট।
খোৰা : তুমি জানিনো কিবা কৰিব পাৰিবানে দোষ্ট?
পগলা : কিজানি পাৰোৱেই, হাঃ হাঃ। মই নোৱাৰিম বুলি ভাবিলা? (বেঞ্চত পিঠি দি) তুমি মোৰ আচল দোষ্ট নহয় হে। নহ'লে মোৰ ওপৰত আস্থা নাৰাখিলা হয়নে?
খোৰা : দাঙিব নোৱাৰা শিলক পৰি নমস্কাৰ দোষ্ট। চোৱা দোষ্ট— এই দিব্যাংগৰ দুখ কেৱল দিব্যাংগইহে বুজিব পাৰে।
পগলা : কিয়? মই নোৱাৰো?
খোৰা : তুমিতো মোৰ এতিয়াৰহে দোষ্ট। তোমাৰ সৈতে দোষ্টি কৰাৰ বেছি দিনতো হোৱা নাই। তুমি হয়তো মোৰ জীৱনৰ বহু কথাই নাজানা।
পগলা : আগতে লগ পালে জানিলোহেঁতেন।
খোৰা : দৰিদ্ৰৰ ঘৰত মোৰ জন্ম। কিবাকৈ মেট্ৰিকটো পাছ কৰিলোঁ। নাটকৰ প্ৰতি মোৰ আছিল টান। অঞ্চলটোৰ বিভিন্ন মঞ্চত অভিনয় কৰিলো— কৌতুক কৰিলোঁ। তাৰ পিছত বহল পৃথিৱী এখন বিচাৰি গুৱাহাটীলৈ গ'লোঁ। চিনেমাত অভিনয় কৰিব পাৰিম বুলি বিভিন্নজন পৰিচালকক লগ ধৰিলোঁ। মোৰ চেহেৰাৰ সৈতে মিলা চৰিত্ৰৰ অভাৱত চিনেমাত স্থান নাপালো। কিন্তু শ্ৰদ্ধা ড° ভবেন্দ্ৰ নাথ শইকীয়াদেৱে তেখেতৰ টি.ভি. চিৰিয়েলত মোক এভূমুকি মৰাৰ সুবিধা দিয়ে। সেইগৰাকী স্বনামধন্য ব্যক্তি আজি আমাৰ মাজত নাই যদিও তেখেতৰ আশীষ সদায় থাকিব।
পগলা : (উঠি গৈ) বাঃ বাঃ সেই চিনেমা কৰা মানুহজন—
খোৰা : উস্। শইকীয়া ছাৰৰ আদৰ্শক আমিয়েই জীয়াই ৰাখিব লাগিব— তেতিয়াহে সমাজে প্ৰগতি লাভ কৰিব।
পগলা : তাৰমানে আমাৰ দৰে মানুহ থাকিলে সমাজৰ উন্নতি হ'বই। নহয়নে? হিঃ হিঃ...
খোৰা : ঠিকেই কৈছা দোষ্ট। (পগলাই ওলাই যায়)
কনিষ্টবল : হেই ৰহেই... ৰহ— ক'ত পলাবি এ তই?
পকেটমাৰ : ধেৎ, ধেমালি কিয় কৰে হে— দুখ পাইছো নহয়। এৰি দিয়ক না।
কনিষ্টবল : ঐ বেটা, জানু নহয় আজি তোৰ কামাই ভাল। দে— উইলো— উইলো— পকেটত হাত ভোৰো।
পকেটমাৰ : ক'ত কামাই ভাল হ'ল হে? আপুনি দেখোন দেখিছেই — মহিলা গৰাকীৰ হাতত হাত ভৰাওতেই ধৰা পৰি গ'লো। কিবাকৈ জীৱনটো যে বচালোঁ।
কনিষ্টবল : ঐ বেতা, তোৰ জীৱনটু কুনি বাচালাক এ? ছাৰ আৰো মোই। আমি নাথকা হ'লি আজি তই পাব্লিকোৰ মাইৰোত চেপ্তা হোলি হৈ। এথেন ছাৰ আৰো মোৰ মাননীটো দি।
পকেটমাৰ : মা কচম কৈছো ছাৰ। যাত্ৰা কৰিবলৈকেই নাপালোঁ।
কনিষ্টবল : ও তেইতাহলি থানাক গেলি জো।
পকেটমাৰ : নালাগে ছাৰ, এতিয়া থানালৈ নিব। এইখিনি লওঁক।
কনিষ্টবল : মাত্ৰ এশ টকা।
পকেটমাৰ : সন্ধিয়ালৈ লগ ধৰি আছোঁ।
কনিষ্টবল : ধইৰ্‌বি তো? নোহোলি জেলোৰ ভাত খাবা লাগ্‌বো— বীৰেণ পুলিচক চিনি পৰা নাই।
পকেটমাৰ : ঠিক আছে, ছাৰ। এতিয়া যাওঁ (যাব ধৰে)
কনিষ্টবল : ঐ ৰহ। ও ছাৰোকো মাত দি যা।

পকেটমাৰ ঃ যাওঁ দিয়ক ছাৰ।

অ' চি ঃ যা— যা। পকেট মাৰিব আহ— ৰাতিপুৱাৰ পৰা বহনি কৰিব নোৱাৰ।

পকেটমাৰ ঃ ছাৰ, সন্ধিয়ালৈ পকেট গৰম কৰি আহিম। যদি নোৱাৰো এই বিদ্যাই বাদ দিম— মা কচম— আহিছোঁ।

খোৰা ঃ ছাৰ, আপুনি অভিনয় কৰিছিল নেকি, পুলিচত সোমোৱাৰ আগতে?

অ' চি ঃ কিয় সুধিলি?

খোৰা ঃ আপোনাৰ অভিনয় নিখুঁট হৈছে ছাৰ। কি সুন্দৰ ইংগিতেৰে আপোনালোকে পকেটমাৰজনৰ সৈতে বুজাবুজি কৰিলে।

অ' চি ঃ বেছি চালাকি নেদেখুৱাবি— ল'ক আপত ভৰাই থ'ম।

খোৰা ঃ চৰি ছাৰ, মই নিজে অভিনয় কৰা মানুহতো— আপোনালোক অভিনয় কৰা যেনেই পালোঁ।

অ' চি ঃ দাস, ইয়াত থাকিম নে যাম?

কনিষ্টবল ঃ ছাৰ, ঔফুলা চকোত লেগি গেলি ভাল হোবো। বালাৰ ট্ৰাক মেখা আইছ্বাৰ হৈছি নহয়।

অ' চি ঃ বালিৰ ট্ৰাকবোৰ এতিয়া নাহে, ৰাতিহে আহিব। এতিয়া গৈ লাভ নহ'ব।

কনিষ্টবল ঃ ও, তেইতাহোলি ছাৰ— এতেই ইস্কুটাৰ, মটৰ চাইকেল, চাইকেল— যি পাউং ধৰি লউং দক। ৰাতিৰ সাজোৰ চানা মাছোৰ দামটু উইলাবা পাৰু এ নেকি। ও পাইছু, ছাৰ পাইছু। নাম, বেতা — নাম — আহ।

ছাত্ৰ ঃ মোক কিয় ৰখালে ছাৰ?

কনিষ্টবল ঃ ও ছাৰ, সুধা-পুচা কৰক।

অ' চি ঃ তোৰ লাইচেন্স আছে?

ছাত্ৰ ঃ আছে ছাৰ।

অ' চি ঃ বাইকৰ ইঞ্চিওৰেন্স আছে?

ছাত্ৰ ঃ আছে ছাৰ, চাব নেকি?

অ' চি ঃ পলুচন চাৰ্টিফিকেট আছে?

ছাত্ৰ ঃ আছে ছাৰ।

অ' চি ঃ (ধমকৰ সুৰত) দাস কি মক্কেল ধৰি আনিলা হে?

কনিষ্টবল ঃ ও ছাৰ, ইয়াৰ ফাইন কাটাৰ কাৰণ বিচ্ৰি পাৰ নাই।

অ' চি ঃ ইয়াৰ সব Documents আছে দেখোন হে।

কনিষ্টবল ঃ ঐ বেটা, তোৰ চব আছে ৰহ — ও G.F. আছে?

খোৰা ঃ G.F. মানে?

কনিষ্টবল ঃ তাকো নাজনা — Girl Friend

খোৰা ঃ Girl Friend মানে?

কনিষ্টবল ঃ ধেৎ খৰা, — আপি বন্ধু।

ছাত্ৰ ঃ মোৰ সেইবোৰ নাই ছাৰ।

কনিষ্টবল ঃ আজিহে নাই, কালিক গেলি লাগ্‌বো নহয়।

খোৰা ঃ আপোনালোক সৰু ল'ৰা এজনক মিছাতে অপদস্থ কৰি আছে কিন্তু।

কনিষ্টবল ঃ ও ছাৰ, ইয়াৰ ফাইন কাটাৰ কাৰণ কিন্তু মই বিচ্ৰি পাইছু। এক— ইয়াৰ দাৰি-গোঁফ গাজা নাই, দুই— ই মাত্ৰ হাৱাই চেন্দেলযুৰ পিন্ধি আইহ্‌ছি আৰো তিনি— ইয়াৰ Girl Friend নাই। (পগলাৰ প্ৰৱেশ)

অ' চি ঃ ওই, বাইক চলোৱাৰ নিয়ম কিমান আছে জান?

ছাত্ৰ ঃ জানো ছাৰ।

অ' চি ঃ নেজান। তই দেখোন হাৱাই চেন্দেল পিন্ধি আহিছ— বাইক চলালে জোতা পিন্ধিব লাগে— নাজান?

কনিষ্টব ঃ ঐ আপা— পোকেটোত কিবা আছে যোদি দি এ— নোহোলি ছাৰে যাবা নেদ্‌বো, ফল।

ছাত্ৰ ঃ দেউতাই চাৰ্ট কিনিবলৈ দিয়া তিনিশ টকা আছে, লাগিলে দিব পাৰোঁ।

Chhaygaon College Library Date:........ Kamrup : Assam

অ' চি ঃ ঐ, দেউতাই কি কৰে?

ছাত্ৰ ঃ খেতি কৰে।

পগলা ঃ ও ... তোমাৰ দেউতাৰাই খেতি কৰে? মোৰ দেউতাইও খেতি কৰিছিল। মাটিৰ মানুহ সহজ-সৰল। জটিল পৃথিৱীৰ আও-ভাও নাজানো। কি ভাল মানুহ।

অ' চি ঃ দাস, তাক ইয়াৰ পৰা আঁতৰাই পঠোৱাহে।

কনিষ্টবল ঃ ঐ, যা এ এৰ্‌পে— দিম, বেতা। যা— (মাৰে)

পগলা ঃ (কান্দে) সৰুৰ পৰা মা-দেউতাৰ থাপৰ এটাও খাই নাপালোঁ। আজি এই পুলিচে কোবালে মোক। (ঘপকৈ উঠি) চাই ল'ম তোক।

অ' চি ঃ ঐ কি চাবি যা। এতিয়া ইয়াৰ পৰা আঁতৰ হ।

খোৰা ঃ আমি ৰাজপথৰ দাঁতিত হে আছো— কাৰো একো অন্যায় কৰা নাই নহয়।

পগলা ঃ যাম দিয়ক। পাঁচ টকা দিয়ক।

কনিষ্টবল ঃ ও ছাৰ, ইয়াক পাঁচ টকা দক। পাগলা মানুহ— কুবটু মাৰি কিবা বয়া লাগিল।

অ' চি ঃ দাস, তুমি দেখোন বৰ মৰমিয়াল হে। হাঃ হাঃ হাঃ হ ল— পাঁচ টকা ল। (পগলা ওলাই যায়)

কনিষ্টবল ঃ যা যাহ— চাহ খাবি যা। (ছাত্ৰলৈ চাই) ঐ তই দেখুন ধুম কল গছৰ দৰে থিয় হৈ থাক্‌লি। দি আৰো যা।

ছাত্ৰ ঃ লওঁক ছাৰ (পইচা উলিয়াই দিয়ে)

কনিষ্টবল ঃ ছাৰ ইয়াক?

অ' চি ঃ ঐ যা— যা। নিয়ম মানি চলিবি— নহ'লে ল'ক আপত ভৰাই দিম — যা। (ছাত্ৰৰ প্ৰস্থান)

অ' চি ঃ দাস, এতিয়া কি কৰা— চাহ একাপকে খাওঁ নেকি। বহা। ঐ ল'ৰা ইয়াতে চাহ দুকাপ দে।

দোকানী ঃ ছাৰ, দাস ছাৰে যোৱামাহৰ বাকীটোৰে দিয়া নাই।

কনিষ্টবল ঃ ও, দৰমাহা পালি দিম যা এ। দিম যা। ও ছাৰ, এটা কথা কউং দক। এই পলাশফুলা থানাখেনেই ভাল নহয় দক। ও একে আহি মোৰ লোকচান হে হৈছি। ও ছাৰ, আগোৰ যিখেন থানাত আছলু— সন্ধ্যা— এডাল লৈ চোকোক লেগি ওলে গেলি ৫০০ টেইকা — হাজাৰ টেইকা কমেও চাৰি - পাঁচ খেন.. পকেটত সোমায়।

কনিষ্টবল ঃ হয় ছাৰ। আৰো ছাৰ, তানাৰ এলেকাটুও বৰ আছিল ছাৰ। আৰো মানুহমেখা, ছাৰ— বৰ ভাল, বৰ ভাল। — ও সদায় দন, হাই-কাইজা হৈয়ে থাকে ছাৰ। ও আজি বুলে সীমাৰ কাইজা, ও কালি বুলে ইঘৰোত চুৰ সুমাল — ও কালি বুলে ইঘোৰোৰ আপোটোই সিঘোৰোৰ তিৰটু পলে নিলাক। কেছ — মানে, ছাৰ... একুৰি এটা।

কনিষ্টবল ঃ হৈ ছাৰ। আৰু ছাৰ — অ' চি ছাৰোৰ কেছ লওঁতে লওঁতে লওঁতে...

অ' চি ঃ মূৰ বিষায়?

কনিষ্টবল ঃ আৰো আমাৰ চেকেন্দ অ' চি ছাৰোৰ কেছ ডায়েৰী লেখাওন্তে, লেখাওন্তে..

অ' চি ঃ আঙুলি বিষায়।

কনিষ্টবল ঃ আৰো মোৰ, ছাৰ— চাহ খাওন্তে, খাওন্তে পেট বিহোই, ফল।

অ' চি ঃ কিন্তু এই থানাখন তেনেকুৱা নহয় দাস। দেখা নাই— মাখি মাৰি থাকিবলগীয়া হৈছে। যি দুই এটা কেছ পাওঁ — তাৰ পৰাই যদি দুপইচা নুলিয়াওঁ — কেনেকৈ হ'ব? ইয়াত আকৌ কথাটো কি জানা দাস? হাতী চোৰ কৰি আগে আগে যায়, বেঙেনাচোৰক বান্ধে— সাতদিন, সাতৰাতি খপি নিগনি এটা মাৰিলে তাতে ধনঞ্জয় ঢোল বাজে। আমাৰো সেয়াই হৈছে।

কনিষ্টবল ঃ মোৰ হলি, ছাৰ— এই থানাত মন বহা নাই। আপুনি যে কেন্‌কে এবছৰ কাটালাক্। এই মৰুভূমিত কুনবাই থাইকা পাৰেনা? সোনকালে ট্ৰেন্সফাৰ ল'বা লাগ্‌বো। আপুনিও, ছাৰ, ট্ৰেন্সফাৰোৰ মাথা মাৰ্‌বা লাগে।

অ' চি ঃ দাস তিনি বছৰ এই থানাত মই কটাবাই লাগিব।

কনিষ্টবল ঃ কিয়ো ছাৰ?

অ' চি ঃ উপায় নাই দাস। এই থানালৈ মোৰ পানিচমেণ্ট ট্ৰেন্সফাৰহে দিছে।

কনিষ্টবল : ও, তেইতাহলি, ছাৰ— উপায় নাই দক। থাকা দিনকেটাত ৰৌ-বল্লি নাপ্‌লিও পুঠি-খলিহ্‌নাক লোগি জাল পাত্‌বা লাগ্‌বো।

অ' চি : ঠিকেই কৈছা দাস। পকেটলৈ দুপইচা Extra নাহিলে পুলিচৰ চাকৰি কৰাৰ মজাই বা ক'ত? (পগলাৰ প্ৰৱেশ)

কনিষ্টবল : তেনেহোলি এতে পলম কৰি থাকি কি লাভ? পাক এটা মাৰি আহু দক— কবাত কিবা পাউংএই নেকি — ফল।

অ' চি : (হাঁহি) ব'লা (দুয়োৰে প্ৰস্থান।

দোকানী : ধেৎ তেৰি.

পগলা : দোষ্ট, মোৰ দুখ লাগিছে।

খোৰা : কিয়, দোষ্ট।

পগলা : সেই খকুৱা পুলিচ কেইটাক দেখিলা? স্কুলীয়া ল'ৰাটোৰ পৰাও ভেটি ল'লে।

খোৰা : কি ক'বা দোষ্ট— মই যদি ওপৰৱালা অফিচাৰ হ'লোহেঁতেন নহয়, এনেকুৱা ঘোচ খোৰা পুলিচবোৰৰ চাকৰি খালোহেঁতেন।

পগলা : হাঃ হাঃ ... সেইবাবেইটো তুমি চাকৰি পোৱা নাই।

খোৰা : এই পুলিচ অফিচাৰজনৰ ব্যৱহাৰ একেবাৰে বেয়া। ৰাইজে মুঠেও ভাল নাপায় এওঁক। থানালৈ যিকোনো কেচ গ'লেই মীমাংসাৰ নামত টকা ডিমাণ্ড কৰে, নিদিলে হেনো কেচ ৰেজিষ্টাৰ কৰি কেচ ডায়েৰী বেয়াকৈ লিখে।

পগলা : যুৱতী এজনীক কিড্‌নেপ কৰি নি ধৰ্ষণ কৰাৰ পিছত হত্যা কৰিছিল (ওচৰলৈ গৈ), সেই ঘটনাৰ তদন্তও হেনো অ'চি গোস্বামীয়ে কৰিছিল।

খোৰা : কেলেই নহ'ব দোষ্ট। এই কথা সকলোৱে জানে। বাদ দিয়া কেইবা লাখটকীয়া প্ৰশ্ন এইবোৰ। অ' চি গোস্বামীয়ে কেৱল টকাহে চিনি পায়।

পগলা : সৌ তাত কি হৈছে চোৱা হে দোষ্ট। (দৌৰি গৈ) মানুহ দুজন মান দেখোন দৌৰি গ'ল।

খোৰা : ড্ৰাইভাৰবোৰে তাচ খেলিছিল হ'বলা। পুলিচ অহা দেখি উঠি দৌৰিছে।

পগলা : তাচ খেলিলে পুলিচে দৌৰাব লাগে কিয়?

খোৰা : তেওঁলোকে দহ-বিশ টকাৰ খেল খেলেতো...

পগলা : তাৰ মানে জুৱা, হাঃ হাঃ...

খোৰা : ধৰি ল'ব পাৰা। সেয়েহে স্কোৱাড নামিছে।

পগলা : দগ স্কোৱাড নামিছে — জুৱাৰী ধৰিবলৈ?

খোৰা : তুমি যে আৰু দোষ্ট। মইনো কেতিয়া ক'লো ডগ স্কোৱাডৰ কথা? সেয়া অ' চি গোস্বামী আৰু কনিষ্টবল দাস স্কোৱাড হে।

পগলা : হাঃ হাঃ ... সেয়াহে।

খোৰা : ৰাস্তাৰ ওচৰত কিমানখন দোকানৰ পিছফালৰ কোঠাত গভীৰ নিশালৈ লাখটকীয়া জুৱাৰ আদ্দা বহে— সেই কথা পুলিচে নাজানে?

পগলা : হায় হায় — চৰকাৰী পুলিচ — একো গমেই নাপায়।

খোৰা : চব গম পাই দোষ্ট।

পগলা : তেনেহ'লে ব্যৱস্থা নলয় কিয়?

খোৰা : ৰহস্য, দোষ্ট ৰহস্য। এই চহৰখনত কিমান পৰিয়ালৰ জীৱনলৈ জুৱাই অমানিশা নমাই আনিলে— সেই কথা কোনে নাজানে?

পগলা : হেঃ হেঃ .... এজনক ধৰিছে— ধৰিছে, ৰ'বা। এঃ আকৌ এৰি দিলে।

খোৰা : কিয় এৰি দিলে জানা? মাল ল'লে মাল।

পগলা : মাল?... ধেৎ তেৰি, মোৰ পাঁচ টকাটো ল'ব লাগিছিল। আহিছে ৰ'বা, আহিছে ৰ'বা। মোৰ পাঁচ টকাটো পাম।
*(কনিষ্টবল দাস আৰু অ' চি গোস্বামী প্ৰৱেশ)*

অ' চি ঃ ইহঁতৰ বাবে আমাৰ নাক কটা গৈছে বুজিছা।

কনিষ্ঠবল ঃ কাৰ বাবে?

অ' চি ঃ এই যে সাংবাদিক কেইটা, হোৱাই নোহোৱাই নিউজ এটা কৰিলেই হ'ল। থানা এখন থকাৰ পিছতো হেনো অঞ্চলটোত জুৱাৰ প্ৰকোপ, তীৰৰ প্ৰকোপ বৃদ্ধি হৈ গৈ আছে। (পগলাৰ প্ৰস্থান)

কনিষ্ঠবল ঃ ছাৰ, সাংবাদিককেটাক কেন্‌কে মেনেজ কৰবা লাগে মই জানু। সেটু দায়িত্ব মোৰ ওপৰত এৰি দক।

অ' চি ঃ সেই কথা ময়ো নজনা নহয়, দাস। তুমি ইয়ালৈ অহা বেছিদিন হোৱা নাইতো। টকা পালে এই গোস্বামীয়ে কৰিব নোৱাৰা কাম একো নাই। আজিৰ পৰা দুবছৰ আগতে বাতৰি কাকত আৰু টিভিত আলোড়নৰ সৃষ্টি কৰা সেই ধৰ্ষণৰ ঘটনা নিশ্চয় মনত আছে?

কনিষ্ঠবল ঃ হোই, ছাৰ — আছে।

অ' চি ঃ তাৰ তদন্তৰ দায়িত্ব মোকেই দিছিল।

কনিষ্ঠবল ঃ ছাৰ, আপ্‌নি দোষীক বিচ্‌ৰি উইলোৱা নইল্লাক?

অ' চি ঃ হাঃ হাঃ সেয়া এক ৰহস্য — তাক ৰহস্য হেয়ে থাকিবলৈ দিয়া দাস।

কনিষ্ঠবল ঃ কিন্তু ছাৰ...

অ' চি ঃ একো কিন্তু নাই। মোৰ তদন্তৰ প্ৰতিবেদনে দোষীক নিৰ্দোষী প্ৰমাণ কৰিছিল। দোষীৰ জেলৰ দুৱাৰ নাকচ হৈছিল আৰু অ' চি গোস্বামীৰ বেংক একাউন্টৰ দুৱাৰ বহল হৈছিল। হাঃ হাঃ ... (পগলাৰ প্ৰৱেশ)

পগলা ঃ হাঃ হাঃ ... কি সুন্দৰ নাটক।

খোৱা ঃ হয় দেই দোষ্ট— নাটক।

অ' চি ঃ ওই কি কৈছ?

খোৱা ঃ হয় — নাটক। এই পৃথিৱীখনেই এখন ৰঙ্গমঞ্চ আৰু আমি সকলোৱেই ভাঁৱৰীয়া।

পগলা ঃ সকলো নাটকৰে যৱনিকা থাকে। অ' ছি ছাৰৰ নাটকৰো যৱনিকা পৰিল।

কনিষ্ঠবল ঃ ঐ পগলা, এটু কুনি বুলি ভাব্‌ছা? পলাশফুলা থানাৰ অ' চি গোস্বামী ছাৰ হয়।

পগলা ঃ হাঃ হাঃ অ' চি গোস্বামীৰো অভিনয়ৰ যৱনিকা পৰিল আৰু মোৰ অভিনয়ৰো— অন্ত পৰিল।

অ' চি ঃ দাস, কি চাই আছা? দুচাট লগাই খেদি দিব নোৱাৰা পগলাক?

পগলা ঃ হাঃ হাঃ... ক'লোৱেই নহয়— মোৰ অভিনয়ৰ অন্ত পৰিল। স্বপন শইকীয়া ফ্ৰম চি আই দি। আপোনাৰ বিষয়ে উত্থাপিত অভিযোগবোৰৰ অনুসন্ধানৰ দায়িত্ব মোক দিয়া হৈছিল। মোৰ Duty শেষ— Now both of you are under arrest আহক থানালৈ।

খোৱা ঃ আৰে দো... ষ্ট.... মানে ছাৰ... নমস্কাৰ।

পগলা ঃ ছাৰ নহয় — দোষ্ট। আকৌ লগ পাম আহক।

অ' চি ঃ বলক

দোকানী ঃ ও ছাৰ — মোৰ বাকীটো?

কনিষ্ঠবল ঃ ওই, চাক্‌ৰিটু থাকে যুদি দিম নহয়— দিম যা।

—ঃ যৱনিকা ঃ—

❐❐❐



# কথোপকথন

অসমৰ তৰ্ক জগতৰ এক সুপৰিচিত নাম তথা ছয়গাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ

# বিজিত কলিতাৰ সৈতে

# বাৰ্তালাপ

**আপুনি কিদৰে তৰ্কৰ পথাৰখনত সোমাই পৰিল ? আপোনাৰ এই যাত্ৰাপথৰ বিষয়ে অকণমান জনাবচোন।**

**উত্তৰ ঃ** মই ২০১১ বৰ্ষত ছয়গাঁও মহবিদ্যালয়ত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নামভৰ্তি কৰিছিলো। যেতিয়া মহাবিদ্যালয়খনৰ পৰিয়ালৰ লগত একত্ৰিত হৈছিলো তেতিয়া লাহে-লাহে গম পাইছিলো যে মহাবিদ্যালয়খন অতীজৰে পৰা সাহিত্যৰ ক্ষেত্ৰত যথেষ্ট আগবঢ়া। কাৰণ মহাবিদ্যালয়খনৰ পৰা আগতো তৰ্ক আৰু বক্তৃতাৰ ক্ষেত্ৰত বহুতো সুনাম কঢ়িয়াই আনিছে। বহুতো গণ্য-মান্য ব্যক্তিয়ে মহাবিদ্যালয়খনৰ তৰ্ক আৰু বক্তৃতাক আগবঢ়াই নিছে। উদাহৰণস্বৰূপে মোৰ সহপাঠী দুলুমণি কলিতা আৰু মোৰ অগ্ৰজ অমিত সিং আদিয়ে তৰ্কৰ পথাৰখনত ছয়গাঁও মহাবিদ্যালয়ৰ নাম ইতিমধ্যে চিনাকি কৰাই দিছিলে। বিভিন্ন ব্যক্তিগত কাৰণত তেওঁলোকে যেতিয়া তৰ্কৰ পৰা অব্যাহতি লৈছিল তাৰ পিছত ২০১৪ বৰ্ষত মই মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰি তৰ্কৰ পথাৰত নামিছিলো। তাৰ পিছৰে পৰাই আৰম্ভ হ'ল এক নতুন যাত্ৰা। ২০১৪ বৰ্ষৰ পৰা ২০১৬ বৰ্ষৰ শেষলৈ মই ছয়গাঁও মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰি তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিলোঁ। অসমৰ বিভিন্ন প্ৰান্তত মই মহাবিদ্যালয়খনৰ নাম উজ্বলাবলৈ সক্ষম হৈছিলো। অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈ অনুষ্ঠিত হোৱা বিভিন্ন তৰ্ক প্ৰতিযোগিতাত মই বহুবাৰ শ্ৰেষ্ঠ তাৰ্কিক আৰু আমি মহাবিদ্যালয়ৰ দলটিয়ে শ্ৰেষ্ঠ দলৰ সন্মান পাবলৈ সক্ষম হৈছিলোঁ। যেতিয়া মহাবিদ্যালয়খনৰ নাম লৈ অসমৰ তৰ্কৰ ৰথী-মহাৰথীক ছেৰ পেলাই পুৰস্কাৰ আনিবলৈ সক্ষম হৈছিলোঁ, তেতিয়া নিজকে পৃথিৱীৰ সকলোতকৈ সুখী মানুহ বুলি অনুভৱ কৰিছিলোঁ। ২০১৪



বৰ্ষৰ পৰা ২০১৬ বৰ্ষৰ ভিতৰত অসম তথা উত্তৰ-পূৰ্বাঞ্চল ভিত্তিত প্ৰায় ৩০ টাতকৈ অধিক শ্ৰেষ্ঠ তাৰ্কিক আৰু শ্ৰেষ্ঠ দল তথা দ্বিতীয়, তৃতীয় পুৰস্কাৰ পাবলৈ সক্ষম হৈছিলো। এইক্ষেত্ৰত মই ধন্যবাদ জ্ঞাপন কৰিব লাগিব শিক্ষাগুৰু উপেন ডেকা, ব্ৰজেন বৰ্মন, অধ্যক্ষ ৰাজু বৰদলৈ ছাৰৰ লগতে শিক্ষা বিভাগৰ সকলো বাইদেউ তথা মোৰ সকলো শুভাকাংক্ষীক।

**➲ তৰ্ক আৰু বক্তৃতা একেইনে? নে দুয়োটাৰ মাজত কিবা পাৰ্থক্য আছে? এইক্ষেত্ৰত আপুনি কি ভাৱে?**

**উত্তৰ ঃ** তৰ্ক আৰু বক্তৃতা এই দুয়োটা কলা যদিও একেই যেন লাগে কিন্তু ইয়াৰ মাজত বহুতো পাৰ্থক্য আছে। বক্তৃতা বুলি কলেই আমি সাধাৰণভাৱে বক্তৃতা বা ৰাজহুৱা সভা-সমিতিত কথা কোৱাকে বুজো কিন্তু তৰ্ক প্ৰতিযোগিতা সম্পূৰ্ণ সংসদীয় পদ্ধতিত অনুষ্ঠিত কৰা হয়। বিধানসভা তথা লোকসভা-ৰাজ্যসভাৰ আৰ্হিত তৰ্ক প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হয়। তৰ্ক কৰিবলৈ এজন প্ৰতিযোগীক বহুতো গুণৰ প্ৰয়োজন। সাগৰৰ দৰে বিশাল আৰু গভীৰ বিষয় এটা তিনি বা চাৰি মিনিটতে ক'ব পৰাকৈ সামৰ্থ, সঠিক ভাষা, সাহস, বিষয়বস্তুৰ ওপৰত গভীৰ অধ্যয়ন, প্ৰতিপক্ষৰ যুক্তিক কটাক্ষ কৰিব পৰাকৈ জ্ঞান আৰু সাহস আৰু সকলোতকৈ ডাঙৰ কথা মানসিকভাৱে অসম, উত্তৰ-পূৰ্বাঞ্চল তথা ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাৰ বাবে নিজকে সাজু কৰিব পৰাকৈ জ্ঞানৰ প্ৰয়োজন। কিন্তু বক্তৃতা প্ৰতিযোগিতাত এনেকুৱা বহুতো জ্ঞানৰ প্ৰয়োজন নাই। বিষয়বস্তুৰ জ্ঞান, ভাষা জানিলেই বক্তৃতা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰি। কিন্তু তৰ্ক কলা তাৰ সম্পূৰ্ণ বিপৰীত।

**➲ বৰ্তমানৰ যুৱপ্ৰজন্ম সাহিত্যৰ ক্ষেত্ৰখনতকৈ গীত-নৃত্যৰ ক্ষেত্ৰখনৰ প্ৰতি বেছিকৈ আকৃষ্ট হোৱা দেখা যায়। এইক্ষেত্ৰত আপোনাৰ মতামত কি?**

**উত্তৰ ঃ** বৰ্তমান সময়ত বহু ক্ষেত্ৰত এনেকুৱা অনুভৱ বা অভিজ্ঞতা লাভ কৰিছো যে বহুতো ছাত্ৰ-ছাত্ৰীয়ে নৃত্য-গীতৰ প্ৰতি বেছিকৈ আকৃষ্ট হোৱা পৰিলক্ষিত হয়। সাহিত্য চৰ্চাত মনোনিৱেশ কৰা দেখা নাযায়। সাহিত্যই যে এখন সমাজক সঠিকভাৱে আগুৱাই নিব পাৰে বহুতো ছাত্ৰ-ছাত্ৰীয়ে অনুভৱ নকৰে। আচলতে এইক্ষেত্ৰত কেৱল ছাত্ৰ-ছাত্ৰীসমূহক দোষাৰোপ কৰিলেই নহ'ব। অভিভাৱক, পৰিয়াল, সমাজ, বিদ্যালয়-মহাবিদ্যালয়সমূহ এইক্ষেত্ৰত সমানেই জগৰীয়া। ছাত্ৰজনক শিশু অৱস্থাৰ পৰাই সঠিক ৰূপত গঢ় দিব পৰাকৈ এক পৰিৱেশ গঢ় দিব পাৰিব লাগিব। এইক্ষেত্ৰত সামাজিক অনুষ্ঠান, বিদ্যালয়-মহাবিদ্যালয় তথা পৰিয়ালে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব। ইয়াৰ প্ৰতিকাৰ হিচাপে ছাত্ৰ বা ছাত্ৰীজনীৰ মনৰ অৱস্থা বুজি যদিহে সাহিত্যৰ প্ৰতি আগ্ৰহী হয় তেতিয়াহ'লে সঠিক ৰূপত আগবঢ়াই নিয়াতো পৰিয়াল তথা সকলোৰে প্ৰথম আৰু প্ৰধান দায়িত্ব।

**➲ যিহেতু আপুনি অসমৰ এজন শ্ৰেষ্ঠ তাৰ্কিক, ইয়াক লৈ আপুনি সুখী নে? নে ক'ৰবাত কিবা আক্ষেপ থাকি গ'ল?**

**উত্তৰ ঃ** সঁচা কথা ক'ব গ'লে এজন সফল তাৰ্কিক হ'বলৈ বহুতো কষ্ট, ত্যাগ আৰু পৰিশ্ৰমৰ প্ৰয়োজন। এক দীঘলীয়া সময় ধৰি সেইখিনি কৰিব পাৰিছিলো বাবে হয়তো আজি অসমৰ এজন শ্ৰেষ্ঠ তাৰ্কিক হ'ব পাৰিছো। এতিয়াও বহুতো শিকিব লগা আছে। সদায় নতুন-নতুন বিষয় শিকো। বৰ্তমান যিহেতু মই ৰাষ্ট্ৰীয় সংবাদ মাধ্যম এটাত কৰ্মৰত গতিকে ক'ৰবাত নহয় ক'ৰবাত মই সুখী। কিন্তু আক্ষেপ কিছু নথকা নহয়। ছয়গাঁও মহাবিদ্যালয়ত এখন তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰিব নোৱাৰাৰ আক্ষেপ আৰু দুখে সদায় আমনি কৰিব। মোৰ তৰ্ক কলাৰ গুণ অনুজ কাৰোবাক দিব নোপোৱাৰ আক্ষেপ থাকি গ'ল। এনেকুৱা বহুতো আক্ষেপ থাকি গ'ল। কিন্তু ছয়গাঁও মহাবিদ্যালয় মোৰ বাবে 'কাশী জগন্নাথ'ৰ নিচিনা যাৰবাবে মই নিজক চিনি পালো। ধন্যবাদ মহাবিদ্যালয়ৰ সমূহ পৰিয়ালবৰ্গ। মহাবিদ্যালয়খনৰ পৰা পৰৱৰ্তী সময়ত তৰ্ক আৰু বক্তৃতাত সুনাম অৰ্জন কৰিব পৰা ছাত্ৰ-ছাত্ৰীৰ জন্ম হওঁক তাৰেই কামনা কৰিছো লগতে মোৰ দৰে অভাজনৰ সাক্ষাৎকাৰ গ্ৰহণ কৰিব অহাৰ বাবে আলোচনী সম্পাদক ভাইটি দীপাংকৰ আৰু ছাত্ৰ একতা সভাৰ সমূহ সদস্যক ধন্যবাদ জ্ঞাপন কৰি সকলোৰে উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

□□□

# সোণোৱালী পথৰ সন্ধানত

## উত্তৰ পূৰ্বাঞ্চলত অৰ্থনৈতিক বিপ্লৱৰ সূচনা কৰা 'গ্ৰামীণ ছাহাৰা'ৰ মুখ্য কাৰ্যবাহী বিষয়া শৰৎ চন্দ্ৰ দাসৰ সৈতে অন্তৰংগ আলাপ।



**বৰ্তমান ছয়গাঁৱৰে নহয় সমগ্ৰ অসমৰে আপুনি নিবনুৱা যুৱক-যুৱতীৰ বাবে প্ৰেৰণাৰ আলোক। আপুনি নিজকে আনতকৈ কৰি তোলাৰ আঁৰৰ মূলমন্ত্ৰ কি?**

উত্তৰ ঃ মই যেতিয়া মহাবিদ্যালয়, বিশ্ববিদ্যালয় পৰ্যায়ত পঢ়ি আছিলো তেতিয়াই মোৰ মনত এটা সমাজৰ বাবে, মানুহৰ বাবে কাম কৰাৰ উৎসাহ জন্মিছিল। সমাজ এখনৰ অৰ্থনৈতিক অনগ্ৰহৰতা সৰুৰেপৰা দেখি আহিছিলো বাবে মনতে ঠিৰাং কৰি লৈছিলো যে চাকৰি কৰিলেও সমাজৰ বাবে কিবা এটা কৰিম। তেতিয়া ভবা নাছিলো গ্ৰামীণ ছাহাৰা কৰিম। কিন্তু মোৰ মনত বাহ লোৱা সমাজৰ বাবে কিবা কৰাৰ হাবিয়াসটোৱে সামাজিক উদ্যমিতা সৃষ্টিত অৰিহণা যোগাইছিল।

উদ্যমিতা কেতিয়াও বাহিৰৰপৰা নাহে। ই আহে মনৰ ভিতৰৰপৰা আৰু মই ভাবো মোৰ ভিতৰত সেই বাসনা আগৰে পৰা আছিলেই। মানুহ সদায়ে কিবা কৰাৰ বাবে, জনাৰ বাবে হাবিয়াস হৈ থাকিব লাগে। মই সদায়ে কিবা কৰাৰ বাবে, জনাৰ বাবে ভোকাতুৰ হৈ থাকো, সেইবাবে হয়তো আজিও কৃতকাৰ্যতাৰ মাপকাঠি সুধিলে মই ২৫% হে সফল বুলি উত্তৰ দিওঁ। মই কিমান সফল হ'ব পাৰিছো নে নোৱাৰো কিন্তু কিবা কৰা বা জনাৰ যিটো হাবিয়াস সেয়া মনতে এতিয়াও পুহি ৰাখিছো।

➤ **জীৱনত যদি এজন সফল মানুহ হ'বলগা হয়, তেন্তে তাৰবাবে বৰ্তমান আৰু উত্তৰ প্ৰজন্মক আপুনি কি পৰামৰ্শ আগবঢ়াব?**

**উত্তৰ ঃ** কাম কৰাৰ প্ৰতি প্ৰবল ইচ্ছাশক্তি থাকিলে মানুহ এজনে জীৱনত সহজতে সফলতা লাভ কৰে। কিন্তু মই আজি ক'বলৈ বাধ্য যে সম্প্ৰতি অসমীয়া যুৱচামৰ কৰ্মস্পৃহা হ্ৰাস পাইছে। যিটো আমাৰ বাবে অতি দুৰ্ভাগ্যকৰ। এই কৰ্মস্পৃহা আমি আনিব লাগিব। আজিকালি প্ৰায়েই দেখা যায় যে কোনো এজন মানুহক দায়িত্ব এটা দিলে মানুহজনে সেই দায়িত্ব পালনৰ পিছত কি মুনাফা লাভ কৰিব সেয়াহে গুৰুত্ব দিয়ে, তাৰ বিপৰীতে দায়িত্ব নিষ্ঠাৰে সম্পূৰ্ণ কৰিবলৈ তেওঁ চেষ্টা নকৰে। এই সকলোবোৰ কৰ্মস্পৃহা নথকাৰ বাবে হৈছে। ধৰাহ'ল মই এজন শিক্ষক, সেয়েহে শিক্ষক হিচাপে মোৰ প্ৰধান লক্ষ্য হ'ব ছাত্ৰ-ছাত্ৰীখিনিক কিদৰে সু-শিক্ষাৰে শিক্ষিত কৰিব পাৰো। তাৰবাবে মই শ্ৰেণীৰ নিৰ্ধাৰিত সময়তকৈ বেছি সময়ো ছাত্ৰ-ছাত্ৰীক দিবলগা হ'ব পাৰে তথা দিয়াটো শিক্ষক হিচাপে মোৰ দায়িত্ব।

আমি ছাত্ৰ-ছাত্ৰীক বিভিন্ন শিক্ষাৰে শিক্ষিত কৰাৰ লগতে ভৱিষ্যৎ জীৱন সুন্দৰভাৱে পৰিচালনা কৰিবৰ বাবে প্ৰাথমিক বিত্তীয় শিক্ষাও প্ৰদান কৰা উচিত। বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীৰ বিত্তীয় শিক্ষাৰ অভাৱৰ বাবে পৰিয়ালৰ আৰ্থিক অৱস্থাৰ আতিগুৰি নজনাকৈ তেওঁলোকে আৰ্থিক হেঁচা প্ৰয়োগ কৰে।

আনহাতে ছাত্ৰ-ছাত্ৰীৰ যাতে শাৰীৰিক, মানসিক স্বাস্থ্য সদায় সুস্থ-সবল হৈ থাকে তাৰ ওপৰতো আমি গুৰুত্ব প্ৰদান কৰিব লাগে। স্বাস্থ্যৰ প্ৰতি উদাসীন বৰ্তমানৰ যুৱচামে সহজতে বিভিন্নধৰণৰ ধঁপাতজাতীয় সামগ্ৰীৰ প্ৰতি আকৃষ্ট হোৱা দেখা যায়। সেয়েহে মই কওঁ, প্ৰতিজনে নিজৰ শৰীৰক ভালপোৱা উচিত আৰু নিজৰ শৰীৰৰ যত্ন লোৱা উচিত কিয়নো সুস্থ দেহতে সুস্থ চিন্তাই বাস কৰে।

সেয়েহে মই ভাবো, এজন সফল মানুহ হ'বলৈ হ'লে বৰ্তমানৰ যুৱপ্ৰজন্মই স্বাস্থ্য, বিত্ত আদি সম্পৰ্কে সজাগ আৰু সচেতন হ'ব লাগিব।

➤ **আজিকালি অধিকাংশ অভিভাৱকে নিজৰ সন্তানক কেৱল জীৱিকাকেন্দ্ৰিক মনোভাৱেৰে আগুৱাই নিয়া পৰিলক্ষিত হয়। পৰৱৰ্তী সময়ত তেওঁলোকৰ একাংশই জীৱনৰ পিছৰছোৱা সময়ত জীৱনৰ আও-ভাও বুজি নোপোৱা হয় আৰু তেতিয়াই একপ্ৰকাৰ সেইসকল শিক্ষাৰ্থীৰ জীৱনলৈ অন্ধকাৰ নামি আহে। এইক্ষেত্ৰত এজন প্ৰতিষ্ঠিত ব্যক্তি হিচাপে আপোনাৰ পৰামৰ্শ?**

**উত্তৰ ঃ** আজিৰ নম্বৰকেন্দ্ৰিক শিক্ষাব্যৱস্থাই মানুহৰ ধাৰণাও সলনি কৰি পেলালে। যদিহে কোনো ছাত্ৰ-ছাত্ৰীয়ে ১০০ নম্বৰৰ ভিতৰত ১০০ নতুবা ৯৫ নম্বৰ লাভ কৰে তেতিয়াহ'লে তেওঁৰ স্বভাৱ-চৰিত্ৰ বেয়া হ'লেও কোনো কথা নাই। এই ধাৰণা আমাৰ বাবে অতি দুৰ্ভাগ্যকৰ। নম্বৰ তালিকাত সুন্দৰ নম্বৰ লাভ কৰি কোনোবা এচুকত চাকৰি কৰি নিজৰ জীৱনচক্ৰ কটোৱাটো শিক্ষাৰ কেতিয়াও লক্ষ্য আৰু উদ্দেশ্য হ'ব নোৱাৰে। আমি উচিত শিক্ষাৰে শিক্ষিত হৈ সমাজৰ প্ৰতি পাৰ্যমানে অৰিহণা যোগোৱাটোও আমাৰ কৰ্তব্য। এজন সুস্থ নাগৰিক হৈ সমাজৰ ভাল-বেয়া দিশবোৰ চিন্তা কৰা, সমাজৰ উন্নতিৰ হকে চিন্তা কৰাৰ দায়িত্বও শিক্ষিত শ্ৰেণীৰ হাতত।

সেয়েহে আমি ভৱিষ্যতে সু-নাগৰিকেৰে পূৰ্ণ এখন সুস্থ সমাজ পাবলৈ হ'লে নম্বৰকেন্দ্ৰিক শিক্ষাব্যৱস্থাৰ প্ৰতি থকা মনোভাৱ সলনি কৰিব লাগিব।

➤ **বৰ্তমান অসমৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক এই তিনিওটা ক্ষেত্ৰতে খুব ভাল দিন চলা নাই। আপোনাৰ দৃষ্টিত অসমৰ এই দুৰাৱস্থাৰ অন্তৰালত অসমৰ ৰাজনৈতিক নেতৃত্বৰ ব্যৰ্থতা নে অসমৰ জনসাধাৰণৰ ক'ৰবাত চিন্তাৰ দূৰদৰ্শিতাৰ অভাৱ?**

**উত্তৰ ঃ** ৰাজনৈতিক নেতা তথা জনসাধাৰণ দুয়োটাই জগৰীয়া বুলি মই ভাবো। আমাৰ সমাজখন এতিয়াও ভাল ৰাজনৈতিক নেতাৰ বাবে যোগ্য হৈ উঠা নাই, সেইবাবে নিৰ্বাচনত উপযুক্ত প্ৰাৰ্থীৰ বিপৰীতে অনুপযুক্ত প্ৰাৰ্থী অনায়াসে জয়যুক্ত হয়। তেনে ৰাজনৈতিক নেতাৰ চিন্তা এইটোৱে যে তেওঁ কেনেকৈ চলে-বলে-কৌশলে নিজৰ প্ৰতিদ্বন্দ্বীজনক আগন্তুক নিৰ্বাচনত পৰাজিত কৰি নিজৰ গাদী ৰক্ষা কৰিব পাৰে। তেওঁলোকে দলৰ নীতি-আদৰ্শ মানি আগবাঢ়োতে সমাজৰ বিকাশৰ কথা পাহৰি যায়।

আনহাতে আমি তথা অসমীয়া জনসাধাৰণে কৰ্ম-সংস্কৃতি পাহৰি কেৱল আন্দোলন, ধৰ্ণা আদিতে লাগি থাকো, যাৰবাবে আমাৰ অৰ্থনৈতিক স্বাৱলম্বিতা ক্ৰমে কমি গৈছে যিটো আমাৰ বাবে নেতিবাচক। সেইবাবে আমি ৰাজনৈতিক নেতাৰ মুখলৈ চাই থাকিলে নহ'ব, নিজে নিজৰ কৰ্ম-সংস্কৃতি গঢ়ি আগবাঢ়িব লাগিব। সেইবাবে মই ভাবো আজিৰ অসমৰ যি অৱস্থা তাৰবাবে অসমীয়া জনসাধাৰণে দায়ী, আন কোনো বহিৰাগত নহয়। সেয়েহে আমাৰ কৰ্ম সংস্কৃতি গঢ়াৰ সময় আৰু নতুন প্ৰজন্মক উচিত পথৰ নিৰ্দেশনা দিয়া সময়।□


নিয়মীয়া
শিতান

# সভাপতিৰ প্ৰতিবেদন



ছাত্ৰ একতা সভা, ছয়গাঁও মহাবিদ্যালয়, ছয়গাঁও
২০১৮-১৯ ইং বৰ্ষ

প্ৰতিবেদনৰ আৰম্ভণিতে অসমী আইৰ জাতীয় স্বাৰ্থ ৰক্ষাৰ বাবে হাঁহি হাঁহি প্ৰাণ আহুতি দিয়া শ্বহীদ সকলোলৈ মোৰ প্ৰণাম যাচিলোঁ, লগতে CAB বিৰোধী আন্দোলনৰ প্ৰথম শ্বহীদ আমাৰ ছয়গাঁও দলৈপাৰা নিবাসী শ্বহীদ দীপাঞ্জল দাসলৈ মই মোৰ সহস্ৰ প্ৰণাম যাচিলোঁ। যিসকল মহান ব্যক্তিৰ নিঃস্বাৰ্থ ত্যাগ আৰু কষ্টৰ ফলত ১৯৭৪ চনৰ ৬ ছেপ্তেম্বৰত ছয়গাঁও মহাবিদ্যালয়ৰ জন্ম হৈছিল আৰু মহাবিদ্যালয়খনক আগুৱাই নিয়াৰ ক্ষেত্ৰত যিসকল ব্যক্তিয়ে আজিৰ প্ৰচেষ্টা চলাই আহিছে সেইসকল মহান ব্যক্তিলৈ মই মোৰ শত শহস্ৰ প্ৰণাম যাচিছোঁ।

দক্ষিণ কামৰূপৰ শৈক্ষিক আৰু বৌদ্ধিক চিন্তা-চৰ্চাৰ অন্যতম কেন্দ্ৰ আৰু ছয়গাঁও সমষ্টিৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ ছয়গাঁও মহাবিদ্যালয় কেৱল জ্ঞান চৰ্চাৰ বা শিক্ষা গ্ৰহণৰ অনুষ্ঠানেই নহয়, সুস্থ-সৱল সমাজ গঠন কৰাতো ই বিশেষ ভূমিকা পালন কৰি আহিছে।

এনে সফল আৰু ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানখনত যেতিয়া প্ৰথম খোজ পেলাইছিলো সেইদিনাৰ পৰাই মনত এটি সপোন পুহি ৰাখিছিলো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিনিধি হিচাপে থাকি মহাবিদ্যালয়খনৰ হকে কিছু সেৱা আগবঢ়োৱাৰ। সেয়েহে ২০১৮-১৯ চনৰ ১৩ অক্টোবৰত অনুষ্ঠিত হোৱা ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত ৩ জন প্ৰতিনিধিৰ ভিতৰত মই সভাপতি পদত বিপুল ভোটত জয়ী হওঁ। মই নিজকে সৌভাগ্যবান মানিছো আৰু ইয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

২০১৮ ইং ২৮ অক্টোবৰ তাৰিখে ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক মাননীয় শ্ৰীযুত পৰেশ অধিকাৰী ছাৰৰ মুখে মুখে আমি শপত নামা পাঠ কৰি ছাত্ৰ একতা সভাৰ কাৰ্যভাৰ গ্ৰহণ কৰো। ছাত্ৰ একতা সভাৰ এগৰাকী শীৰ্ষ প্ৰতিনিধি হিচাপে মোৰ যি দায়িত্ব আৰু কৰ্তব্য সেয়া নিঃ স্বাৰ্থ ভাবে আৰু বিনাদ্বিধাই পালন কৰিবলৈ চেষ্টা কৰিছিলো।

মোৰ কাৰ্যকালৰ আৰম্ভণিতে সৰ্ব্বানন্দ সোণোৱাল নেতৃত্বধীন বিজেপি চৰকাৰে "নাগৰিকত্ব সংশোধনী বিধেয়ক ২০১৬ জাপি দি অসমীয়া জাতিৰ অস্তিত্ব ধ্বংস কৰিব ওলোৱা কাৰ্যক আমি মহাবিদ্যালয় ছাত্ৰ একতা সভা আৰু ছাত্ৰ-

ছাত্ৰীসকলে তীব্ৰ বিৰোধিতা কৰি ৯ জানুৱাৰী ২০১৯ ইং তাৰিখৰ পৰা শ্ৰেণী বৰ্জন কাৰ্যসূচী লৈছিলো। এই সন্দৰ্ভক আমি এক প্ৰেছ বিবৃতি ও দিছিলো, এই বিবৃতিত আমি অৰ্থাৎ মই সভাপতি হিচাপে আৰু ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক বনজিৎ কলিতাই স্বাক্ষৰ কৰিছিলো। তাৰ কিছুদিন পিছতে ২৮ জানুৱাৰীৰ পৰা ২ ফেব্ৰুৱাৰী ২০১৯ লৈ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহখনি উলহ মালহেৰে অনুষ্ঠিত কৰা হৈছিল। এই মহাবিদ্যালয় সপ্তাহখনিত মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰিছিল মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি শ্ৰদ্ধাৰ শ্ৰীযুত মহেশ কলিতা দেৱে লগতে মই ছাত্ৰ একতা সভাৰ পতাকা উত্তোলন কৰিছিলো। আৰু শ্বহীদ তৰ্পন কৰিছিল মোৰ শ্ৰদ্ধাৰ দাদা ছয়গাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা শ্ৰীযুত দেৱজিৎ গোস্বামী দেৱে।

যোৱা কেইবেলিৰ দৰে এই বেলিও ১০ ফেব্ৰুৱাৰী ২০১৯ ইং তাৰিখে বিদ্যাৰ অধিষ্ঠাত্ৰী শ্ৰীশ্ৰীসৰস্বতী দেৱীৰ পূজাখনি উলহ-মালহেৰে পালন কৰা হয়।

কাৰ্যকালৰ শেষৰ পিনে ছাত্ৰ একতা সভাৰ তৰফৰ পৰা শিক্ষক দিৱসৰ লগত সংগতি ৰাখি এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। শিক্ষক দিৱস উপলক্ষে উক্তদিনা ছাৰ-বাইদেউ সকলক সম্বৰ্দ্ধনা জনোৱাৰ আগতে এক সাংস্কৃতিক অনুষ্ঠানৰ ও আয়োজন কৰা হৈছিল।

কাৰ্য কালৰ শেষৰটো কাৰ্য হিচাপে যোৱা কেইবেলিৰ দৰে এই বেলিও ৬ ছেপ্তেম্বৰ ইং তাৰিখে অৰ্থাৎ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আমাৰ মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাখন অনুষ্ঠিত হৈ যায়। উক্ত নৱাগত আদৰণি সভাত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী দীপলিনা ডেকা আৰু মানস প্ৰতীম উপস্থিত আছিল।

**কৃতজ্ঞতা ঃ**

মোৰ কাৰ্যকালৰ প্ৰতিটো কাৰ্যসূচীতে দিহা-পৰামৰ্শৰে উৎসাহিত কৰা শ্ৰদ্ধাৰ শিক্ষাগুৰু সকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মোক বিশেষভাৱে সহায়ৰ হাত আগবঢ়োৱাৰ বাবে ছয়গাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি-সম্পাদক প্ৰমুখ্যে সমূহ বিষয়ববীয়া সকলক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

বিভিন্ন ধৰণে সহায়-সহযোগিতা আগবঢ়োৱা মোৰ দাদা শ্ৰীঅজিত দাসৰ লগতে বন্ধু-বান্ধৱী সকল ক্ৰমে— হীৰক, ডোনাল্ড, শশাংক, সঞ্জীৱ, মেধী, ব্ৰজেন, ৰাজু, আজিজুৰ, ৰিংকু, বিদ্যুৎ, চিন্ময়, চিন্ময় বড়ো, পাৰ্থ, ৰাহুল, নয়ন, জয়ন্ত, প্ৰাণজিৎ, কমল, ধীৰাজ, অঞ্জন, ইন্দ্ৰ, নিলোৎপল, দ্বীপ (DK), পৰাশমণি, হৃষিকেশ (Risi), নয়নি, শ্বেহনাজ, নিহাৰিকা, পূৰৱী, গীতিকা, জুগস্মিতা লগতে নাম উল্লেখ নকৰা সকলোকে মই ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত মোৰ কাৰ্যকালৰ সময়ছোৱাত অজানিতে হৈ যোৱা ভুল ত্ৰুটিৰ বাবে সকলোৰে আগত ক্ষমা মাৰ্জনা বিচাৰি অনাগত দিনত আমাৰ এই মহাবিদ্যালয়ৰ সৰ্ব্বাংগীন উন্নতি আৰু উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ ইমানতেই সামৰণি মাৰিলো। ধন্যবাদ।

**জয়তু ছয়গাঁও মহাবিদ্যালয়**

বিনম্ৰতাৰে—

কমল দাস
সভাপতি
ছাত্ৰ একতা সভা
ছয়গাঁও মহাবিদ্যালয়, ছয়গাঁও

# উপ-সভাপতিৰ প্ৰতিবেদন



ছাত্ৰ একতা সভা, ছয়গাঁও মহাবিদ্যালয়, ছয়গাঁও
২০১৮-১৯ ইং বৰ্ষ

পোহৰৰে চাকি গছি আমি
জ্বলামেই এদিন জ্বলাম
—জুবিন গাৰ্গ

প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল মহান মণিষীক ধন্যবাদ জ্ঞাপন কৰিছো, যি সকল মহান ব্যক্তিৰ নিঃ স্বাৰ্থ ত্যাগ আৰু পৰিশ্ৰমৰ ফলত ১৯৭৪ চনত জন্ম হৈছিল ছয়গাঁও বাসীৰ হিয়াৰ আমঠু তথা উচ্চ শিক্ষাৰ প্ৰাণ কেন্দ্ৰ ছয়গাঁও মহাবিদ্যালয়। এই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত উপ-সভাপতিৰ পদত জয়ী হৈ নিজকে ধন্য মানিছো আৰু মহাবিদ্যালয়ৰ শিক্ষাগুৰুবৃন্দ আৰু শিক্ষাৰ্থীক মোৰ ফালৰ পৰা ধন্যবাদ জ্ঞাপন কৰিছো।

প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰে নিজৰ ঘৰখনৰ পিছতেই দ্বিতীয়খন ঘৰ হ'ল নিজে পঢ়ি থকা শিক্ষানুষ্ঠানখন। মোৰ বাবেও এয়া ব্যতিক্ৰম নাছিল। দায়িত্ব গ্ৰহণ কৰাৰ পাছত মহাবিদ্যালয়ৰ বিভিন্ন অনুষ্ঠান অনুষ্ঠিত হয়।

২০১৮-১৯ ইং বৰ্ষত আমাৰ কাৰ্যকালতো ২৪ জানুৱাৰী তাৰিখৰ পৰা এক বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাৰ সাতদিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয় সপ্তাহ আৰম্ভ হৈছিল। য'ত শিক্ষাৰ্থীসকলৰ সক্ৰিয় অংশগ্ৰহণ আৰু সহায়-সহযোগিতাই অনুষ্ঠানটোৰ সৌষ্ঠৱ দুগুণে বৃদ্ধি কৰিছিল। তাৰ পৰৱৰ্ত্তী অনুষ্ঠান আছিল মহাবিদ্যালয়ত সৰস্বতী পূজা আৰু ইয়াত ছাত্ৰ-ছাত্ৰী সকলৰ পূৰ্ণ সহযোগিতা দেখা গৈছিল। ইয়াৰ উপৰিও ৫ ছেপ্টেম্বৰ তাৰিখে অনুষ্টুপীয়াকৈ হ'লেও 'শিক্ষক দিৱস' পালন কৰা হৈছিল। ইয়াৰ পিছদিনা অৰ্থাৎ ৬ ছেপ্টেম্বৰ তাৰিখে মহাবিদ্যালয়ত নতুন দিগন্তৰ সপোন লৈ অহা নতুন শিক্ষাৰ্থীসকলক আদৰা আমাৰ আটাইৰে প্ৰিয় অনুষ্ঠান নৱাগত আদৰণি সভাখন সুকলমে অনুষ্ঠিত হৈ যায়, য'ত বিভিন্ন নিমন্ত্ৰিত সন্মানীয় অতিথিৰ অনুষ্ঠানে ইয়াক সোণত সুৱগা চৰা কৰিছিল। অনুষ্ঠানত উপস্থিত সন্মানীয় ব্যক্তি সকলৰ ভিতৰত অসম চৰকাৰৰ মাননীয় শিক্ষামন্ত্ৰী শ্ৰীযুত সিদ্ধাৰ্থ ভট্টাচাৰ্য ডাঙৰীয়া বিশিষ্ট কবি অনুভৱ তুলসী, লগতে উপস্থিত আছিলে অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী দীপলিনা ডেকা আৰু মানস প্ৰতীম।

এজন ছাত্ৰ প্ৰতিনিধিৰ নিজৰ মহাবিদ্যালয় খনক লৈ যথেষ্ট আশা, সপোন থাকে। কিন্তু সেয়া আশা কৰা ধৰণে সমাপন কৰিব নোৱাৰাটো ব্যৰ্থতা নহয়। বিভিন্ন নিয়মৰ বান্ধোন তথা পৰিস্থিতিৰ হকে মোকাবিলা কৰিব লগা হোৱা হেতুকে বিভিন্ন আশা আৰু সপোন থাকিলেও সেয়া বাস্তৱত পূৰণ কৰা সম্ভৱপৰ নহয়। যাৰ বাবে আমি দুঃখিত। কিন্তু পাৰ্যমানে নিজৰ এশ শতাংশই উজাৰি দিব চেষ্টা কৰিছিলো বিভিন্ন সমস্যাৰে জৰ্জাৰিত মহাবিদ্যালয় খনক লৈ। এই ছেগতে মহাবিদ্যালয়খনক আজিৰ অৱস্থালৈ লৈ অনা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ৰাজু বৰদলৈ ছাৰক ধন্যবাদ জ্ঞাপন কৰিছো, তেখেতৰ অক্লান্ত যুঁজাৰু মানসিকতা আৰু পৰিশ্ৰমৰ বাবে।

শেষত মোক আন্তৰিকতাৰে সহযোগিতা আগবঢ়োৱা সকলো শিক্ষাগুৰু আৰু বন্ধু-বান্ধৱীৰ ওচৰত মোৰ চিৰ কৃতজ্ঞতা স্বীকাৰ কৰিলো। অনাগত ভৱিষ্যতে যাতে আমাৰ মহাবিদ্যালয় আকৌ জিলিকি উঠে তাৰেই আশাৰে মোৰ প্ৰতিবেদনৰ অন্ত পেলালো।

জয়তু ছয়গাঁও মহাবিদ্যালয়

বিনম্ৰতাৰে—

জিতেন দাস
উপ-সভাপতি
ছাত্ৰ একতা সভা
ছয়গাঁও মহাবিদ্যালয়, ছয়গাঁও

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



ছাত্ৰ একতা সভা, ছয়গাঁও মহাবিদ্যালয়, ছয়গাঁও
২০১৮-১৯ ইং বৰ্ষ

পাতনিতে জনাইছো সেইসকল মহান মণিষীলৈ মোৰ অকৃত্ৰিম শ্ৰদ্ধা, যিসকলৰ আশাশুধীয়া প্ৰচেষ্টাত ছয়গাঁও অঞ্চলত গঢ় লৈ উঠিছিল বৃহত্তৰ ছয়গাঁৱবাসীৰ উচ্চশিক্ষাৰ হৃদপিণ্ড ছয়গাঁও মহাবিদ্যালয়। সোণালী জয়ন্তী গৰকাৰ পথত এইখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত জয়ী হৈ সাধাৰণ সম্পাদক হিচাবে নিয়োজিত হ'ব পোৱাটো মোৰ বাবে কেৱল সৌভাগ্যই নহয় মহাবিদ্যালয়খনৰ হকে ছাত্ৰ হিচাপে সেৱা আগবঢ়াব পৰাটোও সঁচাকৈয়ে কল্পনাতীত।

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা দেৱে কৈছিল- ৰূপান্তৰেহে জগত ধুনীয়া কৰে। সেই কথাষাৰে সাৰোগত কৰি ২০১৮ চনৰ ২৭ অক্টোবৰ তাৰিখে কাৰ্যভাৰ গ্ৰহণ কৰি মহাবিদ্যালয়খনৰ উন্নতিৰ হকে কিবা এটা কৰাৰ পণ লওঁ আৰু তাৰ পৰৱৰ্তী সময়ত বিভিন্ন কাৰ্যসূচীৰ মাজেৰে আমাৰ কাৰ্যকালৰ সামৰণি পৰে।

কাৰ্যভাৰ গ্ৰহণ কৰিয়ে আমাৰ প্ৰথমটো কাৰ্যসূচী আছিল 'মহাবিদ্যালয় সপ্তাহ'। ২০১৯ বৰ্ষৰ ২৮ জানুৱাৰীৰ পৰা ২ ফেব্ৰুৱাৰীলৈ চলা এই আড়ম্বৰপূৰ্ণ অনুষ্ঠানখনি যথেষ্ট উলাহ-মালহেৰে সম্পন্ন হৈ যায় য'ত মহাবিদ্যালয়ৰ বিভিন্ন শিক্ষাৰ্থীয়ে নিজৰ প্ৰতিভাসমূহ প্ৰদৰ্শন কৰে। শিক্ষাৰ্থীসমূহৰ প্ৰতিভা দেখি আমি বাৰুকৈয়ে উৎফুল্লিত হওঁ। মহাবিদ্যালয় সপ্তাহত পৰিচালনা সমিতিৰ সভাপতি শ্ৰীযুত মহেশ কলিতা ছাৰ প্ৰমুখ্য কৰি স্থানীয় বিধায়ক ৰেকিবুদ্দিন আহমেদ, অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ অধ্যক্ষ ডাঃ কমলাকান্ত কলিতা, মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষা ড° ইচমাতুন নেচা বাইদেউ, মিষ্টাৰ ইউনিভাৰ্চ গোলাপ ৰাভা আৰু গুৱাহাটী মহকুমা ছাত্ৰ সন্থাৰ প্ৰাক্তন বিত্ত সম্পাদক দেৱজিৎ গোস্বামী আদি বিভিন্ন ব্যক্তিয়ে অনুষ্ঠানটি সাফল্যমণ্ডিত কৰাত সহায় কৰে।

আমাৰ কাৰ্যকালৰ দ্বিতীয়টো বৃহৎ কাৰ্যসূচী আছিল 'সৰস্বতী পূজা'। বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱীৰ শ্ৰীচৰণত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সমাজে মিলি পুষ্পাঞ্জলি অৰ্পন কৰো।

'শিক্ষক হৈছে এডাল মমবাতিৰ নিচিনা
যি নিজে গলি আনক পোহৰ দিয়ে।'

৫ ছেপ্টেম্বৰ প্ৰতিখন শিক্ষানুষ্ঠানৰ বাবে এক উল্লেখযোগ্য দিন। সেয়া সকলোৰে জ্ঞাত। প্ৰতিজন শিক্ষাগুৰুৰ বাবে উৎসৰ্গিত এই দিনটো আমি মহাবিদ্যালয়ৰ শিক্ষাৰ্থী সমাজে চম্পকজ্যোতি প্ৰেক্ষাগৃহত সমূহীয়াভাৱে শিক্ষকসকলক সম্বৰ্দ্ধনা জ্ঞাপন কৰো। তাত আমাৰ মহাবিদ্যালয়ৰ প্ৰতিশ্ৰুতিসম্পন্ন উদীয়মান নাট্যকাৰ তপন ঠাকুৰীয়াৰ নাট 'জুয়ে পোৰা সোণ' প্ৰদৰ্শিত কৰা হয়। উল্লেখযোগ্য যে নাটকখনৰ এটি খলনায়কৰ চৰিত্ৰত আমাকো অভিনয়ৰ সুযোগকণ দিয়াৰ বাবে আমি নাট্যকাৰৰ ওচৰত কৃতজ্ঞ। এইছেগতে আমি তপন ঠাকুৰীয়াৰ উজ্বল ভৱিষ্যত কামনা কৰিলোঁ।

*পোহৰৰে চাকি গছি আমি*
*জ্বলামেই এদিন জ্বলাম।*

— জুবিন।

দুচকুত অযুত সপোন লৈ হাইস্কুলীয়া দেওনা পাৰ কৰি কৈশোৰ বয়সতে শিক্ষাৰ্থীয়ে মহাবিদ্যালয়ৰ জীৱনৰ পাতনি মেলে নিজক প্ৰতিষ্ঠা কৰাৰ মানসেৰে। এইসকল উদ্দীপ্ত প্ৰদীপ্ত প্ৰতিভাক আনুষ্ঠানিকভাৱে আদৰাৰ বাবে ৬ ছেপ্তেম্বৰ তাৰিখে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি নৱাগত আদৰণী সভাখন অনুষ্ঠিত কৰা হয়। য'ত মুখ্য অতিথিৰ আসন অলংকৃত কৰে অসম চৰকাৰৰ শিক্ষামন্ত্ৰী শ্ৰীযুত সিদ্ধাৰ্থ ভট্টাচাৰ্য ডাঙৰীয়াই। লগতে অসম চৰকাৰৰ খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ অধ্যক্ষ ডাঃ কমলাকান্ত কলিতা, মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰাজু বৰদলৈ আদি কৰি ছয়গাঁও আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া শ্ৰীযুত ৰূপম হাজৰিকাৰ উপস্থিতিৰে অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধিত সহায় কৰে। উক্ত অনুষ্ঠানৰ মুখ্য আকৰ্ষণ আছিল জনপ্ৰিয় কণ্ঠশিল্পী তথা অভিনেত্ৰী দীপলিনা ডেকা আৰু মানস প্ৰীতমৰ সংগীতানুষ্ঠান। উক্ত দিনাই সন্ধিয়া মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি এহেজাৰ বন্তি প্ৰজ্বলন কৰা হয়।

ইয়াৰোপৰি আমাৰ কাৰ্যকালত অনুষ্ঠিত হোৱা কিছুমান উল্লেখযোগ্য ঘটনা হ'ল— মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ সহায়ৰ বাবে আৰ্থিক অনুদানৰ আঁচনি হাতত লোৱা। যাৰফলত পৰৱৰ্তী সময়ত বিভিন্ন শিক্ষাৰ্থী উপকৃত হোৱা পৰিলক্ষিত হৈছে। আনকি অইন মহাবিদ্যালয়ৰ শিক্ষাৰ্থীক আমি উপকাৰ কৰিব পৰাটো আমাৰ বাবে সৌভাগ্য।

আন এক উল্লেখযোগ্য দিশ হ'ল আমাৰ কাৰ্যকালতে গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত মহাবিদ্যালয়ে প্ৰতিনিধিত্ব কৰি পুৰস্কাৰ বুটলিবলৈ সক্ষম হোৱা।

ইয়াৰোপৰি ২০১৯ বৰ্ষৰ ২২ ফেব্ৰুৱাৰী তাৰিখে আমাৰ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ তথা মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী বাসুদেৱ দাসে ৰাষ্ট্ৰীয় যুৱ সংসদ (National Youth Parliament)ত কামৰূপ জিলাক প্ৰতিনিধিত্ব কৰি নতুন দিল্লীলৈ ৰাওনা হোৱাটো আমাৰ বাবে সৌভাগ্যৰ কথা।

ইয়াৰোপৰি ছেগা-ছোৰোকাকৈ বিভিন্ন সৰু বৰ কাৰ্যসূচী হাতত লোৱা হৈছিল, তাৰ ভিতৰত NSS ৰ উদ্যোগত বানপীড়িতৰ বাবে আৰ্থিক সাহায্য সংগ্ৰহ উল্লেখযোগ্য।

সোণালী জয়ন্তী গৰকাৰ পথত এইখন মহাবিদ্যালয়ৰ এজন সাধাৰণ সম্পাদক হিচাপে বিভিন্ন প্ৰত্যাহ্বান নেওঁচি এবছৰীয়া ক্ষুদ্ৰ কাৰ্যকালত নিজৰ সৰ্বোচ্চখিনি উজাৰি দিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিলো। তাৰ মাজতে কিমানদূৰ সফল বা বিফল সেয়া আপোনালোকৰ বিচাৰ্য বিষয়। লগতে আমাক এই সুযোগকণ দিয়াৰ বাবে যিসকল জড়িত সেইসকলক কৃতজ্ঞতা স্বীকাৰ নকৰিলে হয়তো আমি কৰবাত অন্যায় কৰা হ'ব। সেয়েহে আমাৰ কাৰ্যকালত বিশেষভাৱে সহায় আৰু দিহা-পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গ প্ৰমুখ্যে অধ্যক্ষ ড° ৰাজু বৰদলৈ ছাৰ, তত্বাৱধায়ক পৰেশ চন্দ্ৰ অধিকাৰী ছাৰৰ লগতে অন্যান্য শিক্ষাগুৰুসকল, অনা-শিক্ষক কৰ্মচাৰীবৃন্দ, মোৰ মৰমৰ দাদা-বাইদেউ, বন্ধু-বান্ধৱী আৰু ভাইটি-ভন্টি সকলোৰে ওচৰত মই চিৰকৃতজ্ঞ।

সদৌশেষত মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি, মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ক্ৰটিৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**জয়তু ছয়গাঁও মহাবিদ্যালয়**

বিনম্ৰতাৰে—

**বনজিৎ কলিতা**
সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা
ছয়গাঁও মহাবিদ্যালয়, ছয়গাঁও

# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন





*'সংস্কৃতি হৈছে একপ্ৰকাৰ ৰক্তপ্ৰবাহ। যিয়ে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ সমন্বয়ৰ সুঁতি চিৰপ্ৰবাহমান হৈ থকাত চালিকা শক্তিৰ ভূমিকা পালন কৰে।'*

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ আপ্ৰাণ চেষ্টাত ঐতিহ্যমণ্ডিত ছয়গাঁও মহাবিদ্যালয়ৰ জন্ম হৈছিল তেওঁলোকলৈ সশ্ৰদ্ধ প্ৰণাম জনাইছো, লগতে কৃতজ্ঞতা জ্ঞাপন কৰিছো ১৯৭৪ চনৰ পৰা আজিলৈ এই পবিত্ৰ জ্ঞানৰ মন্দিৰৰ লগত জড়িত হৈ অহা শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল আৰু কৰ্মচাৰীবৃন্দলৈ।

ছয়গাঁও মহাবিদ্যালয় ছয়গাঁওবাসীৰ বাবে কেৱল এখন শিক্ষানুষ্ঠানেই নহয়, সকলোৰে স্বাভিমান আৰু আৱেগ। মহাবিদ্যালয়খনৰ প্ৰতিটো ইতিবাচক কামতেই ছয়গাঁওবাসীয়ে সহযোগ কৰি আহিছে আৰু এইখন পবিত্ৰ মজিয়াতে ছয়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ২০১৮ চনৰ ১৩ অক্টোবৰ তাৰিখে হোৱা ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত 'সাংস্কৃতিক সম্পাদক'ৰ পদটিত মোক পূৰ্ণ বিশ্বাসেৰে জয়যুক্ত কৰোৱাই। মহাবিদ্যালয়ৰ আটাইৰে বিশ্বাস আৰু সহায়-সহযোগিতাৰে মই মোৰ কাৰ্যকালত কিছু কাৰ্যসূচী পালন কৰিছিলো। ৫ নৱেম্বৰ ২০১৮ চনত আমি পালন কৰিছিলো সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ মৃত্যুতিথি য'ত ভূপেন হাজৰিকাদেৱৰ মহান সৃষ্টিৰাজিৰ বিষয়ে আলোচনা কৰাৰ লগতে তেখেতৰ গীত ছাত্ৰ-ছাত্ৰীসকলে পৰিবেশন কৰিছিল। ২০১৯ বৰ্ষৰ জানুৱাৰী মাহৰ ২৮ তাৰিখৰ পৰা ২ ফেব্ৰুৱাৰী তাৰিখলৈ আমি আয়োজন কৰিছিলো মহাবিদ্যালয় সপ্তাহ। প্ৰথমদিনা প্ৰতিযোগিতামূলক 'সাংস্কৃতিক শোভাযাত্ৰা'ত ছাত্ৰ-ছাত্ৰীসকলে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয় কিয়নো সেইদিনাখন অসমৰ বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতি প্ৰদৰ্শন কৰি ৰজনজনাই দিছিল ছয়গাঁৱৰ পৰিৱেশ। ইয়াৰ পিছতেই মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি সাংস্কৃতিক বিভাগৰ তৰফৰ পৰা বিভিন্ন ধৰণৰ প্ৰতিযোগিতা আয়োজন কৰা হৈছিল। প্ৰতিযোগিতাসমূহত প্ৰতিযোগীসকলৰ প্ৰদৰ্শন আছিল যথেষ্ট উন্নতমানৰ। স্থানপ্ৰাপ্ত প্ৰতিযোগীসকলক পুৰস্কৃত কৰিবলৈ ২ ফেব্ৰুৱাৰী ২০১৯ তাৰিখে বঁটা বিতৰণী সভা অনুষ্ঠিত কৰা হৈছিল, য'ত ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ জগাবলৈ আমাৰ মাজত উপস্থিত হৈছিল মিঃ ইউনিভাৰ্চ গোলাপ ৰাভা।

ইয়াৰ পিছতেই ছয়গাঁওবাসীয়ে অনুষ্ঠিত কৰে ছয়গএগ্ৰা লোক উৎসৱ, যত আমাৰ লোক-সংস্কৃতিসমূহৰ সুন্দৰভাৱে প্ৰতিফলন ঘটে আৰু এই উৎসৱৰ লগত সংগতি ৰাখি আয়োজন কৰা হয় এখনি প্ৰতিযোগিতামূলক সাংস্কৃতিক শোভাযাত্ৰা। উক্ত শোভাযাত্ৰাত ছয়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে উচ্চ শাখাৰ প্ৰথম স্থান অধিকাৰ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱ সকলোৰে বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু। ২০১৯ চনৰ এপ্ৰিল মাহত হাজো সুৰেন দাস মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা East Zonal যুৱ মহোৎসৱত মুঠ সাতটা বিভাগত স্থান লাভ কৰে আমাৰ মহাবিদ্যালয়ে। মূল পৰ্যায়লৈ উপনীত হোৱা ছাত্ৰ-ছাত্ৰীসকল আছিল কৰিস্মা ৰাভা, আব্দুল কৰিম, চয়নিকা কলিতা আৰু হিমাংশু কলিতা। ইয়াৰোপৰি যুৱ মহোৎসৱৰ মূল পৰ্যায়ত কৰিশ্মা ৰাভাই বিষ্ণু ৰাভা সংগীত প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰে।

প্ৰত্যেক বৰ্ষৰ দৰে ছয়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত ৫ ছেপ্তেম্বৰ তাৰিখে 'চম্পকজ্যোতি প্ৰেক্ষাগৃহ'ত অনুষ্ঠিত কৰিছিলো 'শিক্ষক দিৱস'। উক্তদিনা নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰে বিভিন্ন ধৰণৰ সাংস্কৃতিক অনুষ্ঠান লগতে শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলক জনোৱা হয় সম্বৰ্দ্ধনা। শিক্ষক দিৱসৰ লগতেই সংগতি ৰাখি ছয়গাঁও মহাবিদ্যালয় আছু গোটৰ সহযোগত এখনি নাটক পৰিৱেশন কৰা হৈছিল।

মহাবিদ্যালয় প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰে হেঁপাহৰ এটি দিন হ'ল 'নৱাগত আদৰণি সভা' আৰু 'প্ৰতিষ্ঠা দিৱস'। ৬ ছেপ্তেম্বৰ, ২০১৯ তাৰিখে অনুষ্ঠিত কৰা নৱাগত আদৰণি সভাত মহাবিদ্যালয়ৰ নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীসকলে গীত-নৃত্যৰে নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনাই। উক্তদিনা আমাৰ মাজত উপস্থিত আছিল অসমৰ শিক্ষামন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য তথা প্ৰাক্তন স্বাস্থ্যমন্ত্ৰী ডাঃ কমলা কান্ত কলিতা দেৱ। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত আছিল বিশিষ্ট কবি অনুভৱ তুলসী। উক্ত দিনটোৰ বিশেষ আকৰ্ষণ আছিল জনপ্ৰিয় কণ্ঠশিল্পী মানস প্ৰতীম আৰু দিপলীনা ডেকাৰ গীতৰ শৰাই।

মহাবিদ্যালয়খনৰ সাংস্কৃতিক উত্তৰণত যথেষ্ট কৰণীয় আছিল যদিও মই মোৰ এবছৰীয়া কাৰ্যকালত তাৰ বহুখিনিয়ে সাকাৰ ৰূপ নাপালে যদিও আমি যৎপৰোনাস্তি চেষ্টা কৰিছিলো। তথাপিও মহাবিদ্যালয়খনৰ উত্তৰণত প্ৰতিটো খোজতে কামনা কৰো, কিয়নো মহাবিদ্যালয়খনৰ সুনাম আৰু উত্তৰণত যি সুখ অনুভৱ হয় সেয়া মহাবিদ্যালয়ক ভালপোৱাজনেহে বুজিব পাৰে।

এইখিনিতে আমাৰ কাৰ্যকালত বিশেষভাৱে সহায় আৰু দিহা পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰাজু বৰদলৈ ছাৰ, সাংস্কৃতিক বিভাগৰ তত্বাৱধায়ক ড° নৱ কুমাৰ কলিতা ছাৰ, মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ, ছয়গাঁও আঞ্চলিক ছাত্ৰ সন্থা, মোৰ শ্ৰদ্ধাৰ দাদা-বাইদেউ, বন্ধু-বান্ধৱী আৰু ভাইটি-ভণ্টি সকলোৰে ওচৰত মই চিৰকৃতজ্ঞ।

সদৌশেষত আমাৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি আৰু ছয়গাঁও মহাবিদ্যালয়ৰ উত্তৰণ কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু ছয়গাঁও মহাবিদ্যালয়

বিনম্ৰতাৰে—

বনজিৎ কলিতা
সম্পাদক, সাংস্কৃতিক বিভাগ
ছাত্ৰ একতা সভা
ছয়গাঁও মহাবিদ্যালয়, ছয়গাঁও

## ২০১৮-১৯ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ
## সাংস্কৃতিক বিভাগৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল

শ্ৰেষ্ঠ কণ্ঠশিল্পী ঃ
কৰিশ্মা ৰাভা (স্নাতক ষষ্ঠ ষাণ্মাসিক)

**সাংস্কৃতিক শোভাযাত্ৰা প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ 'ৰোৱনী খেতিয়ক'ৰ দল
দ্বিতীয় ঃ 'জোনবিল মেলা'ৰ দল
তৃতীয় ঃ 'ৰথ যাত্ৰা'ৰ দল

**মূকাভিনয় (একক) প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ জিনি দিশা কপিল (স্নাতক দ্বিতীয় ষাণ্মাসিক)
দ্বিতীয় ঃ নিহাৰিকা দাস (স্নাতক ষষ্ঠ ষাণ্মাসিক)
সাগৰিকা ঠাকুৰীয়া (স্নাতক দ্বিতীয় ষাণ্মাসিক)

**মূকাভিনয় (দলীয়) প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ নিহাৰিকা দাসৰ দল
দ্বিতীয় ঃ জিনি দিশা কপিলৰ দল

**একক অভিনয় প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ ডিম্পী গোস্বামী (স্নাতক ষষ্ঠ ষাণ্মাসিক)
দ্বিতীয় ঃ গণদ্বিপন সাহা (স্নাতক ষষ্ঠ ষাণ্মাসিক)
তৃতীয় ঃ ভাস্কৰ ঠাকুৰীয়া (স্নাতক ষষ্ঠ ষাণ্মাসিক)
অলী সাউদ (স্নাতক দ্বিতীয় ষাণ্মাসিক)

**আধুনিক গীত প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ কৰিশ্মা ৰাভা (স্নাতক ষষ্ঠ ষাণ্মাসিক)
দ্বিতীয় ঃ চয়নিকা কলিতা (উঃমাঃ দ্বিতীয় বৰ্ষ)
তৃতীয় ঃ আব্দুল কৰিম (স্নাতক ষষ্ঠ ষাণ্মাসিক)

**ৰূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ কৰিশ্মা ৰাভা (স্নাতক ষষ্ঠ ষাণ্মাসিক)
দ্বিতীয় ঃ আব্দুল কৰিম (স্নাতক ষষ্ঠ ষাণ্মাসিক)
তৃতীয় ঃ চয়নিকা কলিতা (উঃমাঃ দ্বিতীয় বৰ্ষ)

**জয়ন্ত সংগীত প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ জিমণি নাথ (স্নাতক ষষ্ঠ ষাণ্মাসিক)
দ্বিতীয় ঃ আব্দুল কৰিম (স্নাতক ষষ্ঠ ষাণ্মাসিক)
তৃতীয় ঃ জিনি দিশা কপিল (স্নাতক দ্বিতীয় ষাণ্মাসিক)

**লোকগীত প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ আব্দুল কৰিম (স্নাতক ষষ্ঠ ষাণ্মাসিক)
দ্বিতীয় ঃ কৰিশ্মা ৰাভা (স্নাতক ষষ্ঠ ষাণ্মাসিক)
তৃতীয় ঃ অঞ্জুৱাৰা বেগম (স্নাতক দ্বিতীয় ষাণ্মাসিক)

**বৰগীত প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ চয়নিকা কলিতা (উঃমাঃ দ্বিতীয় বৰ্ষ)
দ্বিতীয় ঃ আব্দুল কৰিম (স্নাতক ষষ্ঠ ষাণ্মাসিক)
তৃতীয় ঃ ভায়োলিনা বড়ো (স্নাতক দ্বিতীয় ষাণ্মাসিক)

**শাস্ত্ৰীয় সংগীত প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ আব্দুল কৰিম (স্নাতক ষষ্ঠ ষাণ্মাসিক)
দ্বিতীয় ঃ চয়নিকা কলিতা (উঃমাঃ দ্বিতীয় বৰ্ষ)
তৃতীয় ঃ সাগৰ দাস (উঃমাঃ প্ৰথম বৰ্ষ)

**লঘু শাস্ত্ৰীয় সংগীত প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ চয়নিকা কলিতা (উঃমাঃ দ্বিতীয় বৰ্ষ)
দ্বিতীয় ঃ আব্দুল কৰিম (স্নাতক ষষ্ঠ ষাণ্মাসিক)
তৃতীয় ঃ জিমণি নাথ (স্নাতক ষষ্ঠ ষাণ্মাসিক)

**বিষ্ণু সংগীত প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ আব্দুল কৰিম (স্নাতক ষষ্ঠ ষাণ্মাসিক)
দ্বিতীয় ঃ জিনি দিশা কপিল (স্নাতক দ্বিতীয় ষাণ্মাসিক)
তৃতীয় ঃ কৰিশ্মা ৰাভা (স্নাতক ষষ্ঠ ষাণ্মাসিক)

**জ্যোতি সংগীত প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ কৰিশ্মা ৰাভা (স্নাতক ষষ্ঠ ষাণ্মাসিক)

দ্বিতীয় ঃ আব্দুল কৰিম (স্নাতক ষষ্ঠ ষাণ্মাসিক)

তৃতীয় ঃ জিনি দিশা কপিল (স্নাতক দ্বিতীয় ষাণ্মাসিক)

**বনগীত প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ কৰিশ্মা ৰাভা (স্নাতক ষষ্ঠ ষাণ্মাসিক)

দ্বিতীয় ঃ আব্দুল কৰিম (স্নাতক ষষ্ঠ ষাণ্মাসিক)

তৃতীয় ঃ চয়নিকা কলিতা (উঃমাঃ দ্বিতীয় বৰ্ষ)

**পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীত প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ আব্দুল কৰিম (স্নাতক ষষ্ঠ ষাণ্মাসিক)

দ্বিতীয় ঃ চয়নিকা কলিতা (উঃমাঃ দ্বিতীয় বৰ্ষ)

তৃতীয় ঃ কৰিশ্মা ৰাভা (স্নাতক ষষ্ঠ ষাণ্মাসিক)

**ৰবীন্দ্ৰ সংগীত প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ চয়নিকা কলিতা (উঃমাঃ দ্বিতীয় বৰ্ষ)

দ্বিতীয় ঃ আব্দুল কৰিম (স্নাতক ষষ্ঠ ষাণ্মাসিক)

তৃতীয় ঃ জিমণি নাথ (স্নাতক ষষ্ঠ ষাণ্মাসিক)

**সুগম সংগীত প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ কৰিশ্মা ৰাভা (স্নাতক ষষ্ঠ ষাণ্মাসিক)

দ্বিতীয় ঃ চয়নিকা কলিতা (উঃমাঃ দ্বিতীয় বৰ্ষ)

তৃতীয় ঃ আব্দুল কৰিম (স্নাতক ষষ্ঠ ষাণ্মাসিক)

**একক আধুনিক নৃত্য প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ চুমি দাস (স্নাতক দ্বিতীয় ষাণ্মাসিক)

দ্বিতীয় ঃ সৰস্বতী দাস (স্নাতক দ্বিতীয় ষাণ্মাসিক)

তৃতীয় ঃ চুমি দাস (উঃমাঃ প্ৰথম বৰ্ষ)
বুলুমণি বড়ো (উঃমাঃ প্ৰথম বৰ্ষ)

**দলীয় নৃত্য প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ বাঁহী দল

দ্বিতীয় ঃ ভাস্কৰ কলিতাৰ দল

**শাস্ত্ৰীয় নৃত্য প্ৰতিযোগিতা ঃ**

উদ্‌গণিমূলক বঁটা ঃ চুমি দাস (স্নাতক দ্বিতীয় ষাণ্মাসিক)

# খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন





প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ ফলত ছয়গাঁও মহাবিদ্যালয়ৰ জন্ম হৈছিল সেইসকল ব্যক্তিলৈ মোৰ ফালৰ পৰা আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ যিকোনো বিভাগৰ সম্পাদকৰ প্ৰথম আৰু প্ৰধান উদ্দেশ্য হৈছে নিজৰ বিভাগীয় কাম-কাজসমূহৰ উপৰিও বিভিন্ন ক্ষেত্ৰত ছাত্ৰ-একতা সভাৰ অন্যান্য বিষয়ববীয়াসকলৰ লগত মহাবিদ্যালয়ৰ বিভিন্ন ক্ষেত্ৰৰ উন্নতিৰ অৰিহণা যগোৱা। এই উদ্দেশ্য আগত ৰাখিয়ে মই খেল বিভাগৰ সম্পাদক হিচাপে নিজৰ সেৱা আগবঢ়াবলৈ চেষ্টা কৰিছিলোঁ।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতেই আমাৰ প্ৰথম কাৰ্যসূচী আছিল 'বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ'। ছয়গাঁও মহাবিদ্যালয়ৰ প্ৰতিবছৰে অনুষ্ঠিত হোৱাৰ দৰে এইবেলিও মহাবিদ্যালয় সপ্তাহখনি ২৮ জানুৱাৰীৰ পৰা ২ ফেব্ৰুৱাৰীলৈ সুকলমে চলি যায়। মহাবিদ্যালয় সপ্তাহখনি সুচাৰুৰূপে চলাই নিয়াত মোক বিভিন্ন দিশৰ পৰা সহায় আৰু পৰামৰ্শ দিয়া তত্বাৱধায়ক শ্ৰীযুত ফনিন্দ্ৰ কলিতা ছাৰ লগতে সমূহ শিক্ষক-শিক্ষয়িত্ৰীবৃন্দ আৰু মহবিদ্যালয়ৰ সমূহ কৰ্মচাৰীবৃন্দক মোৰ ফালৰ পৰা আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মোৰ কাৰ্যকালৰ প্ৰতিটো দিশত সহায় সহযোগিতা আগবঢ়াই অহা ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া সকলৰ লগতে মোৰ সমূহ বন্ধু-বান্ধৱীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মোৰ কাৰ্যকালৰ সময়ছোৱাত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা মাৰ্জনা বিচাৰি আৰু মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু ছয়গাঁও মহাবিদ্যালয়

বিনম্ৰতাৰে—

বিপুল বৰ্মন
সম্পাদক, খেল বিভাগ
ছাত্ৰ একতা সভা
ছয়গাঁও মহাবিদ্যালয়, ছয়গাঁও

## ২০১৮-১৯ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ খেল বিভাগৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল

শ্ৰেষ্ঠ খেলুৱৈ (ল'ৰা) ঃ বুবুল দাস (স্নাতক ষষ্ঠ ষাণ্মাসিক)
শ্ৰেষ্ঠ খেলুৱৈ (ছোৱালী) ঃ পাৰুল দাস (উঃমাঃ প্ৰথম বৰ্ষ)

**ক্ৰিকেট প্ৰতিযোগিতা (ল'ৰা) ঃ**

চেম্পিয়ন দল ঃ **চতুৰ্থ ষাণ্মাসিক**
বনজিৎ কলিতা
বাসুদেৱ দাস
যোচেফ আলী
প্ৰাণজিৎ কলিতা
হিমাংশু কলিতা
মানস কলিতা
সৌৰভ দাস

ৰানাৰ্চ আপ ঃ **ষষ্ঠ ষাণ্মাসিক** (8 Boys Team)
কমল দাস
সঞ্জীৱ দাস
আজিজুৰ ৰহমান
চিন্ময় দাস
শশাংক কলিতা
মনোজ কলিতা
মনোজ দাস
ৰাজু দাস

**ক্ৰিকেট প্ৰতিযোগিতা (ছোৱালী ঃ**

চেম্পিয়ন দল ঃ সুৰভি নাথ
জিন্টি মেধি
দেৱাশ্ৰী বিশ্বাস
পম্পী কলিতা
সাগৰিকা ঠাকুৰীয়া
জিনি দিশা কপিল
বন্দনা কলিতা
নিকুমণি বড়ো

ৰানাৰ্চ আপ ঃ পাৰুল দাস
অনুপমা দাস
বিভাশ্ৰী নাথ
চুমি দাস
হিমাদ্ৰী কলিতা
সুনিতা সূত্ৰধৰ
মনজিতা বড়ো

**ফুটবল প্ৰতিযোগিতা**

চেম্পিয়ন দল ঃ FCB
মিথিংগা ৰাভা
নিতুল ৰাভা
ভৃগুমণি দাস
প্ৰকল্প দাস
ৰাজদ্বীপ দাস
হীৰক ৰাভা
ৰূপজ্যোতি ৰাভা

ৰাণাৰ্চ আপ ঃ 4th Sem
বনজিৎ কলিতা
ৰাহুল দাস
শশাংক কলিতা
ৰিংকু কলিতা
দ্বীপজ্যোতি কলিতা
জয়নুদ্দিন আলী
প্ৰবাল দাস
মানস নাথ

**ভলীবল প্ৰতিযোগিতা**

চেম্পিয়ন দল ঃ AK-47
